# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Satyendra Nath Sarmah | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asama Saāhitya Sabhāa Patrikāa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1959 (1881 Sak) | Edition: |
| Size: 24 cm 221 + 7 pages | Genre: Magazine |
| Volumes: 18 - 3 issues | Condition of the original: Not bad |
| Remarks: 3rd. 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

বঙ্গ সাহিত্য সভা পুথি ভাণ্ডার

বঙ্গ সাহিত্য সভা পুথি ভাণ্ডার

# অসম সাহিত্য সভা পত্ৰিকা

সম্পাদক : শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা

অষ্টাদশ বছৰ ॥ ১ ৯ ৫ ৯ ॥ ১ম সংখ্যা

225(4)
২১(০১)

## সম্পাদনা সমিতি

শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, প্ৰঃ সম্পাদক
,, হৰিপ্ৰসাদ নেওগ, সহঃ সম্পাদক
,, বিশ্বনাৰায়ণ শাস্ত্ৰী
,, নৰেন্দ্ৰনাথ শৰ্ম্মা
,, ৰজনীকান্ত শৰ্ম্মা
,, মহেশ্বৰ নেওগ
পত্ৰিকা সম্পাদক—শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্ম্মা।

## সূচী


| | বিষয় | লেখক | | পিঠি |
|---|---|---|---|---|
| ১। | কুৰুক্ষেত্ৰ আৰু ভগদত্ত | শ্ৰীপদ্মেশ্বৰ গগৈ | | ১ |
| ২। | অসমৰ জন বিশ্বাসত মাছ | শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱা | | ৫ |
| ৩। | সাহিত্য আৰু নৈৰ্ব্যক্তিকতা | শ্ৰীদিলীপ বৰুৱা | | ২০ |
| ৪। | পৰ্ব্বত-ভৈয়ামৰ লোকগীত | শ্ৰীঅম্বেশ্বৰ চেতিয়াফুকন | | ২৪ |
| ৫। | নয় আৰু বামনয় | শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী | | ২৬ |
| ৬। | চাকংফুকনৰ বুৰঞ্জী | শ্ৰীলীলা গগৈ | | ৩২ |
| ৭। | সংস্কৃত কাব্যত বৰ্ষা | শ্ৰীমুকুণ্ড মাধৱ শৰ্ম্মা | | ৩৯ |
| ৮। | বামনয় | শ্ৰীৰাজমোহন নাথ | | ৪৬ |
| ৯। | অসমীয়া সাহিত্যত ছেক্সপীয়েৰ | শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্ম্মা | | ৫২ |
| ১০। | সিন্ধুৰাম চাহাৰ সম্পৰ্কে একেষাৰ | শ্ৰীঅমেলেন্দু গুহ | | ৫৭ |
| ১১। | পুথি-পৰিচয় | | | ৫৮ |
| ১২। | সম্পাদকীয় মন্তব্য | — | — | ৬১ |
| ১৩। | কাৰ্য্যনিৰ্ব্বাহক সমিতি | — | — | ৬৩ |
| ১৪। | সাহিত্য সভাৰ সংবাদ | — | — | ৭৩ |

# অসম সাহিত্য সভা পত্ৰিকা

অষ্টাদশ বছৰ { ১৮৮১ শক, বহাগ—শাওণ } প্ৰথম সংখ্যা

## কুৰুক্ষেত্ৰ আৰু ভগদত্ত

শ্ৰীপদ্মেশ্বৰ গগৈ ।

মহাভাৰতত উল্লেখ আছে যে প্ৰাগজ্যোতিষৰ অধিপতি ভগদত্তই এক অক্ষৌহিনী সৈন্য লৈ বৃদ্ধ বয়-সত কুৰু-ক্ষেত্ৰৰ মহাৰণত দুৰ্য্যোধনৰ ফলীয়া হৈ হাতীত যুদ্ধ কৰিছিল গৈ। সেই কুৰুক্ষেত্ৰৰ যুদ্ধ প্ৰকৃততে কুৰু পাঞ্চালৰ যুদ্ধ। সেই যুদ্ধৰ কালেই ভগদত্তৰো কাল হব। এই কাল সম্পৰ্কে নানা মুনিৰ নানা মত যেনে খৃঃ পূঃ ২৫৬৬, ১৯৩১, ১১৬২ ইত্যাদি।

ভগদত্তক নৰকাসুৰৰ পুত্ৰ বুলি শাস্ত্ৰ বিলাকত পৰিচয় দিছে। অসমত ভাস্কৰ বৰ্ম্মাৰ নিধনপুৰ তাম্ৰশাসনতো তাকেই কৈছে। ( "পাৰ্থিববৃন্দাৰকো নৰকঃ ॥ তস্মাদদৃষ্টনৰকান্নৰকাদজনিষ্ট নৃপতিৰিন্দ সখঃ ভগদত্তঃ ইত্যাদি )। নৰকাসুৰ আৰু ভগদত্ত দুইজনেই প্ৰাগজ্যোতিষৰ ৰজা।

প্ৰাগজ্যোতিষ কত ? নৰকাসুৰ আৰু ভগদত্তৰ প্ৰাগজ্যোতিষ একেখনেই নে? এই প্ৰশ্নৰ সু সমাধান এতিয়াও হৈছে বুলি কব নোৱাৰি। ৰামায়ণৰ মতে নৰকাসুৰৰ প্ৰাগজ্যোতিষ ভাৰতৰ উত্তৰ পশ্চিমত। কিষ্কিন্ধ্যাকাণ্ডত সুগ্ৰীৱে সুষেণ প্ৰমুখ্য বানৰ সকলক সীতা অন্বেষণত পশ্চিমলৈ প্ৰেৰণ কৰোতে পশ্চিমৰ দানৱ নৰকাসুৰৰ ৰাজ্যৰ ঠাইবোৰতো বিচাৰিবলৈ কৈছিল; সুগ্ৰীৱে বুজাই কৈছিল—

"যোজনানি চতুঃষষ্টিৰ্বৰাহো নাম পৰ্ব্বতঃ।
সুবৰ্ণশৃঙ্গঃ সুমহান্ অগাধে বৰুণাশয়ে ॥
তত্ৰ প্ৰাগজ্যোতিষং নাম জাতৰূপময়ং পুৰম্।
তস্মিন্ বসতি দুষ্টাত্মা নৰকো নাম দানবঃ ॥
তত্ৰ সানুষু ৰম্যেষু বিশালাসু গুহাসু চ।
ৰাবণঃ সহ বৈদেহ্যা মাৰ্গিতব্য স্ততস্ততঃ ॥

এই বৰ্ণনাৰ পৰা দেখা যায় দানৱ নৰকাসুৰৰ ৰাজধানী ভাৰতৰ পশ্চিমত থকা অগাধ জলেৰে পৰিবেষ্টিত বৰাহ নামে সুবৰ্ণশৃঙ্গ আৰু সুমহান এক পৰ্ব্বতৰ ওপৰত। নৰকাসুৰ হিমালয় বাসী সকলৰ ৰজা যে তাত বিশেষ সন্দেহৰ কাৰণ নাই। সেই

কালত পশ্চিম ভাৰতৰ বহুত ঠাই যে সাগৰৰ তলত আছিল পুৰাণৰ ভৌগলিক বৰ্ণনাবিলাকত তাৰো আভাস আছে। সি যি নহওক, বৰাহ পৰ্ব্বতৰ চাৰিওকাষৰ অগাধ জলৰাশি সাগৰেৰো হব পাৰে বা সিন্ধু নৈ বা তাৰ কোনো উপনৈৰ জলাহো হব পাৰে যাৰ মাজত গুৱাহাটীৰ উমানন্দৰ দৰে বৰাহ পৰ্ব্বতটো আছিল, নতুবা শত্ৰুৰ আক্ৰমণৰ পৰা ৰাজধানী ৰক্ষাৰ্থে নিৰ্ম্মাণ কৰা চাৰিওকাষৰ বিৰাট খালৰ পানীয়ো হব পাৰে।

এই প্ৰাগ্‌জ্যোতিষ যে ভাৰতৰ উত্তৰ পশ্চিমত তাৰ আভাস অশ্বমেধ পৰ্ব্বতো আছে। ত্ৰিগৰ্ত্ত ( বৰ্ত্তমান পাঞ্জাৱৰ জলন্ধৰ ) এৰিয়েই পাণ্ডৱৰ অশ্ব প্ৰাগ্‌জ্যোতিষত সোমায়। বনপৰ্ব্বতো তাৰ সমৰ্থন আছে, যেনে—লোমশ মুনিয়ে পাণ্ডৱসকলৰ সৈতে মন্দাকিনীয়েদি হিমালয়লৈ উঠি এঠাইত কৈছে :—

"এতদ্বিকীৰ্ণং স্থ শ্ৰীমহৎ কৈলাস শিখৰোপমম্।
যং পশ্যাসি নৰ শ্ৰেষ্ঠ ! পৰ্ব্বতপ্ৰতিমং স্থিতম্ ॥
এতান্যস্থীনি দৈত্যস্য নৰকস্য মহাত্মনঃ।
পৰ্ব্বতপ্ৰতিমং ভাতি পৰ্ব্বতপ্ৰস্তৰাশ্ৰিতম্ ॥

অৰ্থাৎ, চমুতে, কৈলাস পৰ্ব্বতৰ শিখৰৰ দৰে যি দেখা পাইছা সেই বিলাক দৈত্য নৰকৰ অস্থি জিলিকি আছে। এই বিষয়ে প্ৰফেচাৰ ভি, বি আথাৱালে তেওঁৰ "Was Pragjyotisa of Naraka in Assam or in Kathiwad ? নামৰ প্ৰবন্ধত নৰকাসুৰৰ প্ৰাগ্‌জ্যোতিষ বোম্বাই প্ৰদেশৰ কাথিৱাড়তে বুলি নানা যুক্তি দেখুৱাইছে। হয়তো দ্বাৰকাৰ যাদৱ বিলাকে কাথিৱাড় জয় কৰাৰ আগেয়ে সেই অঞ্চল প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ ভিতৰত আছিল। কোনো কোনো ভাৰতীয় পণ্ডিতে এই প্ৰাগ্‌জ্যোতিষ যে ভাৰতৰ উত্তৰ পশ্চিমত তাক ভৌগলিক আৰু জ্যোতিষ বিজ্ঞানৰ বিচাৰেৰেও দেখুৱাইছে।

এতিয়া নৰকাসুৰৰ পুত্ৰ ভগদত্ত যদি হয় তেন্তে তেওঁ কেনেকৈ অসম আৰু পূৰ্ব্ব বঙ্গৰ ( বৰ্ত্তমান পূৰ্ব্ব পাকিস্তানৰ ) ৰজা হলহি ? তেওঁ কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ৰ ৰজা হব পাৰেনে নোৱাৰে ? মহাভাৰতৰ বিভিন্ন পৰ্ব্বত ভগদত্তৰ বিষয়ে দিয়া বৰ্ণনা বিলাকত কোৱা হৈছে যে তেওঁ 'পৰ্ব্বতেশ্বৰ' 'কিৰাতৈশ্চ চীনৈশ্চ বৃতঃ,' 'ম্লেচ্ছানামাধিপঃ' ইত্যাদি। তেওঁৰ ৰাজ্য পূৰ্ব্ব সাগৰলৈকে নিশ্চয় বঙ্গোপ সাগৰ বিস্তৃত আছিল। পুৰাণতো ভাৰতৰ পূৱত যে কিৰাত দেশ ('পূৰ্ব্বে কিৰাতাঃ' ইত্যাদি মাৰ্কণ্ডেয়) সেই কথা স্পষ্টভাবে কৈছে। কিৰাতসকল বৈদিক যুগৰ পৰা আছে, কিন্তু চীন জাতিৰ নাম চীনা বুৰঞ্জীত খৃঃ পূঃ দশম শতিকাতহে প্ৰথম পোৱা যায়।

আধুনিক চীনা গৱেষণাবিলাকৰ পৰা পোৱা যায় যে আদিতে, অৰ্থাৎ খৃঃ পূঃ দশম শতিকাত, চীন এখন বৰ্ত্তমান চীনৰ উত্তৰ পশ্চিমত থকা কানচু প্ৰদেশৰ ভিতৰৰ নিচেই সৰু ৰাজ্য আছিল। খৃঃ পূঃ নৱম শতিকাত ইয়াৰ পৰিষৰ কিছু ডাঙৰ হয়। কিন্তু এই সৰু চীন ৰাজ্যখন প্ৰথম সাম্ৰাজ্যত পৰিণত হয় খৃঃ পূঃ ২৪৯ত। চীন-শিহ-ৱাঙ-তিয়াই এই সাম্ৰাজ্যৰ প্ৰথম সম্ৰাট বুলি অভিহিত কৰা হয়। কৌটিল্যৰ অৰ্থশাস্ত্ৰত 'কৌষেয়ম্ চীন পট্টাশ্চ চীন ভূমিজাঃ' অৰ্থাৎ চীন ভূমিত নিৰ্ম্মিত চীনা পাট কাপোৰ ৰাজকোষত থবলৈ কোৱা হৈছে। পণ্ডিত সকলৰ মতে অৰ্থ শাস্ত্ৰ খৃ পূঃ ৩২১-৩০০ ৰ ভিতৰত লিখা হব লাগিব। যদি সেয়ে হয়, তেন্তে সেই সময়ত চীন সাম্ৰাজ্যও হোৱা নাই আৰু চীন ভাৰতৰ যোগাযোগৰো কোনো উল্লেখ নাই। খৃঃ পূঃ দ্বিতীয় শতাব্দীৰ শেষ ভাগত চীন সম্ৰাট হান্-উ-তিয়ে হিয়ুঙ-নু হুনবিলাকক দমন কৰিবলৈ ওয়ে-চিহ্ জাতিৰ সহযোগ বিচাৰি প্ৰথম সেনাপতি চাঙ-চ্চিয়েন বা চাঙ-কিয়েনক পশ্চিমলৈ পঠিয়াইছিল আৰু তেওঁ ওয়ে-চিহ্ বিলাকৰ পৰা বৌদ্ধ ধৰ্ম্মৰ বিষয়ে জনাৰ ওপৰিয়ো বেক্ট্ৰিয়াৰ বজাৰত চীনদেশৰ জেচ্‌ৱান প্ৰদেশৰ পাটকাপোৰ আৰু বাঁহৰ কাৰুকাৰ্য্য কৰা বস্তু দেখি আচৰিত হৈছিল। অনুসন্ধান কৰি সেই বোৰ দ্ৰব্য ভাৰতৰ ওপৰেদি তালৈ আহিছে বুলি সম্ভেদ পালে। কিন্তু সেই কালত চীনাসকলৰ পূৱ ভাৰতৰ লগত কোনো যাতায়ত নাছিল, কাৰণ দক্ষিণ জেচ্‌ৱান্ আৰু য়ুন্নান্ তেতিয়াও টাইসকলৰ অধিকাৰত আছিল, আৰু টাইসকলৰ অৱশ্যে তাৰো আগৰে পৰা বৰ্ম্মা দেশৰ লগত যাতায়ত আছিল। গতিকে চীন দেশৰ নামত টাইসকলৰ দ্বাৰা ওপৰত উল্লেখ কৰা বস্তুবিলাকৰ সেইকালত বেহাবেপাৰ নচলিলে চীনাসকলৰ দ্বাৰা সি চলিব নোৱাৰে। চীনা সকলে সেই বাণিজ্য কৰা হলে চাঙ্-ক্ষিয়েনৰ আচৰিত হবৰ কোনো কাৰণ থাকিব নোৱাৰে। প্ৰথম খৃষ্টাব্দৰ দ্বিতীয়াৰ্দ্ধতহে বৰ্ত্তমানৰ দক্ষিণ-পশ্চিম চীন চীনৰ অধীনলৈ যায় আৰু তেতিয়াৰ পৰাহে বৰ্ম্মা, যথা ভাৰতলৈ, চীনৰ দুৱাৰ মুকলি হয় আৰু বিদেশী সজাতি দলবিলাক সেই বাটেদি চীনৰ ৰাজ দৰবাৰলৈ যাবলৈ ধৰে। তাৰ আগত সেই বাটে চীনাসকল আহি প্ৰাগ্‌জ্যোতিষ সোমোৱাৰ কোনো ঐতিহাসিক প্ৰমাণ নাই

ইফালে ৬১ খৃষ্টাব্দতহে পূৱ হান বংশী প্ৰসিদ্ধ সম্ৰাট মিঙ্ তিয়ে চাঙচ্চিয়েনৰ পৰা বৌদ্ধ ধৰ্ম্মৰ কথা শুনি বৌদ্ধ ভিক্ষু আৰু বৌদ্ধ শাস্ত্ৰ নিবলৈ প্ৰথম ভাৰতলৈ দূত পঠিয়ায়। তেতিয়াহে প্ৰথম ভাৰতীয় বৌদ্ধভিক্ষু কাশ্যপ মাতঙ্গ আৰু ধৰ্ম্মৰত্ন উত্তৰ-পশ্চিম পথেদি চীনলৈ যায় আৰু তাৰ ৰাজধানী লয়াঙৰ শ্বেত-অশ্ব বৌদ্ধ বিহাৰত সম্ৰাটৰ পৃষ্ঠপোষকত লভি বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰেগৈ। চীন-ভাৰতৰ মাজত এয়েই উত্তৰ ভাৰতেদি প্ৰথম গতাগত।

তাৰা-তন্ত্ৰ আৰু ৰুদ্ৰ-যামলত বৰ্ণোৱা বশিষ্ঠ মুনিৰ চীনভূমি যাত্ৰা আৰু বৌদ্ধ চীন-তাৰা সাধন নিশ্চয় চীনলৈ বৌদ্ধ ধৰ্ম্ম যোৱাৰ পাচৰ কথা হব। এই বশিষ্ঠ ৰামায়ণৰ বশিষ্ঠ নহয়। এওঁ তান্ত্ৰিক-বৌদ্ধ সাধকহে আৰু চীনৰ পৰা আহি সেই যুগৰ তন্ত্ৰ-প্ৰধান অসমত আশ্ৰম পাতেহি।

যদি আদি নৰকাসুৰৰ বংশধৰ সকলে প্ৰাগ্‌জ্যোতিষ কামৰূপত সচাকৈয়ে একেৰাহে ৰাজত্ব কৰিছিল বুলি ধৰা যায়, তেন্তে নৰকবংশী ৰজা সকলে কিমান কাল ৰাজত্ব কৰিব লাগিব তাৰ এই আভাষ ৰত্নপালৰ তাম্ৰ শাসনৰ পৰা পোৱা যায়। তাত লিখিছে শালস্তম্ভই— এবং বংশ ক্ৰমেণ ক্ষিতিমথ

নিখিলং ভুক্তবাং নৰকানাং ৰাজ্ঞাং ম্লেচ্ছাধিনাথো
বিধিচলন বশাদেব জগ্ৰাহ ৰাজ্যম্"

অৰ্থাৎ, এইদৰে সমগ্ৰ পৃথিবী বংশক্ৰমে ভোগ-কৰা নৰকবংশী ৰজাসকলৰ পৰা বিধি চলনাত ম্লেচ্ছাধিপতি শালস্তম্ভই ৰাজ্য কাঢ়ি লয়। কামৰূপত শালস্তম্ভৰ এই আক্ৰমণ খৃঃ ৭ম শতাব্দী শেষৰ ভাগত আৰু ভাস্কৰবৰ্ম্মাৰ মৃত্যুৰ পাচতে বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে। ভাস্কৰবৰ্ম্মাই তেওঁৰ তাম্ৰ শাসনতো নিজক নৰক বংশী বুলিলে পৰিচয় দিছে। যদি হয়, তেন্তে নৰকাসুৰৰ বংশধৰ সকলে ক্ৰমান্বয়ে ৰামায়ণৰ যুগৰ পৰা অন্ততঃ ২৫০০ বছৰ কামৰূপত ৰাজত্ব কৰিব লাগিব। একে ঠাইতে একেটা বংশই ইমান দীৰ্ঘ-কাল ৰাজত্ব কৰাটো বুৰঞ্জীত বিৰল আৰু মনেও নধৰে। ভগদত্তৰ ৰাজ্যত চীনা সৈন্যৰ উপস্থিতিয়ে তাক আৰু অসম্ভৱ

কৰি তোলে। যদি কোনোৱে ভগদত্তৰ চীন সৈন্য বিলাক চীন দেশৰ নহয় বুলি কয়, কোনো থলুৱা অনাৰ্য্য জাতি বুলি কব খোজে, সেই কথাও গ্ৰহণ যোগ্য নহয়। কাৰণ, অৰ্থ শাস্ত্ৰ, তন্ত্ৰ শাস্ত্ৰ আৰু অন্যান্য প্ৰাচীন গ্ৰন্থত চীন মানে চীন দেশৰ লোকক যিহেতু বুজায়, ভগদত্তৰ ক্ষেত্ৰত অন্যথা কৰাৰ কোনো যুক্তিযুক্ততা নাই। ডঃ সুনীতি কুমাৰ চাটাৰ্জ্জি আদি ভাৰতীয় সংস্কৃতিৰ প্ৰধান লিখক সকলেও ভগদত্তৰ 'চীন'সকলক চীন দেশৰ মানুহ বুলিয়েই ধৰিছে।

ভগদত্তৰ নাম ভগদত্তাসুৰ নোহোৱাটোও এক তথ্যপূৰ্ণ কথা। ভগদত্ত নিশ্চয় খৃষ্ট জন্মৰ আগৰ ৰজা নহয় অৱশ্যে তেওঁ ভাস্কৰবৰ্ম্মাৰ অন্ততঃ ১৩/১৪ পুৰুষ আগৰ ৰজা হব যদিও ভাস্কৰ বৰ্ম্মাৰ তাম্ৰ লিপিত হঠাতে বজ্ৰদত্তৰ পৰা পুষ্যবৰ্ম্মালৈকে তিনি হেজাৰ বছৰ ৰাজত্বৰ এটা বিৰাট ব্যৱধানৰ উল্লেখ অৰ্থশূন্য। ভগদত্ত বংশৰ অন্য উপায়ে প্ৰাচীনত্ব ৰক্ষা নপৰাৰ বাবেই এনে কৰা হয় যেন বোধহয় আৰু প্ৰকৃততে ভাস্কৰবৰ্ম্মাৰ ১৩/১৪ পুৰুষ আগতে ভগদত্ত হব আৰু প্ৰত্যেক ৰজাৰ ৰাজত্ব কাল ২৫ বছৰ হিচাবে ধৰিলেও ৩২৫/৩৫০ বছৰ মানৰ ব্যৱধানহে হয়। সেইমতে ভগদত্ত খৃঃ তৃতীয় বা চতুৰ্থ শতাব্দীৰ ৰজাহে হব। সেয়ে হলে তেওঁৰ ৰাজ্যত চীনা সৈন্যৰ কথাটো খাপ খায়।

ভগদত্তৰ আচলতে হিমালয়বাসী কিৰাত জাতীয় এজন প্ৰতাপী ৰজা আছিল বুলিয়েই বিশ্বাস হয়। সম্ভৱতঃ তেওঁ হিন্দু ধৰ্ম্মী হৈ এই নাম পায় আৰু তেওঁৰ ৰাজগুৰু ব্ৰাহ্মণ পুৰোহিতে তেওঁৰ আদি পুৰুষ বৰাহৰূপী বিষ্ণু বুলি নিৰ্দ্দিষ্ট কৰে আৰু সেই মতে তেওঁ আদি ভৌম নৰকৰ পুত্ৰ বা সন্ততি হল।

সেই বাবেই নিশ্চয় ভগদত্তৰ ৰাজ্যখনৰো নাম আদি পিতৃ ৰাজাৰ নামেৰে প্ৰাগ্‌জ্যোতিষ কৰা হল। এই নিয়মেই অসমৰ অন্যান্য প্ৰথম হিন্দুধৰ্ম্মী ৰজাসকলৰ বাবেও যেনে চুটিয়া ৰজাৰ বাবে বিন্ধ্যাৰ দক্ষিণৰ পৰা বিদৰ্ভ ৰাজ্যক, মণিপুৰী ৰজাৰ বাবে কলিঙ্গৰ মণিপুৰ ৰাজ্যক, কছাৰী ৰজাৰ বাবে উত্তৰ প্ৰদেশৰ মীৰাটৰ উত্তৰ পশ্চিমৰ পৰা হিড়িম্ব ৰাজ্যক আৰু তেজপুৰৰ অনাৰ্য্য নৃপতিৰ বাবে উত্তৰ প্ৰদেশৰ কুমাউনৰ পৰ্ব্বতীয়া অঞ্চলৰ পৰা শোণিতপুৰক অসমলৈ টানি অনা হৈছে। এইবিলাক বিষয়ে লিখকে বিভিন্ন প্ৰৱন্ধত মূলগ্ৰন্থ বিলাকৰ ভিত্তিত আলোচনা কৰি গৈছে। খৃষ্টিয় প্ৰথম শতাব্দীৰ পৰা হিন্দুধৰ্ম্মৰ প্ৰৱাহ প্ৰথমে আহি অসমত সোমোৱাৰ আভাস পোৱা যায়। সম্ভৱতঃ অসমৰ হিন্দু ধৰ্ম্মই সেই যুগত তান্ত্ৰিক ৰূপ লয়। সি যি নহওক সেই কালৰ ভিতৰত ব্ৰাহ্মণ পুৰোহিত সকল যে অসমৰ ভিন্ ভিন্ অনাৰ্য্য ৰজা সকলক ক্ষত্ৰিয় উপাধি দি কোনো হিন্দু দেৱতা বা ৰাজ পুৰুষৰ লগত বংশৰ সম্পৰ্ক দেখুৱাই তেওঁলোকক হিন্দু ভাৰত আৰু সংস্কৃতিৰ ভিতৰুৱা কৰিছিল সেই বিষয়ে কোনো সন্দেহ নাই। এই কাৰ্য্যত পুৰোহিত সকলে অনেক অলৌকিক বৰ্ণনাৰ অৱতাৰণা কৰিব লগীয়াত পৰিছে যিবিলাক ঐতিহাসিক বিচাৰত বিবেচ্য নহয়। অসমত উক্ত প্ৰাচীন নামবিলাকৰ সৃষ্টিৰ কালেই নিশ্চয় অসমলৈ হিন্দুধৰ্ম্মৰ প্ৰথম প্ৰৱেশৰো কাল হব আৰু সেই কাল প্ৰথম খৃষ্টাব্দৰ মানৰ পৰাই হব।

আদি মহাভাৰতৰ লগত অনেক পৰৱৰ্ত্তী যুগৰ কথা যোগ হৈ হৈ গ্ৰন্থৰ আকাৰ ডাঙৰ ('মহাভাৰ') হৈ গৈ আছে। অনেক পৰ্য্যায়ত মহাভাৰতৰ সংকলনো হৈছে। তাৰ কেইটামান সংকলন খৃষ্টজন্মৰ পাচতো



যে হৈছে তাত সন্দেহ নাই। গতিকে, কুৰুক্ষেত্ৰৰ যুদ্ধক সৰ্ব্বভাৰতীয় ৰূপ দি তাৰ গাম্ভীৰ্য্য আৰু মৰ্য্যাদা বঢ়োৱাৰ উদ্দেশ্যেই পৰৱৰ্ত্তী সংকলনত ভগদত্তৰ কথা সুমুৱাই দিয়া হৈছে, নতুবা কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ত ভগদত্ত থাকিব পাৰে বুলি ঐতিহাসিক দৃষ্টিৰপৰা বিশ্বাস নহয়। মহাভাৰত কেৱল কিছুমান ঘটনাৰ গ্ৰন্থই নহয়, ই আৰ্য্যধৰ্ম্ম আৰু আৰ্য্য সংস্কৃতিৰ প্ৰভাৱ বিস্তাৰৰে মাপকাঠী আৰু তাৰ বিস্তাৰৰ লগে লগে ইয়াৰো আকাৰ বাঢ়ি যায়।

---

# অসমৰ জনবিশ্বাসত মাছ

শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱা

অসমীয়া মানুহৰ মাছ প্ৰধান খাদ্য। সেই বাবেই অসমীয়াৰ সাংস্কৃতিক জীৱনৰ লগত মাছ এৰাব নোৱাৰাকৈ সাঙোৰ খাই আছে। মাছ খোৱা আৰু মাছধৰা সম্পৰ্কে অজস্ৰ জনবিশ্বাস আৰু অনুষ্ঠান অসমত প্ৰচলিত।

অসমত সকলোৱে মাছ খায়, ব্ৰাহ্মণসকল আনকি বৈষ্ণৱ সকলেও মাছ খায়। ১৬ শ শতিকাত ৰচিত যোগিনীতন্ত্ৰ নামৰ সংস্কৃত পুথিত অসমৰ কোনো শ্ৰেণীৰ মানুহৰ বাবেই মাছ আৰু মাংসৰ ব্যৱহাৰ নিষিদ্ধ নহয় বুলি নিৰ্দ্দেশ আছে। অৱশ্যে কোনো শ্ৰেণীৰ মাছ খোৱাত নিষেধাজ্ঞাও আছে। উচ্চ শ্ৰেণীৰ হিন্দুৱে মিৰিকা, শিঙ্গি, নেৰীয়া, গৰুৱা আদি মাছ নেখায়। ৰানচসকলৰ মাজতো গৰুৱা মাছ খোৱা নিষিদ্ধ। তেওঁলোকে এই মাছক য়ামি বুলি কয়। তেওঁলোকৰ মাজত বিশ্বাস আছে যে এই মাছ পূৰ্ব্বতে এজনী ছোৱালী আছিল (Myths of the North-East Frontier of India. P. 317)। চেমা নগাই আৰো দুবিধ মাছ নেখায়। আখাকি নামৰ এবিধ মাছ ডেকা মানুহে খাব নেপায়। কিম্বদন্তীমতে এই মাছ মানুহৰ শৰীৰৰ কোনো এক অংশৰ পৰা উৎপত্তি হৈছিল।

আঝ নামে আন এবিধৰ সম্পৰ্কে বিশ্বাস আছে যে এই মাছ খালে মৃত্যুকালত জীয়াতু ভুগিব লাগে। আঙ্গামি নগাৰ মেমি ঠালৰ মহৰা (শিল কটিওতা) আৰু আন উচ্চ শ্ৰেণীৰ মানুহে কুৰেউ নামৰ সৰু সৰু মাছ নেখায়। মণিপুৰৰ অভিজাত শ্ৰেণীৰ মানুহে বিশেষকৈ ৰাজ পৰিয়ালৰ কোঁৱৰ সকলে নগাৰিল বোলা সৰ্পাকৃতিৰ মাছটো খাব নেপায়, কিয়নো জন-বিশ্বাস মতে তেওঁলোকৰ আদি পুৰুষ-জনে কেতিয়াবা কেতিয়াবা সাপৰ ৰূপ লয়। খাছিয়াসকলৰো কোনো কোনো ঠাপে কোনো শ্ৰেণী মাছৰ লগত তেওঁলোকৰ গোত্ৰ সম্পৰ্ক আছে বুলি সেই মাছ ব্যৱহাৰ নকৰে। আন এটা বিশ্বাস মতে এবাৰ দুটা ঠালৰ মাজত পাৰিবাৰিক সংঘৰ্ষ লাগিছিল আৰু শক্তিশালী দলটোৱে অতি নিষ্ঠুৰ ভাৱে আনটো দলক পৰাস্ত কৰি গাঁৱৰ পৰা খেদি

পথোৰাত সিহঁতে এখন নৈৰ পাৰত আশ্ৰয় ললেগৈ। তাত এটা বিৰাট মাছ বামৰ ফালে অহা দেখি তেওঁলোকে পানীত জপিয়াই কোনোৰকমে তাক পাৰলৈ তুলিলে; উৰহৰ খং ভগা ঢাৰিত জৰাৰ দৰে সেই শক্তিশালী দলটোক একো কৰিব নোৱাৰি মাছটোকে কোবাই কোবাই গুৰি কৰি প্ৰতিশোধ ললে। সেই দিনাৰেইপৰা এই মাছটোক প্ৰতিশোধ মৎস্য বোলা হ'ল আৰু তেওঁলোকৰ ঠালটেৰে এই মাছ পালেই খোৱাটো নিয়ম হৈ পৰিল। মনিপুৰীসকলৰ দৰে খাছিয়া সকলেও বিশ্বাস কৰে যে তেওঁলোকৰ উপাস্য সৰ্পদেৱতা উ-থ্লেনও বছৰি অন্ততঃ এবাৰকৈ মানুহৰ তেজেৰে পূজা নেপালে তেওঁক ( গৃহ-দেৱতাক ) অৱহেলা কৰা বুলি বাহিৰা মানুহৰ উপস্থিতিত ঘৰৰ ভিতৰতে মাছ ৰূপ ধৰি গৃহস্থক লাজ দিয়ে।

উত্তৰ কাচাৰৰ ডিমাছা জাতিৰ লৰাছোৱালী নোহোৱা দম্পতিয়ে মুলি-লিঙ্গ নামে এটা ধৰ্ম্মানুষ্ঠান পালন কৰে। এই পূজাত বামী (নাদং), মাগুৰ (নাম্না) বৰালি (নায়েহ) আদি মাছ উছৰ্গা কৰা হয়। এই পূজা পাতিলে তেওঁলোকৰ সন্তানসন্ততি ওপজে। সেইদেখি তেওঁলোকে এইবোৰ মাছ নেখায়। তেওঁলোকৰ ল'ৰা ছোৱালীয়ে অৱশ্যে সেইবোৰ মাছ খোৱাত কোনো বাধা নাই।

কোনো বিশেষ ক্ষেত্ৰত অসমীয়া আৰু জনজাতীয় সকলেও মাছলৈ যোৱাৰ আগতে কিছুমান ক্ৰিয়া কাণ্ড পালন কৰে। চ'ত মাহৰ ভাল দিন এটা চাই আৰু মাঘ-বিহুৰ উৰুকাৰ দিনা গোটেই ৰাইজে—মুনিহ তিৰোতা ল'ৰা আটায়ে আনুষ্ঠানিক ভাবে ওচৰৰ নৈ বা বিলত মাছ মাৰিবলৈ যায়। পানীত নমাৰ আগতে পাৰত জলদেৱতাৰ নামত পূজা-উচৰ্গা কৰে। জালত ভালদৰে মাছ পৰিবলৈ সেই পূজাত মন্ত্ৰাদিও উচ্চাৰণ কৰা হয়। মাছক মন্ত্ৰমুগ্ধ কৰা আৰু সৰহকৈ মাছ ধৰিব পৰা অসমীয়া বহুতো মন্ত্ৰ আছে।

লোঠা নগাৰ ৰীতিমতে মাছ ধৰিবলৈ যোৱাৰ আগনিশা সহবাস নিষিদ্ধ আৰু পানীত নমাৰ আগতে পুৱা কোনো জন্তু আদিও মাৰিব নেপায়। মাছ মাৰি থাকোঁতে তিৰোতাৰ উপস্থিতিও নিষেধ। গাৰ'ৰ সামূহিক ভাবে হোৱা বলি উৎসৱৰ সময়ত লাখেৰ পুৰোহিতে মাছ নেখায় আৰু মাৰিবলৈকো নেযায়।

জালমৰা আৰু পানী বিষাক্ত কৰাৰ বাহিৰেও অসমীয়া মানুহে মাছ ধৰাৰ নানা সৰঞ্জাম ব্যৱহাৰ কৰে। চেপা, খোকা, জুলুকি, পল, দলঙ্গা, ডিঙৰা ভৈৰ, পউৰী, চৈক আদি সৰ্ব্বসাধাৰণে ব্যৱহাৰ কৰা সঁজুলি। ইয়াৰ বেছি ভাগেই বাঁহৰ কাঠি-কামিৰে সজা হয়।

মাছ মৰা এই সা-সজুলিবোৰৰ লগত বিবিধ বিশ্বাস জড়িত। শনি বা মঙ্গলবাৰে মকৰাৰ জালত বান্ধ খোৱা ফৰিং অথবা পোকপৰুৱা মাছ মৰা জালত গাঁঠি ললে অধিক মাছ জালত উঠে বুলি কছাৰীসকলৰ বিশ্বাস। মাছ মাৰিবলৈ যাওঁতে কছাৰীসকলে মাছ মৰা সাজুলি আনক ছুবলৈ নিদিয়ে; কোনো কোনোৱে মাছ মাৰিবলৈ ওলাওঁতে বাঢ়নীৰে সাতবাৰ নিজৰ জালত কোবায়। বিল বা পুখুৰীত নমাৰ আগতে মাছুৱৈয়ে তাৰ পানীত তিনিবাৰ থু ৰায়। জালত প্ৰথম মাছ লগাৰ লগে লগে জালৰ দাহাৰী বা মাৰিত তিনিবাৰ কোবায়।

( শ্ৰীবিনোদবিহাৰি কছাৰীৰ পৰা পোৱা )

সামাজিক ৰীতি-নীতিতো মাছৰ এটা বিশিষ্ট স্থান আছে। অসমীয়াৰ বিয়াত জোৰোণ বা তেল ভাৰৰ দিনা জোৰোণৰ কাপোৰ-কানী আ-অলঙ্কাৰ, তামোল-পাণ আদিৰ লগতে দৰা ঘৰৰ পৰাও মাছ এটা দিব লাগে। শুভ কাৰ্য্যত মাছক পবিত্ৰ বুলি ভবা হয়। আকৌ বিয়াৰ পাছত আঠমঙ্গলাৰ দিনা বন্ধু বান্ধৱক মাতি কইনা ঘৰত যি ভোজ দিয়া হয়, তাতো মাছ লাগিবই। মনিপুৰী সকলৰ মাজোতো বিয়াৰ পঞ্চম দিনা পতা ভোজত মাছ অপৰিহাৰ্য্য। এই অনুষ্ঠানৰ নাম মঙ্গানি চকউবা। আৰু যদিহে কেনাবাকৈ মাছখোৱা নিষিদ্ধ দিনত সেই দিনটো পৰে তেতিয়াহলে তাৰ পাছদিনাহে মঙ্গানি চকউবা পতা হয়। উত্তৰ কাছাৰৰ ডিমাছা কছাৰীবিলাকৰ মাজোতো এটা লোকাচাৰ পালন কৰা হয়। বিয়াৰ দিনা কইনা ঘৰলৈ যাওঁতে দৰাই কইনাঘৰীয়া মানুহলৈ লাওপানী (জু) মওহ (মগং) আৰু মাছ (নো) লৈ যায়। বিয়াৰ পাছদিনা এইবোৰ কইনাৰ অওহী সংহীক খুওৱা হয়। কেচা মাছ নেপালে শুকান মাছকে দিয়া হয়।

খাছিয়াৰ বিয়াতো মাছৰ ব্যৱহাৰ আছে। তিনি ডোখৰ শুকান মাছ মজিয়াত থৈ তাৰ ওপৰত তিনিবাৰ মদ ঢালি দি পুৰোহিতে দেৱতা আৰু পূৰ্ব্বপুৰুষৰ আত্মাক বিয়াৰ সাক্ষী হবলৈ আহ্বান জনায়। ইয়াৰ পাছত মাছ কেইডোখৰ ঘৰৰ ছাল বা মাৰলিত আঁৰি থোৱা হয়। লৰাছোৱালী নোপজালৈকৈ মাছ কেইডোখৰ নমোৱা নহয়। মিৰিবিলাকৰ বিয়া ঠিক কৰোতেও মাছ লাগে। এশ একুৰি বিধৰ মাছ কেচাই হওক বা শুকানে হওঁক, দৰাই 'আৰচু আকুন' পালনত অৰ্থাৎ ছোৱালী খুজিবলৈ যাওঁতে লৈ যাব লাগিব। মাছ নহলে বাগ্‌দানৰ কোনো মূল্য নেথাকে। মাছৰ সংখ্যা কম হলেও কন্যাপক্ষক অৱজ্ঞা কৰা হয়। আকৌ বিয়াৰ সময়তো সমান আকাৰৰ ষাঠিটা শুকান মাছ দৰাঘৰীয়াই লগত নিব লাগে। সেই মাছ দৰা কন্যাই একেলগে একেখন কাঁহীতে 'নগাচান আৰু 'পিম্প' আপীৰ অৰ্থাৎ শুকান মাছ আৰু বিশেষধৰণে ৰন্ধা ভাত খাব লাগে। মিকিৰসকলেও বিয়াৰ সময়ত পূৰ্ব্ব পুৰুষসকলৰ উদ্দেশ্যে শুকান মাছ উচৰ্গা কৰে। মনিপুৰীসকলে বিয়াৰ সম্প্ৰদানৰ সময়ত দুটা নগামু নামৰ মাছ পানীত এৰি দিয়ে। সেই মাছ দুটা দৰা আৰু কন্যাৰ প্ৰতীক বুলি ধৰা হয়। এই মাছ দৰাঘৰীয়াই লগত লৈ গৈ কইনাৰ ঘৰত শ্ৰমাহিকা নামে শ্ৰমাহি দেৱতাৰ উদ্দেশ্যে ৰখা কুঠৰী এটাত থৈ দিয়ে। মাছ এৰিবৰ সময় হলে দৰাঘৰীয়া দুজনী তিৰোতাই সোঁহাতে থকা মাছটো আৰু আন তিনিজনী তিৰোতাই আনটো মাছ ল'ব। অৰ্থাৎ দলটোত পাঁচজনী বা তিনিজনী তিৰোতাহে হব লাগে। এই খিনিতে তলৰ অসমীয়া বিয়ানাম ফাঁকি মন কৰিবলগীয়া—

চৰিয়াত জীয়াবা মাগুৰ মাছ এপাহি
কইনাৰ আগতে থবা ;
সেই মাছ হালিকে নৈতে মেলি দিবা
দীৰ্ঘজীবী পুত্ৰ পাবা

( শ্ৰীযোগেন চেতিয়াৰ "ৰংমন মাছলৈ গ'ল" নামৰ "অসম বানীত" প্ৰকাশিত প্ৰবন্ধৰ পৰা )

দুইটা মাছ একে সময়তে পানীত এৰি দিয়া হয়। এই মাছ দুটাৰ গতিবিধি চাই মানুহে দৰা কইনাৰ ভবিষ্যত গণনা কৰে। আওনগাৰ বিয়াতো দৰাই মাছ দিহে বিয়াৰ স্থিৰ সিদ্ধান্ত কৰিব পাৰে। এই অনুষ্ঠানটোৰ এইদৰে কৰা হয়। ডেকাজন নিজৰ ঠালৰ বুঢ়া মানুহ এজনৰ ওচৰলৈ গৈ কয় ; "মই আজি মাছলৈ যাম। সন্ধিয়া মোৰ ঘৰলৈ আহিবা।" তাৰ পাছত সি কিছু মাছ ধৰি আনি সেই বুঢ়াজনক লগ ধৰে। মাছটো

বুঢ়াজনৰৰ হাতত দি বুঢ়াৰ পাছে পাছে সি কইনা ঘৰলৈ বুলি খোজ লব ধৰে। মাছটো কইনা ঘৰক দিয়া হয়। বুঢ়া আৰু কন্যা-প্ৰাৰ্থীক মদ দিয়া হয়, কিন্তু বিয়াৰ বিষয়ে তেতিয়া কোনো কথা পতা নহয়। পাছদিনা পুৱা সি আকৌ ছোৱালীৰ ঘৰলৈ যায়। তাক ভাত খাবলৈ দিয়া হয়। যদিহে ছোৱালীৰ বাপেক-মাকে সি দিয়া মাছটো খায় তেনেহলে বিয়াত মত আছে বুলি বুজিব পাৰি। আন এটা ৰীতিমতে ডেকাই লগত বিশ-ত্ৰিশ জন লগৰীয়া লৈ নৈত মাছ ধৰাৰ বিহ দিয়েগৈ। ধৰা মাছৰ শকত ভাগটো মধ্যস্থকাৰীজনে ছোৱালীৰ বাপেক-মাকক দিবগৈ। ইয়াৰে এটা ভাগ আকৌ তেওঁলোকে ওভোতাই পঠাব আৰু বাকীখিনিৰ কিছু মিতিৰ কুটুমৰ মাজত বিলাব। ইয়ে বিয়া স্থিৰ হৈছে বুলি ৰাইজক জাননী দিয়ে।

‘কেচুৱা উপজিলে আত্মীয়-স্বজন, বান্ধৱবান্ধৱক মাছ দিয়া অসমীয়া মানুহৰ এটা সাধাৰণ ৰীতি। পুংসৱন উৎসৱত এযোৰ মাগুৰ মাছ পূজা কৰি পূজাৰ অন্তত তাক পানীত এৰি দিয়া হয়। নাম-কৰণ উৎসৱত মাছেৰে ভোজ দিয়া হয়। সাধাৰণতে ছমাহ বয়সত কৰা উৎসৱত মাছ ৰন্ধা হয় আৰু কেচুৱাক কাঁহীত দিয়া হয়, কিন্তু নুখুৱায়। খাছিয়া-সকলে সন্তান ওপজা উৎসৱত লাউপানী, পিঠাগুৰি আৰু হালধিৰ লগত মাছ খায়। কেচুৱা ওপজাৰ পাছত অপৰিষ্কাৰবোৰ পুতি উভতি আহি বাপেকে পিঠাগুৰি খোৱাৰ পাছত দুজন লগৰীয়াই শুকান মাছৰ কাঁইট দুডাল লৈ ডোখৰ ডোখৰ কৰে। পবিত্ৰীকৰণ আৰু নামকৰণ উৎসৱত ( ওপজাৰ দিনাই কৰা হয় ) পৰিয়ালৰ মানুহে একাজলীকৈ চাউলৰ গুৰি শুকান মাছ আৰু আদাৰে খায়। লোঠা নগাবিলাকে এমাহৰ ভিতৰতে উৎসৱ পাতি মাংস বা মাছ কেচুৱাৰ মুখত দিয়ে।

অসমীয়া মানুহে পৰিয়ালৰ কোনোবা ঢুকালে অশৌচৰ দিনকেইটা মাছ মাংস নেখায়। শ্ৰাদ্ধৰ পাছত গিয়াতিলি ভোজ পাতি সেই ভোজত জ্ঞাতিৰ লগত মৃতকৰ পৰিয়ালে মাছ খ'ব লাগে ; মৃতকৰ অৰ্থে মাছ বান্ধি পিণ্ডও দিয়ে । বাৰ্ষিক শ্ৰাদ্ধৰ অন্নাদিদানত বাকলি থকা মাছ উছৰ্গা কৰিবই লাগে। বড়ো আৰু গাড়ো সকলেও এনেকুৱা ভোজ দিয়ে। গাৰোৱে ‘মৃতকক দাহ কৰাৰ পাছদিনা পুৱা পতি বা পত্নী নাইবা কোনো ওচৰ সম্বন্ধীয়াই ৰন্ধা সাজ লৈ পোৱা ঠাইলৈ গৈ তাতে ভাত মিছামাছ আৰু কনী ৰান্ধে। সম্ভৱ হলে শৱ-দাহৰ জুইতে সেইখিনি ৰান্ধিব লাগে। ৰন্ধাহলে তেওঁ সেই পাত্ৰটো তাতে ভাঙি আৰু চিঞৰি চিঞৰি বিনায়। মিছামাছ ৰন্ধাৰ কাৰণ হৈছে এয়ে যে যেতিয়া মেগম-আইৰিয়া বা প্ৰথম মৃত লোকজন ঘৰলৈ উভতি আহিছিল তেতিয়া তেওঁ ঘৈণীয়েকে মিছামাছ ধৰি থকা দেখা পাইছিল। মংচেন আওবিলাকে মেথোন বলি দিওঁতে বলি উৎসৱ দিয়া জনে উপবাসৰ চতুৰ্থ-দিনা পুৱা হাবিত বহি শুকান মাছ এডোখৰ আৰু দুটা চাউল খাই উপবাস ভাঙে।

দেব-দেৱীৰ উদ্দেশ্যেও মাছ উছৰ্গা কৰা হয়। যোগিনী—তন্ত্ৰত বিধান আছে যে দেৱতাক নিৰা-মিষ উপচাৰৰ বাহিৰেও মাছ বা আন জন্তুৰ মঙহ উছৰ্গা কৰিব পাৰি। যোগনী তন্ত্ৰ মতে মাছৰ উপচাৰ বিষ্ণুৰো প্ৰিয় । কামৰূপৰ হাজো দেৱালয়ত বিষ্ণুক মৎস্য অৱতাৰ ৰূপে মৎস্যধ্বজ নামে পূজা কৰা হয়। যোগিনী—তন্ত্ৰ মতে মূৰ্ত্তিটোৰ প্ৰতিষ্ঠা সম্পৰ্কে বৃতান্ত আছে। উৰিষ্যাৰ



ৰজা ইন্দ্ৰদ্যুম্নই সমাজিক দেখিলে যে এজোপা ডাঙৰ গছ সাগৰত উটি আহি পাৰত লাগিছে হি। তেওঁ পাছ দিনা পুৱাতে সেইমতে পাই সামাজিকৰ নিৰ্দ্দেশ মতে কুঠাৰেৰে কাঠডোখৰ সাতটুকুৰা কৰিলে। তাৰে দুডোখৰ কামৰূপলৈ অনা হ'ল। এডোখৰেৰে হয়গ্ৰীৱ আন এডো-খৰেৰে মৎস্যৰূপী দেৱতা মাধৱৰ মূৰ্ত্তি সজোৱা হল। মৎস্য দেৱতাৰ মূৰ্ত্তি সজাবলৈ উৰিষ্যাৰ পৰা ক'ঠ অনোৱাৰ কথাটো ডঃ কাকতিৰ মতে এই দেৱতাৰ আগমন দক্ষিণ ভাৰতৰ পৰা হোৱা বুলি ভাবিবৰ থল আছে। দেবীপূজাতো মাছ উছৰ্গা কৰাৰ নিয়ম আছে, বিশেষকৈ শাৰদীয় দূৰ্গাপূজাত। কোনো কোনো দেবী পুজাত মাগুৰ মাছ বলি দিয়া হয়। কছাৰীসকলৰ খেৰাই বা বাথৌ (অধ্যপক সুকুমাৰ সেনৰ মতে বাথৌ প্ৰাচীন ভাৰতৰ বাস্তুভিটা উৎসৱ।) পূজাৰ লগত অপদেৱতাসকলৰো পূজা কৰে। এই পূজাত মাছৰ টেঙা আঞ্জা ৰান্ধি উছৰ্গা কৰা হয়। তদুপৰি দাইন অবাং অৰ্থাৎ ভূত প্ৰেতৰ পূজাত ৰৌ মাছৰ আঞ্জা ৰান্ধি ভোজ দিয়া হয়। কুৱেৰ আৰু জলকুঁৱৰীক কছাৰীসকলে মাছৰ আদি দেৱতা বুলি বিশ্বাস কৰি কুকুৰা গাহৰি বলি দি পুজা কৰে। গাৰোসকলে নহমা নহচা ( মাছৰ আদি জননী ) আৰু মিনিমা ৰোকিম্মেক (লক্ষ্মী) ৰাই ভনী বুলি বিশ্বাস কৰে আৰু তুয়োজনক পুজা কৰে।

খাছিয়াসকলে মূল মাতৃগৰাকীৰ এটা উৎসৱ পালন কৰে। তেওঁৰ কোনোবা কাহানিতে মৃত্যু হলেও এই উৎসৱটো বছৰি পালন কৰা হয়। এই উৎসৱত খাছিয়া সকলে শুকান মাছ ব্যৱহাৰ কৰে। এই উৎসৱৰ উদ্দেশ্য হৈছে মৃত মাতৃ গৰাকীৰ আত্মাক জীবিতসকলৰ ওপৰত আশিস বৰ্ষণ কৰিবলৈ উদ্বুদ্ধ কৰা। মিকিৰবিলাকৰ ধৰ্ম্মানুষ্ঠানবোৰত মাছ ব্যৱহাৰ কৰা হয়। তেওঁ-লোকৰ বিশ্বাস যে শুকান মাছ উছুৰ্গা কৰিলেহেদেৱ-তাৰ আশীৰ্ব্বাদ পাব পাৰি। মিকিৰৰ কোনো গুৰুৰ মৃত্যু হলে শিষ্যসকলে গুৰুৰ শয্যাত শুকান মাছ থৈ তেওঁৰ নামত উছৰ্গা কৰি আত্মাৰ শান্তি কামনা কৰে আৰু লগতে মৃত গুৰুৰ আশীৰ্ব্বাদ বিচাৰে। তাৰ বাহিৰেও যি কোনো ধৰ্ম্মানু ষ্টানৰ অধিবাসৰ দিনা শুকান মাছ চাউলৰ গুৰিৰে সৈতে ৰান্ধি সকলোকে বিলাই দিয়া হয় অসমীয়া হিন্দুসকলৰ অধিবাসৰ দিনা মাহ-প্ৰসাদ বিলোৱাৰ লগত এই প্ৰথাৰ কিছু সাদৃশ্য আছে। মিৰিসকলে কিউনিউট উয়ি ( Kuiniut ui ) আৰু আপ্নে উয়ি ) ( সূৰ্য্য, চন্দ্ৰ, বায়ু, জল, অগ্নি তাৰকা আৰু বিদ্যুত—প্ৰকৃতিৰ এই সপ্ত শক্তিৰ পূজা ) পূজাত বাকলি থকা মাছ ব্যৱহাৰ কৰে। ইপান-ইজাৰ নামৰ পূজাত মিৰিসকলে মাছক লক্ষ্মীগোসা-নীৰ সমগোত্ৰীয় বুলি বিবেচনা কৰে। এই পূজাত মিবু অৰ্থাৎ দেওধায়ে যিকোনো এবিধ আৰু যি-কোনো আকাৰৰ মাছ ধৰিব লাগে। আৰু সেই মাছটো মাছধৰা নৈখন বা পুখুৰীটোৰ পৰা ভঁৰাল-ঘৰটোলৈকে বন্ধা ৰচি এডালৰ ওপৰেদি লৈ যাব লাগে। কোনো লোক লক্ষী গোসানীৰ নিগ্ৰহত পৰিছে বুলি ভাবিলে মিবুয়ে এই অনুষ্ঠান পাতে। আজি অৱশ্যে ই লোপ পাইছে। আওনগাৰ ‘চলিং’ ঠালটোৱে যেতিয়া পুণ্যাৰ্থে ভোজ উৎসৱ পাতোতে সমৃদ্ধি কামনা কৰি বলিৰ ষাড়টোৰ ওপৰত পাতেৰে মেৰিওৱা দুটোপোলা মাছ বান্ধি দিয়ে। আওনগাৰ ‘মংচেন’ ঠালে প্ৰথম আৰু তৃতীয় পুণ্যাৰ্থে ভোজ পাতোতে উৎসৱৰ বাবে চাউল খুন্দা

তিৰোতা কেইজনীক অন্যান্য বস্তুৰ লগতে শুকান মাছৰ আদখিনিও উপহাৰ দিয়ে। ঠিক সেইদৰে চতুৰ্থ দিনাৰ উৎসৱত হোৱা মেথোন বলিটো গিৰিহঁত জনে আৰু তেওঁৰ ঘৈনীয়েক দুয়ো আন আন খাদ্য দ্ৰব্যৰ লগত মাছ নাইবা মেথোনৰ মূৰটো উচৰ্গা কৰে। লোঠা নগাসকলে সৰু মাছ আৰু চাউল পিট-মধুৰে ( মদ ) সৈতে তেওঁলোকৰ পুৰোহিতৰ ঘৰত ( 'পটছ' ) দেৱতাৰ উদ্দেশ্যে থৈ দিয়ে।

মাছ প্ৰজননৰ প্ৰতীক কিয়নো মাছৰ বংশবৃদ্ধি দ্ৰুতগতিৰে হয়। সেই কাৰণে কৃষি বিষয়ক অনুষ্ঠানত মাছৰ ব্যৱহাৰ অপৰিহাৰ্য্য। খেতিৰ খেত আৰু ভঁৰালৰ শ্ৰীবৃদ্ধিৰ কাৰণে অসমৰ কোনো কোনো অংশত বিশেষকৈ উজনী অসমৰ আহোম-সকলৰ মাজত অনুষ্ঠিত হোৱা লখিমী আদৰা উৎসৱত এই মাছৰ ব্যৱহাৰ দেখা যায়। এই উৎসৱত গোপীনীসকলে নাম গাই বিয়াৰ দৰে পুখুৰী বা বিলৰ পৰা পানীৰ সলনি জাকৈ মাৰি জাবৰ জোথৰ, মাছ আদি তুলি আনে। জাকৈত মাছ উঠাতো শুভ লক্ষণ। তাৰ পিছত এই জাবৰ জোথৰ আৰু মাছ আদি আনি বেদীত উৎসৰ্গা কৰে। উৎসৱৰ শেষত এইবোৰ সকলোৱে ভাগ কৰি নি ভঁৰাল আৰু শস্যৰ খেতত ছটিয়াই দিয়ে। লখিমী আদৰা উৎসৱৰ গীত ফাঁকিৰ দ্বাৰা ইয়াৰ আভাস পাব পাৰি—

"জাকৈ ঘনে কৰি বাবা ঐ দেওধাই
খালৈ ঘনে কৰি চাবা,
খেপিয়াই খেপিয়াই লাহেকৈ ধৰিবা
লক্ষী আইক হাততে পাবা"

জুমখেতি আৰম্ভ কৰাৰ পূৰ্ব্বে গাৰোসকলে খেতিৰ ঠাইত ৰোকিমে আৰু নহ্‌মা নহচাক অহকুত অনুষ্ঠানৰে পূজা কৰে। ৰকচি কুত ( শস্য গজি উঠাৰ সময়ত কৰা উৎসৱ ) অনুষ্ঠানত যি বেদী সজা হয়, তাত নহ্‌ৰক মাছৰ ফিছা উচৰ্গা কৰা হয়। খেতি-চপোৱা উৎসৱত গাৱঁৰ সকলোৱে মিলি বৌ-আদি মাছৰ ভোজ খোৱা নিয়ম। শস্য সঁচা পাচী-খৰাহীত মাছৰ কাঁইট আদি সুমুৱাই থয়। মাছৰ দৰে এই কাঁইটবোৰো পোক-পৰুৱাৰ শত্ৰু—এয়ে গাৰোৰ বিশ্বাস। মণিপুৰীসকলৰ থাৱন মাহত ( আগষ্ট / চেপ্তম্বৰ ) ঠিক খেতিৰ পাছতে হোৱা থাৱান চাক্ চানাবা নামৰ ভোজটোত মাছ খাবই লাগে। মনিপুৰী নগাসকলৰ মাজত খেতিৰ বতৰত ধান সিঁচাৰ পৰা ধান চপোৱালৈকে মাছ মৰা নিষিদ্ধ। অপৰ্যাপ্ত পৰিমানে মাছ থকা ঠাইখিনিক মিৰি সকলে 'কুমচুং এনেউ' বা ভঁৰাল ঘৰৰ মাতৃৰ স্থান বুলি বিশ্বাস কৰে। সেই দেখি মিৰি-সকলে প্ৰচুৰ পৰিমাণে মাছ ধৰিব পৰা ঠাইতেই বাস কৰিবলৈ বিচাৰে। খেতিৰ বতৰত ৰেংমা নগাসকলৰ আনুষ্ঠানিক ভোজনত মাছৰ এটা বিশিষ্ট স্থান আছে। গাৱৰ প্ৰথম কঠিয়া সিঁচোতা-জনে সিঁচাৰ পাচত এসাজ মাছ আহাৰ কৰে। ধান দোৱাৰ কালছোৱাত প্ৰথম দাৱনীয়ে অকল মাছ, আদা, আৰু ভাতহে খায়। পশ্চিমৰ ৰেংমা সকলৰ মাজত নিয়ম আছে যে গিৰিহঁতনীয়ে পুৱতি নিশাতে গৈ ভঁৰালৰ পৰা অলপ চাউল লৈ আহে গিৰিহঁতজনে নিঃশব্দে তাকে মাছৰ লগত খায়। সৰহকৈ মাছ ধৰিব পৰা নাইবা মাছ বিষাক্ত কৰিব পৰাতো লোঠা নগাসকলৰ মতে খেতি উভৈনদী হোৱাৰ লক্ষণ। লাখেৰ ৰীতি মতে খেতিৰ দিনত মাছ নমৰাটোহে ভাল কিয়নো মাছ খালে ভাত খোৱাৰ পৰিমাণো অধিক হ'ব আৰু সেয়ে হলে সৰহকৈ মাছখোৱাৰ পৰিণামত ভঁৰালৰ চাউল কমাদি পথাৰৰ শস্যও



কমি যায়। লাখেৰ আৰু লুচাই সকলৰ মতে ধান সিচা আৰু দোৱাৰ কালছোৱাৰ ভিতৰত টঙি-ঘৰত মাছ পোৰা নিষিদ্ধ। তেওঁলোকে বিশ্বাস কৰে যে পুৰিলে মাছটো শুকাই যোৱাদি পথাৰৰ ধানবোৰ শুকাই যাব। গাৰোসকলৰ অ'গালমকা বা গালমকা উৎসৱত (ঝুম পোৰা) ন' কাৰেক শুকান মাছ অপৰিহাৰ্য্য। পিছদিনা পুৱা নকৈ পুৰি উলিওৱা ঝুম খেতিৰ পথাৰত প্ৰতি ঘৰৰ গিৰিহঁতে গালমকা উৎসৱ কৰে। এই উৎসৱত শস্যাধিপতি ৰুকিমে দেৱতাক কুকুৰাৰ আঞ্জ বে সৈতে 'ন'-কাৰেক উচৰ্গা কৰি পূজা দিয়া হয়। তেওঁলোকে 'ন'-কাৰেক ৰুকিমে দেৱ-তাৰ প্ৰিয়খাদ্য বুলি বিশ্বাস কৰে।

মাছ আন আন পূজা-পাতলতো ব্যৱহাৰ কৰা হয়। গৃহ-প্ৰবেশ উৎসৱত খাছিয়াসকলে মাছ ব্যৱহাৰ কৰে। নকৈ ঘৰ লওঁতে গিৰিহঁতে কিন্‌জহ খ' স্কেইন বুলি পূজা এভাগ কৰে। কিন্‌জহ = পোৱাগৈ ; খ ( দহ্‌খ ) = মাছ ; স্কেইন্ = মাখি অৰ্থাৎ পাঁচডোখৰ শুকান মাছ মজিয়াত থব লাগে। তাৰ পিছত দেৱতাৰ অৰ্থে তাৰ ওপৰতে মদ ঢালি দি তাৰে তিনি ডোখৰ মাছ চালত আঁৰি দিয়া হয়। আলোহীয়ে যেতিয়া সেই মাছকেইডোখৰ মুখেৰে আজুৰি আনিবলৈ যত্ন কৰিব আৰু যেয়ে আনিব পাৰিব সেই জনেই আনন্দ ভোজৰ মুখ্য অতিথি হব। এই ভোজৰ উদ্দেশ্য হৈছে যাতে গৃহস্থৰ ওপৰত আৰু লগতে যি আই বসুমতীৰ ওপৰত ঘৰৰ ভেটিটো ঠিয় দি আছে তেওঁৰ ওপৰতো আশিস বৰ্ষণ হয়। পৃথিবী এসময়ত পানীৰ তলত আছিল বুলি জন বিশ্বাস এটা আছে। শুকান মাছ দিয়াৰ অৰ্থ ঘৰৰ ভেটি যেন সদায় শুকানে থাকে, পানী উঠি মাছ জীয়াব পৰা নহয় যেন। লাখেৰসকলে নতুন ঘৰ বান্ধোতে নৈলৈ গৈ সৰু মাছ ধৰি ঘৰলৈ আনে। তেওঁলোকৰ মতে মাছ পৰিচ্ছন্নতা আৰু স্বাস্থ্যৰ প্ৰতীক।

কিছুমান ৰেংমা পৰিয়ালে ভঁৰাল ঘৰ বছৰি ধুই পৰিষ্কাৰ কৰে আৰু ভোজ পাতে। ভোজ আৰম্ভ হোৱাৰ আগতে কুকুৰা আৰু আৰু মাছ দিয়া হয়। কোনো কোনো উৎসৱত পুৰ্ব্বাঞ্চল ৰেংমাসকলে ভাতৰ লগত অকল মাছ আৰু আদা খায় আৰু পেলনি খোৱাখিনি জুইশালৰ ওচৰত পুতি থয়। আঙ্গামী নগা মূৰ-চিকাৰ কৰি উভতি আহিলে ঘৈণীয়েক জনীয়ে খু'ৰুকই বুলি সৰু সৰু মাছ এবিধ ধৰি আনেগৈ আৰু সেই নিশা সিহঁতে তাক খায়। আগেয়ে; মূৰ কটা অভিযানৰ পাছৰ লাখেৰ গাঁৱৰ ডেকা লৰাবিলাকে নৈত মাছ মাৰে গৈ, কিয়নো মাছক পবিত্ৰতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয।

বৰষুণ কামনা কৰি কৰা বহুতো ক্ৰিয়া-কাণ্ড অসমত প্ৰচলিত আছে। লোঠা আৰু চেমা নগাসকলৰ মাজত এটা অনুষ্ঠানৰ এনেদৰে প্ৰচলন আছে—বান্দৰৰ মূৰ এটা আৰু কাঠি এডালেৰে মেল খুৱাই খোৱা মুখেৰে সৰু মৰা মাছ এটা একেলগে নিচেই ওচৰতে থকা জুৰি এটাৰ মাজবুকুত ডুবাই থব লাগে। যথেষ্ট পৰিমাণে বৰষুণ হোৱাৰ পাছত বান্দৰৰ মূৰটো তাৰপৰা লৈ যোৱা হয় আৰু মাছটো তাতে গেলি-পচি যায় কেতিয়াও শুশু-কুৱা ডোবা কিছুমানক বৰষুণ অনোৱা কাৰ্য্যত ব্যৱহাৰ কৰাৰ ৰীতি আছে। চেমা নগাসকলৰ মাজত বিশ্বাস আছে যে তেনে ডোবাবিলাকত মাছ মাৰিলে ধাৰাষাৰ নিচিগা বৰষুণ হয়। খৰমৰা বতৰত ডোবা বা জুৰিত মাছ মাৰিলে বৰষুণ দিয়ে বুলি

আও নগাসকলৰ মাজতো এটা বিশ্বাস আছে। ডোবাৰ মাছ বিষাক্ত কৰিলে বৰষুণ দিয়ে বুলি লাখেৰসকলৰ বিশ্বাস। মাছবোৰ বিষাক্ত হলে সেই ডোবাৰ দেৱতা বিৰক্ত হৈ বৰষুণ দিয়ে।

টোপনিত মূতা মানুহক পাটি মুতুৰা মাছ খুৱালে সেই ৰোগ দূৰ হয় বুলি মানুহৰ বিশ্বাস। দৰিকণা মাছেৰে ঔষধ তৈয়াৰ কৰি কোনো কোনো স্ত্ৰীৰোগতো ব্যৱহাৰ কৰা হয়। অসমীয়া আৰু জনজাতীয় কিছুমান মানুহে কোনো কোনো মাছৰ মূৰ আৰু কাঁইটবোৰ ছালত আঁৰি থলে ভূতপ্ৰেত আঁতৰে বুলি বিশ্বাস কৰে। মাছ ঔষধ আৰু আহুদিতো বহুতে ব্যৱহাৰ কৰে। লোঠা নগাৰ বেজালি কৰা তিৰোতাই গছৰ শিপাৰে সৈতে আহুদি কৰে। সেই সেইখিনি প্ৰণয় জগাবলৈ মাছৰ আঙ্গাৰ সৈতে প্ৰণয় প্ৰাত্ৰক খাবলৈ দিয়া হয়। কেচুৱা লৰা-ছোৱালীৰ জিবাত ঘা হলে আও নগাবিলাকে নৈৰ পৰা এবিধ পিছল মাছ ধৰি আনি জীয়াই জীয়াই ঘা ডোখৰত ঘঁহি দিয়ে। লৰা-ছোৱালী নহলে আৰু কিছুমান বেমাৰত আও নগাবিলাকে দোষ আঁতৰাবলৈ টিয়াদেৱতাৰ (ভাগ্যদেৱতা) নামত শুকান মাছ উছৰ্গা কৰে। কোনোপধ্যে উলিয়াব নোৱাৰা কাঁইট সোমালে আঙ্গামি নগাই এবিধ মাছৰ মগজু সেই ঠাইতে সানি দিয়ে। লুচাইবিলাকে মাছৰ জোল ভেদ আৰু গ্ৰহণী ৰোগত ব্যৱহাৰ কৰে। মণিপুৰীয়ে দৃষ্টিশক্তি দুৰ্ব্বল হলে ৰৌ মাছৰ পেটু খায়। কোনো লোক টান বেমাৰত পৰিলে মণিপুৰী বেজে (মাইবু) ন্‌গামু নামৰ মাছ পানীত এৰি দি মানুহটোৰ জীৱৰ পৰিবৰ্তে মাছটোকে গ্ৰহণ কৰিবলৈ প্ৰৰ্থনা কৰে। মণিপুৰীৰ মিতাই পুৰাণত আছে যে ন্‌গামু মাছক গুৰু চিদবাই (সৃষ্টিকৰ্ত্তা) স্ৰজন কৰি ইয়াক বিপদত পৰা মানুহৰ প্ৰাণ ৰক্ষা ক্ষমতা দিলে। ডিমাছা-কছাৰী ভাষাত নাহ-মাম মানে এবিধ মাছ আছে। এইবোৰ উত্তৰ কাছাৰৰ পৰ্ব্বতীয়া নৈত পোৱা যায়। ইয়াৰ মূৰত এবিধ শিল আছে। ডিমাছা সকলৰ বিশ্বাস মতে এই মাছ খালে পিত্তকোষৰ পাথৰি ৰোগ হয়। এই মাছৰ শিলটো আন বনৌষধৰ লগত মিহলাই এই পাথৰিৰোগৰ ঔষধ হিচাবে ব্যৱহাৰ কৰা হয়। ডিমাছাবিলাকে বাঘ মাছৰ পিত পাকস্থলীৰ অসুখত ব্যৱহাৰ কৰে।

বহুতো বিশ্বাস অন্ধবিশ্বাস মাছ মৰা, মাছ ধৰা আদিৰ লগত জড়িত আছে। মাছ অপদেৱতাৰো প্ৰিয় বুলি জনবিশ্বাস। বিল-পুখুৰী-জান আদিত অপদেৱতাবোৰ থাকে বুলি ভাবে। অসমীয়াই মাছ প্ৰিয় এইবিধ দেওক বাক বুলি কয়। মিকিৰবিলাকে এই বিধৰ দেওক মাছমৰা জালেৰেহে ধৰিব পাৰি বুলি কয়। মণিপুৰী বৈষ্ণৱ সকলে তেওঁলোকৰ মাৰচ্ হিয়াঙ্গেই মাহত (অক্টোবৰ নবেম্বৰ মানত) মাছ নেখায়। ১৬।১৭ হিয়াঙ্গে তাৰিখে তেওঁলোকে মাছ নিষেধ ব্ৰত ভঙ্গ কৰে। এই ব্ৰতক মাৰচ-ন্‌গটাঙ্গবা বোলে।

লুচাইবিলাকে বিশ্বাস কৰে যে মাছ ধৰোতে মাছে মাতিলে সেইদিনা বহুত মাছ ধৰিব পৰা যায়। বড়োবিলাকে মাছধৰোতে প্ৰথমে ধৰা মাছটো ফিচাডাল দাঁতেৰে কামুৰি চিঙ্গি পেলাই কাৰণ তেওঁলোকৰ মতে তেনে কৰিলে সৰহ মাছ উঠে। প্ৰথম খেপত গেদগেদীমাছ উঠাটো বেয়া লক্ষণ বুলি ভাবে। প্ৰথম খেপত বাকলি থকা মাছ উঠিলে মিৰিবিলাকে ইয়াক মাছ ধৰাৰ শুভ লক্ষণ বুলি জ্ঞান কৰে। নাও বাই যাওঁতে মাছ জপিয়াই নাৱত পৰিলে সৌভাগ্য সূচিত



হয়। মিৰিবিলাকে প্ৰকাণ্ড মাছুন্দৰী নামৰ মাছটোক মৎস্য দেৱতাৰ বুলি ভাবে। এই মাছটোৰ সাক্ষাত পালে মানুহটোৰ দিন চমু চাপি আহিছে বুলি তেওঁলোকে বিশ্বাস কৰে। চেমা নাগাবিলাকে আঝু নামৰ মাহটো খালে মৃত্যুকালত ভীষণ কষ্ট পাব লাগে বুলি ভাবে, কিয়নো এই মাছটো কাটিলে টুকুৰাবোৰ বহুপৰলৈ ধৰফৰাই থাকে। কেতিয়াবা দূৰ গাৱলৈ ছোৱালী বিয়া দিলে লগত এই মাছৰ মঙ্গহ এডোখৰ দি পঠিয়াই। যদিহে কিবা টানৰোগত ছোৱালী মৃত প্ৰায় হয় তেতিয়া এই মাছ খালে সোনকালে মৃত্যু নহব আৰু ইতিমধ্যে খবৰ পাই মাক বাপেক জীয়েকৰ ওচৰ পাবগৈ পাৰে। মৃত্যু শয্যাত লোঠা তিৰোতাই শুকান মাছ নোচোৱে।

অসমীয়াই সমাজিকত মাছ দেখিলে বিয়া নাইবা সন্তান জন্মৰ আগজাননী বুলি ভাবে। বগা, চেপাটা মাছ সমাজিকত দেখিলে গাৰোসকলে টকা পইছা আৰু সৌভাগ্যৰ অনুমান কৰে। সপোনত সৰহ মাছ দেখিলে গাৰোসকলে সৌভাগ্যৰ চিন বুলি ভাবে। খাচিয়াই আকৌ সমাজিকত মাছ খোৱা আৰু ধৰা দেখিলে অমঙ্গল বুলি ভাবে। বিয়াৰ আগতে লাখেৰ বিলাকৰ দৰাঘৰীয়াই কইনাৰ মাক বাপেকক এখন দা উপহাৰ দিয়ে। এই দাই মঙ্গলসূচক স্বপ্ন দৰ্শন কৰাই বুলি বিশ্বাস কৰে। যদি মাছৰ সমাজিক দেখে তেনেহলে বিয়াখন সৌভাগ্য জনক হব। আন সময়তো মাছ দেখিলে মঙ্গলেই হয় কাৰণ মাছে স্বাস্থ্য আৰু উপচি পৰা শস্যৰ ইঙ্গিত দিয়ে।

বগা পুঠি জাতীয় সৰু মাছ সমাজিকত দেখিলে ডিমাচা-কছাৰীবিলাকে ধন প্ৰাপ্তিৰ লক্ষণ বুলি কয়। ঝুমলৈ বুলি মাতি চাব যোৱাৰ আগতে এই ধৰণৰ সমাজিক দেখিলে খেতি ভাল হ'ব বুলি বিশ্বাস কৰে।

বহুতো উপকথা, কিম্বদন্তী, সাধু আদিৰ লগত মাছ সংশ্লিষ্ট। খাছিয়াজয়ন্তীয়া ৰাজ পৰিয়ালৰ উৎপত্তি দক্ষিণ জয়ন্তীয়াৰ উয়িৰ উলহ্ বিন্দা নামৰ মানুহ এজনৰ লগত কা-লি ডঘা নামৰ মৎস্য কন্যা এজনীৰ মিলনৰ ফলত ঘটে। কথিত আছে এবাৰ উলহ্ বিন্দিয়ে উয়িৰ নদীত মাছ মাৰি মাছটো ঘৰলৈ লৈ গল। সি মাছটো খাবলৈ পাহৰিলে। কেইদিনমানৰ পাছত এদিন গধূলি ঘৰলৈ উভতি আহোঁতে দেখিলে যে ঘৰ-দুৱাৰ সৰা মচা আৰু বস্তু বাহানিবোৰ যতন লগাই থোৱা আছে। কিছুদিন এইদৰেই গ'ল। সি কোনেনো এইবোৰ বন কৰে ধৰিব নোৱাৰে। এদিন খাপ দি থাকি ঘৰৰ ভিতৰত খোজৰ শব্দ শুনি ভিতৰলৈ সোমাই গৈ দেখে যে এজনী দিপ্‌লিপ্ ছোৱালী। তাই তাক বিয়া কৰাবলৈ মান্তি হ'ল। তাই ঘৰলৈ গৈ তাইৰ জ্ঞাতি পৰিয়ালক লৈ আহিবলৈ অনুমতি বিচাৰিলে। পিছে দল বল লৈ তাই উভতি আহি দেখিলে যে উলহ-ৰিন্দিৰ মাকে বাঢ়নিটাৰ চোতালতে এৰি থৈ গ'ল। বাঢ়নী দেখি সিহঁতে কোনো ভিতৰলৈ সোমাবলৈ নোৱাৰি উভতি গুচি গ'ল উ-লহ ৰিন্দি বেজাৰত বলিয়া হৈ নৈখনৰ পাৰলৈ গ'ল। সিহঁতে তেতিয়া সেই নৈ এৰি ক'ৰবালৈ গুচি গৈছে। সি গোটেইবোৰ নৈ জান-জুৰি চলাথ কৰিলে। এদিন চুতঙ্গা গাৱৰ ওচৰৰ এখন নৈত মাছ মাৰি লৈ আহি মাছটো আগৰ দৰেই খাবলৈ পাহৰিলে। তাৰ পিছত আগৰ দৰেই ঘটনাবোৰ ঘটিবলৈ ধৰিলে। এইদৰে কা-লি দখাক আকৌ লাভ কৰিলে। এইবাৰ বিয়া হ'ল। সিহঁতৰ

ডুজনী কন্যা উপজিল। তেওঁলোকেই চুতঙ্গা ৰাজপৰিয়ালৰ আদি মাতৃ। এই ঠালটোৱেই পাছলৈ জয়ন্তীয়া ৰাজ্যৰ শাসক হ'লগৈ।

গাৰোসকলৰ মাজতো পৃথিৱীৰ প্ৰথম মাছটো সম্পৰ্কে এটা বিচিত্ৰ কাহিনী প্ৰচলিত আছে। পৃথিৱী যেতিয়া নিচেই চালুকীয়া আছিল আৰু ইয়াৰ সকলোবোৰ বস্তুৱেই লাহে গঢ় লবলৈ ধৰিছিল তেতিয়া পৃথিৱীত নাম চুৰাঙ্গপা-না'চ বদলপা নামে প্ৰধান মৎস্য এটি আছিল। সি তেতিয়া তাৰ খুড়াক মীন-পা-ৰংদিনপা-টংচান-মংচান (সাপৰ) লগত আমবৰী-নি-চিক্ক'-গমবৰিনি ডেকদ' নামে পুখুৰী এটাত বাস কৰিছিল। এদিনাখন কালগ্ৰা দেৱতা আৰু খুৰাকৰ মাজত যুঁজত কালগ্ৰা দেৱতাই প্ৰতিপক্ষক কড়িয়াই আঘাত কৰিলে। সাপটো অসহ্য যন্ত্ৰণাত পলাই গৈ তাৰ নিজৰ গাঁতত সোমালগৈ। নামচুৰাঙ্গপাই খুৰাকক বিচাৰি ফুৰিলে। খুৰাকক বিচাৰি নামচুৰাঙ্গপা গাবিল আচঙ্গ নামে ঠাইৰ নৈ এখনৰ কাষেৰে যাব লগা হ'ল। সেই নৈৰ নাম ৰঙ্গ'গি-পেঙ্গৰঙ্গ চাচম্। ইয়াত গঙ্গাৰ দুজনী ভনীয়েক আৰু এজনী ভতিজাক গা ধুই আছিল। সিহঁত অপূৰ্ব্ব সুন্দৰী আছিল। না'ম-চুৰাঙ্গপাৰ চকু এই সৌন্দৰ্য্য কুঁৱৰীসকলৰ শৰীৰত স্থিৰ হৈ ৰ'ল। কিন্তু এটা মৎস্য যুৱক হৈ মানবী কন্যাক বিয়া কৰোৱাটো অসম্ভৱ। সেইদেখি আনেও যাতে সিহঁতক লাভ কৰিব নোৱাৰে সেই ভাবি সিহঁতক মাৰি পেলোৱাকে সি ঠিক কৰিলে। সি তাৰ শৰীৰৰ পৰা বিষ উলিয়াই নৈৰ পানী বিষাক্ত কৰি দিলে। বিষাক্ত পানী শৰীৰত সোমালত সিহঁত কেজনী সাংঘাতিক ভাবে অসুস্থ হ'ল। গঙ্গাই সিহঁতৰ অসুস্থতাৰ কাৰণ জানিব পাৰি খণ্ডত একো মাই হৈ নামচুৰাঙ্গপাক বধিবলৈ বিচাৰিলে। গঙ্গাই প্ৰকাণ্ড ভুৰ এখন সাজি লগত দুটা লগুৱা কদমী আৰু চলতাপনটেক লৈ ভুৰ বাই তাক বিচাৰি গ'ল। আমক-আদিম পাওঁতেই নিশা হ'ল। ঘোপমৰা এন্ধাৰত একো নমনি। গঙ্গাই তাতে ভুৰ বান্ধিলে। এই এন্ধাৰ নিশাৰ চেগ গৈ সি ভুৰখন তাতে বুৰাই দিলে। লগুৱা দুটা তল গ'ল। গঙ্গাও কথমপি হে সাতুৰি পাৰত উঠিল। বৰ ভাগৰ লাগিলত গঙ্গা পাৰতে শুই পৰিল। তাতে এটা সমাজিক দেখিলে। সমাজিকত তেওঁক ওচৰৰে পাহাৰ এটাত থকা ভোমোৰাটো মাৰি তাৰ পাখি দুখন পানীত পেলাই দিবলৈ নিৰ্দ্দেশ দিছে। তাকে কৰিলে হেনো পানীবোৰ পৰিষ্কাৰ হব আৰু এন্ধাৰ আঁতৰিব। সাৰপাই গঙ্গাই সচাকৈয়ে এটা ভোমোৰা দেখিলে আৰু নিৰ্দ্দেশ মতেই কাম কৰিলে। পানীবোৰ ফটফটীয়া হৈ পৰিল আৰু এন্ধাৰো নাইকীয়া হ'ল। পানীৰ তলিলৈকে মনিব পৰা হৈ পৰিল। গঙ্গাই কদামী আৰু চলতা-পনটেৰ শ উদ্ধাৰ কৰিলে। গঙ্গাই ঔষধ পাতি দি সিহঁতক জীয়ালে। নাম-চুৰাঙ্গপা আন এঠাইলৈ পলাই গ'ল। গঙ্গাই লগুৱা দুটাৰে সৈতে তাক বিচাৰি বিচাৰি না-গনাবম্-মিতেচিলকম নামে পুখুৰীত পালেগৈ। সিহঁতে তাক জীয়াই জীয়াই ধৰিবলৈ মন কৰিলে। সেই উদ্দেশ্যে পুখুৰী বাঁহ, জেং ডাল-পাত আদিৰে বেঢ়ি পেলালে তাৰ পাছত দুপৰীয়াৰ আহাৰ খাবলৈ যো-জা কৰিলে। নামচুৰাঙ্গপাই সাৰিবৰ উপাই নেদেখি কান্দিবলৈ ধৰিলে। পুখুৰীতে থকা বিৰাট কেকোঁৰা আং কেৰোঙ্গা ডামচঙে সেই কান্দোন শুনি দুখ লাগি তলে তলে গাঁত খান্দি তাক নিৰাপদ ঠাই এডোখৰলৈ লৈ গ'ল। গাঁতটো বহু দূৰত আন এটা পুখুৰীত উলিয়ালে গৈ। এই গাঁতেৰে নাম নামচুৰাঙ্গপা পলাই সাৰিল। নামচুৰাঙ্গপাক বধকৰা হলে পৃথিৱীত আৰু মাছ বুলিবলৈ নেথাকিলহেঁতেন। (এইচ্ ডব্লিউ মাৰাকৰ সৌজন্যত)।



মাছৰ উৎপত্তি সম্পৰ্কেও অলেখ সাধু আছে। ডিমাচাসকলে ভাবে যে পূৰ্ব্বতে পৃথিৱীখনৰ অধিকাংশ পানী আছিল, অ'ত ত'তহে একোচপৰা মাটি আছিল। পৃথিৱীত জীৱ নাছিল। ঈশ্বৰে প্ৰথম পুৰুষ প্ৰাণী সৃজন কৰিলে 'বাঙ্গলা ৰজা' আৰু তেওঁৰ লগৰীয়া হিচাপে 'আৰিখি ডিমা' নামে স্ত্ৰীৰ সৃষ্টি হ'ল। ক্ৰমে তেওঁলোকৰ মাজত প্ৰেম উপজিল। আৰিখিয়ে সন্তান ধাৰণ কৰিলে। সেই সন্তানক জন্ম দিবৰ বাবে তেওঁলোকে নিৰাপদ ঠাইৰ অনুসন্ধান কৰিবলৈ ধৰিলে। বিচাৰি বিচাৰি ডালওব্ৰা আৰু চাঙ্গিলচ' নদীৰ মাজ ঠাই পালেগৈ। তাতে আৰিখিমাই সাতোটা কণী পাৰিলে। প্ৰথম ছটা কণীৰ পৰা পৰা ছটা ল'ৰা উপজিল—চিত্ৰাই (জ্ঞানী), নাইকু ৰাজা, দুৰাজা, ৰাৰাজা ত্ৰিয়ং আৰু হামিবদাও (খং)। শেষৰটো কণী নুফুটিল। মাকে চিন্তিত হৈ ল'ৰা কেইটাক সেইটো ভাঙি চাবলৈ কলে। সেইটো ভাঙিলতে এজাক দৈত্য ওলাই আহিল। দৈত্যমখাই ঈশ্বৰক বিচাৰি ফুৰিবলৈ ধৰিলে — পিছে নেপালে। তেতিয়া চিত্ৰায়ে সিহঁতক হাবিত বাস কৰিবলৈ ক'লে, আৰু কলে মানুহবোৰে বিপদ আপদ বেমাৰ আজাৰত পৰিলে তেওঁক পূজা দিব, সেই পূজাৰ নৈবেদ্যৰ কিছুভাগ দৈত্যবিলাকেও পাব। তেনেদৰেই সিহঁতে বহুকাল বাস কৰিলে। এবাৰ চিত্ৰাই এটা ভোজ পাতিলে আৰু চাকৰবিলাকক নিৰ্দ্দেশ দিলে যে ভোজৰ এখন আঞ্জা পানীত থকা জন্তুৰ মঙহেৰে ৰান্ধিব লাগিব। সিহঁতে পানীত নামি জলচৰ জীৱৰ সন্ধান কৰিবলৈ ধৰিলে। কিন্তু তেতিয়াও তেনে জীৱৰ সৃষ্টিয়েই হোৱা নাই। চিত্ৰাই তেতিয়া গভীৰ ধ্যানত আৰু ঈশ্বৰে সন্তুষ্ট হৈ বৰষুণৰ লগত মাছ বৰ্ষণ কৰিলে। এইদৰেই পৃথিৱীত মাছৰ আৱিৰ্ভাৱ হ'ল। এই মাছকে ভোজত দিয়া হ'ল।

বড়ো কছাৰীৰ বিশ্বাস মতে পৃথিৱীৰ সৃষ্টিকৰ্ত্তা বাথৌ বাৱায় (মহাদেৱ)। মহাদেৱ পাৰ্ব্বতীয়ে আন জীৱ জন্তু সৃজন কৰাৰ আগতে মাছ সৃজন কৰিলে। মাজৰ পিছতহে লক্ষ্মী বা অন্ন সৃজন কৰা হয়। কিন্তু মাছ আৰু লক্ষ্মীৰ মাজত কোন শ্ৰেষ্ঠ—এই বিষয়ে কাজিয়া লাগিল। পাৰ্ব্বতীয়ে মহাদেৱক এই কাজিয়া ভাঙিবলৈ প্ৰাৰ্থনা কৰি কলে "প্ৰভু, আপুনি মাছ আৰু লক্ষ্মীক মিলা প্ৰীতিৰে পৃথিৱীত মানুহৰ মঙ্গলৰ কাৰণে থাকিবলৈ দিয়ক। আপুনি তেওঁলোকৰ দুয়োৰ মাজলৈ যাওঁক; যেয়ে আপোনাক বাঁও পিনে থিয় হব, তেৱেই শ্ৰেষ্ঠ।" মহাদেৱে পৃথিৱীলৈ নামি আহি লক্ষ্মীক বাওপিনে গৈ সেই দিনৰপৰা মাছতকৈ লক্ষ্মী (অন্ন) শ্ৰেষ্ঠ হল।

শ্ৰীবিনোদ বিহাৰী কছাৰীয়ে মাছৰ বিষয়ে হিন্দু জনজাতিবিশ্বাস মিশ্ৰিত আৰু এটি মনোৰম কাহিনী আমাক জনাইছে—

আদিতে পৃথিৱীত অকল পানী আছিল; সৃষ্টিকৰ্ত্তা মহাদেৱ আৰু পৰ্ব্বতী এখন মকৰাজালত আছিল। সেই অৱস্থাত থাকোতেই মহাদেৱে পৃথিৱী সৃষ্টি কৰাৰ কথা ভাবে আৰু অনতিপলমে

পানীৰ মাজত প্ৰথমে মাছ কেকোৰা, কাছ আদি জীৱ সৃষ্টি কৰিলে । পৃথিৱীৰ কাৰণে মাটি সংগ্ৰহ কৰিবলৈ মাগুৰ মাগুৰীক (মাগুৰ মাছ এযোৰা) পতালৰ পৰা নিমন্ত্ৰণ কৰা হল । মাগুৰ-মাগুৰীক মহাদেৱে পাতালৰ পৰা মাটি সংগ্ৰহ কৰিবলৈ আদেশ দিলে ; কিন্তু দুয়ো অসমৰ্থ হৈ ঘুৰি আহিল । মহাদেৱে তেতিয়া তাহাঁতক শাপ দি কলে । "যা আজিৰ পৰা তহঁতে একাঠু ডোবাৰ পানীত থাকিবি ; তহঁত মানুহৰ খাদ্য হবি ।"

তাৰ পিছত মহাদেৱে বৰ্কা মাছক মাতি আনি পাতালৰ পৰা মাটি আনিবলৈ আদেশ দিলে । কিন্তু কিছুদূৰ দৌৰি গৈ উশাহ চুটি হোৱাৰ বৰ্কা মাছ মহাদেৱৰ কাষলৈ ঘুৰি অহিল মহাদেৱে সিহঁতক কলে ; যা হেঁাক, তহঁত আজিৰ পৰা ছমাহ গাতত একো নোখোৱাকৈ থাকিবি ; বাকী ছমাহ পানীত থাকিবি ।"

তাৰ পিছত জামনা জামানী (কেঁকোৰা) আৰু বাৰাহু ৰজাক ( গাহৰি ) মহাদেৱে পাতালৰ পৰা মাটি আনিবলৈ আদেশ দিলে। বাৰাহু ৰজাই জামান জামানীৰ পিঠিত উঠি পাতালৰ হিৰণ্যাক্ষ ৰজাৰ ৰাজ্য পালেগৈ। বাৰাহুৱে জামান জামানীৰ পিঠিৰ পৰা নামি ওচৰতে থকা ডোবা এটিত পৰি বোকাৰে লুতুৰি পুতুৰি হৈ সেই অৱস্থাৰেই মহাদেৱৰ কাষলৈ ঘুৰি অহিল । মহাদেৱে ৰৰাহুৰ নোমৰ গুৰিৰ পৰা কটাৰীয়ে মাটী একুৱাই তিনিটা লাৰু সাজি তাৰেই পৃথিৱী সৃষ্টি কৰিলে । জামান জামানীৰ কাৰ্য্যত সন্তোষ লভি মহাদেৱে কলে ; তোমালোকে কঠিন মাটিত গাত খান্দি ছমাহ তাত একো নোখোৱাকৈ তাত সোমাই থাকিবলৈ শক্তি পাবা ; বাৰিষাৰ লগে লগে পানীৰ ঘঁৰলিলৈ অহিবা । কেঁকোৰাই সেইদিন ধৰি এই দৰে চলি আছে ; আৰু তাৰ পিঠিত আজিও বাৰাহু (গাহৰি) ৰজাৰ ভৰিৰ সাঁচ আছে। গাহৰিয়ে মহাদেৱৰ আশীৰ্ব্বাদত নাকৰ আগ মঙহত শক্তি লাভ কৰিলে ; ইয়াৰেই সি মাটিও খান্দিব পাৰে। শত্ৰুক আক্ৰমণ কৰিবলৈ মহাদেৱে বাৰাহক দাঁত এজোৰে দিলে। বড়ো কছাৰীসকলৰ বিশ্বাস যে গাহৰিৰ দাঁত অথবা গাহৰিৰ গাত লাগি থকা মাটি লগত থাকিলেও অপদেৱতাই আৰু কুমন্ত্ৰণা ; কোনো অমঙ্গল কৰিব নোৱাৰে।

ৱান্চ' বিলাকৰ মাজত এটা সাধু প্ৰচলিত আছে । এসময়ত এজনী ছোৱালী আছিল। তাই ডিঙিত ধুনীয়া অলঙ্কাৰ আৰু মালা পিন্ধিছিল, সৰু ভায়েকে সেইবোৰ বিচাৰিলত তাই নিদিলে। ভায়েকৰ পেটে পেটে তাইলৈ বৰ খং উঠিল। এদিনাখন দুয়ো হাবিলৈ গ'ল। ভায়েকটোৱে নৈৰ পাৰৰ গছ এজোপাৰ পৰা লতা কেতবোৰ ওলমি থকা দেখি বায়েকক ওলমি দুলিবলৈ ক'লে। তায়ো দুলিবলৈ লাগিল। এনেতে ভায়েকটোৱে বৰ জোৰেৰে ঠেলা মাৰি দিয়াত তাই লতাৰ ৰচিত খোপনি ৰাখিব নোৱাৰি পানীত পৰিল আৰু তাতেই মাছ হৈ থাকিল। ৱান্চ বিলাকে এই মাছটোক য়ামি মাছ বোলে। ছোৱালীৰ পৰা হোৱা কাৰণে ৱানচ বিলাকে (অসমীয়ায়ো) এই মাছ খায়।

মিৰিবিলাকে ভাবে যে "চিৰকি আবুং" নামে নৈ খনতে পোন প্ৰথমে মাছৰ উৎপত্তি হৈছিল। শদিয়া আৰু পাচিঘাটৰ মাজতে কোনোবা অঞ্চলত এই নৈখন আছে। এই নৈখনৰ পৰাই আন আন ঠাইলৈ মাছবোৰ গৈছে বুলি কোৱা



হয়। আৰু এতিয়াও মাজে মাজে ভৈয়ামৰ নৈবোৰৰ পৰা ধাৰ সোঁততো মাছবোৰ উজাই উজাই ইয়ালৈ আহি থাকে। শৰীৰৰ চাৰিওফালে কাঁইট থকা কিছুমান নিচেই এধান এধান মাছ আছে। এই মাছটোক মাছৰ ৰজা বুলি কোৱা হয়। এই মাছটো কেনেকৈ ৰজা হবলৈ পালে তাৰো এটা সাধু আছে। চিৰকি আবুং নৈৰ পৰা এসময়ত কিছুমান মাছ ভৈয়ামলৈ ফুৰিবলৈ নামি গৈছিল। কিছুদিন ভৈয়ামৰ নৈত ফুৰি চাকি সিহঁত আকৌ নিজ ঘৰলৈ উভতি যাবলৈ ধৰিলে। ভৈয়ামৰ মানুহে মাছৰ গোন্ধ পাই সিহঁতক জাকেৰে ধৰিবলৈ নৈত ভেটা দিলে। ইফালে সিহঁতৰ অঙহী বঙহী মাছবোৰে সিহঁত নহা দেখি চিন্তিত হৈ আন মাছক খবৰ লবলৈ পঠিয়ালে। কিছুদিন বিছাৰ খোচাৰ কৰি সিহঁতে লগৰীয়া বিলাকৰ বিপদৰ কথাটো গম পাই ততাতৈয়াকৈ উভতি ঘৰত খবৰ দিলেগৈ। বন্দী হোৱা মাছ বিলাকৰ উদ্ধাৰৰ উপায় নিৰ্দ্ধাৰণ কৰিবলৈ এখন মেল বহিল। তেতিয়া সেই সৰু মাছ বিধে সিহঁতক উদ্ধাৰ কৰি অনাৰ ভাৰ ললে। সেই মাছবিধৰ নাম 'পুত্তি'। কিন্তু পুত্তি মাছ ইমান সৰু যে সেই বিৰাট আৰু মজবুত ভেটা ভাঙিবলৈ যোৱাটো টিপচীয়ে মেৰু পৰ্ব্বত উকুৱাৰ নিচিনা কথা। গতিকে ডাঙৰ মাছক সেই কামলৈ পচা হ'ল। সিহঁত কিন্তু সৰ্ব্বশক্তি প্ৰয়োগ কৰিও ব্যৰ্থ হৈ উভতি আহিল। আন উপায় নেদেখি পুত্তিমাছৰ প্ৰস্তাৱকে লব লগা হল। সিহঁতৰ দলপতিয়ে তেওঁৰ হাজাৰ বিজাৰ পুত্তিমাছ লৈ যাত্ৰা কৰিলে। তেওঁ নিজ সেনাদলক ভেটাৰ গাতে এনেদৰে শাৰী পতালে যে ভেটাৰে পানী সৰকি আহিব নোৱাৰা হল ( ভেটাক মিৰিয়ে ৰাংগ বোলে )। কেবা ঘণ্টাও পানী বন্ধ হৈ ৰল । পানী আহি ভেটাৰ ওচৰত উপচি পৰি প্ৰবল সোঁত আৰু প্ৰচণ্ড আঘাতৰ সৃষ্টি কৰিলে । ভেটা ভাগি পৰিল । বন্দী মাছবোৰ এনেকৈয়ে উদ্ধাৰ হ'ল । পুত্তিমাছৰ বুদ্ধিক আটায়ে শলাগিলে । সকলো মাছে স্বীকাৰ কৰিলে যে বলতকৈ বুদ্ধিহে বেছি লাগতিয়াল । এইবুলি সকলো একমত হৈ পুত্তিমাছক ৰজা পাতিলে । এনেকৈয়ে এধানি পুত্তিমাছ মৎস্যকুলৰ সম্ৰাট হ'ল । ( শ্ৰীএল. এন. দলেৰ সৌজন্যত ) ।

লুচাইসকলৰ মাজত আকৌ আন এটা কিম্বদন্তীৰ প্ৰচলন আছে । ই যেনিবা তেজীমলা সাধুৰ ন-সংস্কৰণ এটা । এবাৰ এহাল মতাতিৰোতাই বাহ কাটিবলৈ গ'ল । সিহঁতৰ মাজত বন্দবস্ত যিয়ে নিজৰ বাহ নিজে বৈ আনিব নোৱাৰিব তাকে নৈত পেলাই দিয়া হ'ব । তিৰোতা জনীয়ে উভতি আহোঁতে নিজৰ বাহৰ বোজাটো ব'ব নোৱাৰাত গিৰিয়েকে তাইক পানীলৈ দলিয়াই দিলে । তাতে তাই প্ৰকাণ্ড মাছলৈ ৰূপান্তৰিত মাছটোৰ নাম হ'ল থাইচাওনিনো। এই কথাত তাইৰ জীয়েকে বৰ বেজাৰ পালে । তাই সদায় নৈৰ পাৰলৈ যায় । মাছ হৈ যোৱা মাকজনীয়ে জীয়েকৰ ওচৰলৈ আহি জীয়েকক কিবা কিবি খাবলৈ দিয়ে । ঘৰত তাইৰ মাহীমাকে তাইক খাবলৈ নিদিয়াতো তাই দিনে দিনে শকত আৰত হৈ যোৱা দেখি মাহীমাকে কাৰণটো অনুসন্ধান কৰি আচল কথাটো গম পাই পালে । তাই জালোৱাক জাল বাবলৈ লগালে । জীয়েকে এই ঘটনা দেখি পাৰৰ পৰা চিঞৰি চিঞৰি ক'ত ক'ত জাল পেলাইছে মাকক জনালে । জীয়েকক

তাৰ পৰা আঁতৰাই নি মাছমৰীয়াহঁতে মাছটো ধৰি মাৰিলে। মাকৰ কাঁইটবোৰ নি তাই প্ৰকাণ্ড শিমলু এজোপাৰ তলত পুটি থলেগৈ। ছোৱালী-জনীয়ে সেই শিমলুগছৰ ফুলৰ মৌ খায়েই দিন নিয়াবলৈ ধৰিলে। ডাঙৰ হ'লত এজন ভাল ধনী মানুহৰ লগত তাইৰ বিয়া হ'ল। (মিজো জিলাৰ ডিপুটী কমিচনাৰ সৌজন্যত)।

কছাৰী সাধু এটিত মাছ মানুহক আৰু দেৱ-তাৰ বন্ধু বলি বৰ্ণোৱা হৈছে। এহাল বুঢ়া-বুঢ়ীৰ বহুত লৰাছোৱালী আছিল। বুঢ়াই সিহঁতৰ ল'ৰা ছোৱালীবোৰৰ আহাৰৰ আদিৰ কাৰণে হিমালয়লৈ গৈ এটা প্ৰকাণ্ড পুখুৰী খান্দি তাত বহুত মাছ জীয়ালে। এদিনাখন সৌভাগ্যৰ দেৱতা শ্ৰীয়ে পিয়াহত তত নেপায় তালৈ পানী খাবলৈ আহিল। মাছবোৰে তেওঁক পানী দিলে। বিনি-ময়ত তেওঁ সিহঁতক ব্ৰহ্মপুত্ৰলৈ লৈ যাব বিচাৰিলে। তেওঁৰ লাঠিডালত সিহঁতক বান্ধি জুৰি খান্দি খান্দি তেওঁৰৰ পাছে পাছে লৈ যাবলৈ ধৰিলে। এনে-কৈয়ে নৈৰ সৃষ্টি হ'ল। মাছবিলাকেও এই উপকাৰৰ কাৰণে শ্ৰীক এটা জাতিলাও আৰু এটা ৰভালাও দিলে। সেই দুটা সোণ ৰূপৰে পূৰ হৈ আছিল। ঘৰলৈ উভতি যাওঁতে তেওঁ লাউদুটা বন্ধুবান্ধৱক উপহাৰ দিলে। সিহঁতে তেওঁক পানী আৰু খোৱা বস্তু দিলে। ঘৰলৈ আহি শ্ৰীয়ে দেখে মাছ বিলাকে তেওঁক দিয়া উপহাৰ অৱজ্ঞা কৰি তেওঁ বন্ধু বান্ধৱক বিলাই দিয়াৰ কাৰণে, তেওঁৰ জীয়েক সাংঘাতিক অসুখত শয্যাগত হৈ আছে। মাছবিলাকে অৱশ্যে তেওঁক কৃপা কৰিলে। সিহঁতে বেঙৰ ছদ্মবেশত আহি শ্ৰীক কলে যে শ্ৰীয়ে যদি নৈৰ পাৰত গৈ জীয়েকৰ বাবে পূজা পাতল কৰে তেতিয়া হলে জীয়েক ভাল হ'ব। শ্ৰীয়ে তাকে কৰিলে। অধ্যাপক তাৰক চন্দ্ৰ দাসে সাধুটোত নদীপূজাৰ নিদৰ্শনত কৈ মাছ-পূজা ইঙ্গিত হে বেছি আছে বুলি কব খোজে। ডঃ দাসে কৈছে ; "যুক্তিৰ ফালৰ পৰা চাব গ'লে শ্ৰীয়ে মাছৰ পূজা কৰাৰহে সম্ভাৱনা অধিক কিয়নো মাছবোৰেহে বিৰক্ত হৈছিল। নৈবোৰতো তেওঁৰ নিজেৰেই সৃষ্টি, আৰু মাছ পূজি বলৈ নৈৰ পাৰেই উপযুক্ত স্থান। সম্ভৱ ইয়ে যিটো আগেয়ে মাছপূজা আছিল, তাক নদী পূজালৈ পৰিবৰ্ত্তিত কৰাৰে সুযোগ দিয়ে।"

মিকিৰৰ মাজতো অনুৰূপ এটা সাধু আছে। পুৰণিকালত মিকিৰসকলে মাছৰ অস্তিত্ব সম্পৰ্কে একো নেজানিছিল। সেই দেখি সিহঁতে মাছ খোৱাও নাছিল। কোনো পৰ্ব্বতৰ ওপৰৰ পুখুৰী এটাত মাছ আছিল। কাষত এখন নৈ আছিল আৰু সেই নৈ খনেৰে পুখুৰীটোলৈ পানী গৈছিল। এবাৰ বতৰ বৰ খৰাং হলত নৈৰ পানী শুকোৱাত পুখুৰীতো পানী নোহোৱা হ'ল। এই পুখুৰীত সদায় হাঁহ এটা চৰি ফুৰিছিল। মাছবোৰে হাঁহটোক সিহঁতক তাৰ পৰা কোনোবা পানী থকা ঠাইলৈ নিবলৈ ধৰিলে গৈ। হাঁহ অমান্তি হলত মাছবোৰে বৰকৈ কাকুতি কৰিলে। এনে সময়তে সেই পিনে এটা মিকিৰ গৈছিল। সি মাছ আৰু হাঁহৰ কথা বতৰা শুনিলে। ওচৰলৈ গৈ মাছ বিলাকৰ মুখে সিহঁতৰ বিপদৰ কথা শুনি মিকিৰে হাঁহটোক দয়া কৰি মাছবোৰক উদ্ধাৰ কৰিবলৈ অনুৰোধ জনালে। হাঁহ আৰু মিকিৰ দুয়ো লগলাগি মাছবোৰক আন এখন নৈ লৈ নিলে। মাছ'বাৰে কৃতজ্ঞাতত গদ্‌-গদ্‌ হৈ মানুহটোক কলে যে স্বাস্থ্য ভালে ৰাখিবলৈ মানুহে মাজে মাজে মাছ খাব পৰিব। এইদৰেই মিকিৰে মাছ খাবলৈ শিকিলে। (নৰ্থ-কাছাৰ হিলৰ চাব-ডিভিজনেল অফিচাৰৰ সৌজন্যত)

মাছক পবিত্ৰতা আৰু উৰ্ব্বৰতাৰ প্ৰতীক হিচাবে অতি পুৰণিকালৰে পৰা ব্যৱহাৰ কৰা হৈছে। ডাঃ এলউইনে লেখিছে : যোৱা মাছ অঙ্কিত ব্ৰোঞ্জৰ পাত্ৰ, ঘটা বাদ্য যন্ত্ৰ আদি তিব্বতৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰবেশ কৰিছে। মাছক সৌভাগ্যৰ চিন বুলি ধৰা হয় কাৰণে অসমীয়া আৰু জনজাতীয় লোকসকলেও তেওঁলোকৰ কাপোৰত মাছৰ চানেকি তোলে। ঘৰতো মাছৰ ছবি আঁকে।

লোক-গীতিতো মাছক স্ত্ৰী-সৌন্দৰ্য্যৰ উপমা যৌন প্ৰতীক, দাম্পত্য সম্প্ৰীতিৰ (পাভজাৰ) আদৰ্শ স্বৰূপে ব্যৱহাৰ কৰা হয়। বহুতো অসমীয়া লোক-গীতিত মাছক ছোৱালী আৰু মাছ ধৰাক প্ৰেমৰ প্ৰতীক হিচাবে লোৱা হয়।

"মাছ হোৱা হলে পৰিলে হেঁতেন গৈ
তোমাৰে খেৱালী জালত।"

• • • •

কাক ডোঙ্গাৰ বৰালিয়ে দেৰচোৱাৰ বৰালি
কেনেকৈ মিহলি হল ?

মিৰিসকলেও মাছক বিয়াৰ প্ৰতীক হিচাবে লৈ গীত গায় :—

"চিৰিকি আবুংলেম কাপেউল্‌চ
তিউবগ্‌ নিউ-নগননাম দিপেউ মুলচ
মেউনামাই আপপুনা মেবু নুগেকেন পেউ
গিউ টকা।"

যদিহে তোমাৰ চিৰাকি নৈ চাবলৈ হেঁপাহ আছে আৰু যদিহে তোমাৰ মাছৰ বঢ়িয়া আহতা খাবৰ মন আছে; তেনেহলে হেৰা মোৰ মৰমৰ ফুলকলি ! মোক বিয়া কৰোৱা।"

অসমীয়া মৎস্য পুৰাণ নামৰ পুথিত অলেখ মাছৰ নাম আছে। সেই মাছবোৰৰ উৎপত্তি আৰু মাছৰ লগত সম্পৰ্ক থকা বহুতো কাহিনী আছে।

মাছৰ আকৃতি, জোখ, বৰণ, লক্ষণৰ পৰা অসমীয়াত বহুতো প্ৰবাদ আদি প্ৰচলিত আছে। "ওচৰৰ পুঠি-খলিহা দূৰৰ বৈ-বৰালী" 'মাছৰ। চিকুণ নেৰীয়া মানুহৰ চিকুণ বৰীয়া' আদি। অসমীয়াত ভকতীয়া-ফঁকৰা নামে এবিধ বিশেষ ধৰণৰ প্ৰবাদৰ প্ৰচলন আছে। ইবোৰৰ ধৰ্ম নৈতিকতা সম্পৰ্কীয় কথা সাঁথৰত বৰ্ণোৱা আছে। এনে ফঁকৰা কেতবোৰ মাছক উপমা হিচাপে বাৰ কৰা হয়।

বাৰহাত জালৰ তেৰহাত ফটা,
কি মাছ মাৰিলি বাপৰ বেটা।
বৌ-বৰালী সবকি গ'ল
পুঠি-খলিহা পাছে পাছে ৰ'ল।

• • • •

একেটা বিলতে দুটিমাছ ওপজে
শাল শোল দুইজন।
শোলটো মাৰি আনি বাচি কুটি খায়
শালটো হৈলা কোনজন ॥

হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত "দেহবিচাৰৰগীত"

মানুহৰ সাংস্কৃতিক জীৱনৰ লগত ঠাইত নামৰ যদি কিবা সম্পৰ্কে আছে তেনেহলে মাছৰ নামেৰে অসমৰ অলেখ গাৱৰ নামবোৰ এই সম্পৰ্কত বিশেষ অৰ্থপূৰ্ণ।

টোকা ঃ

কিছুদিনৰ আগেয়ে মাছ সম্পৰ্কে জন-বিশ্বাস বোৰ গোটাবলৈ একোখন প্ৰশ্নৱলী প্ৰস্তুত কৰি বহুতলৈকে পঠোৱা হৈছিল আৰু সুখৰ বিষয় যে ভালে কেইজন ভদ্ৰলোকে আমাৰ এই অনুৰোধত সঁহাৰি দিছিল। এই প্ৰবন্ধত সংগৃহীত বহুতো বিষয়ত তলত উল্লেখ কৰা লোকসকলৰ সাহাৰ্য্য পোৱা হৈছে। তেখেত সকল লেখকৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ। এই সকল লোকৰ প্ৰতি লেখক কৃতজ্ঞ—

শ্ৰীএল, এন, দলে, সভাপতি, উত্তৰ লক্ষীমপুৰ মিচিং কাবেং ; মিঃ ইউ প্ৰিমৰ'জ গেটফো, শ্বিলং মিঃ আই চাইমন, শ্বিলং ; শ্ৰীএল, ইবুন গোহাল সিং ; ইম্ফল, শ্ৰীমোহিনী মোহন ব্ৰহ্ম ; কেকোৰাঝাৰ ; মিঃ চি, এচ, বুথ, আই, এ এছ ; ডিফু ডেপুটী কমিচনাৰ, মিজো জিলা ; চাব ডিভিজনেল অফিচাৰ, নৰ্থ কাছাৰ হিলচ্, হাফলং; শ্ৰীকেশবানন্দ দেৱ গোস্বামী, নগাওঁ ; শ্ৰীযোগেশ্বৰ শৰ্ম্মা, এম, এ গুৱাহাটী ; শ্ৰীডি, এচ, ৰাংমুন্থু , বাঘমৰা, শ্ৰীবিনোদবিহাৰী কছাৰী, সম্পাদক দক্ষিণ গোৱাল পাৰা বড়ো, কছাৰী কৃষ্টি সমিতি।

---

# সাহিত্য আৰু নৈৰ্ব্যক্তিকতা

শ্ৰীদিলীপ বৰুৱা।

সাহিত্য আলোচনাত আমি প্ৰায়েই ব্যক্তিত্বৰ দোহাই দিওঁ। সাধৰাণতে কওঁ "অমুকৰ লিখনিত কোনো ব্যক্তিত্ব স্বাক্ষৰ নাই বা অমুকৰ কবিতা অতিমাত্ৰই ব্যক্তিকেন্দ্ৰিক।" আন হাতেৰে অনেকেই সাহিত্যত 'মই' শব্দটো ব্যৱহাৰ কৰাটোও সুসংস্কৃত বুলি নেভাৱে—আৰু ভকতীয়া ঠাচতে আমি বা আমাৰ বুলি লিখকৰ অতি নিজস্ব ব্যক্তব্য দাঙি ধৰে। কিন্তু উপনিষদৰ 'সত্যম্ জ্ঞানম্ অনন্তম্'ৰ ৰবীন্দ্ৰনাথে যি বিশ্লেষণ দিছে তাৰ পৰা চালে লিখকৰ ব্যক্তিত্ব পৰ্দ্দানচীন হোৱা কোনো কাৰণ নাই। কিয়নো তেখেতৰ মতে ব্যক্তিৰ স্থিতি জ্ঞান আৰু প্ৰকাশৰ মাজেদিয়েই ব্ৰহ্মৰ স্বৰূপ প্ৰকাশ পায়। গতিকে কবি সাহিত্যকে নিজক প্ৰকাশ কৰাৰ লগে লগেই বিশ্ব আৰু ব্ৰহ্মৰ প্ৰকাশো হয়। এতিয়া প্ৰবন্ধৰ আলোচনাৰ বিষয় হ'ল এই দুই প্ৰকাশৰ কোনটো মুখ্য আৰু কোনটো গৌণ। নিজৰ ব্যক্তিত্ব প্ৰকাশ কৰাটো কবিতাৰ উদ্দেশ্য নে ব্যক্তিৰ মধ্যমেৰে বিশ্বৰ প্ৰকাশ কৰাটোহে ইয়াৰ ঘাই উদ্দেশ্যে।

টি, এচ, ইলিয়টে এঠাইত লিখিছে "Poetry is not a turning loose of emotion ; but an escape from emotion ; it is not the expression of personality but an escape from personalty" অৰ্থাৎ কবিতাৰ উদ্দেশ্য অনুভূতিৰ পোহাৰ মেলা নহয়, অনুভূতিৰ পৰা পৰিত্ৰাণ পোৱাহে। ই ব্যক্তিত্বৰ পৰা মুক্তি লভাহে হয়। সেই একে ৰচনাতে তেখেতে লিখিছে "কবিৰ প্ৰকাশ কৰিবলৈ কোনো ব্যক্তিত্ব নাই তেওঁ মাথো এক মাধ্যমহে ; যত সৃষ্টি আৰু অভিজ্ঞতাৰ আচৰিত আৰু অপ্ৰত্যাশিত ভাৱে



সংমিশ্ৰণ ঘটে। এই অভিজ্ঞতাৰ আকৌ যিবোৰ ব্যক্তি জীৱনত গুৰুত্বপূৰ্ণ যেন লগে, সেইবোৰে হয়তো কৱিতাত কোনো প্ৰকাশেই নেপায়। আনহাতে এনে কিছুমান অভিজ্ঞতাই কৱিতাত প্ৰাধান্য পায়, যিবোৰ জীৱনৰ ফালৰ পৰা অতি নগণ্য যেন লাগে।"

এই কথাষাৰ যদি নাট্যসাহিত্যৰ বিষয়ে কোৱা হলহেঁতেন তেন্তে বিশেষ আচৰিত হব লগা নাছিল। কিন্তু কৱিতাৰ বিষয়ে এনে এক অৱস্থা স্বীকাৰ কৰি লবলৈ কেইজন প্ৰস্তুত হব? বহুতেই হয়তো কব কৱিতাৰ নৈব্য িকতাৰ কথা যি কয় তেওঁ মাথোন বাস্তৱ জীৱনৰ আধ্যাত্মিক জড়তাৰ ইঙ্গিতহে দিয়ে। যুগ-কাল-পাত্ৰ চাই ইলিয়টৰ ওপৰৰ কথাষাৰ প্ৰযোজ্য হব পাৰে কিন্তু ইংৰাজ কবি কীটচেও যে তেনেকুৱা কথা এষাৰেই কৈ গৈছে, তেওঁৰ ক্ষেত্ৰততো ইয়াৰ প্ৰযোজ্য নহব। তেওঁৰ যুগ আছিল উচ্ছাসপুৰ্ণ, সাহিত্য আছিল ব্যক্তিমুখী। কিন্তু তেওঁ কৈ গৈছে ঃ "সমগ্ৰ সৃষ্টিৰ ভিতৰত কৱিয়েই সবাতোকৈ অকাব্যিক। যিহেতু তেওঁৰ কোনো স্বৰূপতা (identity) নাই। তেওঁ সদায় আনৰ মন যোগায় ফুৰিছে বা আনৰ শৰীৰত সোমাই ফুৰিছে।.........গতিকে মই কোৱা কোনো কথাকে নিশ্চিত ভাবে মোৰ সদৃশ চিন্তাৰ প্ৰকাশ বুলি কব নোৱাৰি। কেনেকৈ পাৰিম? মোৰ যে কোনো স্বৰূপেই নাই।" কিন্তু আন এক মহামহীৰুঢ় জাৰ্ম্মান কবি গোটেই ইয়াৰ ঠিক ওলোটা উক্তি কৰি গৈছে। তেওঁৰ মতে কলাকাৰ যিমানেই মহৎ আকাঙ্ক্ষী নহওক শেষ কালত তেওঁ উপলব্ধি কৰিব যে তেওঁ মাথোন নিজৰ ব্যক্তিত্বহে প্ৰকাশ কৰি গল, কিয়নো কৱিতাত যি কোৱা যায় সি প্ৰকৃততে কৱিৰ জীৱনত যি ঘটে সেয়েই (What is in a poem is essentially the same as that which is in one's own life")। দেখা যায় যে অভিমতৰ অন্ত নাই। এই বিসদৃশতা কেৱল পৰম্পৰাৰ বিভিন্নতাৰ কাৰণে বুলিব নোৱাৰি। কিয়নো সাহিত্য সাহিত্যই—সি যি পৰম্পৰাৰে নহওক লাগিলে। গতিকে এই মতানৈক্যৰ কাৰণ বিচাৰিব লাগিব ব্যক্তিত্ব শব্দটোৰ ব্যৱহাৰত।

অসমীয়াৰ কথা দূৰতে থাওক, ইংৰাজীতে এই শব্দটোৰ ব্যৱহাৰ এনে অনিৰ্দ্দিষ্ট ভাবে কৰা হয় যে প্ৰসঙ্গ অনুসৰি ইয়াৰ অৰ্থ বেলেগ বেলেগ হয়। 'personality' শব্দটো লেটিন 'Persona' শব্দৰ পৰা আহিছে—ইয়াৰ অৰ্থ হল 'মুখা', গতিকে আমি অসমীয়াত যেনেকৈ 'মুখাপিন্ধা' বুলিলে নেখনিয়াৰ বাহ্যিক চৰিত্ৰ এটা নিজৰ প্ৰকৃত ৰূপ বুলি দেখুৱাই ফুৰা মানুহ বুজো, ইংৰাজীতো তেনেকুৱা অৰ্থই হোৱা উচিত আছিল। কিন্তু খৃষ্টানসকলৰ 'Persons of Trinity'ৰ সংস্পৰ্শত personality শব্দটোৱ ৰব আড়ম্বৰপূৰ্ণ হৈ উঠিল। গতিকে ব্যক্তিত্ব আহৰণ কৰাটো ব্যক্তিৰ চৰম সত্য বুলি পৰিগণিত হল।

এই শব্দটো আমি দুটা দৃষ্টিভঙ্গীৰ পৰা চাব পাৰো, দাৰ্শনিক আৰু মনস্তাত্বিক। দৰ্শনৰ ফালৰ পৰা চালে ব্যক্তিত্ব শব্দটোৱে আত্মাৰ মাজেদি ঐক্য লাভ কৰা মানুহৰ সামগ্ৰিক মানসিক সত্তাকে বুজায়। কিন্তু এক অবিনশ্বৰ আত্মাৰ অস্তিত্বৰ কথা বহুত দৰ্শনে মানি নলয়। বৌদ্ধ ধৰ্ম্মাৱলম্বীসকলে কয় যে বাহীৰ মাজত

স্তুৰৰ অৱস্থান বুলি ভুল কৰা যেনেকৈ জ্ঞানী লোকৰ কাম নহয়, তেনেকৈ স্কন্ধৰ ( স্কন্ধই মানুহৰ দেহ-মনৰ সমষ্টিৰ সামগ্ৰিক সত্তাকে বুজায় ) মাজত আত্মা বিচৰাতো মূৰ্খৰ কামহে। তেওঁলোকে মানুহৰ মানসিক সত্তা এক শৃঙ্খলাবদ্ধ গোট বুলি স্বীকাৰ নকৰে। ইংৰাজ দাৰ্শনিক হিউমৰ ভাষাত এই মত স্পষ্ট ভাৱে ওলায়। তেওঁ কয় যে "Mankind are nothing but a bundle or collection of different perception ···। যদি সেয়েই হয়, মানুহ যদি কেৱল ইন্দ্ৰিয়গ্ৰাহ্য উপলব্ধিৰেই সমষ্টি মাথোন তেন্তে ইলিয়টে কোৱা "কৱিৰ প্ৰকাশ কৰিবলৈ কোনো ব্যক্তিত্ব নাই, তেওঁ এক মাধ্যমহে, য'ত উপলব্ধি আৰু অভিজ্ঞতাৰ অদ্ভুত আৰু অভাৱনীয় সংমিশ্ৰণ ঘটে" —কথাষাৰৰ দাৰ্শনিক ভিত্তি আছে। কিন্তু এওঁলোকৰ 'স্কন্ধ' 'সমষ্টি' আৰু "সংমিশ্ৰণত" জানো এক প্ৰকাৰৰ মানসিক সংগঠনৰ কথা স্বীকাৰ কৰি লোৱা হোৱা নাই? দাৰ্শনিক তত্বৰ ফালৰ পৰা বুদ্ধই যেনেকৈ এক অৱিনশ্বৰ আত্মাৰ অস্তিত্ব স্বীকাৰ কৰিব নোখোজে, তেনেকৈ মনস্তাত্বিক ফালৰ পৰাও ইলিয়টে এই মানসিক সংগঠনৰ স্থিৰীকৃত পৰিবৰ্তনহীন স্বৰূপ মানি লবলৈ মান্তি নহয়। এনে মনস্তাত্বিক দৃষ্টিভঙ্গীৰ পৰাই কবি কীটচে কৈছিল:-They have not any individuality, any determined charecter ·······" অৰ্থাৎ তেওঁলোকৰ কোনো ব্যক্তিত্ব বা নিৰ্দ্ধাৰিত চৰিত্ৰ নাই। দেখা যায় ধৰ্ম্ম আৰু সাহিত্যত ব্যক্তিত্বৰ প্ৰতি থকা বিৰোধ ভাৱৰ মূল কাৰণে হল ব্যক্তিত্ব আৰু চৰিত্ৰ (Character) শব্দ দুটাৰ শিথিল ব্যৱহাৰ।

মনোবৈজ্ঞানিক সকলে বিশেষকৈ ফ্ৰয়েডে মানুহৰ মনৰ যি বিভাজন কৰি দেখুৱাইছে তাক আজিকালি প্ৰায় সকলোৱে নিৰ্ব্বিবাদে গ্ৰহণ কৰে। যদিও এই বিভাজনৰ সুনিৰ্দ্দিষ্ট সীমা নাই—তথাপি সজ্ঞান ( conscious ), প্ৰাকজ্ঞান ( preconscious ) আৰু নিৰ্জ্ঞান ( unconscious এই তিনিটা মানসিক বিভাজন আমি কম বেছি পৰিমাণে স্পষ্ট বুলিয়েই ধৰিব পাৰো। দেখা যায় আমাৰ মনৰ অজ্ঞান অৱস্থাৰ দুটা ভাগ আছে—এভাগ যথাযথ ভাৱেই অজ্ঞান, মনৰ নিভৃততম স্তৰ, য'ৰ অন্ধকাৰে আমাক সংযোগ কৰি ৰাখিছে জীৱনৰ আৰু জাতিৰ আদিতম মুহূৰ্ত্তৰ সৈতে—এই অৱস্থাক মনৰ নিৰ্জ্ঞান অৱস্থা বোলা হৈছে। দ্বিতীয় বিভাজনৰ সৃষ্টি হৈছে মনত থকা সজাগ দমনশক্তিৰ ( repression ) তাড়ণাত। এই স্তৰত থকা ভাৱোদ্বেগ আৰু আকাঙ্ক্ষাৰ যদিও প্ৰকাশ লাভ হোৱা নাই, তথাপিও সিহঁত প্ৰকাশৰ পথত বা প্ৰকাশ লাভ কৰিবলৈ সমৰ্থ। কিন্তু ইহঁতক দমন কৰি ৰাখিছে কোনে? ফ্ৰয়েডৰ মতে মানুহৰ সজাগ মনত এক সঙ্গতিপূৰ্ণ সংগঠন আছে—যাক তেওঁ 'ইগ' বা 'অহম' আখ্যা দিছে, ইয়েই আমাৰ সজ্ঞান আৰু অজ্ঞান মনৰ বহুতো ক্ৰিয়াকৰ্ম্মৰ প্ৰকাশ প্ৰতিৰোধ কৰি আছে। এই অৱদমনৰ ফল স্বৰূপে মানুহৰ প্ৰকৃতিয়ে যি স্থিৰীকৃত ৰূপ ধাৰণ কৰে তাকে character বা চৰিত্ৰ বোলা হয়। গতিকে চৰিত্ৰ মানুহৰ কোনো বিশেষ গুণাৱলীৰহে প্ৰতিভূ স্বৰূপ, ই সমগ্ৰ মানসিক সত্তাৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে। charecter শব্দটো মূল গ্ৰীক ভাষাৰ পৰা লোৱা হৈছিল—ইয়াৰ অৰ্থ হল কাঠত খোদিত চিত্ৰ। সেই কাৰণেই এই শব্দটোৱে কিবা এক



স্থাৱৰ, দৃঢ় মানসিক প্ৰকৃতিৰ আভাস দিয়ে। কবি কীটচে man of actioan আৰু man of genius ৰ পাৰ্থক্য দেখুৱাই কৈছে—যে প্ৰথম জনৰ নিৰ্দ্দিষ্ট স্বৰূপ বা character আছে কিন্তু দ্বিতীয় জনৰ কোনো স্বৰূপ বা চৰিত্ৰ নাই। সজাগ মনে কোনো এটা আদৰ্শ বা super ego ৰ আহিত মনৰ এক বিশাল অংশক দমন কৰি চৰিত্ৰৰ সাজ দিয়ে। কিন্তু ব্যক্তিত্ব চৰিত্ৰতকৈ বিশাল—; সজাগ মনৰ সঙ্গতিপূৰ্ণ সংগঠন ( অহম্ ) ৰ দৰেই সমগ্ৰ মানসিক সত্তাৰ সাধাৰণ সুৰ স্বৰূপ এক উপলব্ধি আমাৰ মনত হয়, এই উপলব্ধিৰ মহত্ব আৰু গভীৰতাৰ ওপৰত মানুহৰ ব্যক্তিত্ব নিৰ্ভৰ কৰে। এই উপলব্ধিয়ে আমাৰ সজাগ মনক মুখামুখী কৰি থিয় কৰায় মনত অপ্ৰকাশ হৈ থকা অসীম সম্পদৰাশীৰ সৈতে। বিভিন্ন শিল্পীৰ বিভিন্ন প্ৰতিভাৰ কাৰণ এই উপলব্ধিৰ তাৰতম্যই যেন অনুমান হয়।

গতিকে সাহিত্যত নৈৰ্ব্যক্তিকতাৰ যেতিয়া জয়গান গাওঁ, আমি সাধাৰণতে ব্যক্তি বৈশিষ্ট্যতাৰ উৰ্দ্ধত উঠি নিৰপেক্ষ নিৰ্জ্ঞান মনৰ গভীৰ সম্পদৰাশীৰ উন্মোচন কৰাই বাঞ্ছা কৰো। এই নিৰ্জ্ঞান স্তৰৰ ঘাঁই সম্বল হল স্মৃতি। আমাৰ প্ৰতি অভিজ্ঞতাৰ, প্ৰতি ইন্দ্ৰিয়লব্ধ জ্ঞানৰ একোখন পশ্চাদ্ভূমি আছে, আনকি জন্মাতীত অভিজ্ঞতাৰ সাঁচো আমাৰ মনত আছে। অন্তঃপ্ৰেৰণাৰ সিহঁৰণত যেতিয়া এই সকলো জীৱন্ত হৈ উঠে, যেতিয়া এই সঞ্চিত শক্তিত অগ্নি সংযোগ হয়, তেতিয়াই মহৎ সাহিত্য সৃষ্টি হয়। কিন্তু এই মহৎ সৃষ্টিৰ পথত সক্ৰিয় প্ৰতিৰোধৰ সৃষ্টি কৰে আমাৰ সজাগ ব্যক্তি চৰিত্ৰই

character )। গতিকে ১৯ শতিকাৰ শেহৰ ফালে ফৰাচী প্ৰতীকবাদীসকলে নিজৰ ব্যক্তি চৰিত্ৰক স্বইচ্ছাই বিকৃত কৰি, বিপন্ন কৰি আনকি নিৰ্ম্মূল কৰিও নিৰ্জ্ঞান মনক মুক্ত কৰিবলৈ চেষ্টা কৰিছিল। ভেলেৰীৰ ভাষাত এওঁলোকৰ লক্ষ্য আছি Absobute Poetry ( পৰম কাব্য ) ঠিক তেনেকৈয়ে 'সাৰ-ৰিয়েলিষ্ট'সকলে নিৰ্জ্ঞান মনৰ স্বতঃস্ফূৰ্ত্ত প্ৰকাশেই লক্ষ্য কৰিছিল। তেওঁলোকৰ হাতত কৱিতা লিখা আৰু প্ৰেত-লিপি ধৰা ( planchette ) প্ৰায় একে হৈ উঠিছিল। ফলত ব্যক্তি আৰু ব্ৰহ্মৰ মধ্যস্থ পৃথিৱীখন এওলোকৰ কবিতাৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। এইটো এটা চূড়ান্ত অৱস্থা। সৰ্ব্বমতাস্তম্ গৰ্হিতম্। কিন্তু ইয়াৰ দ্বাৰা মূল সত্যক অস্বীকাৰ কৰা নহয়।

ব্যক্তিত্ব আৰু চৰিত্ৰৰ এনে মনোবৈজ্ঞানিক আলোচনাৰ পৰা আৰু এটা প্ৰশ্নৰ সমিধানৰ ইঙ্গিত পাওঁ। কিয় কৱি-শিল্পীৰ প্ৰতিভা প্ৰকাশত মাজে মাজে বিৰতি আহি পৰে আৰু কিয় কিছুমানৰ প্ৰকাশ একেবাৰে ৰুদ্ধ হৈ যায়? কিয় মিলটনে বিশ বছৰ কৱিতা নেলেখাকৈ আছিল বা কবি গ্ৰেই মাথো কেইটামান কবিতা লিখিয়েই প্ৰকাশ হীন হৈ পৰিল? বা কিয় আমাৰ সাহিত্যত এটা বয়সৰ পৰা সাহিত্যসৃষ্টি সম্পূৰ্ণ ৰূপে বন্ধ হৈ যায়। ইয়াৰ কাৰণ হ'ল ব্যক্তিৰ যি বিশালতা আৰু গতিশীলতা আছে সি সঙ্কুচিত আৰু স্থবিৰ হৈ কোনো এক বিশেষ চৰিত্ৰৰ মাজত আৱদ্ধ হৈ পৰে। এনে অৱস্থাত কলা-সৃষ্টিত আমাৰ সমগ্ৰ মনৰ গ্ৰহণ নহয়। আৰু লাহে লাহে প্ৰকাশৰ পথ ৰুদ্ধ হৈ পৰে। আজি কেইবছৰ মানৰ আগত 'ইউনেস্ক' চেমিনাৰত শিল্পী আৰু আৰু

তেওঁৰ পেচা বা চাকৰি সম্পৰ্কে এটা আলোচনা হৈছিল। তাত সিদ্ধান্ত কৰিছিল যে শিল্পীৰ কাৰণে এনে জীৱিকাৰ পথ হ'ব লাগে যাতে তাৰ লগত তেওঁৰ কলাসৃষ্টিৰ কোনো সম্বন্ধ নেথাকে বা তেওঁৰ মানসিক জগতৰ কোনো আকৰ্ষণ নেথাকে। অৰ্থাৎ যাতে শিল্পীয়ে নিৰপেক্ষ নিৰ্জ্জান মনৰ বিশালতা বৰ্জ্জন কৰি সংকীৰ্ণ কোনো স্থিৰীকৃত (fixed) ৰূপত সীমাবদ্ধ হৈ নপৰে। সেই গুণে বহুতো উচ্চ শ্ৰেণীৰ কলাকাৰে কলাসৃষ্টিৰ পথত নিৰ্জ্জনতাৰ অৱদানৰ কথা কৈ গৈছে। গ্যেটেৰ মতে প্ৰতিভা সৃষ্টি হয় নিৰ্জ্জনতাৰ আৰু চৰিত্ৰ সৃষ্টি হয় জনতাৰ মাজত। আনাৰ যুগত হেমিংৱেই নোবেল বটা গ্ৰহণ কৰিবৰ সময়ত তাকেই কৈছিল; "উচ্চ শ্ৰেণীৰ লিখকৰ জীৱন সদায়েই নিৰ্জ্জনতাত অতিবাহিত হয়। সাহিত্যিকৰ সভা সমিতিয়ে বা মান প্ৰদৰ্শনে তেঁওৰ হয়তো নিৰ্জ্জনতা দূৰ কৰিব পাৰে। যিমানেই তেওঁৰ সামাজিক মৰ্য্যাদা বাঢ়ি যায়, তেওঁৰ ফালৰ পৰা নিৰ্জ্জনতা আঁতৰি ধায় আৰু ফলত লিখা ক্ৰমাত বেয়া হৈ পৰে। কিয়নো লিখাটো মূলতঃ নিৰ্জ্জনতাৰ কাম। লিখকে নিজৰ শক্তিৰেই অমৰত্ব লাভৰ আশা বা ব্যৰ্থতাৰ প্ৰতিদিনে সম্মুখীন হব লাগিব।"

———(০)———

# প'ৰ্ব্বত ভৈয়ামৰ লোক-গীতি

শ্ৰীঅম্বেশ্বৰ চেতিয়াফুকন

অসমৰ পৰ্ব্বত-ভৈয়ামৰ লোক-গীতি (Folk-songs) সমূহ উদ্ধাৰ কৰিব পাৰিলে জনজাতীয় আৰু অসমীয়া ভাষাৰ মাজত মহামিলন স্থাপন কৰিব পৰা যাব।

জনজাতীয় গীত-মাত, ফকৰা-যোজনা আৰু সাধুকথা আদি ক্ৰমে ক্ৰমে আহি অসমীয়া ভাষা-সাহিত্যত কিদৰে প্ৰকাশ পাইছে, তাকে আমি ওপৰুক্ত শিতানত ৰাইজক মাজে মাজে জনাই থাকিবলৈ চেষ্টা কৰিম।

প্ৰথমতে টাই জাতীয় খামটি তিৰোতা সকলৰ সাজ-পাৰৰ সম্বন্ধে গোৱা অসমীয়া যোজনা এটি দাঙি ধৰিলো—

"চেং (তাল) ঐ চৰপ,
খামটিৰ মেখেলা তিনি তৰপ।"

খামটি তিৰোতাসকলে তিনি তৰপীয়া মেখেলা পিন্ধা কথাটো ওপৰুক্ত যোজনাফ'কিৰ পৰাই সহজে আমি জানিব পাৰো। চিন্ = মেখেলা, লাংৱাত্ = ৰিহা, চাইচিন্ বা চাইকাপ্ = মেখেলা বন্ধা চটীয়া কাপোৰ।

টাই ভাষাৰ বন-গীত (মৌখাম্) বিলাক শুনিবলৈ মধুৰ আৰু শুৱলা। তাৰে এটি তলত তুলি দিয়া হ'ল—



টাই ভাষাৰ বন-গীত

ঐ-ন নিখাও থম্ঐ চিংঅন্
ৱানহো প্যাংতু
পে'পাই নাম্লাই য়ুৱং কংঙন্
হান্নই থাম্ ৱান্দা,
মাংফং তংটাই ওক্খাইহং
তান্মো'ন্ হাংছা
য়োথাম্ ক্যান্নৈ ফ্যচ'প্
পে'ন্প্যাক্ হাইচপ্খা
মে'হাং চাংথাম্। থ্যাইৱা
চৰাথান্ ম্যাংচেং ৱান
ত'ন্ থন্ খাও টিংন্যোকাং
মৈয়অন্।
প্যোন্লুং কাপ্কাই পে'ন্চাই
য়্যাওহি হংথাংমন কাউঐ,
হাংজ্যাত ৱান্থাও হো'খাইফা,
খাওচোংওনৈ তাম্তাংনা।
হ'ম্ফাং আফান্ তম্চান্
ফুংম্যোং থাংত্যু'ম্ থনঐ।

অসমীয়া ভাঙনী

দেহিঐ,
কোনে'না বজালে লাহৰী গগনা
কিনো অমাতৰে মাত,
সেইনো মাতে শুনি দেও ৰাজেহাঁহৰ
দেও-ধ্বনি লাগিছে গাত।
সোণালী ময়ূৰে নাচিছে চেনাই ঐ
গছৰ ডালে ডালে পৰি,
হালিছে জালিছে ফুল বনৰীয়া
ভোমোৰা ফুৰিছে উৰি।
তথাপি লগা নাই ভাল মোৰ লগৰী
কেনেৱা কৰিছে মন,
ক'তেনো হেৰালে কোনে হৰি নিলে
মোৰে ঐ বুকুৰে ধন।
মাণিকৰ দেশতে মাণিক নাইকিয়া
কান্দে হিয়াখনি মোৰ;
শিলৰে চপৰা খহাদি খহি ঐ
দেহাটি পৰিব ওৰ।

টাই জাতীয় লোকসকলে বৈহুপয় = বিহু উৎসৱ আদিত ভাগে ভাগে সুৰ লগাই গীত বিলাক গাওঁতে তলত উল্লেখ কৰা বাদ্য-যন্ত্ৰ সমূহ অৱস্থা ভেদে ব্যৱহাৰ কৰা হয়। যেনে— পী = পেঁপা, পে' = গগনা, কং = ঢোল, পীচন্-চ্যাও বা পীটক্ = বাহী, চেং = তাল, চাপ্খপ = টকা, টিং = বীণ-টোকাৰী, য়্যামং = কাঁহ, কোচে' = খামটি আৰু বৰ্ম্মাদেশত বজোৱা এবিধ কাঁহৰ বাদ্য বিশেষ।

টাই ভাষাৰ শব্দ থকা তলত আন এটি যোজনা দিয়া হ'ল—

খোৱাঙত শুঠিবা বাটে পাহৰিবা
দৰিকাত বান্ধিবা সাঁকো,
তাতৰে শালেখন নহয় বিহু চেৰা
নাহৰৰ সাজিবা মাকো।

প্ৰৱাদ আছে, খোৱাঙত উঠিলে মানুহ হেনো বাট হেৰুৱায়। খো' = দলং, ৱাং = পথভ্ৰষ্ট হোৱা।

চিংফৌসকলে গধূলি সময়ত চাং ঘৰৰ আগচোতালত জুই জ্বলাই ছুডাল বাহৰ মাৰি বজাই বজাই গীত গাই চাক্ছন্ মাতে। চাক্ছন্ এবিধ পাখি লগা পোক। ইয়াক পুৰি বা তেলত ভাজি খাবলৈ বৰ ভাল। চিংফৌ আৰু অসমীয়া ভাষাৰ চাক্ছন্ গীত ছুটি তলত প্ৰকাশ কৰা হ'ল।

<u>চিংফৌৰ চাক্‌ছন্-গীত</u>

মাচেৰে ই ছেম্‌ছে
থুংলুং ৰাকুনতু,
দিংলা ৰা এ
চু চু প'মিন্‌লো ।

মাচেৰে = চাক্‌ছন্
ই = আকি
ছেম্‌ছে = খাবলৈ
থুংলুং = বৰমোনা বা জোলোঙা
ৰাকুনতু = ডাঙৰ অথচ ফাটি যোৱাকৈ
দিংলা বা এ = বুঢ়াৰ পৰা ল'বালৈকে
চু চু = মোৰ গাত পৰহি
প'মিন্‌লো = জাকে জাকে, জুম পাতি পাতি ।

অসমীয়াত গায়—
চাক্‌ছন্ এ, শীতল তলী,
মাৰ-বাপেৰ আহিব গধূলি বেলি ।
আম গছত নপৰিবি
আম এঠা লাগিব,
কঠাল গছত নপৰিবি
কঠাল এঠা লাগিব
মোৰ গাত পৰিবি
জাত জাত উৰিবি
তই হবি, তই হবি তেলেতীয়া ।

পৰ্ব্বত-ভৈয়ামৰ স্বভাৱকৰি সকলে ৰচনা কৰি থৈ যোৱা গীতবিলাকৰ মিল দেখিলে, সঁচাকৈয়ে বৰ ভাল লাগে । পৰ্ব্বত-ভৈয়ামৰ সাংস্কৃতিক বিনিময় ঘটোৱাত ইয়েই আমাক প্ৰথমে সহায় কৰিব ।

---

# নয় আৰু বামানয়

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী

অসম সাহিত্য সভা পত্ৰিকাৰ সপ্তদশ বছৰৰ তৃতীয়া সংখ্যাত অধ্যাপক সদানন্দ চলিহাই তুজনা গুৰুৰ লেখাত থকা 'নয়' আৰু 'বামানয়' শব্দৰ ব্যাখ্যা কৰিছে । তেখেতে কৈছে যে 'নয়' আৰু তাৰ প্ৰতিসম অৰ্থবোধক 'বামানয়' শব্দৰ বহুল ব্যৱহাৰ তুজনা গুৰুৰ লেখাত পৰিলক্ষিত হয় । তাৰে 'নয়' শব্দটো বৰ্ত্তমান সাংবিধানিক শব্দকোষ প্ৰস্তুত কৰি দিয়া ভাষাবিশেষজ্ঞ কমিটিয়েও গ্ৰহণ কৰিছে । শব্দ তুটাৰ আঁতি-গুৰি বিচাৰি শ্ৰীচলিহাই মৌলিক অৰ্থ নিৰূপণৰ চেষ্টা কৰিছে আৰু সমৰ্থনত অৰ্থশাস্ত্ৰৰ সহায় লৈছে । অৰ্থশাস্ত্ৰত অৱশ্যে 'বামানয়' শব্দ নাই, নয় শব্দ আছে । শ্ৰীচলিহায়ো অৰ্থশাস্ত্ৰৰ অভিপ্ৰেত 'নয়' শব্দৰ অৰ্থই তুজনা গুৰুৰ লেখাত প্ৰকাশ পাইছে বুলি মন্তব্য কৰি সামৰণি মাৰিছে ।

শ্ৰীচলিহাৰ আলোচনাটি পঢ়ি ভাল লাগিল, যদিও সকলো বিষয়ত তেখেতৰ সিদ্ধান্ত আৰু ব্যাখ্যা আমি মানি লবলৈ টান পাইছোঁ । আমাৰ বৈমত্যৰ কাৰণ দেখুৱাবলৈ চেষ্টা কৰিলো ।

আমি ভাবো যে তুজনা গুৰুৰ লেখা ধৰ্ম্মবৰ্গৰ হে অন্তৰ্গত, অৰ্থবৰ্গৰ অন্তৰ্গত নহয় । গতিকে ধৰ্ম্মবৰ্গৰ লেখাত প্ৰযুক্ত শব্দৰ অৰ্থ আৰু



অভিপ্ৰায় বুজিবলৈ ধৰ্ম্মবৰ্গৰ শাস্ত্ৰসমূহৰ আশ্ৰয় লোৱাহে সমীচিন । এইটো জনা কথা যে প্ৰত্যেক বৰ্গৰ শাস্ত্ৰত পাৰিভাষিক শব্দ আছে আৰু পাৰিভাষিক অৰ্থত কিছুমান শব্দৰ প্ৰয়োগ হয় । এনে প্ৰয়োগৰ দ্বাৰা কোনো ক্ষেত্ৰত শব্দৰ অৰ্থৰ পৰিধি সঙ্কীৰ্ণ হয়, কোনো ঠাইত হয় ব্যাপক । গতিকে সাধাৰণ ভাৱে বুজা অৰ্থৰ মাপ কাঠিৰে এনে শব্দৰ অৰ্থ নিৰ্ণয় কৰিলে প্ৰমাদৰ আশঙ্কা আছে ।

ঠিক সেইদৰে 'ধৰ্ম্মবৰ্গৰ অন্তৰ্গত শাস্ত্ৰত প্ৰযুক্ত শব্দবিশেষৰ ব্যাখ্যা, অৰ্থ বা কামবৰ্গৰ শাস্ত্ৰত পোৱা শব্দাৰ্থৰ সহায়ত কৰিব নোৱাৰি । কিয়নো দুয়োবৰ্গৰ শাস্ত্ৰত একেটা শব্দই হয়তো তুটা বেলেগ পাৰিভাষিক অৰ্থত ব্যৱহাৰ হৈছে । ঠিক একেভাৱেই অৰ্থবৰ্গৰ অন্তৰ্গত লেখাত ব্যৱহৃত শব্দ বিশেষৰ ব্যাখ্যা ধৰ্ম্মবৰ্গ বা কামবৰ্গৰ শাস্ত্ৰত ব্যৱহৃত শব্দাৰ্থৰ সহায়ত নহয় । এনে কৰিবলৈ গ'লে কদৰ্থ নহলেও প্ৰকৃত অভিপ্ৰায় প্ৰকাশ নহৈ অৰ্থৰ বেমেজালি ঘটাৰ সম্ভাৱনা নোহোৱা নহয় । আনকি কামশাস্ত্ৰৰ পাৰিভাষিক শব্দতো কামবৰ্গৰ পৰম্পৰাগত অৰ্থহে ধৰিব লাগিব । এই বিষয়ে দীঘলীয়া আলোচনা এই ক্ষেত্ৰত অপ্ৰাসঙ্গিক হব ; গতিকে দিগ্‌দৰ্শনস্বৰূপে তুই চাৰিটা শব্দলৈহে আঙুলিয়াই দিয়া হ'ল ।

ধৰ্ম্মশাস্ত্ৰত 'পুৰুষাৰ্থ' শব্দৰ অৰ্থ চাৰিপুৰুষাৰ্থ বা চতুৰ্ব্বৰ্গ ; কিন্তু 'পুৰুষাৰ্থমপেক্ষতে' এনে ক্ষেত্ৰত বুজাব শাৰীৰিক প্ৰচেষ্টা বা যত্ন । 'লতা' শব্দৰ সাধাৰণ অৰ্থ বগোৱা উদ্ভিদ বিশেষ ; কিন্তু সাধন মাৰ্গত 'লতা' শব্দৰ অৰ্থ সাধন সহচৰী । সেইদৰে 'কাৰণ' শব্দৰ অৰ্থ মদ । 'যোগ' আৰু 'ক্ষেম' এই তুটা শব্দৰ সাধাৰণ অৰ্থ তুটা বস্তু লগলগোৱা, চিত্তৰ ব্যাপাৰ আৰু অহিংসবৃত্তি । এই তুটা শব্দৰে অৰ্থ অৰ্থশাস্ত্ৰত বেলেগ হয় ।

"যোগক্ষেমং বহাম্যহম্" এই বাক্যৰ "যোগ"ৰ অৰ্থ নোপোৱা বস্তু পোৱা আৰু "ক্ষেম" শব্দৰ অৰ্থ পোৱা বস্তুৰ সুৰক্ষণ । আকৌ বিভিন্ন সন্দৰ্ভত এই তুটা শব্দকে ধৰ্ম্মশাস্ত্ৰত বেলেগ অৰ্থত পোৱা যায় ।

সেইদৰে 'সাধন' আৰু 'যন্ত্ৰ' শব্দ সাধাৰণ ভাৱে স্বীকৃত অৰ্থতকৈ বেলেগ অৰ্থতহে কাম শাস্ত্ৰত প্ৰয়োগ দেখা যায় । কাম শাস্ত্ৰত সাধন আৰু 'যন্ত্ৰ' শব্দৰ অৰ্থ পুৰুষাঙ্গ । এই যন্ত্ৰ শব্দৰে আকৌ সুকীয়া এটা অৰ্থ তন্ত্ৰ-শাস্ত্ৰত পোৱা যায় ।

কেৱল ধৰ্ম্ম-অৰ্থ-কাম এই ত্ৰিবৰ্গৰ শাস্ত্ৰগ্ৰন্থতহে যে শব্দাৰ্থৰ এনে সঙ্কোচ বা প্ৰসাৰ দেখা যায় এনে নহয়, প্ৰস্থানত্ৰয়তো প্ৰস্থান অনুসাৰে একে শব্দৰে বেলেগ বেলেগ অৰ্থ হোৱা উদাহৰণ ওলাব ।

গতিকে আমি ভাবো তুজনা গুৰুৰ লেখাত থকা 'নয়' আৰু 'বামানয়' শব্দৰ অৰ্থৰ ব্যাখ্যা কৰা উচিত হব সেই জাতীয় গ্ৰন্থত ব্যৱহৃত শব্দৰ সহায়ত হে । কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ সহায়ত ব্যাখ্যা কৰিবলৈ যোৱাটো সমীচিন নহব যেন লাগে । বিশেষকৈ মন কৰিবলগীয়া যে 'বামানয়' শব্দটো অৰ্থশাস্ত্ৰত নাই, আনহাতে চলিহাৰ ব্যাখ্যাৰো মূল বিষয় এই 'বামানয়' শব্দহে । 'নয়' শব্দলৈ সুকীয়া ব্যাখ্যা এটা দিয়াৰ বিশেষ আৱশ্যকো নাই । শ্ৰীচলিহাই 'বামানয়' শব্দটো বাম + অনয় কৰিছে আৰু বামা + নয় ( বামা + অনয় কথা কোৱাই নাই )

হবই নোৱাৰে বুলি কৈ তেখেতৰ ব্যাখ্যা দিছে।

তেখেতে নামঘোষা, কীৰ্ত্তন আৰু বলিছলনৰ পৰা পাঁচ ফাকি পদ উদ্ধৃত কৰিছে। এই পাঁচ ফাকি পদৰ 'নয়' শব্দ দুফাকিত আৰু 'বামানয়' শব্দ তিনি ফাকিত আছে। উল্লেখ যোগ্য যে—

"বুদ্ধ অৱতাৰে বেদপথ কৰি ছন্ন।
বামানয় শাস্ত্রে মোহি আছা সৰ্ব্বজন।" কীৰ্ত্তন।
"এহিমতে অনেক উপায়ে দেখাই ভয়।
প্ৰহ্লাদক পঢ়াৰন্ত শাস্ত্র বামানয়।" বলিছলন।

এই দুয়ো ঠাইতে বামানয় শব্দ শাস্ত্ৰৰ বিশেষণৰূপে আছে। কেৱল নাম-ঘোষাৰ "অধমো অজয় বামানয়।" ইয়াত বামানয় বিশেষ্যৰূপে আছে বুলিব পাৰি। শ্ৰীচলিহাই এনে এটা প্ৰণিধান যোগ্য কথালৈ কিয় মন নকৰিলে বুজা টান।

কীৰ্ত্তন আৰু বলিছনৰ পদ দুফাকি প্ৰত্যক্ষ ভাৱে শ্ৰীমদ্ভাগৱতৰ ওপৰত নিৰ্ভৰশীল। নাম-ঘোষাৰ পদ ফাকিৰ তেনে প্ৰত্যক্ষ সম্পৰ্ক নাই যদিও পৰোক্ষ সম্পৰ্কৰ অভাৱ নহব। সেইবোৰ কীৰ্ত্তন আৰু বলিছলনৰ প্ৰসঙ্গত আধাৰ গ্ৰন্থ-তনো উক্ত ভাৱ কেনে শব্দৰে প্ৰকাশ কৰিছে চোৱা আৱশ্যক।

চতুৰ্ব্বিংশতি অৱতাৰ বৰ্ণনা প্ৰসঙ্গত শ্ৰীমদ্ভাগৱতত বুদ্ধ অৱতাৰৰ বৰ্ণনা এইদৰে আছে।

"দেৱদ্বিষাং নিগমৱৰ্ত্মনি নিষ্ঠিতানাম্
পূৰ্ভিৰ্ময়েন বিহিতাভিৰদৃশ্য তূৰ্ভিঃ।
লোকান্ ঘ্নতাং মতি বিমোহিত প্ৰলোভম্
ৱেষং ৱিধায় ৱহু ভাষ্যত উপাধৰ্ম্মাম্॥"

শ্ৰীধৰ স্বামীয়ে ব্যাখ্যা কৰিছে—

"নিগম বৰ্ত্মনি ৱেদমাৰ্গে নিষ্ঠিতানাং
নিতৰাং স্থিতানাম্।
...পাষণ্ডৱেষং বিধায় তেন ঔপধৰ্ম্মাং
বহু ভাষিষ্যত।"

ইয়াত 'বামানয়' শাস্ত্ৰ বা তেনে কোনে কথা স্পষ্ট ভাৱে নাই যদিও বহুত উপধৰ্ম (ৱেদবিৰোধী শাস্ত্ৰৰ দ্বাৰা) প্ৰকাশ কৰিব এনেকুৱা এটা অৰ্থ প্ৰকাশ হয়। বিশেষকৈ কীৰ্ত্তন আৰু বলিছলনৰ পদত 'বামানয়' শাস্ত্ৰৰ বিশেষণ ৰূপে আছে বাবে, শাস্ত্ৰবিশেষ বা মত বাদ বিশেষৰ শাস্ত্ৰ এনে অৰ্থ হোৱা স্বাভাৱিক ভাগৱতত 'নিগমৱৰ্ত্ম'ৰ কথা উল্লেখ কৰি তা বিৰোধী কথাৰ উল্লেখ কৰাত 'বামানয় শাস্ত্ৰ মানে বেদমাৰ্গৰ পৰিপন্থী শাস্ত্ৰ বোলাত কোনে বাধা নাথাকে।

এই প্ৰসঙ্গত অন্যান্য পুৰাণ-উপপুৰাণতে অনুৰূপ উক্তিকে দেখা যায়।

"মায়া মোহ স্বৰূপো, সৌ শুদ্ধোদন
সুতো, ভৱং
মোহয়ামাস দৈত্যাংস্তাংস্ত্যাজিতা
ৱেদধৰ্ম্মক
তেচ বৌদ্ধা বভূবুৰ্হি তেভ্যো, ন্যে
বেদবৰ্জ্জিতাঃ॥" অগ্নিপু

উদ্ধৃতি বঢ়াই লাভ নাই। ইয়াৰ পৰাই স্প বুজা যায় যে সামূহিক ভাৱে ৱেদমাৰ্গৰ পৰি পন্থী সকলোৱেই বামমাৰ্গ বা বামানয়।

শ্ৰীচলিহাই প্ৰশ্ন তুলিছে—"এতিয়া কথা হ'ল বামানয় শব্দটো সিদ্ধ হৈছে কেনেকৈ 'বামা' আৰু 'নয়' এই দুটা শব্দ লগ লাগি বামানয় হৈছে বুলিলে অৰ্থৰ বিসঙ্গতিহে ঘটিব কিয়নো সংস্কৃতত 'বাম' শব্দৰ অৰ্থ ঘাইকৈ দুটা প্ৰথম হ'ল বাওঁ (left) আৰু দ্বিতীয় হ'ল সুন্দৰ মনোহৰ বা ধিতোপন (lovely) দ্বিতীয়তে



অৰ্থত 'বামৰ স্ত্ৰীলিঙ্গ হৈছে বামা আৰু 'বামা' মানে হ'ল সুন্দৰী—সুন্দৰী নাৰী বা দেখনিয়াৰ তিৰোতা। ভিন্ন অৰ্থত 'বামা' বুলি অন্য সংস্কৃত শব্দ এটা নাই। গতিকে বামানয় 'বামা' যোগ 'নয় হবই নোৱাৰে।"

উক্ত কথাখিনি আমি কেবাটাও কাৰণত সমৰ্থন কৰিব নোৱাৰো।

আমি আচৰিত হৈছোঁ। যে চলিহাৰ দৰে তীক্ষ্ণ ধাৰ লোক এজনে 'বামা' আৰু 'নয়'ৰ যোগত বামানয় শব্দ সিদ্ধি হৈছে নে নাই প্ৰশ্ন কৰি কিয় 'বাম' শব্দৰ অৰ্থ বিচৰাত নাগিল। তেখেতে 'বামা' শব্দৰ হে অৰ্থ বিচাৰিব লাগিছিল। তাকে নকৰি 'বাম' শব্দৰ দুটা অৰ্থ, বাওঁ আৰু সুন্দৰ বুলি কৈ দ্বিতীয় অৰ্থ 'বাম' শব্দৰ স্ত্ৰী লিঙ্গ 'বামা' ৰ অৰ্থ একমাত্ৰ সুন্দৰী তিৰোতা বুলি প্ৰতিপাদন কৰিলে। যি হেতুকে তেখেতৰ মতে ভিন্ন অৰ্থত 'বামা' বুলি সংস্কৃত শব্দ এটা নাই গতিকে 'বামা' আৰু 'নয়' বুলিলে সুন্দৰী তিৰোতাৰ নীতি হব বুলি ভয় কৰিলেই চলিহাই সিদ্ধান্ত কৰিলে "গতিকে বামানয়' বামা যোগ নয় হবই নোৱাৰে।"

প্ৰথমতে আমি কওঁ বাম শব্দৰ অৰ্থ বহুত। দ্বিতীয়তে বামা শব্দৰ অৰ্থ সুন্দৰী তিৰোতাৰ বাহিৰে আন অৰ্থও আছে। তৃতীয়তে সুন্দৰক বুজোৱা বাম শব্দৰ পৰা স্ত্ৰীলিঙ্গ ৰূপ বামা নকৰাকৈও বাম শব্দৰ স্ত্ৰীলিঙ্গ ৰূপ বামা শব্দ পোৱা যায়। বাম শব্দৰ অভিধানিক অৰ্থ—বামং ধনম্ (মেদিনী) বাস্তুকম্ (জটাধৰ), বলগু, প্ৰতীপঃ, সব্য (অমৰ) অধমঃ (কৌমুদী)

প্ৰহ্লাদক গুকৰে পঢ়োৱা বিষয়তো শ্ৰীমদ্ভাগৱত, বিষ্ণুপুৰাণ আদিতো তেনে ইঙ্গিতকে পোৱা যায়।

এই অৰ্থত উপনীত হোৱাত কোষগ্ৰন্থয়ো সহায় কৰে। 'নয়' শব্দৰ কেবাটাও অৰ্থ কোষগ্ৰন্থত আছে। তাৰে এটা অৰ্থ হল—নয় = নৈগমাদি (শাস্ত্ৰ) (হেমচন্দ্ৰ), গতিকে অনয় মানে যে নিগম বিৰোধী (শাস্ত্ৰ) সেইটো নিসন্দেহভাৱে ওলাই থকা। এই অৰ্থ কীৰ্ত্তণ আৰু বলিছলনৰ উক্তিৰ প্ৰসঙ্গত খাপ খায়।

এতিয়া প্ৰশ্ন আকৌ ঘূৰি আহে 'বামানয়' শব্দটো সিদ্ধ হ'ল কেনেকৈ? শ্ৰীচলিহাৰ মতে সংস্কৃত ভাষাত বামানয় বোলা শব্দ এটাই নাই। আছে বুলি আমি ৰবকৈ কব নোৱাৰো যদিও নাই বুলিও নকওঁ। কিয়নো "অনন্ত পাৰং কিলশব্দশাস্ত্ৰম্"।

পদ্মপুৰাণৰ উদ্ধৃতিত আমি বুদ্ধাৱতাৰৰ প্ৰসঙ্গত এষাৰ কথা পাও।

"ছন্নং কৃত্বা ৱেদমাৰ্গং শ্লাস্ত্ৰৈৰ্বামানয়ৈৰ্জ্জগৎ।"

আৰু আমি ভাবো হয়তো বলিছলনত "বামন-পুৰাণ কিছু মিশ্ৰ দিলো তাত" দিয়াৰ দৰে কীৰ্ত্তনতো পদ্মপুৰাণ আদিৰ পৰা শব্দ, ভাৱ বা অৰ্থ 'মিশ্ৰ' দিয়া হৈছে।

বামানয় শব্দটো কেনেকৈ সিদ্ধ হৈছে, এই প্ৰসঙ্গত শ্ৰীচলিহাই কৈছে—"নয় মানে যদি পথ বা বাট হয়, তেন্তে 'বামানয়'ৰ অৰ্থ হব বাওঁ বাট বা অবাট।"

আমি হাতেৰে ঢুকি পোৱা কোনো সংস্কৃত শব্দকোষতে 'নয়' শব্দৰ 'বাট' অৰ্থ বিচাৰি নেপালো। কোনো গ্ৰন্থত আছে যদিও আমি নাজানো। শ্ৰীচলিহাৰ পিছৰ সকলো খিনি কথা "'নয়' মানে যদি বাট হয়" এই সম্ভাৱনাৰ ওপৰত প্ৰতিষ্ঠিত আৰু তাকে প্ৰতি

পাদন কৰিবলৈ তেখেতে অৰ্থশাস্ত্ৰৰ ব্যাখ্যাৰ সহায় লব লগীয়াত পৰিছে। কিন্তু 'নয়'ৰ অৰ্থ 'বাট' বুলি নধৰি আভিধানিক অৰ্থ এটা ধৰিলেই পৰিশ্ৰম লাঘৱ হয়।

অৰ্থবৰ্গৰ শাস্ত্ৰত আছে—

"নয়স্য ৱিনয়োমূলম্ ৱিনয়ঃ শাস্ত্ৰনিশ্চয়ঃ।"

"সন্ধি ৱিগ্ৰহিকো কাৰ্য্যঃ ৰাজ্ঞা
নয়বিশাৰদঃ।" নীতিময়ূখ

এই বিলাক ক্ষেত্ৰত যে নয় শব্দৰ অৰ্থ বাট নহয়, তাক নকলেও হব। ভাণ্ডাৰকৰৰ মন্তব্যতো নয় আৰু অনয়ৰ অৰ্থ right policy and wrong policy বুলিহে কোৱা হৈছে।

শ্ৰীচলিহাই কৈছে—

"………'বামা' আৰু 'নয়' এই দুটা শব্দ লগলাগি 'বামানয়' হৈছে বুলিলে অৰ্থৰ বিসঙ্গতিহে ঘটিব ; কিয়নো সংস্কৃতত 'বাম' শব্দৰ অৰ্থ ঘাইকৈ দুটা—প্ৰথম হ'ল, বাওঁ (left) আৰু দ্বিতীয় হ'ল সুন্দৰ, মনোহৰ বা বিতোপন (lovely)। দ্বিতীয়টো অৰ্থত বামৰ স্ত্ৰীলিঙ্গ হৈছে 'বামা' আৰু বামা মানে হ'ল সুন্দৰী—সুন্দৰী নাৰী বা দেখনিয়াৰ তিৰোতা। ভিন্ন অৰ্থত বামা বুলি অন্য সংস্কৃত শব্দ এটা নাই। গতিকে 'বামানয়' বামা যোগ নয় হবই নোৱাৰে।

আমি আচৰিত হৈছো যে চলিহাৰ দৰে তীক্ষ্ণধীৰ লোক এজনে 'বামা' আৰু 'নয়'ৰ যোগত 'বামানয়' শব্দ সিদ্ধ হৈছেনে নাই প্ৰশ্ন তুলি কি কাৰণে 'বাম' শব্দৰহে অৰ্থ বিচৰাত লাগিল। তেখেতে 'বামা' শব্দৰহে পোনপটীয়া অৰ্থ বিচাৰিব লাগিছিল। তাকে নকৰি তেখেতে 'বাম' শব্দৰ দুটা অৰ্থ—বাওঁ আৰু সুন্দৰ বুলি কৈ, দ্বিতীয় অৰ্থত বাম শব্দৰ স্ত্ৰীলিঙ্গ 'বামা'ৰ একমাত্ৰ অৰ্থত সুন্দৰী তিৰোতা বুলি প্ৰতিপাদন কৰিলে। তেখেতৰ মতে "ভিন্ন অৰ্থত বামা বুলি সংস্কৃত শব্দ এটা নাই" বাবেই হবলা বামা আৰু নয় বুলিলে সুন্দৰী তিৰোতাৰ নীতি এনে অৰ্থ আশঙ্কা কৰি তেখেতে সিদ্ধান্ত কৰিলে "গতিকে বামা যোগ নয় হবই নোৱাৰে"।

শ্ৰীচলিহাৰ উক্ত সিদ্ধান্ত কোনো প্ৰকাৰে মানি ললেও, তেখেতৰ যুক্তি মানি লোৱাত কেবাটাও আসোঁৱাহ আছে।

প্ৰথমতে, বাম শব্দৰ অৰ্থ দুটা নহয়—বহুত। দ্বিতীয়তে সুন্দৰী তিৰোতাৰ বাহিৰে বহুত ভিন্ন অৰ্থত বামা শব্দৰ প্ৰয়োগ সংস্কৃত সাহিত্যত আছে। তৃতীয়তে সুন্দৰ বুজোৱা 'বাম' শব্দৰ পৰাও স্ত্ৰীলিঙ্গত বামা শব্দ হয়। গতিকে 'বামা' শব্দৰ একমাত্ৰ অৰ্থ সুন্দৰী তিৰোতা বোলাটো যুক্তিৰ ফালৰ পৰা নিটিকে।

বাম শব্দৰ আভিধানিক অৰ্থ।

বামং—ধনম্। (মেদিনী)

বামং—বাস্তুকম্। (জটাধৰ)

বামং—বল্গু, প্ৰতীপঃ, সব্যঃ (অমৰ)

বামং—অধমঃ (কৌমুদী)

বাম শব্দৰ এই আভিধানিক অৰ্থৰ বাহিৰেও আৰু বহুত অৰ্থ আছে। তন্ত্ৰ-শাস্ত্ৰত আৰু পুৰাণ-উপপুৰাণত, বামকায়, বামভাৱ, বামদেৱ, বামাচাৰ, বামাদেৱী আদিৰ কথা আছে।

"বামঃ কায়ঃ ব্ৰহ্মণোঽপি মাংস মদ্যাদি ভুক্তয়ে।
কৃতো ময়া মোহনায় চাৰ্ব্বাকাদি প্ৰৱৰ্ত্তিতম্॥ কাঃপুঃ

ব্ৰহ্মাৰে বামকায়ৰ লগত মাংস-মদ্য আৰু চাৰ্ব্বাক মতৰ সংযোগ ঘটোৱা হৈছে।

"স্বধৰ্ম্মৰহিতা যেচ ৱেদান্যা সেৱিন্যঃ সদা।
ভ্ৰষ্টাচাৰাশ্চ বামাশ্চ তেষাস্তিনৰকং ধ্ৰুবম্॥"
ব্ৰঃ বৈঃ পুঃ

ইয়াত স্পষ্টভাৱে ৱেদৰ বাহিৰে অন্যমত অৱলম্বনকাৰী আচাৰভ্ৰষ্টক 'বামা' বোলা হৈছে।

"বামং বিৰুদ্ধৰূপন্তু বিপৰীতন্তুগীয়তে।
বামেন সুখদা দেৱী বামা তেন মতা বুধৈঃ॥" দেঃ পুঃ

ইয়াত (দক্ষিণ) ৰূপৰ বিপৰীতক বাম বোলা হৈছে, বামভাৱে পূজিতা দেৱীয়েই বামা দেৱী। দেৱী-পুৰাণত বামা দেৱীৰ কথা স্পষ্টভাৱে কোৱা আছে।

"এতাস্তু বাম ভাৱেন যজেৎ ত্ৰিপুৰভৈৰবীম্॥
"যা পুনঃ পূজমানাতু দেৱাদীনান্তু পূৰ্ব্বতঃ।
যজ্ঞ ভাগং স্বয়ং ধত্তে সা বামা প্ৰকীৰ্ত্তিতা॥"

তাতে আকৌ দক্ষিণা দেৱীৰ কথাও আছে। গতিকে 'বাম' মানে যে বেদৰ মতৰ বিপৰীত মত, আৰু 'বামা' মানে যে বাম ভাবে পূজিতা দেৱী ওপৰৰ উদ্ধৃতিৰ পৰা বুজিব পাৰি। শৈৱ-বৈষ্ণৱৰ দৰে 'বাম' একপ্ৰকাৰ উপাসক বা বা সম্প্ৰদায় বুলিও উল্লেখ আছে।

"বৈষ্ণৱাদুত্তমং শৈৱং শৈৱাদ্ দক্ষিণমুত্তমম্।
দক্ষিণাদুত্তমং বামং বামাং সিদ্ধান্তমুত্তমম্॥"

এতিয়া আমি কওঁ যে 'বামা' শব্দৰ সম্ভৱপৰ আৰু যুক্তিযুক্ত কেবাটাও অৰ্থ আছে যেতিয়া বাম শব্দৰ একমাত্ৰ অৰ্থ সুন্দৰী নাৰী বা দেখনিয়াৰ তিৰোতা বোলাত বিশেষ যুক্তি নাই আৰু সেই



বাবেই বামা যোগ নয় হবই নোৱাৰে বুলি বাম যোগ অনয় কৰাৰো আৱশ্যক নাই।

বাম যোগ অনয় হৈ বামানয় হব পাৰে, কিন্তু তাৰ অৰ্থ wrong left-hand course বোলাটোহে হ'ব নোৱাৰে যেন লাগে। এই শব্দটো শ্ৰীমদ্ভাগবগীতা (শ্ৰীমত্ ভগৱতা গীতা)ৰ দৰে "বামেন উক্তঃ অনয়ঃ" অৰ্থাৎ বামদেৱে কোৱা বা বামৰ অভিপ্ৰেত অনয় (নিগম বিৰোধী) মত বা শাস্ত্ৰ সিদ্ধি হব পাৰে। এনে অৰ্থ কৰিলে, ভাগৱতৰ "নিগমবৰ্ত্মনি নিষ্ঠিতানাং" এই কথাৰ অভিপ্ৰায়ৰ লগত খাপ খাই পৰে। ঠিক এই অৰ্থতে বামা যোগ অনয় কৰিব পাৰি—অৰ্থাৎ বামাৰ (বামাদেৱীৰ) সম্মতি শাস্ত্ৰ বা মত।

এনে অৰ্থ কষ্টসাধ্য যেন অনুমান হলে বামা যোগ নয় কৰি (বামা বিষয়কঃ নয়ঃ-নীতিঃ) বামানয় কৰি বামাদেৱী বিষয়ক শাস্ত্ৰ বামাচাৰ তন্ত্ৰ বুলি ধৰিব পাৰি।

সংক্ষেপতে ইয়াক ক'ব খুজিছো যে বামা যোগ নয় হবই নোৱাৰে বুলি কোৱাত প্ৰণিধানযোগ্য যুক্তি আৰু বাম যোগ অনয়ৰ দ্বাৰা বামানয় শব্দ সিদ্ধ কৰি তাৰ অৰ্থ wrong left-hand course বোলাত পাৰম্পৰ্য্য সঙ্গতি আমি দেখা নাই। শব্দটোৰ এই সাধনত আমাৰ বৈমত্য নাই আছে অৰ্থতহে।

# চাংকংফুকনৰ বুৰঞ্জী

শ্ৰীলীলা গগৈ

[ * চাংকং ফুকনৰ বুৰঞ্জী আজি-কালিৰ চিফ্-ইঞ্জিনিয়াৰৰ বুৰঞ্জী। আজি কেইবছৰমানৰ আগতে লাকোৱাৰ শ্ৰীউমাকান্ত ৰাজকোঁৱৰৰ সহযোগত তিনিখন সাঁচিপতীয়া বুৰঞ্জী উদ্ধাৰ কৰা হয়। তাৰে এখন বুৰঞ্জীবিদ শ্ৰীভুবনচন্দ্ৰ সন্দিকৈয়ে "চাংকঙ্গ ফুকনৰ বুৰঞ্জী" নাম দি সম্পাদনা কৰে। বাকী দুখনৰ কিছুমান কথা প্ৰথমখনৰ সৈতে একে। সেই একে কথাখিনি বাদ দি এই বুৰঞ্জী দুখনৰপৰা বাটবৰ বোৱাৰ নিয়ম, দ'লৰ জোখ, পুখুৰীৰ জোখ, মৈদামৰ হিচাপ, পাটঘৰৰ জোখ আৰু হিচাপ আৰু দ'লৰ গড়ৰ মাটিকালি আদিৰ বিবৰণ থকা এই বুৰঞ্জীখন সম্পাদনা কৰা হৈছে হৈছে। চাংকং ফুকন আহোম ৰজাৰ মুখ্য ইঞ্জিনিয়াৰ। এওঁৰ তত্বাৱধানতে দ'ল, পুখুৰী, কাৰেং, পাটঘৰ, হোলোংঘৰ, শিঙৰিঘৰ আদি তৈয়াৰ কৰা হয়। এওঁৱেই সেইবোৰৰ লিখিত হিচাপো ৰাখে। এইখন বুৰঞ্জীত আন নহলেও ৰজা দিনৰ পকীঘৰ নিৰ্ম্মাণত ব্যৱহাৰ হোৱা কৰাল অৰ্থাৎ চিমেণ্টৰ এটা বঢ়িয়া হিচাপ পোৱা যায়। ]

---

### বাটবৰ বোৱাৰ হিচাব

১৭০৩ শকৰ চ'তৰ ৩০ দিন যাওঁতে সোমবাৰে ৰাতি প্ৰাতসৰ ৪ দণ্ডত কোব মাৰিলত নাগিনীজানৰ কাষৰত দ'লচোৱাৰ বাৰীত বৰগুৰিত চাব ধৰা হল। ১৭০৪ শকৰ বহাগৰ ৩ দিন যাওঁতে কৰলৈ অনা হল শুকুৰবাৰে। ৪ দিন যাওঁতে শনিবাৰে বোৱা হল। তাকে নিয়া কোৰা ধামৰ টাঙ্গনিৰ নিবন্ধে ধাম ২ ডাল। দীঘে ২৪ হাত, বেঢ়ে ৪॥ মুঠি। টাঙ্গনি ৪ ডাল, দীঘে ১২ হাত, দীঘে ৩ হাত, বেঢ়ে ২ মুঠি। টেঙ্গৰ ৩২ ডাল, দীঘে ১॥ হাত, বেঢ়ে ১॥ মুঠি। মুঠতে কাঠ ৬২ ডাল।

চেঙ্গেলীয়া তিনিগুণীয়া ভেটিত মেৰোৱা দীঘে ৪ হাত, ৮০ ডাল। কোবা বন্ধা ডাঙৰ চেঙ্গেলীয়া দীঘে ৪॥ হাত, ৮২ ডাল। হেঙ্গলৰ মূৰৰ, কুকুৰমূৰ বৰ, টেঙ্গৰৰ মূৰৰ কৰিয়া ১৪৮ টা। ভেটিছিঙ্গা ভলুকাবাহৰ গুৰি ২০ ডাল কাণমাৰি ৬৪টা, দীঘে ৩ হাত। কোবা মানুহ ১২৮ টা। হেতোৱা ৬০ টা। গছখনা মানুহ. মৰাণৰ যুৰীয়া হেজাৰ, ন-ফুকনৰ ভা খৰীয়া ২, তামী ২, ডবা ১, খেনমৰা হিলৈ ৪, ভৰলুৱা শইকীয়া ১, ভেটিত মেৰোৱা ঢাবী পাটী, বৰকাপোৰ, খামকাপোৰ, ঝলমবটা।

যদি গছ সৰু হয়, কাঠ নেপায়, ধামল ২ ডাল, দীঘে ২১ হাত, বেঢ়ে ৪ মুঠি। টাঙ্গ ৪ ডাল, দীঘে ১২ হাত, বেঢ়ে ৪ মুঠি। হেঙ্গ ৮ ডাল, দীঘে ৩॥ হাত, বেঢ়ে ২॥ মুঠি। কুকু ১৬ ডাল, দীঘে ২ হাত, বেঢ়ে ১॥ মুঠি। টেঙ্গ ৪২ টা, দীঘে ১॥ হাত, বেঢ়ে ১ মুঠি। মুঠতে কাঠ ৬২ ডাল। চেঙ্গেলীয়া বাহ, ঢাবীপাটি কাপৰ, ডাৰমৰীয়া, হিলৈদাৰী, কোৰাত মানু সেইদৰে। ডেকাফুকনৰ ভেটিখনা মানুহ, ভূ বিঙ্গীয়া ১, হিলৈদাৰী ১, দিহিঙ্গীয়া কাড়ী ১ খুৰাখনৰ ডোম দাৰিকিয়ালৰ ১শ কোৰাত।

১৭০৫ শকৰ ভাদৰ ৩০ দিন যাওঁতে শনিবাৰে ৰাত্ৰি ৪ দণ্ড মাৰিলত চাব ধৰা হল। আহিনৰ ৪ দিন যোৱাত বিৰম্পতিবাৰে ৰাত্ৰি প্ৰাতসৰ ৪ দণ্ড মৰাত উত্তৰলৈ মুখে গছ লবোৱা হল। আহিনৰ ৫ দিন যাওঁতে শুকুৰবাৰে দিনৰ পৰ ৪ দণ্ড মাৰিলত ৺দেৱে ভেটিত চাব ধৰিলে। ধূলি ৪ দণ্ড মাৰিলত বোৱা হল বাটবৰ। বিঙ্গীয়া সকজনা ৰজাদেৱৰ বাটবৰৰ ৫ বেওঁ াতৰত গজিছিলে। তাৰেপৰা নিয়া হল। গোৰীনাথ সিংহ স্বৰ্গদেৱে ৩ গোহাই, বৰুৱা, ফুকন সকলোৱে আগত থাকি বোৱা হল বাটবৰ।

### ৰঙ্গনাথ দ'লৰ জোখ

ৰঙ্গনাথ দ'লৰ বেঢ়ে ৬৩ হাত। ওখকে বাৰপৰা আওলা ইটাৰ থললৈ ৮ হাত ১০ আঙুল। তাৰেপৰা ঘটৰ চূলালৈ ১১॥ হাত, ৩ আঙুল। ঝপাই ২০ হাত। গহ্বৰ বহলে (শূন্য) ১৩ হাত ৪ আঙুল। বাৰ ডাঠে ৪ হাত। ঘৰটিৰ শূন্যখনি দীঘলে ১০ হাত, পথালিও ৮ হাত, বাৰ ডাঠে ২॥ হাত।

### ফাকুযাত্ৰাৰ দ'ল

ফাকুযাত্ৰাৰ দ'লৰ ভিতৰৰ গহ্বৰ বহলে ১৪ হাত। দ'ল ডাঠ ২ হাত। ভিতৰৰ উৰল ১২ হাত, ৪ আঙুল মন্দে। দুৱাৰ ওখকে াজৰ খনিত ৪ হাতৰ ৩ আঙুল মন্দ। বহলে ২॥ হাত। দলটি গুৰিৰ পৰা ওখকে ১৪ হাত টখটি এৰি।

### শ্ৰীসূৰ্য্য আৰু শ্ৰীগনেশ

১৬২২ শকত ৰংপুৰৰ সূৰ্য্য-গনেশৰ ঘৰ। দুইবো একে জোখা। দীঘলে বাঝে ১৬ হাত, পথালিয়ে বাঝে ১৪ হাত। ভিতৰে দীঘে শূন্য ১০ হাত, পথালিয়ে ৮ হাত। বাৰ ডাঠে ৩ হাত।

### দেৰগাঁৱৰ দ'ল

দেৰগাঁৱৰ দলৰ জোখা। বাজু ১০ হাত ৮ আঙুলিকৈ, মেৰে ১৭ হাত ৪ আঙুলিকৈ গহ্বৰ ১৩ হাত, ডাঠে ১২ হাত। বেৰে খুৰাপাটেদি ১১৫ হাত। ওখকে খুৰাপাটৰ পৰা ওপৰৰ বৰমুঠলৈ ২৫ হাত। আৰে ভিতৰতে মেখেলাৰপৰা ঘট ৭ হাত। গলধনত মেৰে ২২ হাত। মুঠৰপৰা সঙ্গদলৰ বাজুত দীঘলে মৰিছেগৈ ৫ হাত। সঙ্গদ'লৰ মেখেলাৰপৰা গাদ'লৰ মেখেলালৈ ৯॥ হাত। বৰদ'লৰপৰা সঙ্গদললৈ নিলগ ৭ হাত, ডাঠে ৪॥ হাত। গহ্বৰ ১২॥ হাত, পোত ৭ হাত। জগমোহনৰ ঘৰটি দীঘে ১৪॥ হাত, পথালি ১৬॥৪ হাত। ভিতৰে শূন্য দীঘে ১০ হাত ১ বেগেত। পথালি শূন্য ৮॥৪ হাত। ডাঠে ৪ হাত, ওখকে ৯ হাত, শূন্য ৭ হাত। আতে লাগিছে লঠিয়াশীল ৫০৪৭০ টা, ইটা ১০৫৫০২০ খন, গুৰ ১৪৯০ কলহ, মাহ ২১৪ পুৰা, শণ ৩০ ডাঙ্গ, তেল ৪৪ কলহ, মাছ ৪৫ ডাঙ্গ, চূণগুৰি ৪৫২০ ঢোল, চকাচূণ ৩৬৩০ কলহ।

### দক্ষিণপাটৰ দ'ল

১৬৭২ শকৰ দক্ষিণপাটৰ দ'লৰ জোখা। বেৰে ১২০ হাত। ওখকে খুৰাপাটৰপৰা মূধলৈ ১৫ হাত, চুকে ৯ হাত, বাৰ ডাঠে ৭ হাত। মুঠৰপৰা ঘটলৈ ২৭ হাত, তাৰেপৰ চুলালৈ ১৩ হাত। গহ্বৰ বহলে ১৬ হাত, ওখ শূন্য ৩৭ হাত।

কামাখ্যাৰ দ'ল

১৪৮৭ শকত কামাখ্যাৰ দ'ল বান্ধে।

হাজো, উমানন্দ আৰু অশ্বকান্ত দ'ল

১৬০৬ শকত হাজোৰ, ১৬০৩ শকত উমানন্দৰ, ১৬৪৭ শকত অশ্বক্রান্তত দ'ল বান্ধে।

গড়গাৱঁৰ কুঞ্জিঘৰ

১৬৬৩ শকৰ কাতিত বন ধৰা হৈছে। গড়গাৱঁৰ কুঞ্জিঘৰৰ জোখা। ঘৰ দীঘে ৩১ হাত, বহলে ১৯ হাত, ওখকে ভেটি ৭ হাত। ঘৰ দীঘে ভিতৰত শূন্য ২৫ হাত, বহলে শূন্য ১৩ হাত, বাৰ ডাঠে ৩ হাতকৈ। ওখকে চুকেদি ৫ হাত, মাজেদি ওখকে ৭ হাত। মাজত শূন্য ওখকে ১৩ হাত। মিচাঙ্গ উত্তৰৰ ফালে পটি ৭ হাত, দক্ষিণৰ ফালে ৪ হাত, পূবৰফালে ১১ হাত, পশ্চিমৰ ফালে ৯ হাত। চৌমেৰে মথৰি ওখকে ৪ হাতকৈ। আতে লাগিছে লঠিয়াশিল ৮৩৯৫২ টা, ইটা লাগিছে ৭৮৬৩৬০ খন। আওলা ইটা ৫২০ খন। আতে গুৰ ৩৭৯২ কলহ, মাহ ৫২৮ ঢোল, শন ৫২৮ ঢোল, শামুকৰ গুৰি ৭০০০ ঢোল, বৰালিমাছ ৬০ ডাঙ্গ, তেল ৩০ কলহ, চকাচুণ ৮০৮৪ কলহ, শিল চুণগুৰি ৬১০০ ঢোল ; কৰালৰ গাত ১১১ টা।

বিশ্বনাথৰ দ'ল

১৬৭২ শকত বিশ্বনাথৰ দ'ল বান্ধে। দৌল মেৰে ৮৪ হাত। ওখকে ৪৬ হাত, বাৰ ডাঠে ৯ হাত, গহ্বৰ বহলে ১৬ হাত। ওখকে খুৰাপাটৰপৰা মুঠলৈ ১৪ হাত, তাৰেপৰা ঘটৰ মেখেলালৈ ২২ হাত, তাৰেপৰা চূলাৰ ওপৰলৈ ৯ হাত, মুঠতে ৪৫ হাত। ওখকে শূন্য ২৮ হাত। জগমোহনৰ ঘৰটি দীঘে ১৭ হাত, মূধে বাৰ ডাঠে ৩ হাত, পথালি ১৪ হাত, বাৰ ডাঠে ২ হাত ১ বেগত। ভিতৰত শূন্য দীঘে ১৪ হাত, পথালি শূন্য ৯ হাত।

নন্দীকেশ্বৰৰ দ'ল

নন্দীকেশ্বৰৰ দ'লৰ জোখা। মেৰে দ'ল ২১ হাত। গহ্বৰ ৪ হাত, বাৰ ডাঠে ২ হাত। ওখকে দ'ল মুঠলৈ ৫ হাত, তাৰেপৰা চূলালৈ ১২ হাত। জগমোহনটি দীঘে ১০ হাত, পথালি ৮ হাত, বাৰ ডাঠে মূধৰ ৩ হাত ; পাচে দিবাৰ ডাঠে ২ হাতকৈ।

গোবিন্দৰ দ'ল

১৬৭৬ শকত। গোবিন্দৰ দ'লৰ জোখা তলতে দীঘে-পথালিয়ে ২২ হাতকৈ। ওখকে বাৰ মাজেদি ১০ হাত ৫ আঙুলকৈ। চুকেদি ও ৬ হাত। গা-দ'ল ওখকে ২১ হাত। ঘ চুলাএ ৪ হাত, মুঠত ওখ ২৫ হাত। গহ্বৰ বহলে ১৩ হাত। ওখকে শূন্য ১৬ হাত, বাৰ ডাঠে ৩ হাত। জগমোহনটি দীঘে ১০ হাত বহলে ৭ হাত, মূধে ওখ ৮ হাত ৩ আঙুল পাচে ওখ ৪ হাত ৪ আঙুল। বাৰ ডা ২ হাত ৪ আঙুলকৈ। ওখকে টাকৰপৰা মূৰলৈ ৭ হাত। আতে লাগিছে গুৰ ১৬৩৬ কলহ মাহ ২১৫ ঢোল, শণ ২৩১ সেৰ, চুণগুৰি ৪৭৭ ঢোল, চকাচুণ ৩৪৫০ কলহ, মাছ ১২৫ ডাঙ্গ তেল ৩১ ঢোল, ধূনা ১২৪ সেৰ। লঠিয়াশিল ৬৪০০০ টা, ইটা ৩১১০০০ খন, দীঘল ইটা ২৩০০ খন, পাটশিল ৩০০ খন কঁৰালৰ গাঁত ৪৯ টা।

ৰংপুৰৰপৰা গুৱাহাটীলৈ জোখ

১৬৭৮ শকৰ পুহৰ ১৮ দিন যাওঁতে বিৰস্পতিবাৰে ৺দেৱে গুৱাহাটীলৈ বাট জোখোলে



ৰংপুৰৰ পৰা সোণাৰি নৈৰ ঘাটলৈ বাট ৭৫০০ বেও। তাৰপৰা গজপুৰলৈ ৭৫০০ বেও। তাৰপৰা দেৰগাঁৱলৈ ৬৪০০ বেও। তাৰপৰা জটিয়াবাঙ্গলৈ ৯৫০০ বেও। তাৰপৰা ঘুমলিলৈ ৮০০০ বেও। তাৰপৰা বিশ্বনাথলৈ ৭৫০০ বেও। তাৰপৰা কলিয়াবৰলৈ ৮৩০০ বেও। তাৰপৰা সৰিয়হতলীলৈ ৮০০০ বেও। তাৰপৰা বৰদোৱালৈ ৫০০০ বেও। তাৰপৰা পাথৰিলৈ ৬৫০০ বেও। তাৰপৰা বেকীলৈ ৬৫০০ বেও। তাৰপৰা কালশিলালৈ ৭৫০০ বেও। তাৰপৰা বৰনদীলৈ ৬৫০০ বেও। তাৰপৰা হাজোলৈ ৯০০০ বেও। মুঠত বাহৰ ১৩ খন। আতে বাট—১০৩৭৪০ বেও মাটি।

ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ মৈদাম

১৬৬৩ শকৰ ভাদৰ ১৩ দিন যাওঁতে দেওবাৰে কৃষ্ণা দ্বিতীয়া তিথিত ৰুদ্ৰসিংহ স্বৰ্গদেৱ স্বৰ্গী হৈছে। মৈদামৰ গাঁত ধৰিছে আহিনৰ ৮ দিন যাওতে শুক্ৰবাৰে। গাঁতত শিল পেলোৱা হৈছে ১০ দিন যাওতে দেওবাৰে। ভিতৰৰ দীঘে ১১ হাত ; বহলে ৯ হাত, ওখকে গহ্বৰ ১২ হাত। ডাঠ চাৰিওমেৰে ৮ হাতকৈ। মূধে ৯ হাত। তলি দীঘে ২৭ হাত, পঠালি ২৫ হাত,। বান্ধে দ'লটি ওখকে ২১ হাত। আতে লাগিছে তিকৰ ফলাশিল ৪৬২০, লঠিয়াশিল ২০০১৫ টা জালিগাঁত ফলাশিল ৩০০০ চলা, লঠিয়াশিল ১০০০০ টা, ইটা ভাল ৫৬৯৩৪০ খন, ভগাইটা ১৮২৯০ ঢোল, জালি গাঁতত ভগা ইটা ২০০০ ঢোল, কৰাল গাঁত ৮৪ টা, জালিগাঁতত মৈদামৰ গাত নখত পইৰা গৈছে শিল ১ পটি। লেখ ১৬২৬৪৯ চটা ইটা, ৩ পটিত ৫৮৭৩৪৪৭ খন, চৌচালি ঘৰটিত ইটা ৬১২০০০ খন, তলচা শিল ফলা ৩ পাটিত ৩০০ খন, গড়ত লাগিল লঠিয়াশিল ২০৮০০ টা, ইটা ৮১১৬২৭ খন। কৰাল লাগিল চোচালি ঘৰত ৫ গাঁত, গড়ত লাগিল ৬ গাঁত, মৈদামৰ গাত ৬৩ গাঁত। মুঠ ৬৭৪ গাঁত। মৈদামৰ নখৰপৰা ইটাগড়লৈ ২ বেও অন্তৰ, গড় ওখকে ৪॥ হাত, বেৰে ১০৫ বেও। বেৰে ১০৫ বেও। গড়ৰ ৮ চুক, ৮ টা দ'ল। ওখকে মৈদাম ৪০ হাত ১ বেগত, চৌচালি ১২। মুঠত ৫২ হাত ১ বেগত। বেৰে ৮৯ বেও, জোখাত মাটি ১॥৴১৮ পুৰা। মুঠত ফলাশিল ৭৯২০ খন, লঠিয়াশিল ৫৮০৬৬৪ টা ইটা ভাল ২৫৮০৩১৪ খন, ভগা ইটা ৩৮২৯০ ঢোল। কৰালৰ গাঁত ১৫৮ টা। আতে গুৰ ৪৮৫৮ কলহ, মাহ ৭৯২॥ ঢোল, শন ৭৯২॥ ঢোল। স্বৰ্গদেৱৰ গোৰ কৰা (কবৰ দিয়া) হৈছে, কাতিৰ ৮ দিন যাওতে দেওবাৰে।

স্বৰ্গদেৱৰ পাটঘৰ

১৬৭০ শকত বহাগৰ ২ দিন যাওতে বিৰস্পতিবাৰে ডেৰপৰ মাৰিলত পাটঘৰৰ খুটাৰ গাঁত ধৰিলে। ৯ দিন যাওঁতে বিৰস্পতি বাৰে ডেৰপৰ মাৰিলত খুটা পুতিলে। কাতিৰ ২১ যাওতে দেওবাৰে ত্ৰুপৰ চাৰি ডাৰ মাৰিলত পাটঘৰ উঠিল তিনি গোহাই প্ৰমুক্তে। ১৬৭০ শক।

৺দেৱৰ বৰঘৰৰ ৯ কোঠা। কোঠাত ১২ হাতকৈ বহলে ৭॥ বেও। ঢেকী খুওৱা দুইটুপ। বৰখুটা ১১ মুঠি, চাউপাঙ্গ ১০ মুঠি। কোষ জখলাৰ ৩ কোঠা। কোঠাত ১২ হাত, বহলে ৩॥

বেও। ঢেকী খুওৱা ২ টুপ। ঢাকনি চৰাৰ ৩ কোঠা, কোঠাত ১২ হাতকৈ বহলে ৩ বেও ঢেকী খুওৱা ১ টুপ। কোষঘৰৰ ৩ কোঠা। কোঠাত ১০ হাতকৈ, বহলে ৩৮ বেও। ছুয়োফালে চালিটুপ। আৰে পাচ মিচাঙ্গ ৩ কোঠা। সৰু মৰঙ্গটি ২ কোঠা। কোঠাত ৭ হাতকৈ বহলে ১৮ বেও। এফালে চালি টুপ। বৰবাটঘৰৰ ৫ কোঠা। কোঠাত ১২ হাতকৈ বহলে ৪। বেও। ঢেকীখুওৱা ২ টুপ। বৰ চাংমাইশালৰ ৫ কোঠা। কোঠাত ১২ হাতকৈ বহলে ৬। বেও। ছুয়োফালে চালিটুপ। ঢেকী খুওৱা ২ টুপ। ছুয়ো মিচাঙ্গ ৮ কোঠা। কোঠাত ১১ হাতকৈ বহলে ৬। বেও। ঢেকিখুওৱা একটুপ। বৰচ'ৰাৰ ৯ কোঠা। কোঠাত ১২ হাতকৈ বহলে ৭॥ বেও। ঢেকী খুওৱা ২ টুপ।

### হোলোংঘৰ

হোলোঙ্গৰ সৰুচতি, বৰচতিৰ ৩ ভাগৰ এভাগ। ডাং ৬ হাত ৮ আঙুল। পুৱাৰ ওখ ৬ হাত, বহলে ৪ হাত। ঘৰিয়াল ধৰাৰ মাজত ৮ হাত। ৯ কোঠা। কোঠাত ১৩ হাতকৈ বহলে ৮ বেও। বৰখুটা ১৫ মুঠি, ১৬ মুঠিকৈ। চাউপাঙ্গ ১৩ মুঠি, ১৪ মুঠিকৈ। ঢেকীখুওৱা ২ টুপ। তলৰ ভেটিৰ পৰা কণৰ তলধাৰলৈ ৯ হাত। কণৰ ওপৰ ধাৰৰপৰা খাউ ১১ হাত ৬ আঙুল। ওপৰ তাঙ্গকাক খাপৰ পৰা দীঘে ১৬ হাত, বহলে ৯ হাত। তলতাঙ্গকাক দীঘে ১৪ হাত, বহলে ১২ হাত। হোলোঙ্গৰ মূৰৰ চ'ৰাৰ ৭ কোঠা। কোঠাত ১১॥ হাতকৈ, বহলে ৬॥ বেও, ঢেকীখুওৱা ২ টুপ। শক ১৬৭০ কাতিৰ ২১ দিন যাওতে ডেৰপৰ মাৰিলত প্ৰমত্তসিংহ ৺দেৱৰ পাটঘৰ উঠিল।

### প্ৰমত্তসিংহ স্বৰ্গদেৱৰ পাটঘৰৰ হিচাপ

প্ৰমত্তসিংহ স্বৰ্গদেৱৰ পাটঘৰৰ খেৰ, কৰা টকৌপাত, বেতৰ লেখা। ৺দেৱৰ বৰঘৰত কৰা ১২৮০ টা, শৰাহকামি ৮॥ কাওণ, বাণকামি ১৩॥ কাওণ, টুপৰ কামি ১১ কাওণ, চাৰনিকামি ৩ কাওণ, মুঠ ৩৫॥ কাওণ। খেৰ ৪৬৪০৮০ টা। টকৌপাত্ত ৪৩৪০৮০॥ বেত, বৰসুত ১৬৮০, সৰুসুত ৫১ কাওণ। বৰবাটঘৰৰ কৰা ৭২৯। শৰাহকামি ১৫ কাওণ, বানকামি ৫ কাওণ। ৺দেৱৰ হোলোঙ্গৰ ছুৱাৰ বহলে ৪ হাত, ওখকে ৫ হাত। ঘৰিয়ালধৰা ২ খুটাৰ মাজত ৮ হাত। মথৰি ওখকে ২ হাত ৪ আঙুল। তাঙ্গাকাকৰ মথৰি ২ হাত ২ আঙুল। টুপ দীঘে ১৮ হাত। দোলাকাষৰীয়া চ'ৰাৰ ছুৱাৰ ওখকে ৫ হাত, বহলে ৪ হাত। বৰবাটঘৰৰ ছুৱাৰ ওখকে ৫ হাত, বহলে ৪ হাত। চাংমাইশালৰ পোন ছুৱাৰ ২ খন। ৪ হাত ওখকে, বহলে ৩ হাত। ৺দেৱৰ ঘৰৰ পোন ছুৱাৰ ছুখন ওখকে ৪ হাত, বহলে ৪ হাত।

### জয়সাগৰ পুখুৰী

১৬১৯ শকৰ আঘোণৰ ৩ দিন যোৱাত গুৰুবাৰে জয়সাগৰৰ পুখুৰী আৰম্ভে। পুখুৰী দীঘে পানীত পূবা-পশ্চিমাকৈ ২৪৭৮ বেও। প্ৰস্থে উত্তৰা-দক্ষিণাকৈ ১৯৪৮ বেও। আতে মাটি ১১৭॥৯৮ পুৰা। পাৰে সৈতে দীঘে ২৯৪৮ বেও, প্ৰস্থে ২৬৮ বেও, আতে মা ২১০।৵১৩৮ পুৰা। উত্তৰ পাৰ বহলে ৪৯ লেও হাত। ৭ খাৰৈত, ৭ ঢোপে পইৰাএ। দক্ষিণ পাৰে বহলে ৪৮ লেওহাত, ৭ খাৰৈত, ৭ ঢোপে পইৰাএ। পশ্চিম পাৰে বহলে ৩৩ লেওহাত, ৮ খাৰৈত, ৬ ঢাপে পইৰাএ। ঢাপে খাৰৈএ



পানীএ সৈতে পুবা-পশ্চিমাকৈ দীঘে ৩৫০ বেও, উত্তৰা-দক্ষিণাকৈ প্ৰস্থে ২৭৫ বেও। আতে মাটী ২৪০॥৵১০ পুৰা।

### গৌৰীসাগৰ পুখুৰী

১৬৪৫ শকত ফাগুণৰ ৫ দিন যাওতে চন্দ্ৰবাৰে (সোম) পুখুৰী আৰম্ভ। ১৬৪৬ শকত আষাঢ়ৰ ১৬ দিন যাওতে প্ৰতিষ্ঠা। পূবা-পশ্চিমাকৈ দীঘে পানীত ২৩৪ বেও। উত্তৰা-দক্ষিণাকৈ প্ৰস্থে ১৯৪ বেও। আতে মাটী ১১৩-।৵১৫ পুৰা। উত্তৰপাৰ বহলে ১৫ লেও হাত, ৪ খাৰৈ ৫৯, ঢাপে-পইৰাএ ৬॥। ঢাপে-খাৰৈয়ে পানীএ সৈতে পূবা-পশ্চিমাকৈ দীঘে ৩১৫ বেও। উত্তৰা-দক্ষিণাকৈ প্ৰস্থে ৩০২ বেও। আতে মাটী ২২১৶৮ লোচা।

### শিৱসাগৰ পুখুৰী

১৬৫৫ শকত জেঠৰ ১৮ দিন যাওতে গুৰুবাৰে শিৱসাগৰ পুখুৰী আৰম্ভে। ১৬৫৬ শকত বৈশাগৰ ৬ দিন যাওতে গুৰুবাৰে প্ৰতিষ্ঠা। পানীতে পূবা-পশ্চিমাকৈ দীঘে ২১৭ বেও, প্ৰস্থে উত্তৰা-দক্ষিণাকৈ ১৮০ বেও। আতে মাটী ৯৭॥৴ পুৰা। ঢাপে-খাৰৈএ দীঘে ২৮৩ বেও, প্ৰস্থ ২৭৫ বেও, ঝপাই মাটী ১৯৪॥৴ পুৰা।

### মেছাগড় পুখুৰী

পূবা-পশ্চিমাকৈ দীঘে ৯৪ বেও, প্ৰস্থে উত্তৰা-দক্ষিণাকৈ ৮০ বেও। আতে মাটী ১৮৮ পুৰা। পাৰে সৈতে দীঘে ১১২ বেও, প্ৰস্থে ৯৮ বেও, জপাই মাটি ২৭।৵১৬ পুৰা।

### ৰাজমাওৰ পুখুৰী

পানীতে পুৰা-পশ্চিমাকৈ দীখে ৭৮ বেও, প্ৰস্থে ৬৩ বেও। আতে মাটী ১২। পুৰা। পাৰে সৈতে দীঘে ৯৬ বেও, প্ৰস্থে ৮১ বেও। জপাই মাটি ১৯।৵১৫ পুৰা।

### ৰহদৈ পুখুৰী

১৬০৪ শকৰ ৰহদৈ পুখুৰী। পানীতে পূবা-পশ্চিমাকৈ দীঘে ৬৯৮ বেও, প্ৰস্থে উত্তৰা-দক্ষিণাকৈ ৪৫৮ বেও। আতে মাটি ৭৮ পুৰা। পাৰে সৈতে দীঘে ৯৭৮ বেও, প্ৰস্থে ৭৬৮ বেও। জপাই মাটী ক৮॥৵৬ পুৰা।

### আলি কেকুঁৰিৰ পুখুৰী

আলি কেকুঁৰিৰ পুখুৰীৰ পুবা-পশ্চিমাকৈ দীঘে পানীতে ৬৫ বেও, উত্তৰা-দক্ষিণাকৈ প্ৰস্থে ৫৬ বেও। আতে মাটী ৯ পুৰা। পুবে-পশ্চিমে-দক্ষিণে তিনিও পাৰ ১৫ বেওকৈ। উত্তৰৰপৰা ১৮ বেও। আতে মাটী ২১৶১৬ পুৰা।

### গৌৰীসাগৰৰ শিৱ দ'ল

১৬৪৬ শকত গৌৰীসাগৰৰ বৰদ'লৰ জোখা। বেৰে ১২০ হাত, পটীএদি ১৫ হাত, বাজু ১৬ হাত, বাৰ ডাঠে ১১ হাত, গম্বুৰ বহলে ১৫ হাত। ওখক খুৰাপাটৰপৰা মুঠলৈ ২০ হাত। তাৰেপৰা চুলাৰ ওপৰলৈ ৪৩ হাত।

### গৌৰীসাগৰৰ বিষ্ণু দ'ল

গোঁসাই দ'লৰ মেৰে ৮০ হাত। গম্বুৰ শূন্য বহলে ১৪ হাত, বাৰ ডাঠে ৬ হাত। ওখকে খুৰাপাটৰপৰা মুঠলৈ ১২ হাত। তাৰে পৰা চুলাৰ ওপৰলৈ ২৮ হাত। পটীএদি বহলে ১২ হাত। বাজু বহলে ৮ হাত।

### গৌৰীসাগৰৰ দেৱী দ'ল

দেৱীদ'লৰ মেৰে ৮০ হাত। পটীএৰেদি বহলে ১২ হাত। গম্বুৰৰ শূন্য বহলে ১৪ হাত। বাৰ ডাঠে ৬ হাত। ওখকে খুৰা-

পাটৰপৰা ওপৰ মুঠলৈ ১২ হাত। তাৰেপৰা চুলাৰ ওপৰলৈ ২৮ হাত।

শিৱসাগৰৰ শিৱদ'ল

শিৱসাগৰৰ বৰদ'লৰ জোখা। বেৰে ১৩০ হাত। পটীএৰেদি ১৮ হাত, বাজু ১৬ হাত, বাৰ ডাঠে ১২ হাত। গহ্বৰ বহলে ১৬ হাত, ওখকে খুৰাপাটৰপৰা ওপৰ মুঠলৈ ১২ হাত। তাৰেপৰা চুলাৰ ওপৰলৈ ৫৭॥ হাত।

শিৱসাগৰৰ বিষ্ণু দ'ল

গোঁসাই দ'লৰ জোখা। বেৰে ৮০ হাত। পটীএৰেদি বহলে ১২ হাত, বাজু বহলে ৮ হাত, গহ্বৰ শূন্য বহলে ১৪ হাত। বাৰ ডাঠে ৬ হাত। ওখকে খুৰাপাটৰপৰা ওপৰ মুঠলৈ ১২ হাত। তাৰেপৰা চুলাৰ ওপৰলৈ ২৮ হাত।

শিৱসাগৰৰ দেৱী দ'ল

দেৱীদ'লৰ মেৰে ৮০ হাত। পটীএৰেদি বহলে ১২ হাত। বাজু বহলে ৮ হাত। গহ্বৰ শূন্য বহলে ১৪ হাত, বাৰ ডাঠে ৬ হাত ওখকে খুৰাপাটৰপৰা ওপৰ মুঠলৈ ১২ হাত। তাবে পৰা চুলাৰ ওপৰলৈ ২৮ হাত।

ৰংপুৰৰ দেৱী ঘৰ

ৰংপুৰৰ দেৱীঘৰৰ জোখা। পোত ৬ হাত। দীঘলে ঘৰ পূৰা-পশ্চিমাকৈ ২৮ হাত। উত্তৰা-দক্ষিণাকৈ ২৪ হাত। গহ্বৰ ওখ শূন্য ১১ হাত, ডাঠ ৪ হাত, বাৰ ডাঠে ৫ হাত। গহ্বৰ দীঘলে ১৮ হাত, বহলে ১৫ হাত, বাৰ ডাঠে ৪ হাত, ঘৰৰ মাজে মূধ ওখ ১৪ হাত, পাছে ৭ হাত। জগমোহন দীঘলে ১৪ হাত, বহলে ১১ হাত, বাৰ ডাঠে ৩ হাত, ওখ শূন্য ৭ হাত। আতে কৰালৰ গাত ৪৪ টা। গুড় ২৮৬৩ কলহ, মাহ ৩২৮ ঢোল, শন ৩২৮ ঢোল, গুড়ি চূণ ৭৫৩০ ঢোল, শিলচূণ গুৰি ২০[illegible] ঢোল, চকাচূণ ৮২৪৮ কলহ, মাছ ২৪৮ ডাঙ্গ[illegible] তেল ৩০ ঢোল, ধুনা ১৮০ সেৰ, ইটা ৪৩৪৮১[illegible] খন, লঠিয়াশিল ৫৮২৪২ টা।

দ'লৰ মাটীৰ জোখ

জয়সাগৰৰ বৰ দ'ল—জয়সাগৰৰ বৰদ'ল[illegible] গড়ৰ ভিতৰত দীঘে ৪৫ বেও, প্ৰস্থে ২০৸ বেও[illegible] আতে মাটী ১৷ পুৰা।

মাজৰ দ'ল ( শিৱদ'ল )—মাজৰ দ'লৰ গড়[illegible] ভিতৰত দীঘে ২৬৸ বেও, প্ৰস্থে ১৭৸ বেও[illegible] আতে মাটি ১৶ পুৰা।

দেৱীঘৰ—দেৱীঘৰৰ গড়ৰ ভিতৰত দীঘে ৩[illegible] বেও, প্ৰস্থে ২৩ বেও, আতে মাটি ২৷ পুৰা।

ৰঙ্গনাথৰ দ'ল—ৰঙ্গনাথৰ গড়ৰ ভিতৰত দী[illegible] ২২ বেও, প্ৰস্থে ১৫ বেও। আতে মাটি ৸৶[illegible] পুৰা।

ৰাজমাও দ'ল—ৰাজমাওদেৱৰ দ'লৰ গড়[illegible] ভিতৰতে দীঘে ১৯ বেও, প্ৰস্থে ৮ বেও। আ[illegible] মাটি ।৶১২ পুৰা।

গড়গাঁৱৰ পূজা ঘৰ—গড়গাঁৱৰ পূজাঘৰৰ গড়[illegible] ভিতৰত দীঘে ৩৩ বেও, প্ৰস্থে ২৮ বেও[illegible] আতে মাটি ২৷/৪ পুৰা

গৌৰীসাগৰৰ শিৱদ'ল—গেৰীসাগৰৰ ব[illegible] দ'লৰ গড়ৰ ভিতৰত দীঘে ৫০ বেও, প্ৰস্থে [illegible] বেও। আতে মাটি ৩ পুৰা।

গৌৰীসাগৰৰ দেৱীদ'ল—মাজৰ দ'লৰ গড়[illegible] ভিতৰত দীঘে ২৫ বেও, প্ৰস্থে ১৬ বেও। আ[illegible] মাটি ১ পুৰা।

শিৱসাগৰৰ শিৱদ'ল—শিৱসাগৰৰ বৰদ'ল[illegible] গড়ৰ ভিতৰত দীঘে ৬৪ বেও, প্ৰস্থে ২২ বেও[illegible] আতে মাটি ৩৷৷৮ পুৰা।



শিৱসাগৰৰ বিষ্ণু দ'ল—গোঁসাই দ'লৰ গড়ৰ ভিতৰত দীঘে ৩৫ বেও, প্ৰস্থে ২৮ বেও। আতে মাটি ২৷৶১৪ পুৰা।

শিৱসাগৰৰ দেৱীদ'ল—দেৱীদ'লৰ গড়ৰ ভিতৰত দীঘে ২৫ বেও, প্ৰস্থে ১৯ বেও। আতে মাটি ১৸/৫ পুৰা।

গড়গাঁৱৰ গোবিন্দ দ'ল—গড়গাঁৱৰ গোবিন্দ দ'লৰ গড়ৰ ভিতৰত দীঘে ১৬ বেও, প্ৰস্থে ১০ বেও। আতে মাটি ।৶ পুৰা।

হৰগৌৰী দ'ল—হৰগৌৰী দ'লৰ গড়ৰ ভিতৰত দীঘে ২৭ বেও, প্ৰস্থে ১৮ বেও। আতে মাটি ১৷৶৩ পুৰা।

---

# সংস্কৃত কাব্যত বৰ্ষা

শ্ৰীমুকুন্দমাধৱ শৰ্ম্মা

ভাৰতবৰ্ষৰ ছটা ঋতুৰ অন্যতম বৰ্ষা। নতুন ঋতুৰ আগমনত প্ৰাকৃতিক ৰাজ্যত যি পৰিবৰ্ত্তনে দেখা দিয়ে তাকে আমি ঋতু নামৰ কাল-বিশেষৰ দ্বাৰা উপলব্ধি কৰোঁ। এনে কাল-বিশেষত হোৱা প্ৰাকৃতিক পৰিবৰ্ত্তনবিলাকৰ মানৱ মনৰ ওপৰত প্ৰভাৱ অসীম। যাইকৈ মানৱ মনৰ অনুভূতিবিলাকক অৱলম্বন কৰি ৰচনা কৰা সাহিত্যবিলাকতো সেই বাবেই ঋতুৰ বৰ্ণনা আৰু প্ৰতিক্ৰিয়াৰ কথা বহুল ভাৱে পাওঁহক।

দক্ষিণ-পশ্চিম মৌচুমীৰ কাৰণে ভাৰতবৰ্ষত বৰ্ষাৰ প্ৰভাৱ যথেষ্ট সবল। সেইবাবেই সংস্কৃত সাহিত্যত বৰ্ষাৰ সুসমৃদ্ধ বৰ্ণনা আৰু বহুল উল্লেখ চকুত পৰে। আহাৰ মাহৰ আৰম্ভতে বৰ্ষাৰ আগমন হয়। কালিদাসে মেঘদূত কাব্যত এই মেঘাগমৰ কথা কবলৈ গৈ লিখিছে—যে ৰামগিৰি আশ্ৰমত নিৰ্ব্বাসিত যক্ষই আহাৰৰ প্ৰথম দিনা পৰ্ব্বতৰ সানুদেশত বপ্ৰক্ৰীড়াব্যস্ত হাতীৰ দৰে সুন্দৰ এচপৰা মেঘ দেখিলে—"আষাঢ়স্য প্ৰথমে দিবসে মেঘমাশ্লিষ্টসানুং বপ্ৰক্ৰীড়া পৰিণত গজ প্ৰেক্ষণীয়ং দদৰ্শ॥" কোনো কোনো পুথিত "প্ৰথম দিবসে" পাঠৰ সলনি "প্ৰশম দিবসে" পাঠ ধৰিছে আৰু আহাৰৰ শেষৰ দিনা নতুন মেঘ দেখিছিল বুলি অৰ্থ কৰিছে। কিন্তু টীকাকাৰ মল্লিনাথৰ যুক্তি অনুসৰি "প্ৰথম দিবসে" পাঠটোহে গ্ৰহণ যোগ্য। আহাৰৰ লগে লগে বৰ্ষাৰম্ভ হোৱাটোহে সকলোৰে অনুভৱসিদ্ধ।

প্ৰকৃতি আৰু মানুহৰ মনৰ ওপৰত বৰ্ষা ঋতুৰ এক অসাধাৰণ আৰু অনিন্দ্যসুন্দৰ প্ৰভাৱ লক্ষ্য কৰি, আৰু এই ঋতুৰ মাধুৰ্য্যত মুগ্ধ হৈ সংস্কৃত কৱিসকলে বিভিন্ন কাব্যত ইয়াৰ সৰস বৰ্ণনা দি গৈছে। মানৱ মনৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱৰ বিষয়ে এটি মনস্তাত্ত্বিক ব্যাখ্যা আমি সংস্কৃত আলংকাৰিকবিলাকৰ লেখাতে দেখা পাওঁ। তেওঁলোকৰ মতে ভাৱ অনুভাৱ আৰু ব্যভিচাৰীভাৱৰ সংযোগত ৰসনিষ্পত্তি হয়। বিভাৱ আদিৰ দ্বাৰা মনত সুপ্ত সংস্কাৰ বা বাসনাৰূপে

থকা ৰতি, হাস, ক্ৰোধ আদি স্থায়ী ভাববিলাক অনুভূতিৰ যোগ্য হ'লেই ৰসানুভূতি হয়। এই স্থায়ী ভাববিলাক জগাই তুলিবৰ বাবে অন্যতম হেতু বিভাৱ। বিভাৱ দুবিধ। প্ৰথম আলম্বন বিভাৱ—যি নায়ক নায়িকাক উদ্দেশ্য কৰি এই ৰতি ক্ৰোধ আদি জাগি উঠে সেই সেইবিলাক। দ্বিতীয়তে উদ্দীপন বিভাৱ—যি বিলাকে আলম্বন বিভাৱৰ দ্বাৰা অঙ্কুৰিত ৰসক উদ্দীপিত বা পৰিপুষ্ট কৰে [ "উদ্দীপনৱিভাৱাস্তে ৰসমুদ্দীপয়ন্তি যে", সাহিত্য দৰ্পণ, ৩।১৩১ ]। সেয়ে হৈছে অনুভাৱ য'ত নায়ক নায়িকা আদিৰ নেত্ৰ বিক্ষেপাদি চেষ্টা আৰু দেশ, কাল আদি [ "আলম্বনস্য চেষ্টাদ্যা দেশকালাদয়স্তথা" সাহিত্যদৰ্পণ ৩ ] সূচিত হয়। কাৰিকাত দেশ পদৰ দ্বাৰা উদ্যান, নভঃ আদি আৰু কাল পদৰ দ্বাৰা বিভিন্ন সময় আদি আৰু আদি পদৰ দ্বাৰা চন্দ্ৰ, চন্দন কোকিলালাপ, ভ্ৰমৰ ঝংকাৰ আদি বুজুৱা হৈছে। উদাহৰণ স্বৰূপে শৃঙ্গাৰ ৰসৰ বাবে "চন্দ্ৰ চন্দন ৰোলম্বকতাদ্যাদ্দীপন্ মতম্" [ সাহিত্য দৰ্পণ ৩ ]। গতিকে চন্দ্ৰ আদি প্ৰাকৃতিক বস্তুবিলাকে মানৱ মনত গভীৰ ভাৱে প্ৰতিক্ৰিয়া কৰে॥

আলংকাৰিকবিলাকৰ মতে কাব্য সংজ্ঞাই—দৃশ্য কাব্য অৰ্থাৎ নাটক নাটিকা আদি আৰু শ্ৰব্য কাব্যাই মহাকাব্য খণ্ডকাব্য, চম্পু আদি সকলো বিধ ৰসাত্মক অথবা ৰমণীয়াৰ্থ প্ৰতিবাদক ৰচনাকে বুজায়। বৰ্ত্তমান প্ৰৱন্ধত তেওঁলোকৰ সেই লক্ষণকে যিম.নদূৰ সম্ভৱ মানি লোৱা হৈছে।

সংস্কৃত কাব্যবিলাকৰ ভিতৰত ৰামায়ণ আদি কাব্য। বৰ্ষা ঋতুৰ বৰ্ণনাৰ ক্ষেত্ৰতো ৰামায়ণৰ কৱি মুনি বাল্মীকিয়েই পথ-প্ৰদৰ্শক। ৰামায়ণৰ কিষ্কিন্ধ্যা কাণ্ডৰ অষ্টাবিংশ স্বৰ্গত, বালিবধ আৰু সুগ্ৰীৱৰ অভিষেকৰ পাছত মাল্যবৎ পৰ্ব্বতত লক্ষ্মণৰ সৈতে ৰামে অৱস্থান কৰা কালত বৰ্ষা ঋতুৰ আৰম্ভ হয়। ৰামে প্ৰায় তিনি কুৰি শ্লোকেৰে সেই ঋতুৰ এটি অতি মনোৰম আৰু সৰল বৰ্ণনা দি গৈছে। বৰ্ণনাৰ প্ৰথম চেৰাত ঘাইকৈ প্ৰকৃতি জগতৰ পৰিবৰ্ত্তন বিলাকৰ উল্লেখ কৰিছে, যেনে—

"অয়ং স কালঃ সংপ্ৰাপ্তঃ সময়োঽদ্য
জলাগমঃ।
সংপশ্য ত্বং নভো মেঘৈঃ সংবৃতং
গিৰিসন্নিভৈঃ॥

শকামম্বৰমাৰুহ্য মেঘ সোপানপ ক্তিভিঃ।
কুটজাৰ্জ্জুনমালাভিৰলং কৰ্ত্তুং দিবাকৰঃ॥"

[ এইয়া বৰ্ষা কাল আহি আৰম্ভ হলহি। পৰ্ব্বতৰ নিচিনা মেঘৰ চপৰা বিলাকে আকাশ খন ঢাকি ধৰিছে চোৱা॥ মেঘৰ খটখটিয়েদি যেন আকাশলৈ উঠি গৈ কুটজ আৰু অৰ্জ্জুনৰ মালাৰে সূৰ্য্যক অলংকৃত কৰি আহিব পাৰি।] এই মেঘ কুটজ ফুল আদি ওপৰত উল্লেখ কৰা উদ্দীপন বিভাৱ। এইবিলাক দেখিয়েই, এই বিলাকৰ বৰ্ণনা দি থাকোতেই যেন ৰামৰ মনোৰাজ্যতো এটা পৰিবৰ্ত্তন আহি পৰিছে। নতুন প্ৰাকৃতিক অৱস্থা এটাই সীতা বিৰহক্লিষ্ট ৰামৰ মনত সীতাৰ স্মৃতি তীব্ৰভাৱে জগাই তুলিছে আৰু ৰামে কৈছে—

নীল মেঘাশ্ৰিতাবিদ্যুৎ স্ফুৰন্তি প্ৰতিভাতি মে।
স্ফুৰন্তী ৰাৱণস্যাঙ্কে বৈদেহীৰ তপস্বিনী॥

সোণালী বিজুলী ৰেখাতো তেওঁ এতিয়া দেখিছে সীতাৰ সাদৃশ্য। কৃষ্ণকায় ৰাক্ষস ৰাৱণৰ কোলাত "হিৰন্ময়ী শাললতেৱ জঙ্গমা"। বেচেৰী



সীতাই এতিয়া শোভা কৰাৰ দৰেই ক'লা মেঘৰ বুকত সোণালী বিজুলীৰ ৰেখাই জিলিকনি মাৰিছে॥

ৰামে নিজেই স্বীকাৰ কৰিছে কেনেকৈ এই বৰ্ষা ঋতুৱে, বৰ্ষাত ফুলা কুটজ ফুল আদিয়ে তেওঁৰ কাম ভাৱ জগাই তুলিছে—

কুটজান্ পশ্য সৌমিত্ৰে পুষ্পিতান্ গিৰিসানুষু।
মম শোকাভিভূতস্য কামসংদীপনান্ স্থিতান্॥

[ হে সৌমিত্ৰ। পাহাৰৰ গাছোৱাত ফুলি থকা কুটজবিলাক চোৱা, যিবিলাকে শোকাভিভূত মোৰ কামভাৱ জগাই তুলিছে॥ ] আকৌ বিৰহী ৰামৰ মনৰ বাতৰি আমি পাওঁ আন এফাকি কবিতাত—

নিদ্ৰা শনৈঃ কেশৱমভ্যুপৈতি দ্ৰুতংনদী
সাগৰমভ্যুপৈতি।
হৃষ্টা বলাকা ঘনমভ্যুপৈতি কান্তা সকামা
প্ৰিয়মভ্যুপৈতি॥

[ নিদ্ৰাই লাহে লাহে কেশৱক লগ দিছে, নদী খৰকৈ সাগৰৰ লগত মিলিছে, আনন্দৰে বলাকাই মেঘৰ লগত মিলিছে আকৌ এই বৰ্ষা কালতে কান্তাই কামভাৱেৰে প্ৰিয়জনৰ লগত মিলিছে॥ ] আকৌ—

বহন্তি বৰ্ষন্তি নদন্তি ভান্তি ধ্যায়ন্তি নৃত্যন্তি
সমাশ্বসন্তি।
নদ্যো ঘনা মত্তগজা বনান্তাঃ প্ৰিয়াবিহীনাঃ
শিখিনঃ প্লৱঙ্গাঃ॥

[ নৈ বৈছে, মেঘে বৰষুণ দিছে, মদমত্ত হাতীয়ে আনন্দ কৰিছে, বন বাজিয়ে শোভা পাইছে, প্ৰিয়াবিহীনবিলাকে প্ৰিয়াৰ ধ্যান কৰিছে, ময়ূৰবিলাকে নাচিছে, ভেকুলিবিলাকে সকাহ পাইছে॥ ] —নিচেই সাধাৰণ বৰ্ণনা, কিন্তু আচল কথা কবিৰ দৃষ্টিত ইতৰ প্ৰাণী বিলাকৰো অনুভূতি আৰু চেতনা আছে। সেয়ে প্ৰকৃতিৰ প্ৰভাৱৰ পৰা ময়ূৰ আদিও মুক্ত নহয়। তদুপৰি প্ৰকৃতি জগতৰ সকলোৰেই মিলনৰ আনন্দই বিপ্ৰলম্ভ শৃঙ্গাৰৰসৰ স্থায়ী ভাৱ অসফল ৰতিকেই তীব্ৰতৰ কৰি তোলে।

তাৰ পাছত বৰ্ষা ঋতুৰ আন এটি দীঘলীয়া কিন্তু মনোগ্ৰাহী বৰ্ণনা আমি পাওঁ কালিদাসৰ ঋতুসংহাৰ কাব্যত। এই বৰ্ণনাতো ঘাইকৈ প্ৰাকৃতিক পৰিবৰ্ত্তনবিলাকৰ উল্লেখ আছে। ৰামায়ণৰ দৰে ময়ূৰৰ আনন্দ, মেঘৰ পয়োভৰ বিজুলী, কেতকী ফুল আদিৰ উল্লেখই প্ৰধানকৈ ইয়াতো আছে। কিন্তু লক্ষ্য কৰিবলগীয়া বিষয় যে ৰামায়ণত ৰামে লক্ষ্মণক সম্বোধন কৰি বৰ্ষা বৰ্ণনা কৰিছে আৰু ঋতুসংহাৰত প্ৰেমিকে প্ৰেমিকাক সম্বোধন কৰি সেই বৰ্ণনা দিছে। সেই বাবে ৰামায়ণত আমি বিপ্ৰলম্ভ শৃঙ্গাৰ ৰসৰ উপলব্ধি কৰো আৰু ঋতুসংহাৰৰ বৰ্ণনাটোত পাওঁ সম্ভোগ শৃঙ্গাৰৰ উদ্দীপন বিভাৱ অথবা সম্ভোগ শৃঙ্গাৰ য'ত বিপ্ৰলম্ভ শৃঙ্গাৰৰ দৰে তীব্ৰ মাধুৰ্য্য নাই।

ময়ূৰবিলাকৰ উল্লেখ কৰি কৈছে—

সদা মনোজ্ঞঃ স্বনদুৎসবোৎসুকং
বিকীৰ্ণবিস্তীৰ্ণকলাপ শোভিতম্।
সসম্ভ্ৰমালিঙ্গনচুম্বনাকুলং, প্ৰবৃত্তনৃত্যং
কুলমদ্য বৰ্হিণাম্॥

[ ময়ূৰবিলাকে আনন্দত মত্তহৈ মধুৰ শব্দ কৰিছে, আৰু চালি ধৰি বেচি শুৱনী হৈছে। ময়ূৰীৰ সৈতে চুম্বনালিঙ্গন আদি কৰিবলৈ ব্যস্ত হৈ পৰিছে, আৰু সময়ে সময়ে নাচিছে॥ ] এই খিনিতে এটা কথা লক্ষ্য কৰিব লগীয়া যে এই পদ্যটি যদি অকলশৰীয়া ভাৱে লোৱা হয় তেতিয়া হলে ই "শৃঙ্গাৰ ৰসাভাস", কিয়নো ইয়াৰ

ৰতি ময়ূৰগত। ৰতি তিৰ্য্যক্ প্ৰাণীৰ বিষয়ে হলে তাত অনৌচিত্য দোষ হয় আৰু ফলত শৃঙ্গাৰ ৰসাভাসৰ ব্যঞ্জনা হয়। [ অনৌচিত্যপ্ৰবৃত্তত্ব আভাসো ৰসভাবয়োঃ ॥ উপনায়ক সংস্থায়াং মুনি-গুৰুপত্নীগতায়াংচ। বহুনায়কবিষয়ায়াং ৰতৌ তথা-নুভয় নিষ্ঠায়াম্ ॥ প্ৰতিনায়কনিষ্ঠত্বে তদ্বদধমপাত্ৰ তিৰ্য্যগাদিগতে। শৃঙ্গাৰেঽনৌচিত্যম্, ইত্যাদি সাহিত্য দৰ্পণ তৃতীয় পৰিছেদত দ্ৰষ্টব্য। ] কিন্তু নায়কগত ৰতিৰ বাবে এই পদ্যৰ বৰ্ণনাক উদ্দীপন বিভাৱ বুলি ধৰি ললে সমগ্ৰ প্ৰবন্ধগত সম্ভোগ শৃঙ্গাৰ ৰসৰেই হয়তো ব্যঞ্জনা হ'ব। এই কথাৰ আলোচনা আকৌ তলত কৰা হ'ব।

প্ৰবন্ধৰ বাবে শৃঙ্গাৰ ৰসৰ উদ্দীপক অথচ অকলশৰীয়াকৈ সম্ভোগ শৃঙ্গাৰ ৰসৰ ব্যঞ্জক বৰ্ণনা যথা—

পয়োধৰৈৰ্ভীম গভীৰ নিস্বনৈস্তড়িদ্ভিৰুদ্বেজিত
চেতসোভৃশম্।
কৃতাপৰাধানপি যোষিতঃ প্ৰিয়ান্ পৰিষ্বজন্তে
শয়নে নিৰন্তৰম্ ॥

[ মেঘৰ অতি গভীৰ শব্দত আৰু বিদ্যুতৰ উজ্জ্বল প্ৰভাত ৰমণী বিলাকে চমকিত হৈ শয্যা-স্থিত অপৰাধী পতিকো নিবিড় ভাৱে আলিঙ্গন কৰিছে ॥ ]

ঠায়ে ঠায়ে প্ৰবন্ধৰ নায়কে সহৃদয় কৱিৰ দৰে, বিৰহগ্ৰস্ত বিলাকৰ প্ৰতি এই বৰ্ষা ঋতু কিমান কষ্টকৰ তাৰ স্পষ্টতৰ বৰ্ণনা দি গৈছে।

বিলোচনেন্দীবৰ কৰি বিন্দুভিৰ্নিষিক্ত
বিম্বাধৰ চাৰু পল্লবাঃ।
নিৰস্তমাল্যাভৰণানুলেপনা স্থিতা নিৰাশাঃ
প্ৰমদাঃ প্ৰবাসিনাম্ ॥

[ প্ৰবাসীবিলাকৰ দয়িতাসকলে নিজ নয়ন কুবলয়ৰ চকুলোৰে সুন্দৰ অধৰ পল্লৱ সিক্ত কৰি মাল্য, আভৰণ, অনুলেপন আদি বিলাস দ্ৰব্য বিলাক ত্যাগ কৰি নিৰাশাত কাল যাপন কৰিছে ॥ ]

কৱিয়ে বৰ্ষা বৰ্ণনাৰ প্ৰথমটো পদাতে বৰ্ষা কালত কামিজনপ্ৰিয়ঃ বুলি বৰ্ণনা কৰিছে। কামিজনপ্ৰিয় এই কাৰণেই যে ই সম্ভোগ শৃঙ্গাৰৰ অনুকূল যিহেতু ইয়াৰ দ্বাৰা পাৰম্প-ৰিক ৰতি যথেষ্ট ভাৱে উদ্দীপিত হয়। আনকি বিৰহিণী নায়িকাৰ বাবেও প্ৰিয়, কিয়নো প্ৰবাসী জনৰ মনত দয়িতাৰ স্মৃতি জগাই তুলি কাষলৈ লৈ আহে।

এই দুই গ্ৰন্থৰ বৰ্ষাবৰ্ণনা দেখি এই কথা সহজতে চকুত পৰে যে বৰ্ষাৰ বৰ্ণনা কালত তাৰ লগত সম্পৰ্ক থকা কেতেকী ফুল, ময়ুৰ আদিৰ বৰ্ণনা আৰু উল্লেখ সকলো কৱিয়ে কৰিবই। ফলত ময়ুৰৰ আনন্দ আদিৰ উল্লেখ ইমান গতা-নুগতিক হৈ পৰিল যে আলংকাৰিকবিলাকে তেনে বিলাকক কৱিসময়সিদ্ধ অৰ্থাৎ সকলো কৱিৰে উমৈহতীয়া বৰ্ণনীয় বিষয় বুলি ধৰি ললে। উদাহৰণ স্বৰূপে সাহিত্য দৰ্পণত 'মেঘ ধ্বধ্বানেষু নৃত্যং ভবতিচ শিখিনাং" বুলি অন্যতম কৱি সময়ৰ উল্লেখ কৰিছে।

সমূহ সংস্কৃত কাব্যৰ ভিতৰত কিন্তু আটাই-তকৈ হৃদয়গ্ৰাহী আৰু মনোৰম বৰ্ষা বৰ্ণনা আমি পাওঁ কালিদাসৰে মেঘদূত কাব্যত। বিৰহী কামিজনৰ মনত বৰ্ষা ঋতুৰ প্ৰতিক্ৰিয়াৰ কথা এই খণ্ড কাব্যত অতি মৰ্ম্মস্পৰ্শী ভাৱে বৰ্ণনা কৰিছে। সদ্যবিবাহিত যক্ষ এজনক নিজ পত্নীৰ প্ৰতি আসক্ত থাকি কৰ্ত্তব্য প্ৰতি অবহেলা কৰা হেতুকে ৰামগিৰি আশ্ৰমত এবছৰৰ কাৰণে কুবেৰে নিৰ্ব্বাসন দিয়ে। প্ৰথম আহাৰৰ দিনা নতুন মেঘ দেখাৰ লগে লগে তেওঁৰ বিৰহ ব্যথাই অশেষ উত্তেজনা আনি দিয়ে। কৱিয়ে যথেষ্ট সহানুভূতিৰে কৈছে—

মেঘালোকে ভবতি সুখিনোঽপ্যন্যথাবৃত্তিচেতঃ।
কণ্ঠাশ্লেষপ্ৰণয়িনিজনে কিং পুনৰ্দূৰসংস্থে ॥

[ মেঘ দেখিলে সুখীবিলাকৰো অন্তৰত ভাবান্তৰ হয়। যাৰ কণ্ঠালিঙ্গনকামী প্ৰিয়জন দূৰত থাকে তাৰ কথানো আৰু কি? তেনে বিৰহীজনৰ ভাবান্তৰ হবই। ] যক্ষই মেঘক নিজ কুশলবাৰ্ত্তা আৰু পুনৰ্মিলনৰ আশা অলকাত থকা বিৰহিণী নিজ পত্নীৰ ওচৰলৈ লৈ যাবলৈ অনুৰোধ কৰি কৈছে—"কঃ সন্নদ্ধে বিৰহ বিধুৰাং ত্বয্যপেক্ষেত জায়াম্, ন স্যাদন্যোঽপ্যহমিবজনো যঃ পৰাধীনবৃত্তিঃ ॥

[ হে মেঘ তুমি দেখা দিলে মোৰ নিচিনা পৰাধীন জনৰ বাহিৰে আন কোনেনো বিৰহিণী পত্নীক উপেক্ষা কৰে ] অলকালৈ মেঘৰ গতিপথ নিৰ্দ্দেশ কৰা আপাহতে এই খণ্ডকাব্যতো বলাকা কেতেকী ফুল আদিৰ উল্লেখ কৱিয়ে কৰি গৈছে। ঘাইকৈ পূৰ্ব্ব মেঘত প্ৰকৃতি ৰাজ্যত বৰ্ষাৰ প্ৰতি-ক্ৰিয়াৰ কথা থাকিলেও, সমগ্ৰ কাব্যৰ পৰা বিপ্ৰলম্ভ শৃঙ্গাৰৰ যি চৰ্ব্বনা হয় তাৰ বাবে বৰ্ণিত বৰ্ষা সফল উদ্দীপন বিভাৱ। সেইদৰে সম্ভোগ শৃঙ্গাৰৰ ব্যঞ্জনাৰ বাবেও বৰ্ষাৰ উপাদেয়তা লক্ষ্য কৰিয়েই হয়তো জয়দেৱে গীতগোবিন্দ কাব্য আৰম্ভ কৰিছে—"মেঘৈৰ্মেদুৰমম্বৰং বনভুবঃ শ্যামাস্তমাল-দ্ৰুমৈঃ" ইত্যাদি পদ্যৰ দ্বাৰা।

দৃশ্যকাব্যৰ ভিতৰতো মৃচ্ছকটিকা আদিত আমি বৰ্ষাৰ উপাদেয় বৰ্ণনা পাওঁ। এই বৰ্ষা বৰ্ণনাৰ বাবেই মৃচ্ছকটিকাৰ পঞ্চমাঙ্কটো দুৰ্দ্দিন নামে অভিহিত হৈছে। প্ৰকৃতিৰ বাহ্যিক পৰিবৰ্ত্তনৰ বৰ্ণনাত সচৰাচৰ বস্তু বিলাকৰেই উল্লেখ থাকি-লেও যথেষ্ট অভিনৱত্ব আছে। উপমা ৰূপক আদি অলংকাৰ সংযোজনাই সেইবিলাকক আৰু ৰমণীয় কৰি তুলিছে। নিজৰ প্ৰিয়জন চাৰুদত্তৰ লগত মিলিত হবলৈ গৈ নায়িকা বসন্তসেনাই মাজবাটতে এই বৰ্ষাগম দেখি তাৰ অতি সুন্দৰ বৰ্ণনা দিছে—বৰ্ষাৰ দ্বাৰাই বিশেষকৈ উত্তেজিতা হোৱা কামিনীক সহস্ৰ মেঘড়ম্বৰেও বাধা দিব নোৱাৰে। বসন্তসেনাই কৈছে—

গৰ্জ বা বৰ্ষ বা শক্ৰ মুঞ্চ বা শতশোঽশনিম্।
ন শক্যা হি স্ত্ৰিয়ো ৰুদ্ধুংপ্ৰস্থিতা দয়িতংপ্ৰতি ॥

[ হে ইন্দ্ৰ তুমি গৰ্জন কৰা বা বৰ্ষণ কৰা বা শবাৰ বজ্ৰ নিক্ষেপ কৰা, কিন্তু তথাপি প্ৰিয়জনৰ ওচৰলৈ যোৱা ৰমণীক বাধা দিব নোৱাৰা। ]

আকৌ—

যদি গৰ্জ্জতি বাৰিধৰো গৰ্জ্জতু তন্নাম
নিষ্ঠুৰাঃ পুৰুষাঃ।
অয়ি বিদ্যুৎ প্ৰমদানাং ত্বমপি ন
দুঃখং জানাসি ॥

[ যদি মেঘে গৰ্জ্জন কৰে কৰক, পুৰুষবিলা-কতো নিষ্ঠুৰেই। কিন্তু হেৰা বিদ্যুৎ, ( নিজে নাৰী হৈ) তুমিও ৰমণী বিলাকৰ দুখ নুবুজানে?]

চম্পুকাব্যৰ ভিতৰতো ৰামায়ণ চম্পু আদিত বৰ্ষাৰ বৰ্ণনা আছে। এইবিলাক কাব্যতো ঘাইকৈ মেঘাগমৰ বৰ্ণনাই বিভিন্ন উপমাদি অলংকাৰৰ যোগত অভিনৱ ৰূপ লৈছে। উদাহৰণ স্বৰূপে ৰামায়ণ চম্পুত বৰ্ষাৰ অবসান বৰ্ণাবলৈ গৈ বৰ্ষাক নৰ্ত্তকীৰ লগত তুলনা কৰিছে—

তাপোপশান্তি নটনাৎকৃতলোক হৰ্ষা
বৰ্ধা নটী গগণৰঙ্গতলাৎ প্ৰয়াতা।
অম্ভোদবাদ্যমচিৰেণ শশাম সৰ্বং
নিৰ্ব্বাপিতাচ সহসৈব তাড়ি প্ৰদীপাঃ ॥

[ তাপৰ ( লৌকিক ত্ৰিতাপ, আৰু একপক্ষে গ্ৰীষ্মৰ তাপ ) উপশম ঘটাই মানুহক আনন্দ দিয়া বৰ্ষা নামৰ নটী গৰাকী গগণৰূপ ৰঙ্গমঞ্চৰ পৰা আতৰি গৈছে। ( সেই ৰঙ্গমঞ্চত ) অচিৰেই মেঘৰ সকলো ( গৰ্জ্জনৰূপ ) বাদ্য শাম কাটিলে আৰু বিদ্যুৎ ৰূপ প্ৰদীপ বিলাকো মুমাই গ'ল।]

ইয়াৰ উপৰিও অলংকাৰগ্ৰন্থবিলাকত বিভিন্ন অলংকাৰ, ধ্বনিপ্ৰকাৰ আদিৰ উদাহৰণস্বৰূপে বৰ্ষাৰ বৰ্ণনা থকা বহুতো কৱিতা আছে। তাৰে কিছুমান সচাকৈয়ে অতি মনোৰম। ব্যঞ্জনাৰ উদাহৰণ ৰূপে এটি কৱিতা দিছে—

স্নিগ্ধশ্যামল কান্তিলিপ্তবিয়তো বেল্লদ্বলাকাঘেনা
বাতাঃ শীকৰিণঃ পয়োদসুহৃদামানন্দকেকাঃ কলাঃ।
কামং সন্তু দৃঢ়ং কঠোৰহৃদয়ো ৰামোঽস্মি সৰ্বংসহে
বৈদেহীতু কথং ভবিষ্যতি হহা হা দেবি, স্থিৰা ভব ॥

[ আকাশত স্নিগ্ধশ্যামল ৰং, মেঘৰ বিপৰীতে একাবেকা বগলীৰ শাৰী, বতাহত বৰষুণৰ কণিকা, ময়ূৰবিলাকৰ আনন্দৰ কেকালাপ, এই সকলো বিলাক নিশ্চয় থাকক। মই কঠোৰ হৃদয় 'ৰাম' সকলো সহ্য কৰিব পাৰিম। কিন্তু বেচাৰী বৈদেহীৰ কি অৱস্থা হ'ল। হা দেৱী। তুমি স্থিৰেৰে থকা। ]

আকৌ অপহ্নুতি অলংকাৰৰ উদাহৰণ দি এটি কৱিতা দিছে। এগৰাকী বিৰহিণীয়ে সখীয়েকক কৈছে—বৰ্ষা কালত 'অপতিতয়া' অৰ্থাৎ নপৰাকৈ অথবা পতি নোহোৱাকৈ থাকিব নোৱাৰি। সখীয়ে সুধিলে—হে তৰলা। তুমি বিৰহত উৎকণ্ঠিতা হৈছা নেকি? বিৰহিণীয়ে নিজৰ মনৰ আচল বতৰা লুকুৱাই উত্তৰ দিলে—নহয় সখী নপৰাকৈ নোৱাৰি, বাট পিছল। "কালে বাৰিধৰাণামপতিতয়া ন শক্যতে স্থাতুম্। উৎকণ্ঠিতাঽসি তৰলে। নহি নহি সখি পিচ্ছিলঃ পন্থা॥"

'সদা মনোজ্ঞ" ইত্যাদি উদাহৰণৰ পাছত যি আলোচনা আৰম্ভ কৰা হৈছিল সেই প্ৰসঙ্গতে আকৌ এটা বিষয় লক্ষ্য কৰিবলগীয়া হৈছে যে সাহিত্য দৰ্পণকাৰ বা সেই সম্প্ৰদায়ৰ আলংকাৰিক সকলৰ মতে "ৰসাত্মকং বাক্যং কাব্যম্" কিন্তু য'ত কোনো ৰসৰ প্ৰতি উপাদেয় বিভাবাদিৰ বৰ্ণনা মাত্ৰ থাকে তেনে বৰ্ণনামূলক কাব্যত ৰস কেনেকৈ থাকিব পাৰে? কিয়নো ৰস নিষ্পত্তিৰ বাবে বিভাৱ অনুভাৱ আৰু ব্যভিচাৰীভাৱ এই কেইটাই প্ৰয়োজনীয়। তাৰ প্ৰথম উত্তৰ হিচাবে সাহিত্য দৰ্পণকাৰে কলে যে প্ৰবন্ধান্তৰ্গত কোনো নিৰসপদ্যত সপ্ৰবন্ধৰসৰ দ্বাৰাই ৰসবত্তা হ'ব। [ নন্নু তৰ্হি প্ৰবন্ধান্তৰ্বৰ্তিনাং কেষাঞ্চিন্নীৰসানাং পদ্যানাং কাব্যত্বং ন স্যাদিতি চেৎ? ন, ৰসবৎপদ্যান্তৰ্গত নীৰসপদানামিব পদ্যৰসেন প্ৰবন্ধৰসেনৈব তেষাং ৰসবত্তাঙ্গীকাৰাৎ। সাঃ দঃ ১ম পৰিচ্ছেদ ] দ্বিতীয়তে এটা ব্যাখ্যা দিলে যে এই ঋতু আদিৰ বৰ্ণনাবিলাকক কোনো ৰসৰ বাবে বিভাৱ বুলি ধৰি লব পাৰি আৰু বিভাবাদিৰ দুটা বা এটাৰ কেৱল সদ্ভাৱ থাকিলেও হঠাৎ তদতিৰিক্ত অনুভাৱ আদি সমাক্ষিপ্ত হ'ব অৰ্থাৎ মনত তাৰ কাল্পনিক ধাৰণা হ'ব, ফলত ৰসানুভূতি হব পাৰে [ সদ্ভাবশ্চেদ্বিভাবাদেৰ্দ্বয়োৰেকস্য বা ভবেৎ। ঝটিত্যন্যসমাক্ষেপে তদা দোষো ন বিদ্যতে ॥ সাঃ দঃ ৩।১৬॥ । ]

কিন্তু তৎপৰবৰ্ত্তী ৰসাগঙ্গাধৰকাৰ আদিয়ে এই ব্যাখ্যা ভাল নাপালে। তেওঁ ক'লে "বাক্যং ৰসাত্মকং কাব্যম্ এনে যুক্তি অযুক্ত। কাৰণ তাৰ ফলত বস্তু প্ৰধান আৰু অলংকাৰ প্ৰধান বাক্য ৰসবৎ কাব্য নহয় বুলি অকাব্য হৈ পৰে। মহাকৱি সম্প্ৰদায়ক বিপৰ্যস্ত কৰি এই লক্ষণৰ দ্বাৰা কোনো ইষ্ট সিদ্ধি নহয়। কৱিসকলে জল প্ৰবাহাদিৰ যি বিচিত্ৰ বৰ্ণনা দিছে সেই ঠাইত সাক্ষাৎ সম্বন্ধেৰে নহলেও পৰম্পৰা সম্বন্ধেও ৰসৰ প্ৰসঙ্গ আছে বুলি কব নোৱাৰি। কাৰণ এনে হ'লে "গৌশ্চলতি" "মৃগো ধাৱতি" ইত্যাদিতো ৰসৰ প্ৰসঙ্গ আহি পৰে। বিভাৱ, অনুভাৱ, বা ব্যভিচাৰী ভাব—ইয়াৰ যি কোনো এটাৰ অস্তিত্ব অৰ্থমাত্ৰতে থাকবই। সেইবাবেই বিভাৱাদিৰ সদ্ভাব আছে বুলি সেই ঠাইত ৰসৰ সম্বন্ধও বিচাৰি উলিয়াব পাৰি। কিন্তু এনে কল্পনাসাধ্য ৰসসম্বন্ধযুক্ত বাক্য কাব্য পদবাচ্য হব নোৱাৰে। [ডাঃ সন্ধ্যা ভাদুড়ী কৃত ৰসগঙ্গাধৰৰ বঙালী অনুবাদ পৃঃ ১৯।২০ দ্ৰষ্টব্য ] সেই বাবেই তেওঁ বৰ্ণানমূলক কাব্যতো যুক্তি সঙ্গত ভাবে কাব্যপদ প্ৰয়োগ কৰিবৰবাবে নতুন কাব্য লক্ষণ ধৰিলে—'ৰমণীয়াৰ্থ প্ৰতিপাদক শব্দঃ কাব্যম্।" তথাপি গৌশ্চলতি ইত্যাদিত নহলেও কৱিৰ প্ৰতিভাৰ দ্বাৰা সজীৱ হৈ উঠা একোটা বৰ্ণনাই যে ৰসৰ প্ৰতি উদ্দীপন বিভাৱ হব পাৰে আৰু সহৃদয়ৰ মনত এটা ৰসানুকূল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে সেইটোৱেই হয়তো বেছি অনুভৱসিদ্ধ।

যি কি নহওক, বৰ্ষা ঋতুৰ প্ৰতি সংস্কৃত কৱি সকলৰ এটা পক্ষপাতিত্ব দেখা যায়। ইয়াৰ কাৰণ হয়তো এয়ে যে ই শৃঙ্গাৰ ৰস ব্যঞ্জনাৰ অনুকূল। সম্ভোগ শৃঙ্গাৰৰ ইউদ্দীপক হলেও, বিপ্ৰলম্ভ শৃঙ্গাৰৰ তীব্ৰতৰ উদ্দীপক। আনহাতে শৃঙ্গাৰ ৰসৰ প্ৰতি কৱি আৰু আলংকাৰিকসকলৰ পক্ষপাতিত্ব আছেই। শৃঙ্গাৰ ৰসৰ মাধুৰ্য্য গুণ। মাধুৰ্য্যৰ লক্ষণ দ্ৰুতি। ই চিত্তক বিগলিত কৰি পেলায়। আনন্দবৰ্দ্ধনে লিখিলে

শৃঙ্গাৰ এব মধুৰঃ পৰঃ প্ৰহ্লাদনো ৰসঃ।
তন্ময়ং কাব্যমাশ্ৰিত্য মাধুৰ্য্যং প্ৰতি তিষ্ঠতি ॥
ধন্যালোক ২।৭

আন হাতে এই মাধুৰ্য্যৰ সদ্ভাৱ বিপ্ৰলম্ভ শৃঙ্গাৰত অধিকতৰ।

শৃঙ্গাৰে বিপ্ৰলম্ভাখ্যে কৰুণে চপ্ৰকৰ্ষবৎ।
মাধুৰ্য্যমাৰ্দ্ৰতাং যাতি যতস্তত্ৰাধিকং মনঃ॥

সেই বাবেই সম্ভোগ শৃঙ্গাৰ বা বিপ্ৰলম্ভ শৃঙ্গাৰৰ প্ৰতি অধিকংমন বা পক্ষপাতিতা আৰু তাৰ উদ্দীপক বৰ্ষাৰ প্ৰতি কৱি বা পাঠকৰ ইমান আদৰ।

# বামানয়

শ্ৰীৰাজমোহন নাথ বি, ই, তত্ত্বভূষণ

[ অসম সাহিত্য সভা পত্ৰিকাত ( ১৭শ বৰ্ষ ৩য় সংখ্যা ) শ্ৰীযুত সদানন্দ চলিহাই "নয়" আৰু "বামানয়" শব্দ দুটাৰ আঁতিগুৰি আৰু তাৎপৰ্য্য সম্পৰ্কে পাণ্ডিত্যপূৰ্ণ আলোচনা কৰিছে। সেই আলোচনাৰ পৰিপূৰক আৰু কেইটামান তথ্য তলত উনুকিয়াই দিয়া হল। ]

"নয়"—"নয়" শব্দটো প্ৰাচীনকালৰ দৰ্শন শাস্ত্ৰৰ এটি যোগৰূঢ় ( technical ) শব্দ ; জৈন দৰ্শনত ইয়াৰ বহুল ব্যৱহাৰ আছে, যেনে—"সপ্তভঙ্গি-নয়"। দৰ্শনাভিধানতো "ন্যায়-নয়", "মীমাংসক-নয়" পদ ব্যৱহাৰ কৰা হৈছে। প্ৰাচীন দৰ্শনত "ন্যায়" শব্দটো নাই, আছে "নয়"। পৰবৰ্ত্তীকালত 'ন্যায়', "ন্যায়-দৰ্শন" প্ৰচলিত হৈছে। 'নয়' শব্দৰ অৰ্থ দিয়া হৈছে—চিন্তা বা বিবেচনা কৰাৰ এটা ধাৰা ( line of thinking ), পদ্ধতি ( system ), মত। এটা বিশেষ পদ্ধতি আৰু অনুসৰি চিন্তা বা বিচাৰ কৰাৰ বিধানৰ নাম "ন্যায়"—conduct or behaviour of thinking according to some well-laid plan and system ; "নয়" অনুসৰি কাম কৰাৰ বিধানৰ নাম "ন্যায়"।

গতিকে "সংসাৰৰ নয়"—পদ ফাকিৰ অৰ্থ হল—জাগতিক চালচলনৰ পদ্ধতি বা মত।

"শাস্ত্ৰৰ নয়"—শাস্ত্ৰত যিবোৰ বিধি-বিধান লিপিবদ্ধ কৰা হৈছে।

"বামানয়"—'বামা' শব্দটোও বৈদিক যুগৰ দৰ্শন আৰু বিজ্ঞানৰ এটি যোগৰূঢ় শব্দ। সৃষ্টিৰ প্ৰাক্‌কালীন শান্ত, নিস্পন্দ অৱস্থাৰ কেন্দ্ৰকোষত ( nucleus ) সৃষ্টিৰ উপাদান বীজ বা অপ্‌-তত্ত্বৰ (ৱ) বিস্তাৰ (আ) আৰু তাৰ মাজত সংবদ্ধ ব্যঞ্জনাৰ পূৰ্ণভাৱৰ (ম) নাম—"বাম" ; the reserve vault of seeds of creation with arrangement for full manifestation সৃষ্টিৰ সকলো সামগ্ৰীক লৈ সাপৰ দৰে কুণ্ডলীপকাই কুণ্ডলীৰ মাজত মুখ লুকাই শুই থকা অৱস্থা। ই ধনাত্মক ( positive, static ). আৰু সেই কাৰণে পুৰুষ। ঋগ্বেদত কোৱা হৈছে এই "বাম" জন আদিকালৰ বুঢ়া আৰু বিশ্বব্ৰহ্মাণ্ডময় শক্তি সিঁচৰতি কৰোঁতা। তেওঁৰ মজলীয়া ভাইটোৰ নাম অশ্ন ( ভক্ষক ) ; ককায়েকৰ ভাণ্ডাৰৰ পৰা শক্তি ওলাই আহোঁতে সি বাধা দিয়ে ( force of involution )। তৃতীয় ভ্ৰাতা যেন ঘিউ সনা জুই, তেওঁৰ নাম ঘৃতপৃষ্ঠ বা অগ্নি ( force of evolution ) ; তেওঁৰ সাত ৰশ্মিৰূপ সাত পুত্ৰই বিশ্বব্ৰহ্মাণ্ডৰ সকলো ঠাইতে বিয়পি পৰি প্ৰতিটো পদাৰ্থৰ মাজত সোমাইগৈ—

"অস্য বামস্য পলিতস্য হোতুঃ
তস্য ভ্ৰাতা মধ্যমো অস্ত্যশ্নঃ।
তৃতীয়ো ভ্ৰাতা ঘৃতপৃষ্ঠো অস্য
অত্ৰাপশ্যং বিশ্‌পতিং সপ্ত-পুত্ৰম্‌ ॥"
( ঋ ১।১৬৪।১ )

পাক্‌সৃষ্টিকালীন শান্ত আৰু নিস্পন্দ কেন্দ্ৰকোষত দিন-ৰাতিৰ ভেদজ্ঞান নাই, সত্তা-অসত্তাৰ বোধ নাই, ই এন্ধাৰতকৈয়ো এন্ধাৰ, ইয়াৰ হ্ৰাস-বৃদ্ধি নাই ; অথচ সকলো সৃষ্টি, সকলো জ্ঞান আদিতম কালৰে পৰা তাৰ পৰাই নিৰ্গত হয়।



উপনিষদত এই অৱস্থাৰ নাম দিয়া হৈছে—"শিৱ"—

"যদাহতমঃ তৎ ন দিবা ন ৰাত্ৰিঃ
ন সৎ, ন চ অসৎ, শিৱ এৱ কেৱলঃ।
তদক্ষৰং, তৎসবিতুৰ্বৰেণ্যং
প্ৰজ্ঞা চ তস্মাৎ প্ৰসৃতা পুৰাণী ॥"
( শ্বেতাশ্বতৰ—৪।১৮ )

—"প্ৰপঞ্চোপশমং শান্তং শিৱমদ্বৈতং চতুৰ্থং-মন্যন্তে"—( মাণ্ডুক্য-৭ )।

এই শিৱ হল—তালব্যাকাৰৰ ( concave ) কেন্দ্ৰত পুঞ্জীভূত ( converged ) উষ্মা অৰ্থাৎ "শ"ৰ মাজত ক্ৰিয়াগতি ( ই-activity ) যুক্ত সৃষ্টিৰ উপাদানবীজ (ৱ),—potentiality of the activitised seed of creation converged in the concavity of the nucleus. এই কাৰণে শিৱৰ আন এটা নাম "বাম-দেৱ"। বামৰ গা-লগা প্ৰকৃতিৰ ( dynamism ) নাম "বামা"। শাক্ত দৰ্শনৰ মতে পৰমাণুৰ অন্তৰ্নিহিত ব্ৰহ্মা (অগ্নি), বিষ্ণু ( সূৰ্য্য ) আৰু ৰুদ্ৰ ( চন্দ্ৰ )ৰ গালগা শক্তিবোৰৰ নাম যথাক্ৰমে—বামা, জ্যেষ্ঠা আৰু ৰৌদ্ৰী।

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি-ক্ৰিয়াত ঘাইকৈ দুটা ধাৰা লক্ষ্য কৰিবলগীয়া— (১) গছৰ গুটি অৱস্থা, সৃষ্টিৰ উপাদান তত্ত্ব (ৱ), ক্ৰিয়মান (ঈ) আৰু জনন ভাৱ ( জ-genesis ) যুক্ত হৈ কেন্দ্ৰকোষত কুণ্ডলীপকাই স্তব্ধ হৈ আছে ; ইটো বীজ ভাৱ। (২) মাটি, পানী, বতাহৰ সংশ্ৰৱত বীজটোৰ প্ৰাণ শক্তি আগবাঢ়িগৈ ওলাই আহি ( প্ৰ-forward ) জনন ক্ৰিয়া ( জ, genesis ) তথা অঙ্কুৰ, কাণ্ড, শাখা-প্ৰশাখাদিত ৰূপায়িত হোৱা ই হল প্ৰজা। প্ৰজা হৈয়ো কিন্তু গছৰ চৰম লক্ষ্য আকৌ গুটিৰ বীজত্বত সোমাই যোৱা—অৰ্থাৎ বীজা। ধানৰ বীজৰ পৰা গছ হৈ আকৌ বীজ হলেই গছটো মৰি যায়। বাহজাৰ মানুহৰ বংশৰ প্ৰতীক ; বাহগছত বীজ হলে জাবটো নাইকীয়া হয়। বীজা ভাৱটো হল—বামা, আৰু প্ৰজা ভাৱটো হল—দক্ষিণা, দক্ষতাৰে সৈতে ( precision and dexterity ) গতি কৰি ( ই-movement ) কৰ্ম্মস্তৰৰ বিন্দুত্ব ( point as action, action point, dynamics of particle-ণ ) প্ৰাপ্তি। ই হল যথাক্ৰমে involution-evolution ; convergence-divergence ; interiorisation-exteriorisation.

জগতত এবিধ মানুহৰ ভগৱন্ত বা দেৱদেৱীৰ উদ্দেশ্যে ধ্যান-ধাৰণা, আৱাহন-স্তুতি, যাগ-যজ্ঞ ক্ৰিয়াদি কৰাৰ প্ৰধান উদ্দেশ্য হল—পুত্ৰলাভ ( পুত্ৰৈষণা ) বিত্তলাভ ( বিত্তৈষণা ) আৰু স্বৰ্গাদি লোকলাভ ( লোকৈষণা )। এওঁলোকে সত্ত্ব-ৰজ-তম-তিনিগুণ যুক্ত। তেওঁলোক হল দক্ষিণাচাৰী ; ইয়েই হল "বেদৰবিহিত কৰ্ম্ম",—"ত্ৰৈগুণ্য বিষয়া বেদাঃ" ( গীতা ২।৪৫ )। এওঁলোকৰ "নয়" হল দক্ষিণা-নয়, তেওঁলোকৰ শাস্ত্ৰ দক্ষিণানয় শাস্ত্ৰ, আচাৰ-দক্ষিণাচাৰ। এওঁলোকে বামদেৱ শিৱৰ আৰাধনা নকৰে, কিন্তু দক্ষিণামুখী ৰুদ্ৰৰ উপাসনা কৰে। ঋগ্বেদত ৰুদ্ৰৰ স্তুতিৰ অন্ত নাই, কিন্তু শিৱৰ উল্লেখ অতি সামান্য।

আন এটা দলৰ মত হল—'প্ৰজয়া কিং কৰিষ্যামঃ ?"—প্ৰজা দি কি কৰিম ? পুত্ৰ, বিত্ত, লোকৰ এষণা নায়েই, এনেকি পাপ কি পুণ্যকি তাৰো পাৰ্থক্য নেদেখে "এনে এতম্‌ উন এৱহ তৰতঃ" ; কৃত বা অকৃত কামৰ কাৰণে আন-

ন্দও নাই, ছুখোও নাই—"নৈনং কৃতাকৃতে তপতঃ"। নিজৰ দেহাটো যে প্ৰজাৰূপে সৃষ্ট হৈছে, তাৰো সকলো প্ৰকাৰ সংযত কৰি "মুনিৰ্ভৱতি", "ভিক্ষাচৰ্য্যাংচৰতি" (বৃহদাৰণ্যক ৪।৪।২২)। এওঁলোকৰ উদ্দেশ্য হল—"জগদ্ব্যাপাৰ বৰ্জ্জনম্" (বেদান্ত-দৰ্শন ৪।৪।১৭), ৰূপ ব্ৰহ্মত্ব প্ৰাপ্তহৈ আত্মানন্দ উপভোগ কৰা আৰু তাৰ পিছত বিশ্বব্ৰহ্মাণ্ড-স্ৰজনকৰ্ত্তা শক্তিৰ লগত একযুক্ত হৈ কেন্দ্ৰকোষত বহি থকা, অৰ্থাৎ বাম হোৱা। সৃষ্টিৰ divergenceক converge কৰি nucleusত পৰিণত কৰাই হল এওঁলোকৰ সাধনাৰ প্ৰধান লক্ষ্য। তেওঁলোকৰ 'নয়' বামানয়, শাস্ত্ৰ বামানয় শাস্ত্ৰ, আচাৰ-বামাচাৰ। এওঁলোক মুনি, সন্ন্যাসী, উদাসী, যোগী, কেৰুণীয়া, জৈন অৰ্থাৎ জটিল, আজীৱক ইত্যাদি। বামাচাৰীৰ ধাৰা মুনিধাৰা, দক্ষিণাচাৰীৰ ধাৰা—ঋষিধাৰা। বামৰ বিস্তাৰ বামা, দক্ষিণৰ বিস্তাৰ—দক্ষিণা।

মধ্যপ্ৰাচ্যৰ এচিয়া মাইনৰ অঞ্চলত খৃষ্টপূৰ্ব্ব চতুৰ্দ্দশ শতিকামানত সেই অঞ্চলৰ প্ৰৱল-প্ৰতাপান্বিত সূৰ্য্যাদিদেৱতাপূজক ছত্তি বা ক্ষতি (hittites) জাতিৰ মাজত গাল্লি (galli) নামৰ এবিধ পুৰোহিত বা গুৰু সম্প্ৰদায় আছিল, "eunuch priests who sometimes wandered throughout the country in troops; sometimes lived as the ministers of deities on temple-lands of enormous extent, served by multitudes of serfs, (The Ancient History of the Near-East by H. R. Hall, page 330.) ক্লীব (চিৰব্ৰহ্মচাৰী) পুৰোহিত সম্প্ৰদায়ে কেতিয়াবা দলবদ্ধহৈ দেশময় ঘূৰি ফুৰিছিল, কেতিয়াবা প্ৰচুৰ ভূ-সম্পত্তিযুক্ত দেৱতাৰ মঠৰ অধ্যক্ষ হৈ অসংখ্য ভৃত্যাদি পৰিবৃত হৈ বাস কৰিছিল। অথৰ্ব্বদেৱৰ পঞ্চদশকাণ্ডত 'ব্ৰাত্য' নামৰ এটা ধৰ্ম্ম-সম্প্ৰদায়ৰ উল্লেখ আছে। এওঁলোকে দল বদ্ধহৈ দেশময় ঘূৰি ফুৰিছিল; যোগ সাধনাৰ দ্বাৰা দৈৱশক্তি অৰ্জ্জন কৰি অলৌকিক ক্ৰিয়া কৰিব পাৰিছিল, কিন্তু বৈদিক বিধানমতে দেৱতাৰ উদ্দেশ্যে যাগ-যজ্ঞ কৰা দেখিলেই বলেৰে মাৰি ধৰি খেদি দিছিল। এওঁলোক আছিল "অযজ্ঞা, অদেবাঃ, অন্যব্ৰতাঃ"। এওলোকৰ প্ৰধান আড্ডা আছিল মগধ দেশত। তাণ্ড্য ব্ৰাহ্মণত লিখা আছে যে এওলোকৰ এটা দল আছিল "শম্-অনীচ-মেঢ্ৰ" (১৭।৪) অৰ্থাৎ পুৰুষাঙ্গৰ প্ৰজনন শক্তি তলমুৱা নোহোৱা। শুক্লযজুৰ্ব্বেদ বাজসনেয়ী সংহিতাত মগধবাসীক "ক্লীৱ, কিতৱ (ধূৰ্ত্ত), পুংশ্চলী (অসচ্চৰিত্ৰ) অব্ৰাহ্মণ অশূদ্ৰ" (৩০।২২) বুলি বৰ্ণনা কৰা হৈছে। ঋগ্বেদত কোৱা হৈছে যে কীকট দেশৰ (মগধ) মানুহৰ বহুত গৰু আছে সচা, ৰজাৰো বহুত ধন আছে, কিন্তু এইবোৰ মিছাতেই গল, দেৱতাৰ যাগ-যজ্ঞত ব্যৱহাৰ কৰা নহয়। তেওঁলোক "নৈচাশাখঃ" (ঋ ৩।৫৩।১৪)। জৰিবট গছৰ আন এটা নাম "নীচ-শাখঃ"; গছৰ ডালৰ পৰা ওপজা জৰি তললৈ নামি আহি আকৌ মূল গছৰ নিচিনা এডাল গছ হৈ পৰে। মগধবাসী সকল জৰিবটৰ পূজক, আৰু জৰিবটৰ 'নয়' অনুসৰি ভগৱন্তৰ পৰা ওপজা মানুহেও সাধন বলত ভগৱন্তহৈ যাব পাৰে এনেকুৱা মতাৱলম্বী আছিল। বৈদিক সাহিত্যত মগধৰ মানুহক সদাই নিন্দা কৰা হৈছে। অথৰ্ব্ববেদত এঠাইত কোৱা হৈছে আৰ্য্যসকলৰ ৰাজ্যত যিমান জৰ ব্যাধি আছে, সকলো মগধলৈ গৈ তাতে আশ্ৰয় লওক (৫।২২।১৪)।



ভাগৱত পুৰাণৰ মতে গৌতম বুদ্ধৰ জন্ম কীকট দেশত; গৌতম বুদ্ধই জৰিবট গছৰ তলত বহি বুদ্ধত্ব লাভ কৰা ঐতিহাসিক ঘটনা; তেওঁৰ বংশগত উপাধি "মুনি"; তেওঁৰ জাতিৰ শাখাবোৰ—শাক্য লিচ্ছবি, ঝল্ল, মল্ল আদিক মনুসংহিতাত ব্ৰাত্য বোলা হৈছে (১০।২২···)। আকৌ বৌদ্ধ শাস্ত্ৰ মতে গৌতম বুদ্ধৰ আগতে হেজাৰ হেজাৰ বুদ্ধহৈ গৈছে, আৰু পিচতো হব।

অকল বুদ্ধদেৱৰ লগতে ঘৰবাৰী, জগৎ-সংসাৰ, আৰু সৰ্ব্ববিধ এষণাত্যাগী বীজা হব খোজা পাঁচ হেজাৰ ভিক্ষাচৰ্য্যৰতী ভিক্ষু সদায় ফুৰিছিল; তেখেতৰ লগত নুফুৰা আৰু যে কিমান হেজাৰ আছিল তাৰ লেখজোখ নাই। বুদ্ধদেৱ স্বৰ্গী হোৱাৰ পিচত এনেবিধ বীজা-খোজা-ক্লীবৰ সংখ্যা আৰু বহুত গুণে বাঢ়িছিল। এওঁলোকৰ 'নয়'—বামানয়, শাস্ত্ৰ-বামানয় শাস্ত্ৰ। জাগতিক দৃষ্টিৰে বিচাৰ কৰিলে ই দেশ-সমাজ আৰু ৰাষ্ট্ৰৰ সৰ্ব্বনাশকাৰী "নয়"; তাতোকৈ মাৰাত্মক কথা হৈছে যে এওঁলোকে দেৱ-দেৱতা নামানে; এক বা বহুদেৱতাৰ নাম স্মৰণ বা স্তুতি—নতিও নকৰে। অথচ ইয়াৰ প্ৰতি সৰ্ব্বসাধাৰণ সহজতেই আকৃষ্ট হয়। ইয়াত অজ্ঞতা মূঢ়তাৰ কথা নাই, জ্ঞান বুদ্ধি থকা সৰ্ব্বসাধাৰণো সহজে মোহ যায়। বৈদিক যুগৰ মুনিধাৰাৰ আন আন সম্প্ৰদায়ৰ বামপন্থীৰ সংখ্যা ক্ৰমাৎ কমি যাবলৈ ধৰিছিল। কিন্তু গৌতম বুদ্ধই পূৰ্ব্বৰ ব্ৰাত্য আৰু নৈচাশাখ সম্প্ৰদায়ৰ পদ্ধতিৰ তথা "বিনাশ"ৰ ধাৰাৰ পুনৰ প্ৰবৰ্ত্তন কৰি—"বামানয় শাস্ত্ৰে মোহিলেক সৰ্ব্বজন"। এই"বামানয়"ৰ প্ৰতি বিদ্বেষভাব আধুনিক নহয়, ই আদিবৈদিক যুগৰ পৰা চলি অহা বাম-দক্ষিণৰ কন্দল। ঋগ্বেদৰ চতুৰ্থ মণ্ডলৰ মন্ত্ৰদ্ৰষ্টাঋষিৰ নাম বামদেৱ। তেওঁ প্ৰচাৰ কৰিলে যে তেওঁৰেই, মনু, সূৰ্য্য, ইন্দ্ৰ (৪।২৬।১-৩) ইত্যাদি, তেওঁৰেই দৈৱশক্তি সম্পন্ন; তেওঁৰেই প্ৰজাপতি সৃষ্টিকৰ্ত্তা। ইয়ো উপকৰ্ক্ক "বামানয়"। এনে অনাচাৰী আৰু বৈদিক-দক্ষিণাচাৰ বিৰোধী মত-বাদ প্ৰচাৰ কৰাৰ কাৰণে বামদেৱক সমাজৰপৰা আঁতৰ কৰা হলেই, এনেকি তেওঁৰ আহাৰাদি সংগ্ৰহৰ বাটো বন্ধ কৰি দিয়া হল। উপায় নাপাই বেচেৰাই "অবৰ্ত্ত্যা শুনঃ অন্ত্ৰাণি পেচে" (ঋ ৪।১৮।১৩) কুকুৰৰ আঁত খাই বৰ্ত্তিব লগা হ'ল। তাতোকৈয়ো জঘন্য অত্যাচাৰ "অপশ্যং জায়াম্ অমহীয়মানামধা" (ঐ)। চকুৰ আগত স্ত্ৰীৰ অশ্লাঘনীয় অপমানো সহ্য কৰিবলগা হল। মানুহ চিৰকাল মানুহেই; নিজৰ ধৰ্ম্মমতত মতলীয়া হৈ আন মতবাদীক অত্যাচাৰ কৰা নতুন কথা নহয়।

নাৰী-বামা: বাস্তৱ জগতত দৈৱ-সৃষ্টিৰ বাস্তৱ নিদৰ্শন হল স্ত্ৰীপুৰুষ সংযোগে সন্তান সৃষ্টি। পুৰুষৰ দেহাৰ কেন্দ্ৰকোষৰ পৰা বাম শুক্ৰবিন্দু প্ৰৱল বেগেৰে ওলাই আহে। উদ্দেশ্য—প্ৰজা। এক বিন্দু শুক্ৰৰ মাজত লক্ষ লক্ষ বিজাণুকীট (spermatazoa) প্ৰৱল বেগেৰ লৰ-মাৰি গৈ সবলে নাৰীৰ ডিম্বকোষক (ovum) আক্ৰমণ কৰে। নাৰীয়ে এই আক্ৰমণকাৰী লক্ষ লক্ষ বলীৰ পৰা আতৰাই (মা) উপযুক্ত এটাক স্থিৰ আৰু শান্ত কৰি (অ-বল) নিজৰ ডিম্বকোষৰ ভিতৰত সুমুৱাই ললে। তাৰ

পাচত এই অবলী কীটটোক নিজৰ ডিম্বৰ ভিতৰৰ সামগ্ৰীৰ লগত মিহলাই এটি নতুন বীজৰ কেন্দ্ৰকোষ (বাম) সৃষ্টি কৰিলে। তাৰ পিচত লাহে-ধীৰে মাপ-জোখ মতে দহ মাহ ধৰি তাক পালি-পুহি দহ-মাহৰ অন্তত নদন-বদন এটি সন্তান প্ৰসব কৰিলে। ভগৱন্তৰ সৃষ্টিত কি অপূৰ্ব্ব যন্ত্ৰ-এই-নাৰী ! তেওঁ অ-বলা ; বামা ; মা-তা।

জগতৰ সমাজত সদাই ঘাইকৈ দুবিধ চিন্তৰ মানুহ দেখা যায়। এবিধ উন্নত ধৰণৰ চিন্তা-শক্তি, বুদ্ধি বিবেচনাশীল। এওঁলোকে সৃষ্টি শক্তিৰ দাৰ্শনিক তত্ত্ব মনসাযোগে উপলব্ধি কৰিব পাৰে। এওঁলোক বুধিয়ক cultured. দ্বিতীয়বিধ হল সাধাৰণ বুধিয়ক বা নিতান্ত কম বুদ্ধিয়ক। তেওঁলোকে উন্নতধৰণৰ তত্ত্ব ধুকি নাপায়, চকুৰ আগত থকা কোনো বাস্তব পদাৰ্থৰ জড়িয়তে বুজালে বুজি পায়। তেওঁলোকে জাগতিক ঘটনা লৈ জীৱন যাপন কৰি থাকে, গতিকে নিজৰ জীৱনৰ দৈনিক ঘটনা বা ক্ৰিয়াকাণ্ডৰ যোগেদি সৃষ্টিকৰ্ত্তা বা সৃষ্টি ৰহস্যৰ তত্ত্ব বুজিবলৈ তেওঁলোকে ভাল পায়। এওঁলোকৰ দৰ্শন হল লোকায়ত দৰ্শন (philosophy based on materiali-m).

ওপৰত উল্লখ কৰা 'বামানয়' সাধনপন্থী সকলক দক্ষিণাচাৰী সকলে ঘিণ কৰিলেও তেওঁলোকে যে দৈৱশক্তি অৰ্জ্জন কৰি অলৌকিক ক্ৰিয়া কৰিব পাৰিছিল, এই কথা সকলোৱেই স্বীকাৰ কৰিছিল। অথৰ্ব্ববেদত ব্ৰাত্য সম্পৰ্কে কোৱা হৈছে যে এওঁলোকে অগ্নিহোত্ৰীৰ যজ্ঞকুণ্ডৰ জুই নুমাই দিয়া সত্ত্বেও কাৰো ঘৰলৈ গৈ উপস্থিত হলে ৰজা—প্ৰজা সকলোৱেই নিজক ভাগ্যবান ভাবি যোৰহস্তে ব্ৰাত্যজনক সেৱা সৎকাৰ কৰিছিল। গতিকে এই পদ্ধতিৰ প্ৰতি সৰ্ব্বসাধাৰণৰ ৰাপ বেছি আছিল। বাস্তৱ জীৱনত নাৰী বামা শক্তিৰ আৰু প্ৰ-জাৰ বামত্ব সাধনৰ জীৱন্ত প্ৰতীক। গতিকে এটা সম্প্ৰদায় ওলাল যি সকলে নাৰীসহযোগে সাধনা কৰি বামত্ব অৰ্জ্জন কৰাৰ বিধান উলিয়ালে। ঋগ্বেদৰ অগস্ত্যাসূত্ৰত (১।১৭৯) আৰু ছান্দোগ্য-উপনিষদৰ বাম-দেৱা সামব্ৰতত (২।১৩) এই বিধানৰ উল্লেখ আৰু বৰ্ণনা আছে। বৈদিক আৰু ঔপনিষদিক বিধানত পাশৱীয় ভোগ লালসাৰ নাম গোন্ধ নাই, পৰন্তু অগস্ত্যৰ শিষ্য উগ্ৰঋষিয়ে সেই বিধান মতে সাধনা কৰি "প্ৰজামপত্যং বলমিচ্ছমানঃ উভৌ বৰ্ণাবৃষিৰূগ্ৰ পুপোষ সত্যাদেবেষ্বশিষো জগাম" (১।১৭৯।৬)। বহুপুত্ৰ আৰু বলকামী হৈয়ো কাম আৰু তপ (ভোগ আৰু যোগ) ৰূপ দুই বৰণীয় বস্তুক পালন কৰি দেৱতাসকলৰ সত্যস্বৰূপ আশীৰ্ব্বাদ প্ৰাপ্ত হৈছিল। ছান্দোগ্য উপনিষদত কোৱা হৈছে যে— এই 'নয়'ৰ আচাৰ সামবেদীয় সোমযাগৰ ছন্দ অনুসৰি সেইযাগৰ নিয়ম মতে কৰিব লাগে। ইয়ো বামাচাৰ ; নাৰী আছে বুলিয়েই বামাচাৰ নহয় ; নাৰী থকাটো এটা অন্যতম আচাৰহে মাথোন। পাচৰ যুগত প্ৰকৃত আচাৰবিধি পাহৰি গৈ মানুহে এই বিধানক পাশৱীয় বৃত্তি চৰিতাৰ্থ কৰিবৰ কাৰণে ধৰ্ম্মৰ আৱৰণযুক্ত চেল্ ৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিলে। সেই কাৰণে আজিকালি বামাচাৰ নাম শুনিলেই আমি নাৰী-সম্পৰ্কিত আচাৰ ভাবো, আৰু ই পাপবৃত্তিৰ এটা পঙ্কিল বাট বুলি কল্পনা কৰো।

গৌতমবুদ্ধ প্ৰৱৰ্ত্তিত বিধানত সৰ্ব্বসাধাৰণৰ কাৰণে নাৰীসহযোগে সাধানাৰ নাম গোন্ধেই নাই ; গতিকে দৰাচলতে বৌদ্ধধৰ্ম্ম আমি আজি



কালি বুজামতে বামাচাৰী বা বামানয় নহয়। কিন্তু বুদ্ধদেৱ স্বৰ্গীহোৱাৰ বহুত পাচত, খৃষ্টাব্দৰ দ্বিতীয় কি চতুৰ্থ শতিকা মানত বৌদ্ধধৰ্ম্মত যোগাচাৰ আৰু তন্ত্ৰাচাৰ সামৰি লৈ যি মহায়ান প্ৰস্থাৰ সৃষ্টি হ'ল, তাত শুদ্ধ বামাচাৰৰ লগত নাৰী ঘটিত বামাচাৰো প্ৰৱেশ কৰে ; বিশেষকৈ তিব্বতত এই বিধানৰ বহল প্ৰচাৰ হয়।

সাধনমাৰ্গৰ আন আন পন্থাতো শুদ্ধ তাত্ত্বিক আচৰণৰ অনুকৰণত লোকায়ত আচৰণ থকাৰ প্ৰমাণ পোৱা যায়। প্ৰাক্‌সৃষ্টিকালীন শক্তিৰ শাশ্বতী অৱস্থাৰ নাম "সহজ" ; উপনিষদ, গীতা যোগশাস্ত্ৰৰ "তমসঃ পৰস্তাৎ" 'তমসস্পাৰং' সহজ অৱস্থা প্ৰাপ্তিৰ সাধনপদ্ধতিৰ বহল উল্লেখ আছে। পৰৱৰ্ত্তী কালৰ সাধক চণ্ডিদাসে "তিমিৰ অন্ধাকাৰ যে হয়েছে পাৰ-সহজ জেনেছেসে" বু'ল গীতা-উপনিষদ যোগশাস্ত্ৰত উল্লেখ কৰা 'সহজ' বুজি পায়ো ৰজকিনী ৰামীক সাহায়িকা ৰূপে লৈ এক নতুন বিধি উলিয়ালে। তন্ত্ৰমতে দৃষ্টিশক্তিৰ ক্ৰিয়া প্ৰতিস্তৰত ত্ৰিভুজাকৃতি, ই বৈজ্ঞানিক triangle of forces ৰ কথা। এই ত্ৰিভূজক কোৱা হয় শক্তিৰ ক্ৰিয়াৰ আধাৰ বা base of action ; প্ৰাচীন বৈজ্ঞানিক যোগাৰুঢ় শব্দ "যোনি'। দেৱতাবাদী যাজ্ঞিকসকলৰ অগ্নিকুণ্ডৰ নামো আছিল "যোনি"। তামৰ ফলি বা শিলত ত্ৰিভুজ আঁকি শক্তিৰ পূজা কৰাৰ বিধান আদি-শাস্ত্ৰত লিখা আছে। কিন্তু লোকায়ত দৰ্শন-মতে বাস্তৱ-যোনিতে পূজা কৰা হয়। সেই বুলি শাস্ত্ৰ-বিজ্ঞানৰ চৰ্চ্চা কৰিবলৈ গৈ মাথোন লোকায়ত দৰ্শনৰ আবিলতাপূৰ্ণ পঙ্কিল বাটটোত দুই-এখোজ দিয়েই এটা মন্তব্য কৰা উচিত নহব। লোকায়তৰো পৰিস্কাৰ আৰু শুদ্ধ বাট এটা আছে। আদি তত্ত্বৰ শুদ্ধ বৈজ্ঞানিক বাটতো আছেই। আটাইবোৰ ফঁহিয়াই চাই এটা বিষয় উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত। দক্ষিণাচাৰী সকলে যেনে নিজৰ "নয়'ক শ্ৰেষ্ঠ বুলি ভাবি বামাচাৰীৰ "নয়"ক নিন্দা কৰিছিল. বামাচাৰী সকলেও দক্ষিণাচাৰীৰ কিছুমান আচাৰৰ অৰ্থহীনতা আঙুলিয়াই নিন্দা কৰিছিল। সোমলতাৰ ৰস পান কৰি দক্ষিণাচাৰী সকলে "অপামসোমং অমৃতা অভূম" (ঋ ৮।৪৮।৩) সোমৰস পান কৰি অমৃত হলো বুলি অহঙ্কাৰ কৰিছিল। বামাচৰী ব্ৰহ্মজ্ঞ সকলে ইয়াক মদপীৰ মাতলামি বুলি ইতিকিং কৰিছিল।

"সোমংমন্যতে পপিবান্ যৎ সংপিষন্ত্যোষধিম্
সোমং য়ং ব্ৰহ্মণো বিদুঃ ন তস্য াশ্নাতি কশ্চন।'

(ঋ ১০।৮৫।৩)—লতা ছেপি ৰস পান কৰি সোম খালে বুলি যিসকলে ভাবে, তেওঁলোকে ব্ৰহ্মজ্ঞৰ পৰিজ্ঞাত সোমক কেতিয়াও পান কৰিবলৈ নাপায়। আচল সোম বৃক্ষগুল্মদিজাত বস্তু নহয়, ই যোগ-সাধানাৰ দ্বাৰা লভ্য দৈৱ শক্তিৰ ৰস।

# অসমীয়া সাহিত্যত ছেক্সপীয়েৰ

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা

মহাকৱি আৰু নাট্যকাৰ ছেক্সপীয়েৰৰ প্ৰভাৱ জগৎজোৰা। পৃথিৱীত বোধকৰো এনে উল্লেখ-যোগ্য সাহিত্য নাই য'ত ছেক্সপীয়েৰৰ পৰোক্ষ বা প্ৰত্যক্ষ প্ৰভাৱ দেখা নাযায়। তেওঁৰ প্ৰায় সমসাময়িক নাট্যকাৰ বেন জনচনে মৃত্যু উপলক্ষ্যে কৈছিল—He was not of an age, but for all time. বেন জনচনে ছেক্সপীয়েৰৰ নাটকৰ কালজয়ী প্ৰভাৱ। উপলব্ধি কৰিয়েই সেই কথা লেখিছিল, কিন্তু এই ষ্ট্ৰাটফোৰ্ডৰ নাট্যকাৰজনৰ নাটকে যে এসময়ত বিপুলা পৃথিবীৰ চুকে-কোণে প্ৰভা বিকীৰণ কৰিব সেইটো নিশ্চয় "Every Man in His Humour"ৰ লেখকে অনুমান কৰিব পৰা নাছিল।

উনবিংশ শতাব্দীৰ শেষৰ ফালে, 'জোনাকী' যুগৰ লেখকসকলৰ যোগেদি ছেক্সপীয়েৰে অসমীয়া সাহিত্য-জগতত প্ৰৱেশ লাভ কৰে। ১৮১০ শক অৰ্থাৎ ১৮৮৮ খৃষ্টাব্দত চাৰিজন কলিকতীয়া ছাত্ৰই লগলাগি Comedy of Errors ৰ ভাঙনি কৰে। ইয়াৰ আগতে কেবা-খনো ধেমেলীয়া আৰু পৌৰাণিক অসমীয়া নাট ৰচিত হৈছিল। সেই নাট্যকাৰ কেইজন ছেক্সপীয়েৰৰ দ্বাৰা পোনপটীয়া ভাৱে প্ৰভাবান্বিত হোৱা নাছিল। কিন্তু; নাটকৰ ৰচনা প্ৰণালী বা নাটকীয় গঠন ৰীতিত পাশ্চাত্য প্ৰভাৱ যে পৰিছিল সেই বিষয়ে সন্দেহ নাই। বিষয় বস্তুৰ বিষাদাত্মক পৰিণতি, গৰ্ভাঙ্কৰ প্ৰয়োগ অৰ্থাৎ অঙ্ক বিশেষক কেবাটাও দৃশ্যত বিভাগ কৰা ৰীতি, ৰঙ্গমঞ্চৰ ওপৰত হত্যা আদি সংস্কৃত নাটত নিষিদ্ধ কথা বা ঘটনাৰ প্ৰচলন পাশ্চাত্য নাটকৰ আদ-ৰ্শত অসমীয়া নাটত প্ৰচলন কৰা হৈছিল। ৺গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' (১৮৫৭) নাট বিয়োগান্তক পৰিণতিত শেষ হৈছে। আৰু প্ৰত্যেক অঙ্কত কেবাটাও পৰিচ্ছেদ (দৃশ্য বা গৰ্ভাঙ্ক) সংযোগ কৰিছে। ৺হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়া কীৰ্ত্তন''তো (১৮৬১) সেইদৰে অঙ্কৰ অন্তৰ্ভুক্ত একাধিক দৃশ্যৰ অৱতাৰণা আৰু নাট্যশাস্ত্ৰত নিষিদ্ধ 'মৃত্যু', খোৱা-বোৱাৰ দৃশ্য সংযোগ কৰিছে। এইবোৰ পৰিবৰ্ত্তন যে পাশ্চাত্য নাটকৰ প্ৰভাৱৰ ফল সেই বিষয়ে সন্দেহ নাই, কিন্তু ছেক্সপীয়েৰৰ নাটকৰ প্ৰভাৱ বুলি কোৱা টান। কিন্তু এই কথাও অস্বীকাৰ কৰিব নোৱাৰি যে বৰ্ত্তমান অসমীয়া সাহিত্যৰ পথ প্ৰদৰ্শক সকলৰ ওচৰত ছেক্সপীয়েৰৰ নাটক যিমান পৰিচিত আছিল, অন্য নাট্যকাৰ সকলৰ নাটক সিমান নাছিল। অৱশ্যে পাশ্চাত্য নাটকৰ যি প্ৰভাৱ প্ৰথম অসমীয়া নাট্যকাৰ সকলৰ নাটত দেখা যায়, সেইপ্ৰভাৱ কিছুদূৰ বঙালী নাটৰ জৰীয়তে প্ৰৱেশ লাভ কৰে। পোনপটীয়াভাৱে সকলো ক্ষেত্ৰতে হয়তো অহা নাই।

ছেক্সপীয়েৰৰ নাটকৰ প্ৰভাৱ আমি কেবাটা দৃষ্টি-কোণৰ পৰা আলোচনা কৰিব পাৰো। প্ৰথমে আমি ছেক্সপীয়েৰৰ নাটৰ অসমীয়া ৰূপান্তৰ সম্পৰ্কে আলোচনা কৰিব পাৰো। দ্বিতীয়তে তেওঁৰ নাট্যকলাৰ প্ৰভাৱ, তৃতীয়তে ছেক্সপীয়েৰৰ চৰিত্ৰৰ আদৰ্শত ৰচনা কৰা অসমীয়া অন্যান্য নাটৰ চৰিত্ৰ আৰু শেষত আমাৰ দৈনন্দিন আলোচনা, কথা-বাৰ্ত্তাত ছেক্সপীয়েৰৰ উক্তি, নৈতিক প্ৰবচন আদিৰ প্ৰয়োগ সম্পৰ্কে।



## ছেক্সপীয়েৰৰ নাটৰ অসমীয়া ৰূপান্তৰ

১৮৮৮ খৃষ্টাব্দলৈকে অৰ্থাৎ 'ভ্ৰমৰঙ্গ' ৰচনা হোৱাৰ আগলৈকে ছেক্সপীয়েৰৰ নাটকৰ কোনো অসমীয়া ৰূপান্তৰ আমাৰ চকুত পৰা নাই। 'ভ্ৰমৰঙ্গ' ৰচনাৰ পাছৰ পৰাহে দুই এখনকৈ নাটক অসমীয়ালৈ ৰূপান্তৰ কৰাৰ প্ৰচেষ্টা হয়। নাটকীয় ৰূপান্তৰৰ বাহিৰেও গল্প বা আখ্যান আকাৰতো দুই এখন পুথি ৰচিত হয়। আমি জনাত এতিয়ালৈকে তলত উল্লেখ কৰা নাটখিনি অসমীয়ালৈ নাটকীয়ৰূপত অনুদিত হৈছে।

### (ক) প্ৰকাশিত নাটক

(১) 'ভ্ৰমৰঙ্গ' (১৮৮৮) (Comedy of Errors)

শ্ৰীৰত্নধৰ বৰুৱা
৺গুঞ্জানন বৰুৱা
৺ঘনশ্যাম বৰুৱা
৺ৰমাকান্ত বৰুৱা

(২) চন্দ্ৰাৱলী ( As you Like It )
শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

(৩) ভীমদৰ্প ( Macbeth )
শ্ৰীদেৱানন্দ ভৰালী

(৪) তাৰা ( Cymbeline )
শ্ৰীঅম্বিকাপ্ৰসাদ গোস্বামী

(৫) তৰুণ-কাঞ্চন ( Troilus & Cressida)
৺নবীনচন্দ্ৰ বৰদলৈ

(৬) বণিজ কোঁৱৰ ( Merchant of Venice)
শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

(৭) অশ্ৰুতীৰ্থ ( King Lear )
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

(৮) অমৰ লীলা ( Romeo Juliet )
শ্ৰীপদ্মধৰ চলিহা

### (খ) অপ্ৰকাশিত নাটক

(১) ৰণজিৎ (Othello) শ্ৰীশৈলধৰ ৰাজখোৱা

(২) চন্দ্ৰবীৰ (Hamlet) ৺বোধনাথ পটঙ্গীয়া

(৩) পদ্মাৱতী ( Cymbeline )
শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

(৪) দন্দুৰী-দমন (১৯৩২) ( Taming of the Shrew ) ৺নবীন বৰদলৈ

(৫) বিষাদ কাহিনী (১৯৩২) (King Lear)
৺নবীনচন্দ্ৰ বৰদলৈ

ওপৰত উল্লেখ কৰা অপ্ৰকাশিত নাটকেইখনৰ বাহিৰেও হয়তো অপ্ৰকাশিত ভাৱে আৰু নাটক অনুদিত হৈ হাতে লিখা অৱস্থাত আছে। শ্ৰীৰাজখোৱাৰ ৰণজিৎ অনেকবাৰ ৰঙ্গমঞ্চত সফল ভাৱে অভিনীত হৈছিল। ছন্দৰ নিমজ গতি, ভাষাৰ সৌষ্ঠৱ আৰু ৰঙ্গমঞ্চৰ উপযোগীতাই এই নাটখন অভিনেতা সমাজত সৰ্ববৰহী কৰি তুলিছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে এই নাটখন লুপ্ত হোৱাৰ সম্ভাৱনাই দেখা দিছে। ৺পটঙ্গীয়াৰ 'চন্দ্ৰবীৰ' নাটখন তেজপুৰৰ বাণষ্টেজত কেবা-বাৰো অভিনীত হৈছিল। প্ৰচুৰ সম্ভাৱনা থকা তৰুণ নাট্যকাৰৰ অকাল মৃত্যুত অসমীয়া নাট্য সাহিত্য তথা ৰঙ্গমঞ্চৰ বিশেষ ক্ষতি হ'ল। ১৯৩১-৩২ চনত স্বাধীনতাৰ আন্দোলনত লাগি কাৰাগাৰত বন্দী হৈ থকা অৱস্থাত কৰ্ম্মবীৰ বৰদলৈয়ে "দন্দুৰী-দমন" বিষাদ-কাহিনী" নাটৰ ৰচনা সম্পূৰ্ণ কৰে বুলি তেখেতৰ জীৱন চৰিত "স্মৃতিতীৰ্থত" সুযোগ্যা কন্যা শ্ৰীনলিনীবালা দেৱীয়ে উল্লেখ কৰিছে। কিন্তু বৰদলৈৰ মৃত্যুৰ পাছত তেখেতৰ উত্তৰাধিকাৰীসকলে অপ্ৰকাশিত পুথি-সমূহ পোহৰলৈ অনাৰ চেষ্টা কৰা নাই। ছেক্সপীয়েৰৰ প্ৰভাৱ আধুনিক নাট্য সমাজত ক্ৰমে হ্ৰাস হৈ আহিছে, আৰু নতুন অনুবাদ •ৰ বুলি

আশা কৰিব নোৱাৰি। যিখিনি অনুদিত হৈছিল সেইখিনি যদি প্ৰকাশ হয় তেন্তে এনে ধৰণৰ আলোচনাৰ সুবিধা হয়। অপ্ৰকাশিত নাটৰ ওপৰত আলোচনা নিৰৰ্থক। এই আলোচনা সেই কাৰণে, প্ৰকাশিত নাটকেখনক লৈয়ে আৱদ্ধ থাকিব।

প্ৰকাশিত নাটৰ ভিতৰত সৰ্ব্বপ্ৰথম হ'ল 'ভ্ৰমৰঙ্গ', ১৮৮৮ খৃষ্টাব্দত (১৮১০ শক) প্ৰকাশিত হয়। লিখক চাৰিজনে পাতনিত এই দৰে লিখিছে "ছেক্সপীয়েৰৰ নাটক এখন অসমীয়ালৈ ভঙাত অনেক অসুবিধা; প্ৰথম ছেক্সপীয়েৰৰ ভাৱ আৰু ভাষা এনে কঠিন যে বিদেশী মানুহ নালাগে ইংৰাজ পণ্ডিতসকলেই সেইবোৰৰ অৰ্থ থিৰ কৰিব পৰা নাই। তদুপৰি নাটক ইংৰাজী, ভাব ইংৰাজী, আচাৰ ব্যৱহাৰ ইংৰাজী—তাৰ সকলোবিলাক অসমীয়া ভাষাত সুমুৱাব পৰা উজু কথা নহয়, বাধ্য হৈ কিছুমান এৰি দিব লগাত পৰে। যিমান পাৰি কৰিৰ ভাৱ ৰাখিবৰ চেষ্টা কৰাত আমি ক্ৰুটি কৰা নাই, নোৱাৰাতহে অলপ অচৰপ এৰা পৰিছে। কোনো কোনো ঠাইত আমাৰ দেশৰ আচাৰ ব্যৱহাৰ মিলাবৰ নিমিত্তে কৰিৰ মূল ভাৱৰ পৰিবৰ্ত্তন কৰা হৈছে, কিন্তু কৰিৰ কবিত্ব যাতে নষ্ট নোহোৱাকৈ থাকে তালৈ চকু নিদি থকা নাই।"

"কমেডি অব্ এৰৰ্চ" এখন লঘু পৰিস্থিতি প্ৰধান নাটক, এই নাটকৰ বিষয়-বস্তুত স্থান আৰু কালৰ মূল্য নাই, আমোদজনক আৰু কৌতুহলাত্মক পৰিস্থিতিসমূহৰ ওপৰতহে নাটকৰ আৱেদন নিৰ্ভৰশীল। গতিকে নাটকীয় ঘটনা-পৰম্পৰা অন্যদেশৰ স্থান, কাল আৰু পাত্ৰৰ উপযোগী কৰি প্ৰকাশ কৰা সম্ভৱ। এই কাৰণে এই নাটক আকৰ্ষণীয় কৰি অনুবাদ কৰিবলৈ লিখক কেইজন সমৰ্থ হৈছে। মূল নাটৰ blank-verse এই অসমীয়াত পৰিহাৰ কৰিছে যদিও তাৰ পৰা নাটকখনৰ সৌন্দৰ্য্য হ্ৰাস পোৱা নাই। নাটকখন ট্ৰেজেডি বা গহীন ভাৱৰ কমেডি হোৱাহেঁতেন হয়তো গদ্যৰূপত কিছু সৌন্দৰ্য্য ম্লান হলহেঁতেন। ঘৰুৱা গদ্যভাষালৈ সংলাপনবোৰ ভাষান্তৰিত কৰা হৈছে। নাটৰ চৰিত্ৰবোৰৰ নামকৰণ যেনেকৈ নিভাজ অসমীয়া হৈছে (যেনে—ধনবৰ, সোণেশ্বৰ লাহমন কলিমন, সুমথিৰা, মালতী, সোণপাহী, তৰা ইত্যাদি), তেনেকৈ ৰচনাৰীতিও ঘৰুৱা আৰু জতুৱা ঠাচৰ হৈছে। মূলৰ ভাৱ অটুট ৰাখি কেনেকৈ লিখক কেইজনে অসমীয়ালৈ ৰূপান্তৰ কৰিছে তাৰ দুটামান নিদৰ্শন তুলি দিয়া হল।

Antipholus of Syracuse :—
Upon my life, by some device or other
The villain is over raught of all my money.
They say this town is full of corzenage ;
As, nimble jugglars that deceive the eye,
Dark-working sorcerers that change the mind,
Soul killing witches that deform the body
Disguised cheaters, prating mountbanks
And many such-like liberties of sin ;
If it proves so, I will be gone the sooner.
I will go to the centaur, to go seek the slave,
I greatly fear, my money is not safe.

কামপুৰীয়া নিৰঞ্জন :—নিশ্চয় মই জানিছো, এই পাষণ্ডক কোনোবাই চলিলে, মোৰ ধনখিনি ফাকি দি নিলে। সকলোৱে কয় বোলে এই নগৰত বৰ মায়া জানে। ভেলকীবাজি কৰি চকুত ধুলি মাৰে। জুগুনীহঁতে মন ভুলাই মানুহৰ সৰ্ব্বনাশ কৰে, মন্ত্ৰ কৰি বোলে পিঠিত গছ গজায়, বহিবলৈ দিয়া পীৰা লাগি ধৰে, গছকে বাট বুলায়। নৈৰ ওপৰে জুনু খৰমেৰেই যায়। ই নিশ্চয় ডাইনী-জগুনীৰ দেশ। ভালেতোহে ইয়াৰ নাম মায়াপুৰ থৈছে। ইয়াৰ কথা ভাবোতেই পেটতে হাত-ভৰি লুকায়। ইয়াৰ পৰা কোনোমতে গা-সাৰি যাব পাৰিলেই মঙ্গল। যাওঁ, সোনকালে থকা ঠাইলৈ যাওঁ, লগুৱাটোক বিচাৰ-খোচাৰ কৰোগৈ। মোৰ মনত বৰ উগুল-থুগুল লাগিছে—টকাখিনি গ'লকি চলহে। ১।২

এইদৰে আকৌ মূল নাটৰ চতুৰ্থ অঙ্কৰ চতুৰ্থ দৃশ্যত এন্টিফলাচ অব্ এফেচাচৰ (অসমীয়া মায়াপুৰীয়া নিৰঞ্জন) ওপৰত শয়তান (Satan) লম্ভিছে বুলি পিঞ্চ [ Pinch ] নামৰ যাজকজনে ধৰ্ম্মৰ দোহাই দি ভূত খেদিবলৈ কৰা চেষ্টা অসমীয়া ৰূপত আকৰ্ষণীয় হৈ পৰিছে।

Pinch :—I charge three, Satan,
haused within this man,
To yeild possession to
my holy prayers,
And to thy state of darkness
hie thee start •
I conjure thee by all
saints in Heaven.



অসমীয়া ৰূপান্তৰত টকৰু বেজে ভূত দেখিবলৈ চেষ্টা কৰিছে জাৰি-ফুকি।

টকৰু :—নমো চক্ৰবাণ উতপতি ভৈলা।
ত্ৰিদশ দৈত্যৰ মায়া সংহৰিবে লৈলা॥
চৌষষ্টি যোগিনীৰ বাণ কাটি খণ্ড খণ্ড কৈলা
হুম হুম গিৰগিৰ সাগৰৰ মলা।
উপজিল বসুমতী কান্দনী-কলা॥

এইদৰে মন্ত্ৰ মাতি শেষত সৰিয়হত ফুদি মায়াপুৰীয়া নিৰঞ্জনৰ গালৈ চটিয়াই দিয়া দৃশ্য সম্পূৰ্ণ অসমীয়া হৈ পৰিছে। ভ্ৰমৰঙ্গ নাটখন ইংৰাজী সাহিত্যৰ লগত পৰিচয় নথকা দৰ্শকে অনুবাদ বুলি জানিবৰ উপায় নাই। মূল নাটৰ যি বৰ্ণনাই পাশ্চাত্য সামাজিক প্ৰথা ৰীতি-নীতি নাইবা ইতিহাসৰ আভাস দিয়ে তেনে বৰ্ণনাৰ লগত কেৱল ভাৱৰ সামঞ্জস্য ৰাখি অসমীয়া সমাজৰ লগত খাপ খুৱাই ৰূপান্তৰ কৰা হৈছে। পাশ্চাত্য নাটকৰ প্ৰথম অনুবাদ হলেও 'ভ্ৰমৰঙ্গ" সাৰ্থক অনুবাদ।

"As you like It" নাটৰ অসমীয়া ৰূপান্তৰ ১৯১০ চনত শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাদেৱে "চন্দ্ৰৱলী" নামত প্ৰকাশ কৰে। নাট্যকাৰে ইংৰাজী নাম টোৰ অসমীয়া অনুবাদ নকৰি প্ৰধান নায়িকাৰ নামেৰে নাটখনৰ নাম দিছে। ছেক্সপীয়েৰৰ নাটৰ প্ৰধান নায়িকা Rosalind অসমীয়াত চন্দ্ৰৱলী নামকৰণ কৰা হৈছে। মূলৰ blank-verseৰ লগত সঙ্গতি ৰাখি অমিত্ৰাক্ষৰ ছন্দত নাটখন ৰচনা কৰা হৈছে।

মূল ইংৰাজী নাটৰ দৃশ্য আৰু কথা ঠায়ে ঠায়ে পৰিহাৰ কৰিছে, কেৱল কাহিনীটো নাটকীয় ৰূপত আগবঢ়াই নিবৰ কাৰণে যিখিনি

বৰ্ণনা অপৰিহাৰ্য্য বুলি ভাবিছে সেই খিনিহে অসমীয়ালৈ ৰূপান্তৰিত হৈছে। জেকচৰ (Jaqnes) বিষাদ-প্ৰৱনতা আৰু দুখবাদ, টাছষ্টোনৰ (Touchstone) আপাত বহুৱালিসূচক কথাৰ অন্তৰাল থকা দাৰ্শনিকতা, সাংসাৰিক জ্ঞান আৰু তীক্ষ্ণ সমালোচনা অসমীয়া সংস্কৰণ দুটাত বহুত-খিনি হ্ৰাস হৈছে, ফলত মূলচৰিত্ৰ দুটাৰ আকৰ্ষ-ণীয়তা আৰু প্ৰভাবিকৃতা অসমীয়া ৰূপত ম্লান হৈছে। দৰাচলতে ধনঞ্জয় আৰু পুৰন্দৰ নামৰ অসমীয়া চৰিত্ৰ দুটা টাছষ্টোন আৰু পুৰনন্দ ছায়াৰূপহে বুলিব পাৰি। পুৰুষবেশী ৰোজা-লিণ্ডৰ বুদ্ধিদীপ্ততা আৰু আনন্দ মুখৰতা অসমীয়া ৰবম্পষ্ট হৈ উঠা নাই। নাটকীয় কাহিনীবো এটা অংশ বাদ দিয়া হৈছে। চিলভিয়া আৰু ফিবি নামৰ হাবিতলীয়া যুৱক-যুৱতীহালৰ প্ৰণয়াত্মক উপকাহিনীটো অসমীয়া সংস্কৰণত সম্পূৰ্ণৰূপেই বাদ দিছে। মনমৰা দাৰ্শনিক জেকচ (অসমীয়াত পুৰন্দৰ) আৰু অড্ৰেৰ (অসমীয়াত বহুলী) পৰিণয়ৰ চমু কথাখিনি অৱশ্যে নাটকত চিত্ৰিত কৰিছে।

ছেক্সপীয়েৰৰ বুদ্ধিদীপ্ত ৰসিকতাপূৰ্ণ উক্তিবোৰৰ ভালেখিনি বাদ পৰাত আৰু ঘটানাও দুই এটা পৰিহাৰ হোৱাত আমি "চন্দ্ৰৱলীক "As you Like It "নাটৰ অবিকল অনুবাদ বুলিব নোৱাৰো।

শ্ৰীদেৱানন্দ ভড়ালীৰ "ভীমদৰ্প" নাটখনও মেকবেথৰ নাটৰ প্ৰকৃত অনুবাদ নহয়, মেকবেথ নাটৰ দ্বাৰা প্ৰভাবান্বিত নাট বুলিব পাৰি। মেকবেথ আৰু লেডী মেকবেথৰ চৰিত্ৰ আৰু কাৰ্য্যৱলীৰ আদৰ্শত কছাৰী ৰজা "ভীমদৰ্প নাৰায়ণ" আৰু তেওঁৰ পত্নীৰ চৰিত্ৰ চিত্ৰিত কৰিছে। ভীমবল বা ভীমদৰ্পনাৰায়ণে খৃষ্টীয় সপ্তদশ শতিকাৰ আদি ভাগত কছাৰী ৰাজ্যত ৰাজত্ব কৰিছিল। ভীমবল প্ৰথমতে কছাৰী সেনাপতি আছিল, পাছত সিংহা-সন অধিকাৰ কৰে। গতিকে শ্ৰীভড়ালীৰ নাটকৰ চৰিত্ৰ "ভীমদৰ্পনাৰায়ণ" ঐতিহাসিক পুৰুষ। ছেক্সপীয়েৰৰ নাটৰ কাহিনীৰ লগত অসমীয়া নাটৰ কাহিনীৰ যথেষ্ট পাৰ্থক্য আছে। কেৱল মেকবেথেৰ দৰে পত্নীৰ প্ৰৰোচণাত কেনেকৈ বিশ্বা-ঘাতকতা কৰি সেনাপতিয়ে ৰাজপদ অধিকাৰ কৰিলে সেই বিষয়ে দুয়োখন নাটৰ সাদৃশ্য আছে। গতিকে "ভীমদৰ্পক" অনুবাদ বুলি নকৈ মেক্‌বেথে নাটৰ প্ৰভাৱত সৃষ্টি হোৱা নাট বুলি কলেহে সমিচীন হব। —আগলৈ—

---

# সিন্ধুৰাম চাহাব সম্পৰ্কে একেষাৰ

অসম সাহিত্য সভা পত্ৰিকাৰ, সপ্তদশ বছৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত শ্ৰীচিন্তাহৰণ পাট-গিৰিৰ "সিন্ধুৰাম চাহাব" প্ৰবন্ধটো পাঠ কৰি মোৰ ধাৰণা হৈছে যে, এই ধৰণৰ প্ৰবন্ধত তথ্যৰ সূত্ৰবোৰৰ উল্লেখ থাকিলেহে পাঠকে বক্তব্যখিনি ভালমতে বিচাৰ কৰি গ্ৰহণ কৰিব পাৰে। সিন্ধুৰাম চাহাব সম্পৰ্কে দিয়া তথ্যবোৰ জন-শ্ৰুতিৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে যেন অনু-মান হ'ল। লেখকে দিয়া কেইটিমান তথ্য সম্পৰ্কে সন্দেহ প্ৰকাশ ক'ৰি আৰু ইয়াৰ সমি-ধান বিচাৰি মই এই কথা লিখিছো।

(১) "আনন্দৰাম ঢেকিয়াল ফুকনৰ চৰিত্ৰত" ঢেকিয়াল ফুকনে সিন্ধুৰাম চাহাবে সৈতে একে নাওতে ব্ৰহ্মপুত্ৰেদি কলিকতালৈ যোৱাৰ উল্লেখ আছে বুলি শ্ৰীপাটগিৰিয়ে লিখিছে। কিন্তু, গুণাভিৰাম বৰুৱাৰ কিতাপখনত তেনে উল্লেখ ক'তো বিচাৰি নাপালো। কিতাপখনৰ দ্বিতীয় সংস্কৰণৰ ১২৯ পিঠিত এইখিনি মাত্ৰ আছে— "আমাৰ দেশৰ সিন্ধুৰাম দাস নামে এজন লোকে খৃষ্টান ধৰ্ম্ম লৈ সেই কলেজত বাস কৰি পঢ়িছিল। তেওঁৰ সৈতে তাতে ফুকনৰ সাক্ষাৎ হয়।" ১৮৫২ খৃষ্টাব্দৰ ১ জানুৱাৰী তাৰিখে ফুকনে কলিকতাৰ বিচপ কলেজত সিন্ধুৰামৰ সৈতে সাক্ষাৎ কৰিছিল।

(২) শ্ৰীপাটগিৰিয়ে লিখিছে যে সিন্ধুৰামে গুৱালপাৰাৰ ইংৰাজী স্কুলত পৰিছিল আৰু তাতে খৃষ্টধৰ্ম্ম গ্ৰহণ কৰিছিল। কিন্তু, সমসাময়িক ৰেকৰ্ডৰ পৰা বেলেগ তথ্য পোৱা যায়। ১৮৫৩ খৃষ্টাব্দৰ Calcutta Review কাগজৰ নৱম খণ্ডত প্ৰকাশিত "Assam Since the Expulsion of the Burmese" প্ৰবন্ধৰ এঠাইত উল্লেখ আছে "The Second boy of the Government School at Gowatty Sindhuram Dass was baptised by the chaplain on Whit-Sunday, May 11, 1845,............ He was admitted through the benevolence of late Prof. Street as student of Bishop's College, as the first fruits of Assam, and has recently passed up again in the Steamer to Debrugarh, to assist in concluding a mission school, being now 22 years of age"

লেখকে অসমৰ প্ৰথম ইংৰাজী স্কুলখন গুৱালপাৰাত স্থাপিত হৈছিল বুলি কৈছে। গুৱাহাটীত স্থাপিত ইংৰাজী স্কুলতকৈ আগতে গুৱালপাৰাত কোনো ইংৰাজী স্কুল আছিল নে?

(৩) সিন্ধুৰাম চাহাবে আমেৰিকালৈ যোৱা বৰপেটাত মহকুমাধিপতি পদ লাভ কৰা, গুৱাহাটি স্কুলৰ হেডমাষ্টৰৰ দায়িত্বত থকা ইত্যাদি তথ্য-বিলাকো নিৰ্দ্দিষ্ট সূত্ৰৰ ( source of Information ) ৰ দ্বাৰা সমৰ্থিত হ'লে ভাল হয়।

—অমলেন্দু গুহ

# পুথি-পৰিচয়

## (১) হেৰোৱা দিনৰ কথা শ্ৰীলীলা গগৈ, শিৱসাগৰ

১৯৫৯ চন, বেচ ২৲ টকা, পৃষ্ঠা ৯৩,

এই সৰু পুথিখনত ১৮২৮-৩০ চনৰ অসমৰ বিদ্ৰোহৰ বিৱৰণ আৰু বিপ্লৱী নেতাসকলৰ পৰিচয় দিয়া হৈছে। "গমধৰ কোঁৱৰৰ বুৰঞ্জী" নামৰ সাচিপতীয়া পুথি এখনৰ বিৱৰণৰ ওপৰত ভেজা দি এই পুথিখন যুগুত কৰিছে। লিখকে অৱশ্যে গমধৰ কোঁৱৰ আৰু পিয়লী ফুকন সম্পৰ্কে যিবোৰ তথ্য এতিয়ালৈকে প্ৰকাশ পাইছে সেই সকলোবোৰৰো সহায় লৈছে। ১৮২৮ চনত গমধৰ কোঁৱৰৰ বিদ্ৰোহ আৰু তাৰ দুবছৰৰ পাছত পিয়লি ফুকনৰ বিদ্ৰোহ হয়। ওচৰাওচৰিকৈ সংঘটিত হোৱা এই দুটা বিদ্ৰোহত ভালেখিনি লোক লিপ্ত আছিল আৰু কেবাজনেও দুয়োটা বিদ্ৰোহতে অংশ গ্ৰহণ কৰিছিল। গমধৰ আৰু পিয়লিৰ সহকৰ্ম্মীসকলৰ পৰিচয় আৰু কাৰ্য্যকলাপো এই সৰু পুথিখনত বৰ্ণনা কৰিছে। গমধৰ আৰু পিয়লিৰ প্ৰচেষ্টা দুটাৰ বাহিৰেও গদাধৰ কোঁৱৰৰ স্বতন্ত্ৰীয়া প্ৰচেষ্টাও এই প্ৰসঙ্গত উল্লেখ যোগ্য। পিয়লি আৰু গমধৰ কোঁৱৰৰ দুজন প্ৰধান সহায়ক ৰূপচন্দ্ৰ কোঁৱৰৰ আৰু হৰ নাথ পানীফুকনৰ পৰিচয় আৰু কাৰ্য্যকলাপোৰো বিৱৰণ পুথিখনত দাঙি ধৰিছে। পুথিখনৰ প্ৰায় এক-তৃতীয়াংশ আগুৰি থকা পৰিশিষ্টত "গমধৰ কোঁৱৰৰ বুৰঞ্জী'ৰ পৰা তথ্যপূৰ্ণ প্ৰাসঙ্গিক বিৱৰণসমূহ উদ্ধৃত কৰি দি লেখকে প্ৰয়োগ কৰা ঐতিহাসিক সমলবোৰৰ লগত পাঠকক পৰিচয় হবলৈ সুবিধা দিছে। ১৮২৮-৩০ চনত ওপৰাওপৰিকৈ হোৱা বিদ্ৰোহৰ উদ্দেশ্য আৰু কাৰ্য্যকলাপৰ বাখ্যা দিবলৈ যাওঁতে শ্ৰীগগৈয়ে যি দৃষ্টিভঙ্গী অৱলম্বন কৰিছে সেই দৃষ্টিভঙ্গী শ্ৰদ্ধাপূৰ্ণ আৰ প্ৰশংসাপৰ হৈ পৰিছে। তেওঁ বিদ্ৰোহী সকলৰ কাৰ্য্যকলাপৰ অন্তৰালত নিস্বাৰ্থ স্বদেশ-প্ৰীতি আৰু কাৰ্য্যকুশলতা দেখা পাইছে। গমধৰ, পিয়লি, হৰনাথ, ৰূপচন্দ্ৰ, গদাধৰ, আদিয়ে ইংৰাজক খেদি স্বাধীনতা প্ৰতিষ্ঠাৰ যি চেষ্টা কৰিছিল তাৰ মাজেদি তেওঁলোকৰ স্বাধীনতাপ্ৰীতিৰ নিদৰ্শন আৰু অসীম সাহসিকতাৰ পৰিচয় পোৱা যায়, কিন্তু সেই প্ৰচেষ্টা জনসমাজৰ হিতৰ অৰ্থে আৰু ইংৰাজৰ নিষ্পেষণৰ পৰা তেওঁলোকক মুক্তি দিয়াৰ উদ্দেশ্যে নিয়োজিত হৈছিল নে, নিজক ৰজা ডা-ডাঙৰীয়াৰ পদত অধিষ্ঠিত কৰিবলৈহে হৈছিল সেই বিষয়ে সূক্ষ্ম আৰু নিৰপেক্ষ বিচাৰ প্ৰয়োজন। ইংৰাজে দেশ লৈ প্ৰজাৰ ওপৰত কৰ কাটলৰ হেচা বঢ়াই দিয়া আৰু নানা উপায়েৰে প্ৰজাক নিপীড়ণ কৰি খাজানা আদায় কৰা কাৰ্য্যত অসন্তুষ্ট হৈ যে গমধৰ কোঁৱৰ আৰু পিয়লিয়ে বিদ্ৰোহ আচৰণ কৰিছিল তাৰ স্পষ্ট প্ৰমাণ গমধৰ কোঁৱৰৰ বুৰঞ্জীয়ে নিদিলে। যদি প্ৰজাসাধৰণক ইংৰাজৰ নিস্পেষণৰ পৰা মুক্তি দিয়াই তেওঁলোকৰ বিদ্ৰোহৰ মুখ্য উদ্দেশ্য আছিল, তেন্তে জনসাধাৰণৰ পৰা উপযুক্ত সহাৰি তেওঁলোকে কিয় লাভ কৰিব নোৱাৰিলে সেইটো ভাবিবলগীয়া প্ৰশ্ন। বিদ্ৰোহত লিপ্ত থকা সকলোৱেই আগৰ ডাঙৰীয়া বিষয়া শ্ৰেণীৰ লোক আছিল। কাজী



পাইক বা সাধৰণ খেতিয়ক শ্ৰেণীৰ লোকৰ পৰা যদি উপযুক্ত সঁহাৰি পালেহেঁতেন তেন্তে তেওঁলোকৰ বিদ্ৰোহ ইমান সহজতে নুমাই যাব লগা বোধকৰো নহলহেঁতেন। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহক দুই এজনক প্ৰসিদ্ধ ঐতিহাসিকে যেনেকৈ স্বাধীনতাৰ প্ৰথম যুদ্ধ বুলি কবলৈ টান পাইছে সেইদৰে গমধৰ পিয়ালিৰ বিদ্ৰোহ প্ৰকৃত স্বাধীনতাৰ যুদ্ধ নে কেইজনমান ক্ষমতা লিপ্সু সম্ভ্ৰান্ত বংশৰ যুৱকৰ আত্ম প্ৰতিষ্ঠাৰ বিদ্ৰোহ সেই কথাৰ সম্যক আলোচনাৰ দৰকাৰ। শ্ৰীগগৈৰে পুথি খনে এনে ঐতিহাসিক আলোচনাৰ বহুতো সমল দান কৰিব বুলি আমাৰ বিশ্বাস।

---

## (২) পোহৰ

শ্ৰীদীননাথ শৰ্ম্মা, প্ৰকাশক—শ্ৰীমিনুদেৱী, গুৱাহাটী।

প্ৰথম প্ৰকাশ—১৯৫৯, মূল্য দুটকা

শ্ৰীশৰ্ম্মা গল্পলিখক ৰূপে 'আৱাহনৰ' যুগৰ পৰাই পৰিচিত। 'পোহৰ' তেখেতৰ দহোটা চুটি গল্পৰ সমষ্টি। এইটো তেখেতৰ গল্পৰ, পঞ্চম থুপি। প্ৰথম গল্পটোৰ নামেৰে সংগ্ৰহটোৰ নামকৰণ কৰা হৈছে। শ্ৰীশৰ্ম্মাৰ গল্পৰ নায়ক-নায়িকা বেছিভাগেই হয় চহা-খেতিয়ক মজদুৰ শ্ৰেণীৰ, নহয় বুদ্ধিজীৱী নিম্নমধ্যবিত্ত শ্ৰেণীৰ। এই দুই শ্ৰেণীলোকৰ জীৱনৰ সমস্যা, বেদনা কাৰুণ্য অভাৱ-অনাটন প্ৰেমপ্ৰীতি, অত্যাচাৰ নিপীড়ণৰ চিত্ৰ গল্পবোৰত দাঙি ধৰিছে। গাৱলীয়া জীৱনত স্বামী স্ত্ৰীৰ সম্পৰ্ক বহুত ক্ষেত্ৰতেই মধুৰ নহয়, স্ত্ৰীৰ ওপৰত স্বামীৰ প্ৰভুত্ব আৰু অত্যাচাৰ সততে চকুত পৰে। 'অত্যাচাৰ' 'নেদেখা জনেহে দেখে' এই গল্প দুটাত গাৱলীয়া দাম্পত্য জীৱনৰ এই বিসদৃশ সম্পৰ্কটো উৎকটৰূপত প্ৰকাশ পাইছে। "জন্ম-মৃত্যু" "হুমুনিয়াহ" 'সপোন থাকক সজাঁৱ হৈ' এই তিনিটা গল্পত নিম্ন মধ্যবিত্ত শ্ৰেণীৰ আদৰ্শ, আকাঙ্খা আৰু অভাৱ অনাটনৰ মাজত গভীৰ বিবোধ চিত্ৰিত কৰি সিহঁতৰ জীৱনৰ ব্যথাভৰা কাহিনী সহানুভূতিপূৰ্ণ দৃষ্টিৰে অঙ্কিত কৰিছে, আৰু তাৰ বিপৰীতে ধনী জীৱনৰ বিলাস আৰু অহংকাৰৰ চিত্ৰ ৰূপায়িত কৰি নিম্নমধ্য বিত্ত জীৱনৰ ট্ৰেজেডি তীব্ৰ কৰাৰ চেষ্টা কৰিছে। 'ভিখু জামাদাৰ' আৰু 'পোহৰ' গল্পত পটভূমি মজদুৰ সমাজ। অভাৱ অনাটৰ মাজতো প্ৰেম প্ৰীতিৰ সোঁত আৰু আন মানবীয় গুণাৱলীৰ অভিব্যক্তি কেনেকৈ প্ৰকাশ পায় তাৰ নিদৰ্শন গল্প দুটাত পোৱা যায়। 'সপোন থাকক সজাঁৱ হৈ' গল্পটিত বুদ্ধিজীৱী নিম্নমধ্যবিত্ত শ্ৰেণীৰ মনস্তত্বৰ এটি সুন্দৰ অভিব্যক্তি দেখা যায়। এই

শ্ৰেণীলোকৰ বিলাসৰ আকাঙ্ক্ষা প্ৰৱল, অথচ প্ৰাপ্তিৰ আশা বিৰল। গতিকে ইপ্সিত অথচ অপ্ৰাপ্য বস্তু আনৰ আগত পোৱা বা থকা বুলি দেখুৱাই মানসিক তৃপ্তি লাভ কৰাৰ এটি হাস্যাস্পদ ৰূপ ওপৰুক্ত গল্পটিৰ নায়িকা বকৰানীৰ চৰিত্ৰৰ যোগেদি লিখকে ফুটাই তুলিছে। 'মনৰ গতি' গল্পটিত নাৰী চৰিত্ৰৰ যৌন-অভিব্যক্তিৰ এটি অস্বাভাবিক ৰূপ ফুটাই তুলিছে। নাৰীয়ে পুৰুষৰ দুৰ্ব্বলতাৰ সুযোগ লৈ কেনেকৈ নিজ উদ্দেশ্যে পূৰণ কৰিব কৰিব পাৰে তাৰে এটি আমোদজনক লঘু পৰিস্থিতি 'বেলত এৰাতি' গল্পত প্ৰকাশ পাইছে। কোৱাভাতুৰীয়া ওঠৰ তলত লবমু-কোমলতাই কেৱল বিৰাজ নকৰে, ফেটিসাপৰ ভয়াবহতাও সুপ্ত থাকে। শৰ্ম্মাৰ নাৰী চৰিত্ৰ চিত্ৰণত তেনে এটি ভাবৰ আভাস পোৱা যায়।

শ্ৰীশৰ্ম্মাই গল্পকেইটাত চৰিত্ৰ বিশ্লেষণতকৈ কাহিনী ৰচনাৰ ভালে বেচি চকু দিছে। মনোবিশ্লেষণৰ পুঙ্খানুপুঙ্খ বৰ্ণনা ইয়াত নাই। কিন্তু পৰিস্থিতি আৰু ঘটনা বিন্যাসৰ মৌলিকতা নোহোৱা নহয়। প্ৰত্যেকটো গল্পৰ বাতাবৰণ পৃথক, পৰিবেশ নতুন। গল্প সংগ্ৰহটিয়ে পাঠকৰ পৰা সমাদৰ পাব বুলি আশা কৰিব পাৰি।

## ৩) ঘৰৰ লখিমী

লেখিকা—শ্ৰীপদ্মকুমাৰী গোহাঞি।

প্ৰকাশ—১৯৫৯

১৯৩৪ চনতে ৺ কীৰ্ত্তিনাথ বৰদলৈ আৰু ৺সূৰ্য্যাকান্ত বৰুৱা ( E A.C ) ডাঙৰীয়াৰ উদগণিত "ঘৰৰ লখিমী" নামৰ দীঘলীয়া বৰ্ণনাত্মক কবিতাটি ৰঙালী বিহুৰ উদ্দেশ্যে ৰচনা কৰিছিল। সেই কবিতাটিকে এতিয়া ১৯৫৯ চনত কিতাপৰ আকাৰে প্ৰকাশ কৰিছে। অসমৰ আকাশত শিমলু তুলা উৰাদি উৰি ফুৰা ৰঙালী বিহুৰ বিহুগীতৰ সহজ-সৰল শব্দাৱলী সংগ্ৰহ কৰি লেখিকাই "ঘৰৰ লখিমী" কবিতাটি সজাই-পৰাই উলিয়াইছে। এই কাৰণেই কৱিতাটি পঢ়ি যাওঁতে সোৱাদ লাগি যায়। কবিতাটি সৰু, কিন্তু ভাৱটি দ আৰু গহীন। এঘৰ গাঁৱলীয়া খেতিয়কৰ ঘৰৰ বোৱাৰী গৰাকীয়েই যে "ঘৰৰ লখিমী" তাকেই কবিতাটিত আঁকিছে। ঘৰৰ লখিমী গৰাকীয়ে মনত কোনো বিষাদৰ ভাৱ নানি পুৱাৰে পৰা ৰাতিলৈকে কাম কৰি যায় আৰু তাৰ দ্বাৰাই ঘৰ খনৰ অভাৱ অভিযোগৰ মাজত শান্তিৰ স্নিগ্ধ ছাঁ দান কৰিবলৈ সক্ষম হয়। আমাৰ ভাৰতীয় পৰিয়ালৰ সুখ শান্তি দেখি তাহানি এজন ইংৰাজ লেখকে মেজৰ বদলিয়ে ( Major R.V.C. Bodley) তেওঁৰ পূৰ এছিয়া ভ্ৰমণৰ বৃত্তান্তত বেজাৰ কৰি লেখিছিলঃ—

"The orientals use our mechanical devices and copy us in many ways, bnt they do not tell us how to order our lives or solace our domestic tronble" অৰ্থাৎ পূৰ এছিয়াৰ (ভাৰতৰ) মানুহবিলাকে আমাৰ কল-কাৰখানা আৰু আন আন কথাবোৰ অনুকৰণ কৰিছে, কিন্তু তেওঁবিলাকৰ নিজৰ জীৱনটো কেনেকৈ পৰিপাটিকৈ চলায় আৰু গৃহস্থালিৰ সমস্যাবোৰ মীমাংসা কৰি লয় সেই বিষয়ে আমাক নকয়। "ঘৰৰ লখিমী" গৰাকীয়েই গৃহস্থালিৰ শৃঙ্খলাৰ কাৰণ নহয় জানো ?

শ্ৰীনকুল চন্দ্ৰ ভূঞা



# সম্পাদকীয় মন্তব্য

স্মৃতি তৰ্পন

১৮৮১ শকৰ আৰম্ভৰ পৰা এতিয়ালৈকে আমি কেবাজনো অসম হিতৈষী কৃতী পুৰুষক হেৰুৱালো। সেই সকলৰ ভিতৰত পোনপ্ৰথমেই নাম লব লাগিব অসমৰ ৰাজ্যপাল ৺ ছৈয়দ ফজল আলি চাহাবৰ। এইজন কৃতীপুৰুষৰ বিয়োগত কেৱল অসমেই যে এজন সুদক্ষ, অমায়িক আৰু উদাৰচিতয়া ৰাজ্যপাল হেৰুৱালে এনে নহয়, সমগ্ৰ ভাৰতবৰ্ষই এজন মেধাবী, কৰ্ম্মনিপুণ, নিৰপেক্ষদৃষ্টিৰ নেতা আৰু সুশাসক হেৰুৱালে। ৺ ফজল আলি চাহাবে উচ্চ ন্যায়লয়ৰ বিচাৰপতি, ৰাজ্য-পুনৰ-গঠন আয়োগৰ সভাপতি, মিলিত জাতি সংঘত ভাৰতৰ প্ৰতিনিধি আৰু উৰিষ্যা আৰু অসমৰ ৰাজ্যপাল আদি বহুতো উচ্চ আৰু দায়ীত্বশীল পদ সুখ্যাতি আৰু সুচাৰুৰূপে বহন কৰিবলৈ সক্ষম হৈছিল। যি আসনতে তেওঁক অধিষ্ঠিত কৰা হৈছিল প্ৰতিভাৰ দীপ্তিৰে উজ্জল তাক কৰি তুলিছিল। মিত আৰু মিষ্টভাষী, অমায়িক, কৰ্ম্মনিপুন, নিৰপেক্ষদৃষ্টিসম্পন্ন উদাৰচিতীয়া ফজল আলি চাহাবে ভাৰতৰ সীমাসূৰীয়া আৰু সমস্যাবহুল অসম ৰাজ্যৰ ৰাজ্যপাল স্বৰূপে সকলো শ্ৰেণী লোকৰে আস্থাভাজন হবলৈ সক্ষম হৈছিল। নেফা সীমান্ত অঞ্চলত অসমীয়া ভাষাক পুনৰ প্ৰৱৰ্ত্তনৰ ক্ষেত্ৰত তেখেতৰ চেষ্টা অসম সাহিত্য সভাই কৃতজ্ঞতাৰে স্মৰণ কৰিব। ৺আলি চাহাবৰ পবিত্ৰ আত্মাৰ উদ্দেশ্যে আমাৰ শ্ৰদ্ধাঞ্জলী অৰ্পন কৰিলো। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক।

অধ্যাপক ভবানন্দ দত্তৰ অকাল মৃত্যুত আমি এজন চিন্তাশীল লেখক আৰু সমালোচক হেৰুৱালো। সূক্ষ্ম বিশ্লেষণ শক্তি আৰু মৌলিক দৃষ্টিভঙ্গীয়ে ৺দত্তৰ ৰচনাৱলীক গতানুগতিক সমালোচনাৰ ধাৰাৰপৰা পৃথক কৰি ৰাখিছে। বৰ্ত্তমান সাহিত্যৰ অতি আধুনিক ধাৰাৰ পাতনি মেলে যোৱা দশকৰ মাজ ভাগত 'জয়ন্তী' কাকতত। ৺দত্ত উক্ত ধাৰা প্ৰৱৰ্ত্তন কৰা প্ৰগতিশীল লেখকগোষ্ঠীৰ অন্তৰ্ভুক্ত আছিল। কবিতা আৰু সমালোচনা দুই ক্ষেত্ৰতেই ৺দত্তই বৰঙনি যোগাইছিল। প্ৰতিভাদীপ্ত দত্তৰ পৰা অসমীয়া সাহিত্যই আশা কৰিবৰ যথেষ্ট থল আছিল। তেখেতৰ অকাল মৃত্যুত অসমীয়া সাহিত্য ক্ষেত্ৰৰ পৰা এজন বিপুল সম্ভাৱনা থকা লেখক অন্তৰ্হিত হল। ৺দত্তৰ সন্তপ্ত পৰিয়ালৰৈ সমবেদনা জনাই বিগত আত্মাৰ শান্তি কামনা কৰিলো।

নেফাত অসমীয়া ভাষা

অসম সাহিত্য সভাৰ কেবাবছৰ ধৰি কৰি আন্দোলন আৰু প্ৰাক্তন ৰাজ্যপাল ফজল আলি

চাহাবৰ অনুকূল প্ৰচেষ্টাৰ ফলত হিন্দী ভাষাৰ ঠাইত অসমীয়াক পুনৰ মাধ্যম স্বৰূপে প্ৰৱৰ্ত্তন কৰাত অতিশয় আনন্দ পাইছোঁ। নেফা কৰ্ত্তৃপক্ষই অতদিনে এটা ভুল নীতি ( ইচ্ছাকৃত ভুল ) অনুসৰণ কৰি এতিয়া সেই নীতিৰ ব্যৰ্থতা উপলব্ধি কৰা দেখি আমি সুখী হৈছো। নেফা প্ৰশাসণৰ ভূতপূৰ্ব্ব উপদেষ্টা কে এল. মেহতা যোৱাত আৰু বৰ্ত্তমান উপদেষ্টা ৰুস্তমজী পুনৰ উভতি অহাৰ লগে লগে আমি নীতিৰ পৰিবৰ্ত্তন আশা কৰিছিলো আৰু আমাৰ আশা মতে কাম হোৱা দেখি আনন্দিত হৈছো। অসমৰ পৰ্ব্বতীয়া অঞ্চলত অসমীয়া ভাষা আগৰ কালৰ পৰাই বেহাবেপাৰ আদিৰ ক্ষেত্ৰত ভাব-প্ৰকাশৰ মাধ্যম ৰূপে ব্যৱহাৰ হৈ আহিছে আৰু চিৰকাল ওচৰ চুবুৰীয়া হিচাপে বসবাস কৰিব লাগিব। গতিকে অসমীয়াৰ যোগেদি জনজাতিসকলৰ মাজত শিক্ষা প্ৰচাৰ কৰিলে পৰ্ব্বত-ভৈয়াম সম্প্ৰীতি দৃঢ় কৰাত সহায় কৰিব। কেৱা শ মাইলৰ আতৰৰ হিন্দী ভাষাৰ যোগেদি অসমৰ ঐক্য আৰু সংহতি স্থাপন কৰা সম্ভৱপৰ হব নোৱাৰে। আমাৰ শিক্ষিত যুৱকসকলে নেফাৰ আহ্বানত সঁহাৰি দিবনে ?

### পত্ৰিকাৰ সমস্যা

অসম সাহিত্য সভা পত্ৰিকাই অষ্টাদশ বছৰত ভৰি দিলে। যোৱা কেইবছৰমান নিয়মিত ৰূপে পত্ৰিকা প্ৰকাশ হৈ আছে। কিন্তু গ্ৰাহকৰ সংখ্যাল্পতা আৰু যিখিনি গ্ৰাহক আছে তাৰো কোনো কোনোৱে শেষ মূহুৰ্তত ভি. পি ওভতাই পঠোৱাত লোকচান ভৰি সাহিত্য সভাই কাগজখন চলাব লগা হৈছে। অসমৰ নতুনকৈ বহুতো লাইব্ৰেৰী প্ৰতিষ্ঠা হৈছে, অসম সাহিত্য সভাৰ শাখা সভাও বাঢ়িছে। সেই অনুষ্ঠানবোৰ যদি পত্ৰিকাৰ প্ৰতি সহানুভূতিশীল হয় তেন্তে পত্ৰিকাৰ অৱস্থাৰ কিছু উন্নতি হব বুলি আশা কৰা যায়। আমি গ্ৰাহক-গ্ৰাহিকা আৰু অসমীয়া প্ৰেমিসকলোলৈকে আবেদন জনাওঁ যেন পত্ৰিকাখন উন্নত আৰু স্থায়ী কৰিবলৈ বৰঙণি যোগায়।

---

## কাৰ্য্য নিৰ্ব্বাহক সভাৰ প্ৰথম অধিবেশন।

**ঠাইঃ—নগাঁৱৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়।**

**তাৰিখঃ— ২১ এপ্ৰিল, ১৯৫৯।**

১। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, ২। শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, ৩। শ্ৰীনকুল চন্দ্ৰ ভূঞা, ৪। শ্ৰীযোগেন্দ্ৰ চন্দ্ৰ সৰকাৰ ৫। শ্ৰীভৱানন্দ ৰাজখোৱা, ৬। শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা, ৭। বৃন্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ, ৮। শ্ৰীহৰেশ চন্দ্ৰ ভট্টাচাৰ্য্য, ৯। শ্ৰীললিতচন্দ্ৰ বৰা, ১০। শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী, ১১। শ্ৰীসুৰেন্দ্ৰ চন্দ্ৰ দত্ত, ১২। শ্ৰীলক্ষহীৰা দাস, ১৩। শ্ৰীআব্দুল মালিক, ১৪। শ্ৰীহৰিপ্ৰসাদ নেওগ, আৰু ১৫। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

সপ্তবিংশ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি কথাশিল্পী শ্ৰীমহিচন্দ্ৰ বৰাই বিশেষ ভাবে আমন্ত্ৰিত হৈ সভাত যোগ দিছিল। স্থায়ী সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই সভাপতিৰ আসন গ্ৰহন কৰে।

জয়ন্তয়তে প্ৰধান সম্পাদকে কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভাসকলক পৰস্পৰ চা-চিনাকি কৰি ওলগ

সভাত তলত দিয়া সিদ্ধান্তসমূহ গ্ৰহন কৰা

(১) কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ আগতে এজন বাহিৰৰ উপযুক্ত হিচাপ—পৰীক্ষকৰ দ্বাৰা (approved auditer)— ('এপ্ৰেভ্‌ড বেঙ্ক' একাউণ্টেণ্ট বা 'চাৰ্টাৰ্ড একাউণ্টেণ্ট')— হিচাপ পৰীক্ষা কৰাব লাগে ; আৰু যোৰহাটৰ চাৰ্টাৰ্ড একাউণ্টেণ্ট শ্ৰীজ্ঞানেন্দ্ৰ শইকীয়াক বাহিৰা হিচাপ পৰীক্ষক ( extenal auditor ) নিয়োগ কৰিবলৈ স্থিৰ কৰে। আৰু ইয়াৰ কাৰণে ২৫০৲ পাৰিতোষিক মঞ্জুৰ কৰে।

(২) সম্পূৰ্ণ কাৰ্য্যভাৰ ৩১ মেৰ ভিতৰতে নতুন প্ৰধান সম্পাদকক দিবলৈ সভাই স্থিৰ কৰে।

(৩) আগৰ দৰে ৯ জুনত নেফা দিবস পালন কৰিবলৈ স্থিৰ কৰা হয় ; আৰু নেফা সম্পৰ্কীত সকলো ভাৰ শ্ৰীযুত মহেশ চন্দ্ৰ দেৱ গোস্বামীক দিবলৈ সভাই স্থিৰ কৰে।

(৪) অসম সাহিত্য সভাৰ এটা প্ৰচাৰ বিভাগ ৰখাৰ স্থিৰ কৰে আৰু শ্ৰীললিত চন্দ্ৰ বৰাৰ হাতত এই বিভাগৰ দায়িত্ব ন্যস্ত কৰে।

(৫) সপ্তবিংশ অধিবেশনৰ প্ৰস্তাৱ অনুযায়ী ১৬ জুনত ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকী তিথি যথাযথ ভাবে পালন কৰিবলৈ স্থিৰ কৰে। আৰু এই বিষয়ে আচনি যুগুত কৰি প্ৰধান সম্পাদকক কাম কৰিবলৈ নিৰ্দ্দেশ দিয়ে। কাৰ্য্য নিৰ্ব্বাহক সভাই গুণাভিৰাম বৰুৱাই লিখা আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত খন পুনৰ প্ৰকাশ কৰা সম্পৰ্কে শ্ৰীযুত কামাখ্যাৰাম বৰুৱাৰ লগত যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়ে।

(৬) 'ৰাজিক ভাষা' বিষয়ক প্ৰস্তাৱটোৰ নকল আৰু বিধান সভাৰ সকলো সদস্যলৈকে

পঠাবলৈ স্থিৰ কৰে।

(৭) সপ্তবিংশ অধিবেশন পতি জিয়া নিয়মাৱলী উপসমিতিৰ এজন সভ্যৰ পদ খালি হোৱাত কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্য শ্ৰীযুত নৱেন্দ্ৰ নাথ শৰ্ম্মাক সেই ঠাইত লোৱা হয়। নিয়মাৱলী সাল-সলনি সম্পৰ্কে শাখা সভাৰ প্ৰস্তাৱ বিচাৰি চিঠি দিবলৈ প্ৰধান সম্পাদকক নিৰ্দ্দেশ দিয়ে।

(৮) সম্ভৱ হলে কাৰ্য্য নিৰ্ব্বাহক সভাৰ পৰৱৰ্ত্তী অধিবেশনত শিলঙত পাতিবলৈ স্থিৰ কৰে।

—— × ——

## আনন্দৰাম ঢেকিয়াল ফুকনৰ শত-বাৰ্ষিকী

অসম সাহিত্য সভাৰ সপ্তবিংশ নগাওঁ অধিবেশনত গৃহীত প্ৰস্তাৱ অনুযায়ী ১৬ জুন তাৰিখে (১৯৫৯) অসমীয়া ভাষাৰ যুগ-প্ৰৱৰ্ত্তক প্ৰাতঃ স্মৰণীয় ৺আনন্দ ৰাম ঢেকিয়াল ফুকনৰ শত-বাৰ্ষিকী স্মৃতি-দিবস সদৌ অসম জুৰি উদযাপন কৰা হয়। সেইদিনা সভা, শোভাযাত্ৰা, বন্তি প্ৰজ্বলন আদি কাৰ্য্য-সূচীৰে সেইজনা ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

শিলচৰ অসম সাহিত্য সভা, জ্ঞানোদয় সমাজ নলবাৰী, ডুনী সাহিত্য সভা, ননৈ সাহিত্য সভা, কৰৱা সাহিত্যসভা, ধেমাজি সাহিত্যসভা, মৰিয়ণি সাহিত্য সভা, দেৰগাওঁ সাহিত্যসভা; প্ৰগতি অসমৰ সাহিত্য সভা, দিখৌমুখ সাহিত্য সভা, বড়ৰান সাহিত্য সভা, ব্যাসপাৰা সাহিত্য সভা, গুৱাহাটী সাহিত্য সভা, লংপটীয়া সাহিত্য সভা, চতিয়া সাহিত্য সভা, খোৱাং সাহিত্য সভা, সাপেখাটী সাহিত্য সভা, কমাৰবন্ধা সাহিত্য সভা, ৰংপুৰ সাহিত্য কানন, ঢেকিয়াজুলি সাহিত্য সভা, চাৰিগাওঁ সাহিত্য পৰিষদ, নাহৰকটীয়া সাহিত্য সভাত এই দিবস কৃতকাৰ্য্যতাৰে পালন কৰাৰ বাতৰি পোৱা গৈছে।

দেৰগাওঁ সাহিত্য সভাই—শ্ৰীলক্ষ্মীচন্দ্ৰ গোস্বামীৰ দ্বাৰা ৰচিত—"ষোল জুনৰ স্মৃতিত" নামৰ এখন-পুস্তিকা প্ৰকাশ কৰে।

নগাৱত ৺ঢেকিয়াল ফুকনৰ স্মৃতি ৰক্ষাৰ ক্ষেত্ৰত সভাৰ তৰফৰ পৰা আৱশ্যকীয় প্ৰস্তুতি আৰম্ভ হৈছে বুলি অসম সাহিত্য সভাৰ কাৰ্য্য পালিকাৰ সদস্য শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামীয়ে জনাইছে।

হাফলঙত শ্ৰীব্ৰজেন বংশী হেডমাষ্টৰ ডাঙৰীয়াৰ সভাপতিত্বত ৺ঢেকিয়াল ফুকন স্মৃতি দিবস বিশেষ তৎপৰ্য্যপূৰ্ণ ভাৱে পালন কৰা হৈছিল বুলি শাখাৰ সম্পাদকে জনাইছে।

যোৰহাটত অসম সাহিত্য সভাৰ কাৰ্য্যালয় চন্দ্ৰকান্ত সম্পৰ্কে ভৱনত এই দিবস গাম্ভীৰ্য্য পূৰ্ণভাৱে পালন কৰা হয়। অসম সাহিত্য সভা আৰু যোৰহাট সাহিত্য সভাৰ যুটীয়া আহ্বানত হোৱা সভাত সভাপতিত্ব কৰিছিল প্ৰবীন সাহিত্যিক শ্ৰীদেৱানন্দ ভড়ালীদেৱে। সভাত অসম সাহিত্য সভাৰ হৈ প্ৰবীন সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী শ্ৰীনকুল চন্দ্ৰ ভূঞা আৰু অঃসাঃ সভাৰ প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকনদেৱে ৺ঢেকিয়াল ফুকনৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ধিয়া কাৰ্য্যালয় ঘৰত বন্তি প্ৰজ্বলন কৰা হয়।

——

## চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সন্দিকৈ মৃত্যু তিথি

চন্দ্ৰকান্ত ইন্দ্ৰকান্ত সন্দিকৈৰ মৃত্যু-তিথি উপলক্ষে ৯ চেপ্তেম্বৰৰ দিনা যোৰহাটৰ ৩নং প্ৰেক্টিচিং স্কুলৰ ছাত্ৰ-ছাত্ৰীক আবেলি ৩ বজাত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত জা-জলপান খুওৱা হয়। আদিতে শ্ৰীযুত মানিক চন্দ্ৰ বৰুৱাই ঘোষা পাঠ কৰে আৰু প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে দিবসৰ তাৎপৰ্য্য লৰা-ছোৱালীক বুজাই দিয়ে।

----

## ৯ জুনঃ নেফাত অসমীয়া ভাষা দিবস

নেফা প্ৰশাসনে অসম সীমান্তৰ পৰা অসমীয়া ভাষাক অপসাৰণ কৰি হিন্দীক শিক্ষাৰ মাধ্যম স্বৰূপে ঠাই দিয়াৰ প্ৰতিবাদ উপলক্ষে অসম সাহিত্য সভাই কেবাবছৰ ধৰি ৯ জুন দিবসটো পালন কৰি আহিছে। এইবাৰো—আগতকৈ ব্যাপক ভাৱে সদৌ অসম জুৰি সাহিত্য সভাৰ বিভিন্ন শাখা আৰু উপশাখা সমূহৰ উপৰিও সাংস্কৃতিক অনুষ্ঠান সমূহে সভা শোভাযাত্ৰাৰে পূব সীমান্তত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্ত্তনৰ ধ্বনি তুলি—সভাত গৃহীত প্ৰস্তাৱ অসমৰ ৰাজ্যপাল নেফা প্ৰশাসন আৰু কেন্দ্ৰীয় চৰকাৰলৈ পঠায়। তলত নাম দিয়া অসম সাহিত্য সভাৰ শাখা সমূহত উক্ত দিবস বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয় বুলি জানিবলৈ পোৱা গৈছে।

ননৈ সাহিত্য সভা, ডুনী সাহিত্য সভা, কলিয়াবৰ সাহিত্য সভা, ধেমাজি সাহিত্য সভা, মৰিয়নি সাহিত্য সভা, নলবাৰী জ্ঞানোদয় সমাজ, শলগুৰি সাহিত্য সমাজ, টিয়ক সাহিত্য সভা, যোৰহাট সাহিত্য সভা, ৰংপুৰ ( শিৱসাগৰ ) সাহিত্য সভা, অভয়াপুৰী সাহিত্য সভা, ব্যাসপাৰা সাহিত্য সভা, দিখৌমুখ সাহিত্য সভা, ঢেকিয়াল সাহিত্য সভা, নিতাই পুখুৰী সাহিত্য সভা,

তেজপুৰ অ: ভা: উ: সাধিনী সভা, পলাশবাৰী সাহিত্য সভা, দেৰগাওঁ সাহিত্য সভা, নিতাই পুখুৰী সাহিত্য সভা, ডুমডুমা সাহিত্য সভা, খোৱাং সাহিত্য সভা, ফৰকাটিং সাহিত্য সভা, বগুৰান সাহিত্য সভা, মাহমৰা সাহিত্য সভা, বেবেজিয়া সাহিত্য সভা, শিমলুগুৰি সাহিত্য সভা, মৰাণ সাহিত্য সভা, চাৰিং সাহিত্য সভা, বিজনা সাহিত্য সভা—প্ৰগতি সাহিত্য সভা, (কছাৰীহাট), মাজিৰ গাওঁ সাহিত্য সভা, বলমা সাহিত্য সভা, নকছাৰী সাহিত্য সভা, কাজিৰঙা সাহিত্য সভা, বামপথাৰ সাহিত্য সভা আদি শাখা আৰু স্বীকৃত সভাই এই দিবস বিশেষ কাৰ্য্যসূচীৰে পালন কৰে আৰু সভাত গৃহীত প্ৰস্তাৱ যথাস্থানলৈ পঠায়।

হাফলং সাহিত্য সভাৰ আহ্বানত শ্ৰীসোণাৰাম থাওসেন ডাঙৰীয়াৰ সভাপতিত্বত হোৱা প্ৰতিবাদ সভা, শ্ৰীমতী হিৰইন মাৰাক বি-এ বিটিৰ সভাপতিত্বত চিদলী সাহিত্য সভাই পতা সভা আৰু শ্ৰীযোগেন দত্ত এডভোকেট ডাঙৰীয়া সভাপতিত্বত হোৱা শিলচৰ অসম সাহিত্য সভাৰ প্ৰতিবাদ দিবস বিশেষ উল্লেখ যোগ্য।

অসমসাহিত্য সভাৰ ঘাই কাৰ্য্যালয়ৰ পৰা এই দিবস গুৰুত্বপূৰ্ণ ভাৱে উদ্‌যাপন কৰিবলৈ মাৰ্ঘেৰিটা শাখাৰ লগত প্ৰত্যক্ষ যোগাযোগ ৰখা হৈছিল। মাৰ্ঘেৰিটা শাখাৰ সম্পাদক শ্ৰীগজেন বৰঠাকুৰ প্ৰমুখ্যে শাখা সভাৰ কৰ্ম্মীসকলে সীমান্তৰ জনজাতীয় লোক সকলৰ সমাবেশত এই দিবস উপলক্ষে আয়োজন কৰা ৰাজহুৱা সভাত অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীহৰি প্ৰসাদ নেওগ আৰু কাৰ্য্যপালিকাৰ সদস্য দিগবইৰ শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা উপস্থিত থাকে। সহকাৰী সম্পাদকে পৰ্ব্বত ভৈয়ামৰ সম্প্ৰীতিৰ যুগমীয়া ঐতিহ্য উল্লেখ কৰি অসম সীমান্তত অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ কাৰণে অসম সাহিত্য সভাই কি ভূমিকা লৈছে সেই বিষয়ে বহলাই বুজাই কয়। জনজাতীয় লোকসকলৰ প্ৰাণৰ আবেগ ভৰা বাণীৰে সভাপতিৰ আসনৰ পৰা দোৱনীয়া ফৈদৰ সীমান্তৰ কেটেটাং অঞ্চলৰ নেতা শ্ৰীকুমগিধাং দোৱনীয়াই কৈ উঠিছিল 'অসম সাহিত্য সভাই পৰ্ব্বত আৰু ভৈয়ামৰ মাজত যি সম্পৰ্কৰ আলিবাট বান্ধিব খুজিছে সেই আলিবাট আমি সকলো মিলি শিলেৰে বান্ধিব লাগিব"। তেখেতে আৰু কৈছিল—"হিন্দী আমিও শিকিম কিন্তু হিন্দীৰ নামত আমি অসমীয়া মাতৃ-ভাষাক বলি দিব নোৱাৰিম। কেটেটাং অঞ্চলৰ অসমীয়া শিক্ষক শ্ৰীহেমেন্দ্ৰ বৰা, শ্ৰীলীলাধৰ গগৈ আৰু কেবাজনো জনজাতীয় ছাত্ৰই আলোচনাত অংশ গ্ৰহণ কৰি হিন্দীক শিক্ষাৰ মাধ্যম কৰাৰ চৰকাৰী ব্যৱস্থাৰ তীব্ৰ প্ৰতিবাদ কৰে।

---

# ঃ অসম সাহিত্য সভাৰ ১৯৫৯-৬০ চনৰ বাজেট ঃ

জমা

১৯৫৮-৫৯ চনৰ হাতে জমা — টঃ ১০৭৫.৫৩
এপেক্স বেঙ্ক, যোৰহাট — টঃ ৮৫০৭'২১
যোৰহাট ডাকঘৰ a/c ন ১৪৩৩২ — টঃ ২০০'১৪
গুৱাহাটী ডাকঘৰ a/c নং ৬৪১১৭ — টঃ ৩০০'০০
১৯৫৯-৬০ চনৰ চৰকাৰী অনুদান — টঃ ৬০০০'০০
শাখা সভাৰ বৰঙণি — টঃ ২০০০'০০
অসম সাহিত্যসভা পত্ৰিকাৰ বৰঙণি — টঃ ১০০০'০০
পুথি বিক্ৰি — টঃ ১০০০'০০
মাহিলি ১০০ হিচাবে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাৰা — টঃ ১২০০'০০
১৯৫৯-৬০ চনৰ সূত আদি — টঃ ১০০'০০

সৰ্ব্বমুঠ — টঃ২১৩৮২'৮৮ নঃপঃ

ওপৰঞ্চি জমা

১। আজীৱন সভ্যৰ পুঁজিঃ
(ক) ষ্টেট বেঙ্ক অব ইণ্ডিয়া (শ্বিলং) টঃ ৫০০০'৬২
(খ) নেশনেল চেভিংচ চাৰ্টিফিকেট টঃ ৫০০০'০০
(গ) গুৱাহাটী বেঙ্ক টঃ ১০২'১৯
(ঘ) গুৱাহাটী বেঙ্ক টঃ ৫১'৫৩

২। নবদেৱ ন্যাস পুঁজি
[ক] ষ্টেট বেঙ্ক অব ইণ্ডিয়া [যোৰহাট] ৫০০০'০০
*[খ] ডাকঘৰত সূতৰ জমা টঃ ২৮১'৩৬

৩। কমলাদেৱী ন্যাস পুঁজি
*[ক] যোৰহাটৰ এপেক্স বেঙ্কৰ সাধাৰণ হিঃ জমা
*[খ] ডাকঘৰত সূতৰ জমা টঃ ৩৮২'৭৮

৪। *চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাসপুঁজি
এপেক্স বেঙ্কৰ সাধাৰণ হিচাবত জমা

৫। ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি টঃ ২১৯২'৭৪

সৰ্ব্বমুঠ — টঃ ১৮০১১'২৩

খৰচ

১। প্ৰধান কাৰ্য্যালয়ৰ খৰচ
ক] কাৰ্য্যালয় সহকাৰীৰ বেতন, মাহে ৫০৲ হিচাবে — টঃ ৬০০'০০
[খ] চকীদাৰৰ বেতন, মাহে ৫০৲ হিচাবে — টঃ ৬০০'০০
[গ] জাৰুৱালাৰ বেতন, মাহে ২৲ হিচাবে — টঃ ২৪'০০
[ঘ] প্ৰতি তিমাহত ১১'৫০ নঃ পঃ হিঃ মিউনি চিপাল টেক্স — টঃ ৪৬'০০
[ঙ] ফুলনি — টঃ ৬০'০০
[চ] বিজুলী চাকি-বিচনি — টঃ ১০২'০০
[ছ] টেলিফোন — টঃ ২৮৮'০০
[জ] মাটিৰ খাজনা — টঃ ৫৮'২৫

২। পুথিভঁৰাল — টঃ ১০০'০০
৩। সাধাৰণ ছপা খৰচ — টঃ ৮০০'০০
৪। ডাক টিকট আদি কৰি কাৰ্য্যালয়ৰ খৰচ — টঃ ৮০০'০০
৫। ভ্ৰমণ বানচ — টঃ ২০০০'০০
৬। সংগঠন আৰু প্ৰচাৰ — টঃ ১৫০০'০০

| | | |
|---|---|---|
| ৭। অসম সাহিত্য সভা পত্ৰিকা প্ৰকাশ | | |
| [অষ্টাদশ বছৰ | টঃ | ৩৪০০·০০ |
| [সপ্তাদশ বছৰ] | টঃ | ৪৭৮·০০ |
| ৮। পুথিপ্ৰকাশ | টঃ | ৩৫০০·০০ |
| ৯। কাছাৰ সাহায্য পুঁজি | টঃ | ১০০·০০ |
| ১০। আনন্দৰাম ঢেকীয়াল ফুকনৰ | | |
| শতবাৰ্ষিকী [প্ৰধান কাৰ্য্যালয়ত অনুদান | টঃ | ৫০·০০ |
| ১১। ৰাধাকান্ত স্মৃতি সমিতিলৈ দান | টঃ | ১২০০·০০ |
| ১২। ৰাধাকান্ত সন্দিকৈ স্মৃতিদিৱস | টঃ | ২৫·০০ |
| ১৩। চন্দ্ৰকান্ত ইন্দ্ৰকান্ত তিথি পালন | টঃ | ৫০·০০ |
| ১৪। ন্যাস পুঁজিৰ আগৰ ধাৰ | টঃ | ৫০৫২·০০ |
| ১৫। অসম সাহিত্য সভাৰ সভাপতিয়ে | | |
| ইচ্ছানুযাই দিব পৰা দান | টঃ | ২০০·০০ |
| ১৬। প্ৰধান সম্পাদক কৰিব পৰা খৰচ | টঃ | ১০০·০০ |
| হাতত | টঃ | ১৩১·৬৩ |
| সৰ্ব্বমুঠ | | ২১৪৮২·৩৫ নঃপ |

*১৯৮৫-৫৯ চনত ন্যাস পুজিৰ পৰা কৰা ধাৰ— ১৯৫৯-৬০ চনৰ বাজেটৰ খৰচৰ ১৪নং ত এই টকা ধৰি দিয়া হৈছে।

| | | |
|---|---|---|
| (১) দক্ষিণ পাট অধিকাৰ গোস্বামী পাচ বহী | টঃ | ৩০০·০০ |
| (২) কমলা দেবী ন্যাস পুজিৰ পাচ বহী | টঃ | ৮০০·০০ |
| (৩) কমলা দেবী ন্যাস পুঁজি | টঃ | ২০০০·০০ |
| ৪। ,, ,, ,,ৰ সূত | টঃ | ২১৬·০০ |
| (৫) চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস পুঁজি | টঃ | ১৫৫০·০০ |
| (৬) ,, ,, ,, ,, | টঃ | ১৮৬·০০ |
| সৰ্ব্বমুঠ | টঃ | ৫০৫২·০০ |

---

## কাৰ্য্য নিৰ্ব্বাহক সভাৰ দ্বিতীয় অধিবেশন

**স্থান : এম, চি, এম, ই স্কুল, গুৱাহাটী।**

**তাৰিখ ১৯ আৰু ২০ জুলাই ১৯৫৯ চন।**

উপস্থিত সভাসকল :— শ্ৰীযুত (সকল) অতুল চন্দ্ৰ হাজৰিকা (সভাপতি), বিনন্দ চন্দ্ৰ বৰুৱা (উপ সভাপতি), ভবানন্দ ৰাজখোৱা, কৃষ্ণপ্ৰসাদ বৰুৱা, মহেশ্বৰ নেওঁগ, বৃধীন্দ্ৰ কুমাৰ ৰাজখনিকৰ, মহেশ চন্দ্ৰ দেৱ গোস্বামী, যোগেন্দ্ৰ চন্দ্ৰ সৰকাৰ, ললিত চন্দ্ৰ বৰা, হৰেশ চন্দ্ৰ ভট্টাচাৰ্য্য, নবেন্দ্ৰ নাথ শৰ্ম্মা, লক্ষাহীৰা দাস, আব্দুল মালিক, হৰিপ্ৰসাদ নেওগ (সহকাৰী সম্পাদক), ত্ৰৈলোক্য নাথ গোস্বামী লীলা গগৈ, সত্যেন্দ্ৰ নাথ শৰ্ম্মা (পত্ৰিকা সম্পাদক,) যতীন্দ্ৰ নাথ গোস্বামী (প্ৰধান সম্পাদক)।

বিশেষভাবে আমন্ত্ৰিত :—(১) শ্ৰীযুত ৰঘুনাথ চৌধাৰী, (২) শ্ৰীযুতা নলিনী বালা দেবী, (৩) শ্ৰীযুত (সকল) মহাদেৱ শৰ্ম্মা, (২) ৰজনীকান্ত দেৱ শৰ্ম্মা, (৫) প্ৰফুল্ল দত্ত গোস্বামী, (৬) হৰিনাথ শৰ্ম্মা আৰু (৭ বিশ্বনাথ ৰাজবংশী (কাছাৰ)।

১৯ তাৰিখে আবেলি ৩ বজাত স্থায়ী সভাপতি শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত সভা বহে।

১। জয়জয়তে পণ্ডিত শ্ৰীকনক চন্দ্ৰ শৰ্ম্মাৰ মৃত্যু উপলক্ষে এক মিনিট সময় থিয় হৈ নীৰৱ প্ৰাৰ্থনাৰে তলৰ শোক প্ৰস্তাৱটি গ্ৰহণ কৰে।

প্ৰস্তাৱ :— আজীৱন সাহিত্য-সেৱী পণ্ডিত শ্ৰীকনক চন্দ্ৰ শৰ্ম্মাৰ বিয়োগত কাৰ্য্য নিৰ্ব্বাহক সভাৰ এই (১৯।৭।৫৯) অধিবেশনে গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গগত আত্মাৰ সদগতি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়।

২। প্ৰধান সম্পাদকে কাৰ্য্য নিৰ্ব্বাহক সভাৰ প্ৰথম অধিবেশনৰ কাৰ্য্য বিবৰণী পাঠ কৰে আৰু সভাত গৃহীত হয়।

৩। (ক) প্ৰধান সম্পাদকে সপ্তবিংশ অধিবেশনত গৃহীত প্ৰস্তাৱসমূহৰ সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা পোৱা চিঠিৰ উত্তৰ সভাত পঢ়ি শুনায়।

(খ) চৰকাৰী অনুদান বৰ্দ্ধিত কৰা প্ৰস্তাৱ প্ৰসঙ্গত এখন বিস্তৃত আঁচনি যুগুত কৰিবৰ কাৰণে শ্ৰীযুত (সকল) অতুল চন্দ্ৰ হাজৰিকা, নবেন্দ্ৰনাথ শৰ্ম্মা, আৰু ডঃ মহেশ্বৰ নেওঁগক ভাৰ দিয়ে।

(গ) সভাই উত্তৰ পূব সীমান্ত অঞ্চললৈ এটি সজাতি দল পঠাবলৈ স্থিৰ কৰি তলত দিয়া প্ৰস্তাৱটি গ্ৰহণ কৰে—

অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সভাই প্ৰস্তাৱ কৰে যে উত্তৰ পূব সীমান্ত অঞ্চলৰ জন জাতীয় লোকসকলৰ লগত সাংস্কৃতিক সম্বন্ধ স্থাপনৰ কাৰণে এটি সজাঁতি দল নেফালৈ পঠোৱা হওক। এই দলটোত থাকিব শ্ৰীযুত (সকল) (১) মহাদেৱ শৰ্ম্মা, (২) মহেশ্বৰ নেওগ, (৩) আব্দুল মালিক আৰু (৪) হৰিপ্ৰসাদ নেওগ (আহ্বায়ক) এই সজাঁতি দলে ভ্ৰমণৰ শেহত ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু অসমৰ ৰাজ্যপালক দিবৰ কাৰণে এখন স্মাৰক পত্ৰ যুগুত কৰিব। (সম্ভৱ হলে দুৰ্গা পূজাৰ আগে পাচে এই সজাঁতি দল নেফালৈ যাব)। কাৰ্য্যালয় সুপৰিচালনাৰ বাবে নেফাৰ কাৰ্য্যভাৰ শ্ৰীহৰিপ্ৰসাদ নেওগক (সহকাৰী সম্পাদক) দিবলৈ (১ম অধিবেশনৰ ৩ নং ছেদ দ্ৰষ্টব্য) স্থিৰ কৰা হয়।

(ঘ) ঢেকিয়াল ফুকনৰ মৃত্যু-শত-বাৰ্ষিকী পালন আৰু নগাৱঁত স্থায়ী স্মৃতি ৰক্ষাৰ্থে নগাওঁ সাহিত্য সভাই যি ব্যৱস্থা হাতত লৈছে তাক কাৰ্য্য-নিৰ্ব্বাহক সভাত সভ্য শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামীয়ে বিবৰি কয়। ঢেকিয়াল ফুকনৰ শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰা "আনন্দৰাম ঢেকিয়াল ফুকন" আৰু "ঢেকিয়াল ফুকনৰ অসমীয়া ভাষা" পুথি দুখনিৰ ছপা খৰচ সভাই মঞ্জুৰ কৰে।

(ঙ) অসম বিধান সভাৰ পৰৱৰ্ত্তী অধিবেশনৰ আগতে ৰাজ্যিক ভাগ সম্পৰ্কে সকলো তথ্যপাতি সংগ্ৰহ কৰি এখন পুস্তিকা প্ৰকাশ কৰিবলৈ স্থিৰ কৰে। চৈয়দ আব্দুল মালিক আৰু শ্ৰীযুত ললিত চন্দ্ৰ বৰাক এই পুস্তিকা প্ৰনয়ণ কৰিবলৈ ভাৰ দিয়ে। সাহিত্য সভা সপ্তাহৰ ভিতৰত এটি দিন

বাজিক ভাষা দিৱস স্বৰূপে পালন কৰিবলৈ সভাই স্থিৰ কৰে।

৩। অসমৰ চাহ বাগানৰ বন্ধুৱা আৰু জন জাতীয় লোকসকলৰ মাজত অসমীয়া ভাষা প্ৰচাৰৰ কাৰণে প্ৰধান সম্পাদকে অসম শিক্ষা বিভাগৰ বিশেষ বিষয়ালৈ (special officer for secondary Education and Allied Matters) পঠোৱা সাতাৰন্ন হাজাৰ টকাৰ আঁচনিখন সভাই অনুমোদন কৰে। আলোচনাৰ পাচত তলত দিয়া প্ৰস্তাৱ দুটি গৃহীত হয়—

(ক) অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সভাই প্ৰধান সম্পাদক সাহিত্য সভাৰ প্ৰচাৰৰ কাৰণে অসম চৰকাৰৰ শিক্ষা বিভাগক ৫৭,০০০ টকাৰ যি আঁচনি দাঙি ধৰিছে সেই আঁচনি কাৰ্য্যকৰী কৰিবলৈ অসম সাহিত্য সভাক অনতিপলমে ৫৭,০০০ টকাৰ এককালীন অনুদান দিবলৈ অসম চৰকাৰক টানি অনুৰোধ কৰে।

(খ) এই প্ৰচাৰমূলক আঁচনি কাৰ্য্যকৰী কৰি তুলিবলৈ তলত দিয়া লোকসকলেৰে এখন উপ-সমিতি গঠিত হওক—শ্ৰীযুত (সকল) (১) মহাদেৱ শৰ্ম্মা, (২) নকুল চন্দ্ৰ ভূঞা, (৩) শৰৎ চন্দ্ৰ সিংহ, (৪) ৰজনীকান্ত শৰ্ম্মা ; (৫) নৰেন্দ্ৰনাথ শৰ্ম্মা (আহ্বায়ক)। এই সমিতিত সভাপতি আৰু প্ৰধান সম্পাদকো থাকিব। আৱশ্যক হলে এই সমিতিৰ সভ্য সংখ্যা বঢ়াব পাৰিব।

৪। কাছাৰ জিলাৰ লোকসকলৰ মাজত অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ বঢ়াৰ কাৰণে সভাই সন্তোষ প্ৰকাশ কৰে ; আৰু এই সন্দৰ্ভত দুটি প্ৰস্তাৱ গৃহীত হয় —

(ক) অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সভাই প্ৰস্তাৱ কৰে যে কাছাৰ জিলাত যি তিনিখন অসমীয়া প্ৰাথমিক পঢ়াশালি ইতিমধ্যে স্থাপিত হৈছে সেই কেইখন পঢ়াশালি অনতিপলমে অসম চৰকাৰৰ হাতলৈ আনিব লাগে আৰু আৱশ্যকীয় অনুদান দিব লাগে।

(৯) হাইলাকান্দি টাউন এল, পি, ২। ভিচিংচা এল, পি আৰু (৩) দক্ষিণমোহনপুৰ এল, পি স্কুল।

(খ) শিক্ষকৰ অভাৱত কাছাৰৰ অসমীয়া প্ৰাথমিক পঢ়াশালি সমূহত অসমীয়া ভাষা শিক্ষাৰ অসুবিধা হোৱাৰ কাৰণে আজিৰ সভাই প্ৰস্তাৱ কৰে যে বছৰি অন্ততঃ পাঁচজন কাছাৰ অৰ্হতা সমপন্নলোকক তিতাবৰ বুনিয়াদী মহাবিদ্যালয় বা নৰ্ম্মাল স্কুলসমূহত অসমীয়া ভাষা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৫। গুৱাহাটীত অসম সাহিত্য সভাৰ এটি কাৰ্য্যালয় স্থাপনৰ কাৰণে যাৱতীয় ব্যৱস্থা কৰিবলৈ এটি উপসমিতিৰ ওপৰত ভাৰ অৰ্পণ কৰা কৰা হয়। এই উপসমিতিৰ সভ্যসকল হৈছে শ্ৰীযুত (সকল) ৰঘুনাথ চৌধুৰী (সভাপতি), অতুল চন্দ্ৰ হাজৰিকা, ৰজনী কান্ত শৰ্ম্মা, ডঃ প্ৰফুল্ল দত্ত গোস্বামী (গুৱাহাটী সাহিত্য সভা) আৰু হৰিনাথ শৰ্ম্মা (সবিতা সভা-আহ্বায়ক)।

৬। সহকাৰী সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ নেওগে শাখা সভা সংগঠন সম্পৰ্কে এটি বিবৃতি দিয়ে। কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্য শ্ৰীযুত কৃষ্ণ প্ৰসাদ বৰুৱাই শাখা আৰু স্বীকৃত সভাৰ তালিকা খনৰ ছপাখৰচ নিজে বহন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত সভাই বৰুৱাদেৱৰ শলাগলয়"। অসম



সাহিত্য সভাৰ সংগঠন আৰু প্ৰচাৰৰ কাৰণে কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্য সকলক তলত দিয়া এলেকাসমূহত কাম কৰিবলৈ ভাৰ দিয়ে...

| | | | | | |
|---|---|---|---|---|---|
| (ক) | গোৱালপাৰা জিলা | ... | ... | ... | শ্ৰীযুত যোগেন্দ্ৰ চন্দ্ৰ সৰকাৰ |
| (খ) | তেজপুৰ মহকুমা | ... | ... | ... | সভাপতি আৰু শ্ৰীমহাদেৱ শৰ্ম্মা |
| (গ) | মঙ্গলদৈ মহকুমা | ... | ... | ... | শ্ৰীযুত ভবানন্দ ৰাজখোৱা |
| (ঘ) | উত্তৰ লক্ষীমপুৰ | ... | ... | ... | শ্ৰীযুত ৰথীন্দ্ৰ কুমাৰ ৰাজখনিকৰ |
| (ঙ) | নগাওঁ জিলা | ... | ... | ... | শ্ৰীযুত মহেশচন্দ্ৰ দেৱ গোস্বামী |
| (চ) | শিৱসাগৰ মহকুমা | ... | ... | ... | শ্ৰীযুত লীলা গগৈ |
| (ছ) | ডিব্ৰুগড় মহকুমা | .. | ... | ... | শ্ৰীযুত কৃষ্ণ প্ৰসাদ বৰুৱা |
| (জ) | কাছাৰ জিলা | .. | ... | ... | চৈয়দ আব্দুল মালিক |
| (ঝ) | কামৰূপ | ... | ... | ... | শ্ৰীযুত ত্ৰৈলোক্যনাথ গোস্বামী |

৭। এই বছৰ সাহিত্য সভা দিৱসৰ পৰিবৰ্তে ৯ চেপ্তেম্বৰৰ পৰা এসপ্তাহ জুৰি "সাহিত্য সভা সপ্তাহ" পালন কৰিবলৈ স্থিৰ কৰা হয়। এই সপ্তাহ পালনৰ—আঁচনি যুগুত কৰাৰ ভাৰ শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা ( উপ সভাপতি ) আৰু চৈয়দ আব্দুল মালিকক দিয়া হয় আৰু সাহিত্য সভা সপ্তাহৰ পতাকাৰ বেচ দহ নয়া পইচা ধাৰ্য্য কৰা হয়।

৮। অসম সাহিস্য সভাৰ দ্বাৰা প্ৰকাশিত তলত নাম দিয়া পুথিবোৰৰ মূল্য হ্ৰাস কৰা হয় আৰু সংশোধিত মূল্য ছপা কৰি পুথিত লগাবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়। (ক) সীমান্তৰ সন্তেদ ১'২৫ নয়া পইচা ; (খ) This is Assam ২'০০ (গ) The Out-look on NEFA ২'২০০ ( পকা বন্ধা ) ১'৫০ ( কেঁচা বন্ধা )

১০। শিলচৰৰ 'দি ইষ্টাৰ্ণ ফ্ৰন্টিয়াৰ টাইমচ' নামৰ এখন কাকতে অসম সাহিত্য সভাৰ বিষয়ে কৰা অপপ্ৰচাৰৰ কথা আলোচনা কৰা হয় আৰু এই বিষয়ে উকীলৰ লগত পৰামৰ্শ কৰি বিহিত ব্যৱস্থা কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

ৰাতি ৮॥ বজাত সভা স্থগিত ৰখা হয়।

২৩ তাৰিখে পুৱা ৭-৪৫ মিনিটত পৰা কাৰ্য্য নিৰ্ব্বাহক সভাৰ দ্বিতীয় দিনৰ অধিবেশন আৰম্ভ হয়।

১১। প্ৰধান সম্পাদকে ১৯৫৯-৬০ চনৰ বাজেট দাঙি ধৰে আৰু আলোচনাৰ পাচত অলপ সাল সলনি কৰি এই বাজেট গৃহীত হয়। প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱাক টকা-কড়ি সংক্ৰান্ত কাৰ্য্যভাৰ নতুন প্ৰধান সম্পাদকক ৩১ জুলাইৰ ভিতৰত গটাই দিবলৈ নিৰ্দ্দেশ দিয়া হয়। প্ৰধান সম্পাদৰ পৰামৰ্শ মতে শ্ৰীঅনিল চন্দ্ৰ বৰুৱা ( এম কম )ক সাহিত্য সভাৰ হিচাব বিষয়ত উপদেষ্টা স্বৰূপে লোৱা হয়।

১২। পাচিঘাটৰ জন জাতীয় ছাত্ৰ শ্ৰীমান লুম্বেৰ দায়ে লিখা "পাহাৰী আইতাৰ সাধু" নামৰ পুথিখন কাৰ্য্য নিৰ্ব্বাহক সভাই প্ৰকাশ কৰিবলৈ স্থিৰ কৰে ; আৰু ইয়াৰ কাৰণে শ্ৰীমান দাইক ১৫০, ( এশ পঞ্চাশ টকা ) পাৰিতোষিক স্বৰূপে দিবলৈ স্থিৰ কৰে।

১৩। অসম সাহিত্য সভাৰ ষড়বিংশ অধিবেশনৰ

নৱম প্ৰস্তাৱৰ মৰ্ম্ম অনুযায়ী দ'ল, দেৱালয়, তীৰ্থ-স্থান, মন্দিৰ, সত্ৰ, দৰগাহ ইত্যাদিৰ এখন সচিত্ৰ বিৱৰণ মূলক তালিকা যুগুত কৰিবলৈ স্থিৰ কৰা হয় আৰু এই উদ্দেশ্যে "পবিত্ৰ অসম" প্ৰণয়ন সমিতি নামৰ এখন সমিতি পতা হয়। এই সমিতিৰ সভ্যসকল হৈছে—

যুটীয়া সভাপতি—(১) শ্ৰীযুত বেণুধৰ শৰ্ম্মা, (২) শ্ৰীযুত ৰাজমোহন নাথ (শিলালিপি বিভাগ, কাছাৰ আৰু নগাওঁ জিলা)।

সভ্যসকল :—

(১) শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ লক্ষীমপুৰ জিলা (উঃ লক্ষীমপুৰ বাদে)
(২) ,, লীলা গগৈ, শিৱসাগৰ মহকুমা।
(৩) ,, নাৰায়ণ মহন্ত, নগাওঁ জিলা
(৪) ,, বাপুৰাম হাজৰিকা ,,
(৫) ,, ভবানন্দ ৰাজখোৱা, মঙ্গলদৈ মহকুমা।
(৬) ,, ৰজনী কান্ত শৰ্ম্মা, তুনী
(৭) ,, (পাচত লোৱা হ'ব) তেজপুৰ
(৮) ,, সৰ্ব্বেশ্বৰ বৰুৱা, উত্তৰ লক্ষীমপুৰ।
(৯) ,, বিশ্বনাৰায়ণ শাস্ত্ৰী, ,,
(১০ ,, প্ৰেমধৰ চৌধুৰী, গুৱাহাটী মহকুমা।
(১১) ,, মুৰাৰী চৰণ দাস, ,,
(১২) ,, শ্ৰীৰাম চন্দ্ৰ দাস, বৰপেটা মহকুমা।
(১৩) ,, শ্যাম চৰণ নাথ, গোৱালপাৰা জিলা
(১৪) ,, যোগেন্দ্ৰ চন্দ্ৰ সৰকাৰ, ,,
(১৫) ,, মফিজুদ্দিন আহম্মদ ,, দৰগাহ আদি
১৬। শ্ৰীহৰেশচন্দ্ৰ ভট্টাচাৰ্য্য ... কাছাৰ
১৭। শ্ৰীমিত্ৰদেৱ মহন্ত ... সত্ৰ
১৮। আব্দুল মালিক ... দৰগাহ আদি
১৯। শ্ৰীনকুলচন্দ্ৰ ভূঞা ... যোৰহাট মহকুমা
২০। শ্ৰীদেৱান চিং ৰংমথুৰ ... গাৰোপাহাৰ
২১। শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা } সাধাৰণ
২২। শ্ৰীৰজনীকান্ত শৰ্ম্মা }
২৩। শ্ৰীমহেশ্বৰ নেওগ ... সম্পাদক

ডঃ মহেশ্বৰ নেওগে এখনি আঁচনি যুগুত কৰিব; আৰু প্ৰাৰম্ভিক কাম আৰম্ভ হ'ব। এই সমিতিত সভাপতি আৰু প্ৰধান সম্পাদক উপ-কৰাকৈ (Ex-officio) থাকিব।

১৪। নিয়মাৱলীৰ ১৬ ৪ নং ধাৰা অনু-যায়ী এখন পত্ৰিকা সম্পাদনা সমিতি পতা হয়! শ্ৰীযুত (সকল) (১) সত্যেন্দ্ৰনাথ শৰ্ম্মা, (পত্ৰিকা সম্পাদক), (২) যতীন্দ্ৰনাথ গোস্বামী (প্ৰধান সম্পা-দক), (৩) হৰিপ্ৰসাদ নেওগ (সহকাৰী সম্পাদক), (৪) মহেশ্বৰ নেওগ, (৫) ৰজনীকান্ত শৰ্ম্মা, (৬) নৰেন্দ্ৰনাথ শৰ্ম্মা, (৭) বিশ্বনাৰায়ণ শাস্ত্ৰী।

১৫। কোচবেহাৰৰ মধুপুৰ ধামত শ্ৰীশ্ৰীশঙ্কৰ-দেৱৰ স্মৃতি ৰক্ষাৰ কাৰণে মুখ্য মন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাদেৱৰ পৰা পোৱা চিঠিখন সভাত পাঠ কৰা হয়; আৰু সেই চিঠিৰ এটি সুচিন্তিত অভিমত দিবলৈ সভাপতি আৰু ডঃ মহেশ্বৰ নেও-গক ভাৰ দিয়া হয়।

প্ৰথম দিনৰ অধিবেশনত ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত ৰঘুনাথ চৌধাৰী আৰু শ্ৰীযুতা নলিনীবালা দেৱীয়ে আলোচনাত বিশেষ অংশ গ্ৰহণ কৰিছিল আৰু নিজ নিজ পৰামৰ্শ আগবঢ়াইছিল।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

প্ৰধান সম্পাদক,
অসম সাহিত্য সভা, যোৰহাট
২০।৭।৫৯

স্বাঃ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
২০।৭।৫৯
সভাপতি।

# সাহিত্য সভাৰ সংবাদ

## অসম সাহিত্য সভা সপ্তবিংশ অধিবেশন

১৭ এপ্ৰিল—২০ এপ্ৰিল ১৯৫৯

১৯৫৯ চনৰ এপ্ৰিল মাহৰ ১৭ তাৰিখৰ পৰা ২০ তাৰিখলৈকে নগাঁৱত অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশন বহে। কলঙৰ দাতিৰ নেহেৰু বালিত নকৈ পতা এখন সুসজ্জিত সৰু নগৰত এই অধিবেশনৰ বিভিন্ন সভা সমিতি আৰু প্ৰদৰ্শনি আদি পতা হয়। মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ নিমিত্তে এটি বিৰাট মণ্ডপ যুগুত কৰা হয়। চৰকাৰী হাইস্কুল আৰু বালিকা হাইস্কুলত প্ৰতিনিধি সকলক থাকিবলৈ দিয়া হয়। প্ৰায় আঢ়ৈশমান প্ৰতিনিধিয়ে এই অধিবেশনত যোগ দিয়ে। বিশেষ ভাৱে নিমন্ত্ৰিত হৈ নেফাৰ টাগাং টাকি আৰু তিনিজন ছাত্ৰ প্ৰতিনিধিয়ে যোগ দিয়াটো এই অধিবেশনৰ বিশেষত্ব। ১৬ তাৰিখৰ পৰাই প্ৰতিনিধি সকল আহিবলৈ আৰম্ভ কৰে। ১৭ তাৰিখ দুপৰীয়া দুই বজাত চলিত বছৰৰ সভাপতি শ্ৰীযুত পদ্মধৰ চলিহাদেৱৰ সভাপতিত্বত কাৰ্য্য নিৰ্ব্বাহক সভা বহি সপ্তবিংশ অধিবেশনৰ প্ৰস্তাৱবিলাক আলোচনা কৰে আৰু সামান্য সাল সলনিৰ সৈতে সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন গ্ৰহণ কৰে। আগন্তুক অধিবেশনৰ প্ৰস্তুতি স্বৰূপে কৰিব লগীয়া অন্যান্য কাম সমাধা কৰিবৰ নিমিত্তে সময় তাকৰ হোৱাত কাৰ্য্য নিৰ্ব্বাহক সভাৰ কাম পিছদিনা পুৱালৈ স্থগিত কৰে। ১৭ তাৰিখে আবেলি ডক্টৰ শ্ৰীসূৰ্য্য কুমাৰ ভূঞাদেৱে প্ৰদৰ্শনি উদ্বোধন কৰে।

### প্ৰদৰ্শনী

নেহেৰু বালিতা৷বিশেষ ভাৱে প্ৰস্তুত কৰা যেৰ এটাৰ মাজত সুসজ্জিত তোৰণেৰে সৈতে প্ৰদৰ্শনীৰ স্থান থিৰ কৰা হয়। ভিতৰৰ চালি বিলাকৰ সৰহ ভাগতে কিতাপ পত্ৰ ৰখা হৈছিল। কৃষ্ণনগৰৰ পুতলাবিলাক আৰু সোঁ মাজতে মাটিত পজা অসমৰ বিলিফ মেপখন বিশেষ আকৰ্ষণীয় হৈছিল। মিকিৰ পাহাৰৰ 'ডিয়াচামিচন'ৰ দ্বাৰা প্ৰদৰ্শিত বস্তুবিলাকো চাব লগীয়া হৈছিল। পুৰণি বস্ত্ৰ, সাঁচিপতীয়া পুথি আদিৰ প্ৰদৰ্শনী আশানুৰূপ নহল বুলি ক'ব পাৰি। চৰকাৰী প্ৰচাৰ বিভাগে নানা ধৰণৰ শিক্ষামূলক ছাব দেখুৱাইছিল, আৰু তাত কেউদিন ৰাইজৰ সমাগম যথেষ্ট হৈছিল। প্ৰদৰ্শনীৰ প্ৰাঙ্গনত ঠায়ে ঠায়ে সাজি থোৱা অসমৰ জন নেতা আৰু সাহিত্যিক সকলৰ প্ৰতিকৃতিয়ে বিশেষ সৌন্দৰ্য্য বঢ়াইছিল।

### সাংস্কৃতিক অনুষ্ঠান

১৭ তাৰিখে গধূলি শ্ৰীযুত পদ্মধৰ চলিহা দেৱে সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে। অসমৰ অনেক ঠাইৰ পৰা শিল্পীসকলে অনুষ্ঠানত যোগ দি দৰ্শকৰ প্ৰশংসা ভাজন হৈছিল। স্থানীয় আৰু অন্যান্য শিল্পী সকলেও যথেষ্ট কৃতিত্বেৰে নৃত্য গীত আদিৰে গোটেই অনুষ্ঠানটি সুৱদী কৰি তুলিছিল। শিৱসাগৰৰ শ্ৰীদিপালী বৰঠাকুৰৰ গীতে বিশেষ প্ৰশংসা পাইছিল। শেহৰ দিনা নগাৱঁৰ জাজৰিৰ ৰাইজে অঙ্কীয়া নাটক ৰুক্মিনী হৰণ ভাৱনা কৰি, অঙ্কীয়া নাটৰ যতদূৰসম্ভৱ নিখুত চিত্ৰ এটি দেখুৱাবলৈ যত্ন কৰিছিল।

### আলোচনা চক্ৰ

১৮ এপ্ৰিল শনিবাৰে পুৱা কাৰ্য্য নিৰ্ব্বাহক সভাৰ শেষ

বৈঠক হৈ যোৱাৰ পাচত আবেলিৰ পৰা আলোচনা চক্ৰ আৰম্ভ হয়। ডক্টৰ শ্ৰীযুত মহেশ্বৰ নেওগদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। শ্ৰীযুত সকল মহিচন্দ্ৰ বৰা, আব্দুল মালিক, চন্দ্ৰ ফুকন, অৱনীন্দ্ৰ বৰা, শ্ৰীযুতা নিৰ্ম্মল প্ৰভা বৰদলৈয়ে তেখেত সকলৰ নিজ নিজ বিষয়ত একোটি বক্তৃতা দিয়ে। চুটি গল্প, হিন্দীকাব্য, কবিতা আৰু নাটক আৰু ৰঙ্গমঞ্চ আদিৰ বিষয়ে আলোচনা কৰোতে প্ৰায় তিনি ঘণ্টা সময় লাগে। এই দীঘলীয়া সময় ছোৱাত সহস্ৰাধিক শ্ৰোতাই যথেষ্ট আগ্ৰহৰে আলোচনাবিলাক শুনি থকাৰ পৰাই বক্তাসকলক বক্তৃতাৰ সাৰমৰ্ম্ম উপলব্ধি কৰিব পৰা গৈছিল। ডক্টৰ নেওগদেৱে হঠাৎ সভাপতিৰ আসন গ্ৰহণ কৰিব লগীয়া হোৱা স্বত্তেও তেখেতে সকলো বিষয়কে সামৰি এটি সাৰগৰ্ভ বক্তৃতাৰে শ্ৰোতা মণ্ডলীক সন্তোষ দিয়ে।

## কৱি সম্মিলন

২০ এপ্ৰিল সোমবাৰে পুৱা কবি সম্মিলন আৰম্ভ হয়। নগাওঁ কলেজৰ অধ্যক্ষ শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্ম্মাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। কবি সম্মিলনৰ উদ্যোক্তা কবি, শ্ৰীযুত আনন্দ চন্দ্ৰ বৰুৱাদেৱে, শ্ৰীযুত বিনন্দ বৰুৱাৰ "শক্তি সঞ্চাৰ' নামৰ কবিতাটি আবৃত্তি কৰি সভাৰ কাৰ্য্য আৰম্ভ কৰে। প্ৰথমতে কবি সম্মিলনৰ উদ্দেশ্যে পঠোৱা বাণী আৰু কবিতা পাঠ কৰা হয়। শ্ৰীযুতা ধৰ্ম্মেশ্বৰী বৰুৱানী শ্ৰীযুত সকল যতীন্দ্ৰ নাথ দুৱৰা, অম্বিকাগিৰি ৰায় চৌধুৰী, পাৰ্ব্বতি প্ৰসাদ বৰুৱা, কমলেশ্বৰ চলিহা আদিয়ে সভালৈ বাণী পঠোৱাৰ লগতে একোটি কবিতাও পঠিয়াইছিল। ইয়াৰ পাচত সভাত উপস্থিত থকা কবিসকলে তেখেত সকলৰ কবিতা পাঠ কৰে। তেখেতসকল হৈছে শ্ৰীযুতা নলিনী বালা দেৱী, শ্ৰীযুতা ললিতা ফুকন, শ্ৰীযুত সকল পদ্মধৰ চলিহা, লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা, শ্ৰীমতী লক্ষহীৰা দাস শ্ৰীযুত অতুল চন্দ্ৰ হাজৰীকা, শ্ৰীযুত আনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীযুত ফণী তালুকদাৰ, শ্ৰীযুত ভৱানন্দ ৰাজখোৱা শ্ৰীযুতা নিৰ্ম্মলা প্ৰভা বৰদলৈ, শ্ৰীযুত ভুবন ফুকন, আবদুল মালিক। মুলসভাৰ পিচতেই কবি সম্মিলনত দৰ্শক আৰু শ্ৰোতাৰ সমাগম যথেষ্ট হৈছিল। সভাখনো উপভোগ্য আৰু আকৰ্ষণীয় হৈছিল।

## বুৰঞ্জী শাখা আৰু বিজ্ঞান শাখা

১৯ এপ্ৰিল দেওবাৰে গধূলি বুৰঞ্জী শাখাৰ অধিবেশন আৰম্ভ হয়। প্ৰতিনিধিসকলৰ বাহিৰেও বহুত দৰ্শকে সভাত যোগ দিয়ে। বুৰঞ্জী শাখাৰ সম্পাদক অধ্যাপক আবদুল হাই মহোদয়ে এটি চুটি অথচ সৰুৱা আৰম্ভণী ভাষণ দিয়াৰ পিচত সভাপতি শ্ৰীযুত পদ্মধৰ গগৈদেৱে তেখেতৰ সাৰুৱা অভিভাষণ পাঠ কৰে। পুথিৰ আকাৰে ছপা কৰি বিলাই দিয়া অভিভাষণ খনিৰ পৰা বুৰঞ্জীবিদ আৰু সেই বিষয়ত শিক্ষাৰ্থী সকলে যথেষ্ট সহায় পাব।

২০ এপ্ৰিল সোমবাৰে গধূলি সভা মণ্ডপত বিজ্ঞান শাখাৰ অধিবেশন বহে। শাখাৰ সম্পাদক অধ্যাপক বুদ্ধেশ্বৰ গোহাঁই দেৱৰ আৰম্ভণী ভাষণৰ পিচত ডাঃ পৱন চন্দ্ৰ মহন্ত দেৱে তেখেতৰ সহজ সৰল ভাষাত লিখা বিজ্ঞান সম্বন্ধীয় অভিভাষণ পাঠ কৰে। বিজ্ঞানৰ নিচিনা এটি জটিল বিষয়ৰ আলোচনা কৰিবলৈ গৈ মহন্তদেৱে সহজ অসমীয়া ঘৰুৱা উদাহৰণৰ দ্বাৰা সহজ ভাষাত সৰ্ব্ব সাধৰণৰবোধগম্যহোৱাকৈ বিষয়টো ব্যাখ্যা কৰিব পৰাত বিশেষ কৃতকাৰ্য্য হৈছিল।

এই শাখা সভাবিলাকত প্ৰতিনিধি আৰু ৰাইজৰ সমাগম বিশেষ ভাবে লক্ষ্য কৰিব লগীয়া। সাহিত্য সভাৰ শাখা সভাবিলাকৰ প্ৰতি ৰাইজৰ ক্ৰমে আস্থা বাঢ়ি যোৱাটো সৰহীয়া ৰাইজৰ উপস্থিতিয়ে বিশেষ ভাবে সূচায়।

## মূল সভা

১৮ এপ্ৰিলৰ দিনা দুপৰীয়া মূল সভাৰ আৰম্ভ হয়। সভা মণ্ডল আৰু সভাপতিৰ মঞ্চ ধুনীয়াকৈ সজোৱা হৈছিল। মঞ্চৰ ওপৰত প্ৰাক্তন সভাপতি বাগ্মিবৰ শ্ৰীযুত নীলমনিফুকন, শ্ৰীযুত বেণুধৰ শৰ্ম্মা, শ্ৰীযুত পদ্মধৰ চলিহা, শ্ৰীযুতা নলিনী বালা দেৱী আৰু কৰ্ম্মকৰ্ত্তা সকল বহিছিল। মুগাৰ ৰিহা মেখেলা পিন্ধা স্বেচ্ছা-সেৱিকা, স্বেচ্ছা-সেৱক আৰু গায়ন বায়নৰে



গঠিত এটি শোভাযাত্ৰাৰে সৈতে নগৰ পৰিভ্ৰমণ কৰি সভাপতিয়ে নিৰ্দিষ্ট সময়ত সভা মণ্ডপৰ তোৰণত উপস্থিত হয়হি। তাতে অভ্যৰ্থনা সমিতি আৰু কাৰ্য্য নিৰ্ব্বাহক সভাৰ কৰ্ম্মকৰ্ত্তা সকলে তেখেতক অভ্যৰ্থনা জনায়। সভাপতি আহি মঞ্চত বহিলত প্ৰধান সম্পাদক শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱাই সভাৰ কাৰ্য্য আৰম্ভ কৰি আৰু সেৱক সেৱিকা সকলে সমবেত ভাবে সাহিত্যৰথী বেজবৰুৱাদেৱৰ "আমি অসমীয়া নহওঁ দুখীয়া" আদি গীতটি গাই সভা আৰম্ভ কৰে। কবি শ্ৰীযুত ৰত্নকান্ত বৰকাকতী দেৱে এটি দীঘল অথচ সাৰগৰ্ভ ভাষণৰে সভা উদ্বোধন কৰে। তেখেতে বৰ্ত্তমান অসমীয়া ভাষা সাহিত্যৰ নানাবিধ অন্তৰায় আৰু তাৰ প্ৰতিকাৰ আদিৰ বিষেয় বিশদ ভাবে আলোচনা কৰে।

অসমীয়া সাহিত্যৰ চৰ্চ্চা আৰু উন্নতিৰ নিমিত্তে ইয়াৰ মূল ভাষা সংস্কৃত বিশেষ ভাবে চৰ্চ্চা কৰিবৰ নিমিত্তে উদ্‌গনি দিয়ে। অসমীয়া আখৰ পৰিবৰ্ত্তনৰ কাৰণে উদ্ভৱ হোৱা আন্দোলনৰ তেখেতে বিৰোধিতা কৰে প্ৰাক্তন সভাপতি অধ্যক্ষ শ্ৰীযুত পদ্মধৰ চলিহাৰ প্ৰস্তাৱ আৰু প্ৰাক্তন সভাপতি শ্ৰীযুত বেণুধৰ শৰ্ম্মাৰ সমৰ্থন আৰু সৰ্ব্বশক্তি সম্মতিক্ৰমে শ্ৰীযুত অতুল চন্দ্ৰ হাজৰীকাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰবীন সাহিত্যিক শ্ৰীযুত মহীচন্দ্ৰ বৰাদেৱে তেখেতৰ অভিভাষণ পাঠ কৰে। তেখেতে ২৫ বছৰৰ আগত নগাঁৱত ৺ ৰজনীকান্ত বৰদলৈ দেৱৰ সভাপতিত্বত হোৱা সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনৰ কথা উল্লেখ কৰে। তেতিয়াৰ পৰা এতিয়ালৈকে দেশৰ আৰু অসমীয়া সাহিত্যৰ সাল সলনিৰ কথা কয়। এতিয়া সাহিত্যৰ প্ৰতি বাঢ়ি অহা ধাউতি আৰু ইয়াৰ বৃদ্ধিহোৱা পৰিষৰ মন কৰিব লগীয়া হৈছে বুলিও তেখেতে উক্তি কৰে। এই সময়ত অসমীয়া সাহিত্যৰ নিভুল আৰু সুস্থ সমালোচনাৰ নিতান্ত আৱশ্যক হৈছে আৰু সাহিত্য সভাৰ দ্বাৰা এনেবিলাক কথাৰ সমালোচনা নহলে আৰু সাহিত্যৰ বিশেষ উন্নতিৰ চেষ্টা নকৰিলে সাহিত্য সভাৰ কৰ্ত্তব্য শেষ নহয়। তেখেতে চলিত পাঠ্য পুথি নিৰ্ব্বাচন আৰু প্ৰণয়নৰ কেৰোণবিলাকৰ কথাও বিশেষ ভাবে কয়। তেখেতে অসমীয়া সাহিত্যৰ লিখকসকলৰ স্থায়ী, গঠন মুলক আৰু সৰ্ব্বজন প্ৰিয় সাহিত্য ৰচনা কৰিবলৈ বিশেষ ভাবে অনুৰোধ কৰে। সভাপতি শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা দেৱে তেখেতৰ ১২৮ পিঠীয়া অভিভাষন পাঠ কৰে অভিভাষাণত অসমীয়া সাহিত্যৰ আঁতিগুৰি, বৰ্ত্তমানৰ সমস্যা আৰু সাহিত্যৰথী সকলৰ কৰ্ত্তব্য আদি যাৱতীয় বিষয় খৰচী মাৰি সমালোচনা কৰে। তেখেত নাটকীয় ধৰণৰে পূৰ্ব্ব কবি; সাহিত্যিক সকলৰ উক্তিবোৰ আন এজন লোকৰ

এইটো সহিত্য সভাৰ বুৰঞ্জীত নতুন কথা। সভাপতি দেৱে শ্ৰোতা আৰু দৰ্শকসকলৈ নিজে নিজে পঢ়িবৰ কাৰণে মাজে মাজে এৰি বিশেষ আৱশ্যকীয় অংশহে পাঠ কৰিছিল।

সভাখন আকৰ্ষণীয় কৰিবৰ নিমিত্তে অভ্যৰ্থনা সমিতিয়ে যুগুত কৰা গীত আদিয়ে ৰাইজৰ মনত বিশেষ আনন্দ দিছিল। কাৰ্য্য-নিৰ্ব্বাহক আৰু বিষয় বাচনি সভাত সামান্য সাল সলনিৰে সৈতে গৃহীত হোৱা বছেৰেকীয়া প্ৰতিবেদন প্ৰধান সম্পাদক শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱাই মুল সভাত পাঠ কৰা হয়। প্ৰতিবেদনত সাহিত্য সভাই হাতত লোৱা আৰু গ্ৰহণ কৰা ভালেখিনি কাৰ্য্যৰ আঁচনি ব্যক্ত কৰে। অল ইণ্ডিয়া ৰেডিয়ৰ গুৱাহাটী শাখাৰ পৰা প্ৰচাৰ কৰা চাহ বাগিছা আদিৰ কাৰ্য্যসূচীত অসমীয়াৰ সলনি হিন্দী ব্যৱহাৰ কৰাত প্ৰতিবাদ কৰি যি প্ৰস্তাৱ তিনিচুকীয়া অধিবেশনত হাতত লোৱা হৈছিল, তাৰ ফল স্বৰূপে আকৌ অসমীয়া ভাষাৰেই ব্যৱহাৰ কৰিবলৈ ৰেডিঅ কৰ্ত্তৃপক্ষই থিৰ কৰে।

সাহিত্য সভাই পুৰণি মঠ, মন্দিৰ আদি সংৰক্ষণৰ নিমিত্তে লোৱা প্ৰস্তাৱে চৰ্কাৰে সমৰ্থন কৰে।

সভাই আৱশ্যকীয় কেইবাখনিও পুথি প্ৰকাশ কৰিবলৈ থিৰ কৰি চৰকাৰৰ ওচৰত আৰ্থিক সহায়ৰ নিমিত্তে আবেদন কৰে। বিশ্বকোষ প্ৰণয়নৰ আচনি কৰিবলৈ এখনি উপসমিতিক ভাৰ দিয়া হয়। সেই সমিতিয়ে দিয়া আচনিখন কাৰ্য্যকৰী কৰিবৰ নিমিত্তে চৰ্কাৰলৈ পঠোৱা হয়। চৰ্কাৰে তাৰ কাৰণে আৱশ্যকীয় প্ৰায় ডেৰলাখ

টকা বৰ্ত্তমান দিবলৈ অক্ষম বুলি জনায়।

সমস্ত অসম জুৰি পৰ্য্যতে ভৈয়ামে গঠিত হোৱা শাখা সভাবিলাকৰ ভিতৰত চলিত বছৰতো ভালেখিনি শাখা সভা প্ৰতিষ্ঠিত হোৱাৰ কথা জনায়। সভা বহালৈকে ১২ জন আজীৱন সভ্য ভৰ্ত্তি হোৱাৰ কথাও প্ৰতিবেদনৰ পৰা বুজা গল। তিনিচুকীয়া, সোণাৰী আদিত নতুনকৈ সাহিত্য সভাৰ কাৰ্য্যালয় প্ৰতিষ্ঠা কৰিবলৈ লোৱাৰ উপৰিও গুৱাহাটীত এটি উপযুক্ত সাহিত্য ভৱন প্ৰতিষ্ঠা কৰিবলৈ সভাই চৰকাৰক বিশেষ ভাৱে দাবী কৰা কথা সম্পাদকে ব্যক্ত কৰে। সাহিত্য সভা দিবস, নেফা দিবস আদি গোটেই দেশতে সংবৰ্দ্ধী ভাৱে পতা হয়। সাহিত্য সভা দিবস এই বছৰ নতুন যদিও ইয়াৰ পৰা সাহিত্য প্ৰচাৰ আৰু প্ৰসাৰত ভালেখিনি আগবাঢ়িব পৰা হব বুলি সম্পাদকে কয়। ভৱিষ্যতে এই দিবস আৰু উপযুক্ত ভাৱে পাতিবলৈ সম্পাদকে এই বছৰৰ অভিজ্ঞতাৰ পৰা কেবাটিও পৰামৰ্শ আগবঢ়ায়।

ডুমডুমাৰ শ্ৰীযুত হৰিহৰ চৌধুৰী ডাঙৰীয়াই সাহিত্য সভাৰ জৰিয়তে নেফাৰ ছাত্ৰ সকলৰ ভিতৰত অসমীয়া ভাষাত বিশেষ পাৰদৰ্শিতা দেখুৱাব পৰা ছাত্ৰক বছৰি একোটি পুৰস্কাৰ দিবৰ নিমিত্তে আগবঢ়োৱা এহেজাৰ টকা সভাই সাদৰেৰে গ্ৰহণ কৰা কথা উল্লেখ কৰে।

চলিত বছৰৰ সভাপতি শ্ৰীপদ্মধৰ চলিহা, সহকাৰী সম্পাদক শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী, ধনভৰালী শ্ৰীযত নকুল চন্দ্ৰ ভূঞা আদিৰ আশাশুধীয়া সহায়ৰ কথা উল্লেখ কৰি প্ৰতিবেদনৰ সামৰণি মাৰে।

২০ এপ্ৰিল এক বজাত এটি আৰম্ভণী গীতেৰে সভাৰ কাৰ্য্য আৰম্ভ হয়। চিলচৰৰ প্ৰতিনিধি আৰু অসমীয়া ভদ্ৰা সাহিত্যৰ একনিষ্ঠ সেৱক শ্ৰীযুত হৰেশ্বৰ ভট্টাচাৰ্য্য দেৱে সংস্কৃত ভাষাত কবিতা পাঠ কৰাৰ পিচত বিষয় বাচনি সভাত গৃহীত হৈ থকা প্ৰস্তাৱবিলাক গ্ৰহণ কৰা হয়। (প্ৰস্তাৱ বেলেগ দিয়া আছে) সাধাৰণ প্ৰস্তাৱ বিলাকৰ উপৰিও নিয়মাৱলী সাল-সলনি কৰিবৰ নিমিত্তে তলত দিয়া মতে এখন উপসমিতি গঠন কৰা হয়।

সভাপতি, প্ৰধান সম্পাদক, অধ্যক্ষ শ্ৰীযুত ত্ৰৈলোক গোস্বামী, শ্ৰীমান প্ৰফুল্ল গোস্বামী, শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা, ডাঃ মহেশ্বৰ নেওগ আৰু যতীন্দ্ৰ নাথ গোস্বামী।

প্ৰস্তাৱৰ পিচত এটি বৰগীত আৰু নিমন্ত্ৰিত সকলৰ পৰা পোৱা বাণী পাঠ কৰাৰ পিচত সমজুৱা সকলৰ ফালৰ পৰা এষাৰ দুষাৰ কবলৈ অনুৰোধ কৰা হয়।

সভাপতিৰ বিশেষ অনুৰোধমতে নেফাৰ পৰা আহি প্ৰতিনিধিত্ব কৰা শ্ৰীযুত টাগাং টাকী আৰু তেওঁৰ লগৰ তিনিজন ডেকাই মঞ্চৰ ওপৰলৈ আহি দেখা দিয়ে। শ্ৰীটাগাং টাকীয়ে নেফাৰ বৰ্ত্তমান ভাষা সমস্যা আৰু নেফা অঞ্চলৰ লোক সকলৰ মাধ্যম অসমীয়া ভাষাৰ শিক্ষা বন্ধ কৰাত যি অসুবিধাৰ সৃষ্টি হৈছে আৰু চিৰকাল একেলগে থকা নেফা বাসী আৰু অসমীয়াৰ মাজত বিভেদৰ যি আশঙ্কাই দেখা দিছে তাক বিবৰি কয়।

শ্ৰীযুক্তা নলিনী বালা দেৱীয়ে ধুবুৰীৰ ভাষা সমস্যা অসমীয়াৰ প্ৰতি থলুৱা ধুবুৰী বাসীৰ মৰম, বিশ্বকোষ প্ৰণয়নত সীমামুৰী অঞ্চলৰ কথা যত্নে ঠাই দিয়া, নেফাৰ বিষয়, আৰু আন কেবাটাও সমসাময়িক আৱশ্যকীয় বিষয়ৰ আলোচনা কৰে।

শ্ৰীযুত শুকদেৱ গোস্বামীয়ে অসমীয়াই নিজৰ কৰ্ত্তব্যত বৈশিষ্ট্য ৰক্ষা, ৰাজ্যিক ভাষা, পাঠ্য পুথি, পাঠক সমাজ আৰু জনমত সংগঠন, গোৱাল পৰা, কোচবিহাৰ আদিৰ বিষয় সংগঠন আন্দোলন, সাহিত্য সভাৰ পূৰ্ব্ববৰ্ত্তী অধিৱেশন আদিৰ বিষয়ে আলোচনা কৰে।

কবি শ্ৰীযুত আনন্দ চন্দ্ৰ বৰুৱাই আৱশ্যকীয় মূল্যবান গ্ৰন্থ লিখকসকললৈ পুৰস্কাৰ প্ৰদান, সাহিত্য একাডেমী, দুখীয়া সাহিত্যিকক সাহায্য দান আদিৰ বিষয়ে কয়।

শ্ৰীযুত ললিত থাৰঘৰীয়াই কাছাৰত অসমীয়া শিক্ষা প্ৰচাৰৰ ব্যৱস্থা, পাঠ্য পুথিৰ অভাৱ আৰু সম, দম, নিয়ম, নীতি আচৰণৰ লগত "যোগ" অভ্যাসৰ সম্বন্ধৰ বিষয় কয় আৰু যোগ অভ্যাসৰ দুটিমান কৌশল দেখুৱায়।

শ্ৰীযুত বোদেশ্বৰ গোহাঁয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত দিব খোজা দলঙৰ নামকৰণ বিষয়ত আলোচনা কৰি উক্ত দলঙৰ নাম



"শৰাইঘাট" দলঙতকৈ 'কলীয়াভোমোৰা বৰ ফুকন'ৰ নামে দলং দিলে ভাল হব বুলি মত প্ৰকাশ কৰে।

শ্ৰীযুত খগেন বৰাই অসমলৈ অহা বিদেশীৰ সোঁত, স্বাধীনতাৰ পিচত অসমৰ সমস্যা, কৰ্ত্তৃপক্ষৰ মাহী আইৰ সাদৰ, নকৈ অসমলৈ অহা লোকসকলৰ ভাষা সম্বন্ধে কৰ্ত্তব্য আদিৰ বিষয়ে আলোচনা কৰে।

বিদায়ী সভাপতি শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াই নিজৰ আৰু কাৰ্য্য-নিৰ্ব্বাহক সভাৰ হৈ পদ ত্যাগ কৰিবলৈ উঠি অসমীয়া জাতিৰ আত্ম সংগঠন, সাহিত্য সভাৰ সভ্য সংখ্যা বৃদ্ধি, আনুষ্ঠানিক শক্তি বৃদ্ধি, সাহিত্য আৰু ভাষাৰ নিমিত্তে সংগ্ৰামমুখী চেষ্টা, পৰ্ব্বত ভৈয়াম সম্প্ৰীতি, ৰাজ্য ভাষা অনতি পলমে অসমীয়া কৰা, নেফাৰ ভাষা সমস্যা, অসমীয়া ভাষা মৰিলে অসমীয়া জাতীয়ো মৰণ, অনা-অসমীয়াক অসমৰ সকলো ৰকম স্বাৰ্থত যোগ দিবলৈ আহ্বান, আদি বিষয়ে তেজস্বী ভাষাৰে কৈ পদ ত্যাগ কৰে।

বিদায়ী প্ৰধান সম্পদক শ্ৰীযুত বিনন্দ-চন্দ্ৰ বৰুৱাই তলত দিয়া মতে নতুন কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্য আৰু কাৰ্য্যকৰ্ত্তা সকলৰ নাম ঘোষণা কৰে।

সভাপতি— শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা
উপ সভাপতি—শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা
প্ৰধান সম্পাদক— ,, যতীন্দ্ৰনাথ গোস্বামী
ধন ভৰালী ,, নকুল চন্দ্ৰ ভূঞা
পত্ৰিকা সম্পাদক ,, সত্যেন্দ্ৰ নাথ শৰ্ম্মা
সহকাৰী সম্পাদক ,, হৰি প্ৰসাদ নেওগ

**সভ্য সকল**—শ্ৰীললিত চন্দ্ৰ বৰা, শ্ৰীচৈয়দ আবদুল মালিক, শ্ৰীলীলা গগৈ, শ্ৰীবুদ্ধিন্দ্ৰ নাথ ৰাজখনিকৰ, শ্ৰীমতী লক্ষহীৰা দাস, শ্ৰীযুত কৃষ্ণ প্ৰসাদ বৰুৱা, শ্ৰীহৰেশ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীযোগেন্দ্ৰ চৰকাৰ, শ্ৰীসুৰেন্দ্ৰ নাথ দত্ত, শ্ৰীত্ৰৈলোক নাথ গোস্বামী, শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মা, শ্ৰীভৱানন্দ ৰাজখোৱা, শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী

শ্ৰীযুত মহাদেৱ শৰ্ম্মাই অহাবাৰলৈ সভা তেজপুৰলৈ নিমন্ত্ৰণ কৰে। সভাপতি দেৱে সামৰণি ভাষণত সকলোলৈকে কৃতজ্ঞতা জনায় আৰু সকলোকে সাহিত্য সভাৰ কাৰ্য্যত আশাশুধীয়া সহায় কৰিবলৈ অনুৰোধ কৰে। অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা শ্ৰীযুত মহেশ চন্দ্ৰ দেৱ গোস্বামীয়ে অতি সন্তৰ্পনে অভ্যৰ্থনা সম্পৰ্কীয় ত্ৰুটি মাৰ্জনাৰ কাৰণে ক্ষমা প্ৰাৰ্থনা খোজে। শ্ৰীযুত মহাদেৱ শৰ্ম্মাই প্ৰতিনিধি সকলৰ ফালৰপৰা শলাগৰ শৰাই আগবঢ়ায়। সন্ধ্যাৰ আগে আগে, জাতীয় সঙ্গীতেৰে নগাঁৱত বহা অসম সাহিত্য সভাৰ সপ্তবিংশ অধিৱেশনৰ সামৰণি পৰে।

## বিষয় বাছনি সভা

১৮।৪।৫৯ তাৰিখে সন্ধিয়া চৰকাৰী জিলা পুথিভঁৰালৰ নৱ-নিৰ্ম্মিত ভৱনত বিষয়-বাছনি সভা বহে। বিদায়ী সম্পাদক শ্ৰীযুত বিনন্দ বৰুৱাৰ প্ৰস্তাৱ অনুযায়ী সপ্তবিংশ অধিৱেশনৰ নিৰ্ব্বাচিত সভাপতি শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাই সভাপতিৰ আসন গ্ৰহণ কৰে। জয়ধ্বনিতে প্ৰতিনিধিসকলক চা-চিনাকি কৰি দিয়া হয়। তাৰ পাচত শ্ৰীযুত বিনন্দ বৰুৱাই প্ৰধান সম্পাদকৰ প্ৰতিবেদন পাঠ কৰে, কিন্তু সভাঘৰত মাত ভালকৈ শুনাৰ কাৰণে সেই দিন প্ৰতিবেদন পাঠ নৌ শেষ হওঁতেই সভা স্থগিত ৰাখে।

১৯ তাৰিখে পুৱা ৮ বজাত নগাঁও কলেজৰ লোকপ্ৰিয় ৰবদলৈ হলত বিষয়-বাছনি সভা বহে। শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাসৰ এটি বৰগীতেৰে সভাৰ কাৰ্য্য আৰম্ভ কৰা হয়। তাৰ পিচত প্ৰধান সম্পাদক শ্ৰীযুত বৰুৱাই সম্পাদকীয় প্ৰতিবেদন পঢ়ে। প্ৰতিবেদনৰ কথা বিশেষ সাল-সলনি নকৰাকৈ গৃহীত হয়। সহকাৰী সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে সাহিত্য সভা দিবসৰ আয়-ব্যয় এটি হিচাপ দাঙি ধৰে। সভাপতি শ্ৰীহাজৰিকা দেৱে বিশেষ কাৰণত সভাঘৰ এৰিব লগা হোৱাত অধ্যক্ষ শ্ৰীযুত ত্ৰৈলোক্য নাথ গোস্বামীদেৱে সভাপতিৰ

আসন গ্ৰহণ কৰে আৰু প্ৰধান সম্পাদকে প্ৰস্তাৱ-সমূহ উত্থাপন কৰে। বিষয়-বাছনি সভাত দাঙিধৰা প্ৰস্তাৱ সমূহৰ আলোচনাত প্ৰতিনিধিসকলে অংশ গ্ৰহণ কৰে। ৰাজ্যিক ভাষা বিষয়ক প্ৰস্তাৱটোৰ আলোচনা শেষ নোহোৱাকৈ সভা স্থগিত ৰখা হয়।

সেই দিনা সন্ধিয়া ৭ বজাত শ্ৰীযুত হাজৰিকাদেৱৰ সভা পতিত্বত পুনৰ বিষয় বাছনি সভা বহে। যথেষ্ট আলোচনাৰ অন্তত ৰাজ্যিক ভাষা বিষয়ক প্ৰস্তাৱটো গৃহীত হয়। বিষয় বাছনি সভাত গৃহীত প্ৰস্তাৱসমূহ সংশোধন কৰি লিখিবৰ কাৰণে এটি তিনিজনীয়া কমিটি পতা হয়। ইয়াৰ পাচত নতুন বছৰৰ বিষয়-বৰীয়া নিৰ্ব্বাচিত হয়; আৰু সকলো কাৰ্য্য নিয়াৰিকৈ সম্পন্ন হয়।

## অধিৱেশনত গৃহীত প্ৰস্তাৱসমূহ

### ১ম প্ৰস্তাৱ।

অসম সাহিত্য সভাৰ আজিৰ ২৭ তম অধিৱেশনে কবি মফিজুদ্দিন আহ্মদ হাজৰিকা, সুসাহিত্যিক হৰিনাৰায়ণ দত্ত বৰুৱা, সুসাহিত্যিক দুলাল চন্দ্ৰ বৰঠাকুৰ, কৰ্ম্মযোগী হৰেকৃষ্ণ দাস, অসম সাহিত্য সভাৰ আজীৱন সভ্য জিতেন্দ্ৰ কুমাৰ দাস, প্ৰসন্ন কুমাৰ বৰুৱা, সদানন্দ দুৱৰা, পূৰ্ণকান্ত বুঢ়াগোঁহাই, ৰাধা কান্ত চৌধুৰী, শৈলেন্দ্ৰ প্ৰসাদ বৰুৱা, অন্নদাচৰণ ভট্টাচাৰ্য্য মাধৱ চন্দ্ৰ ভট্টাচাৰ্য্য, চন্দ্ৰপ্ৰভা বৰুৱা, বিমলা কান্ত বড়া, দুৰ্গা-কিঙ্কৰ শাস্ত্ৰী, আৰ আৰ টমাচ ( R. R. Thomas ), ৰামচন্দ্ৰ বড়া, লক্ষ্মীকান্ত ব্ৰহ্ম, কুহিৰাম দাস, নিত্যানন্দ গোঁহাই, সীতাৰাম আগৰৱালা, মৌলানা চুজাউদ্দিন আহ্মদ, তাৰিণী কান্ত বৰুৱা, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, বলো কান্ত বৰুৱা, শশীধৰ বৰুৱা, আৰু ওজাউদ্দিন আহ্মদৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াল সমূহলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰি মৃতকৰ আত্মাৰ সদগতি কামনা কৰে।

সভাপতিৰ আসনৰ। পৰা

### ২য় প্ৰস্তাৱ

অসম সাহিত্য সভাৰ নিয়মাৱলীৰ আৱশ্যকীয় সংশোধন কৰিব নিমিত্তে তলত নাম দিয়া ৭ জন সভ্যৰে এখন উপ সমিতি গঠিত হওক—

১। সভাপতি
২। প্ৰধান সম্পাদক।
৩। অধ্যক্ষ ত্ৰৈলোক্য গোস্বামী
৪। শ্ৰী শ্ৰীমান প্ৰফুল্ল গোস্বামী
৫। শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা
৬। ডাঃ মহেশ্বৰ নেওগ
৭। শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী

প্ৰস্তাৱক—শ্ৰীঅশ্বিনী চৰণ চৌধুৰী
সমৰ্থক—শ্ৰীবিবুধ কলিতা।

### ৩য় প্ৰস্তাৱ

আঞ্চলিক ভাষা সমূহৰ সকলো প্ৰকাৰ উন্নতি সাধনৰ বাবে সহায় কৰাটো চৰকাৰৰ ঘোষিত নীতি হোৱা স্বত্বেও, অসম চৰকাৰে অসমৰ ভাষা-সাহিত্যৰ চৰ্চ্চা, প্ৰচাৰ আৰু প্ৰসাৰণৰ বাবে কাম কৰি অহা এই সৰ্ব্বপ্ৰধান অনুষ্ঠান সাহিত্য সভাৰ আচনি কাৰ্য্যকৰি কৰিবলৈ অনুদান নিতান্ত তাকৰীয়াকৈ দিয়াত আৰু পৌনঃ পৌনিকভাৱে চৰকাৰক এই অনুদান বৃদ্ধি কৰিবলৈ দাবী জনাই অহা স্বত্বেও অনুদান বৃদ্ধি নকৰাত গভীৰ দুখ প্ৰকাশ কৰে আৰু প্ৰতি বছৰে অতি কমেও ২৫,০০০ টকা অনুদান দিবলৈ আজি নগাওঁত বহা সপ্তবিংশ অধিৱেশনে টানি অনুৰোধ জনায়।

প্ৰঃ শ্ৰীসুৰেন্দ্ৰ নাথ দত্ত
সঃ শ্ৰীভূষণ চন্দ্ৰ ডেকা

### ৪ৰ্থ প্ৰস্তাৱ

অসম সাহিত্য সভাই আজি বহুদিন ধৰি অসমৰ অবিচ্ছেদ্য অঙ্গ পূঃ সীঃ অঞ্চলত জন জাতীয় লোকসকলৰ ইচ্ছা অনুকূলে অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰিবলৈ জনাই অহা দাবীৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগে অসম সাহিত্য সভাক যি আশ্বাস দিছিল, বাস্তৱ ক্ষেত্ৰত সেইমতে কাম নকৰাত দুখ প্ৰকাশ কৰে আৰু এনে নীতি এৰি পূৰ্ব্বৰ আশ্বাস অনতিপলমে কাৰ্য্যকৰী কৰিবলৈ দাবী কৰে।

প্ৰ শ্ৰীতপেশ্বৰ শৰ্ম্মা
সঃ শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী।



### ৫ম প্ৰস্তাৱ

অসমীয়া ভাষাৰ আধুনিক যুগৰ প্ৰতিষ্ঠাতা স্বৰ্গীয় আনন্দৰাম ঢেকীয়াল ফুকনৰ পুণ্য স্মৃতি ৰক্ষাৰ্থে নগাঁৱত য'ত সিজনাই ইহলীলা সম্বৰণ কৰিছিল সেই ঠাইত এটি স্মৃতি স্তম্ভ নিৰ্ম্মাণ কৰা হওক আৰু অহা ১৬ জুন দিনটো স্বৰ্গীয় ঢেকিয়াল ফুকনৰ মৃত্যুৰ শত বাৰ্ষিকী হিচাবে সদৌ অসমতে পালন কৰা হওক বুলি আজিৰ সভাই প্ৰস্তাৱ আগ বঢ়ায়।

প্ৰস্তাৱক – শ্ৰীশিৱ প্ৰসাদ বৰুৱা
সমৰ্থক—শ্ৰীপ্ৰফুল্ল দত্ত।

### ৬ষ্ঠ প্ৰস্তাৱ

আজিৰ সভাই দাবী কৰে যে পাঠপুথি আৰু আন সকলো কিতাপৰ ওপৰতে অসম চৰকাৰৰ বিক্ৰীকৰ অনতিপলমে উঠাই দিব লাগে।

প্ৰঃ শ্ৰীনকুল চন্দ্ৰ ভূঞা
সঃ ধৰ্ম্ম কান্ত গোঁহাই

### ৭ম প্ৰস্তাৱ

অসম সাহিত্য সভাৰ এই ২৭ তম অধিৱেশনে প্ৰস্তাৱ কৰে যে নৱনিৰ্ম্মিত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰৰ দলং খনৰ নাম শৰাই ঘাট দলং( Saraighat Bridge ) হওক। এই সভাই আৰু প্ৰস্তাৱ কৰে যে নগাওঁ হয়বৰ গাৱঁৰ মাজৰ নৱনিৰ্ম্মিত কলঙৰ দলং খনিৰ নাম সাহিত্যিক স্বৰ্গীয় ঢেকিয়াল ফুকন নামকৰণ হওক।

———

প্ৰঃ শ্ৰীযতীন গোস্বামী
সঃ শ্ৰীযোগেন্দ্ৰ চন্দ্ৰ চৰকাৰ।

### ৮ম প্ৰস্তাৱ

অসমৰ অনা অসমীয়া ভাষা-ভাষী শিক্ষানুষ্ঠান সমূহক বাধ্যতা মূলক ভাৱে অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰৰ শিক্ষা বিভাগক আজিৰ সভাই দাবী জনায়।

প্ৰঃ বিপিন চন্দ্ৰ বৰুৱা
সঃ শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱা

### ৯ প্ৰস্তাৱ

অসম সাহিত্য সভা আৰু অসমৰ জনমতে সংবিধানৰ মৌলিক অধিকাৰ অনুযায়ী অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা বুলি ঘোষণা কৰিবলৈ কেইবা বছৰ ধৰি দাবী কৰি অহা স্বত্বেও জনমত উপেক্ষা কৰি অসম চৰকাৰে ঘোষণা কৰাত এই সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু অনতিপলমে অসমীয়াক ৰাজ্যিক ভাষা বুলি ঘোষণা কৰিবলৈ আজিৰ সভাই পুনৰ চৰকাৰক দাবী কৰে।

অসমীয়া ভাষাক ৰাজ্যিক ভাষা বুলি ১৯৬০ চনৰ ভিতৰতে ঘোষণা কৰিবৰ বাবে বিধান সভাত প্ৰস্তাৱটি উত্থাপন কৰি কাৰ্য্যকৰী কৰিবলৈ বিধান সভাৰ সদস্য সকলক টানি অনুৰোধ জনায়।

প্ৰ শ্ৰীমহাদেৱ শৰ্ম্মা।
সঃ শ্ৰীৰিয়াজুল হুচেইন।

# পত্ৰিকাৰ নিয়মাৱলী

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা॥ সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰৱন্ধ আদি ( অষ্টাদশ বছৰৰ কাৰণে ) এপিঠিত ফটফটীয়াকৈ লিখি, "ডাঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ৰিহাবাৰী গুৱাহাটী" এই ঠিকনাত পঠাব। সকলো টকা-কড়ি আৰু কাকত সম্পৰ্কে সম্পাদক, অসম সাহিত্য সভা যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গৱেষণামূলক প্ৰৱন্ধইহে ইয়াত ঠাই পাব।

# জাননীৰ নিৰিখ

| | | |
|---|---|---|
| এপিঠিত | ৪০৲ | ( প্ৰতি সংখ্যাত ) |
| আধা পিঠিত | ২২৲ | ( " " ) |
| সিকি পিঠিত | ১২৲ | ( " " ) |
| বেটুপাত ৩য় পিঠিত | ৪৫৲ | ( " " ) |
| বেটুপাতৰ ৪ৰ্থ পিঠিত | ৫০৲ | ( " " ) |

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
যোৰহাট

# অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ

১। অসম সাহিত্য সভাৰ ভাষাৱলী (প্ৰথম ভাগ)—প্ৰথম ১২ জন সভাপতিৰ বহুমূলীয়া অভিভাষণ আৰু চমু চিনাকি। বেচ ৮৲ (সভাৰ কাৰণে ৬৲)

২। অসম সাহিত্য সভাৰ ভাষণাৱলী (দ্বিতীয় ভাগ ত্ৰয়োদশ অধিবেশনৰ পৰা পঞ্চবিংশ অধিবেশনলৈ সভাপতিসকলৰ বহুমূলীয়া অভিভাষণৰ আৰু চমু চিনাকি। বেচ ৮৲ দুয়োখন একেলগে ১৪৲ (সভাৰ কাৰণে ৬৲, দুয়োখন একেলগে ১০৲)।

৩। অসম সাহিত্য সভা বাৰ্ষিকী (প্ৰথম ভাগ) ত্ৰয়োবিংশ অধিবেশনৰ মূল সভা, শাখা সভা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ আদিৰে বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ (সভাৰ কাৰণে আধা)।

৪। অসম সাহিত্য সভা বাৰ্ষিকী (দ্বিতীয় ভাগ) চতুৰ্ব্বিংশ অধিবেশনৰ মূল সভা, শাখা সভা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ আদিৰে বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ সভাৰ কাৰণে আধা)

৫। শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ—বলোৰাম দ্বিজ বিৰচিত। বেচ ১৲ সভাৰ কাৰণে আধা।

৬। সাত্বত তন্ত্ৰ—ভাগৱতী মিশ্ৰ বিৰচিত। বেচ ॥৵০, সভাৰ কাৰণে আধা।

৭। লৱ কুশৰ যুদ্ধ (সচিত্ৰ)—হৰিবৰ বিপ্ৰ ৰচিত আৰু ডঃ মহেশ্বৰ নেওগ সম্পাদিত। বেচ ২৲, সভাৰ কাৰণে আধা।

৮। বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা (প্ৰথম ভাগ)— ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। বেচ ২৲

৯। শ্ৰীশ্ৰীবনমালী দেৱৰ চৰিত্ৰ—ৰমাকান্ত দ্বিজ বিৰচিত। বেচ ৸০, সভাৰ কাৰণে আধা।

১০। This is Assam—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত ইংৰাজী গ্ৰন্থ। বেচ ২৲ (সভাৰ কাৰণে আধা)

১১। The Outlook on N. E. F. A.—শ্ৰীপৰাগ চলিহা সম্পাদিত। বেচ ২৲, সভাৰ কাৰণে আধা।

১২। সীমান্তৰ সম্ভেদ—শ্ৰীপৰাগ চলিহা সম্পাদিত। বেচ ২৲, সভাৰ কাৰণে আধা।

১৩। নীলাচল পাঠ—(আওনগা-অসমীয়া পুথি) লেখক শ্ৰীমহেন্দ্ৰনাথ সভাপতিত। বেচ ১৲

১৪। আনন্দৰাম ঢেকিয়াল ফুকন (জীৱনী আৰু ৰচনা)—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সম্পাদিত। বেচ ।৵০

১৫। অসমীয়া ভাষা—ডঃ মহেশ্বৰ নেওগ অনুদিত। ঢেকিয়াল ফুকনৰ A few remarks on the Assamese Language পুথিৰ ভাঙনি।

সৰহকৈ নিওঁতাক কমিচন দিয়া হয়।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট

প্ৰধান সম্পাদক
অসম সাহিত্য সভা

অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মাৰ দ্বাৰা গুৱাহাটী জব প্ৰিণ্টাৰ্চ প্ৰেছৰ পৰা মুদ্ৰিত আৰু প্ৰকাশিত হল।